GSK S3 02

ভাৰতীয় দর্শন

তৃতীয় ষাণ্মাসিক

সংস্কৃত

পাঠ্যবিষয় ০৪

খণ্ড ঃ ১



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৱা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১ — ৮	ড° ভাৱতী গোস্বামী সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, বি. বৰুৱা মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা মুক্তা বিশ্বাস, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্য্যালয় ঃ পাটগাঁও, ৱাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্য্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ভাৰতীয় দর্শনৰ পৰিচয়** **৭ - ১৮**

দর্শন শব্দৰ অর্থ; ভাৰতীয় দর্শনৰ উৎপত্তি আৰু ক্রমবিকাশ; ভাৰতীয় দর্শনৰ শ্রেণীবিভাগ; ভাৰতীয় দর্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ; ভাৰতীয় দার্শনিক সম্প্রদায়সমূহৰ চমু পৰিচয়

অধ্যায় ২ ঃ **সাংখ্য দর্শনৰ পৰিচয়** **১৯ - ৩০**

সাংখ্য শব্দৰ অর্থ; সাংখ্য দর্শনৰ চমু আভাস ঃ সৎকার্য্যবাদ, প্রকৃতি আৰু পুৰুষ, সৃষ্টি তত্ত্ব, জ্ঞান তত্ত্ব, মোক্ষ বা মুক্তি তত্ত্ব, ঈশ্বৰ সম্পর্কে সাংখ্যৰ ধাৰণা

অধ্যায় ৩ ঃ **যোগ দর্শনৰ পৰিচয়** **৩১ - ৪১**

যোগ শব্দৰ অর্থ; যোগ দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস ঃ যোগ মনস্তত্ত্ব, যোগৰ অষ্টমার্গ বা অষ্টাঙ্গযোগ, যোগ দর্শনৰ ঈশ্বৰতত্ত্ব

অধ্যায় ৪ ঃ **ন্যায় দর্শনৰ পৰিচয়** **৪২ - ৫৮**

ন্যায় শব্দৰ অর্থ; ন্যায় দর্শনৰ পদার্থৰ সংখ্যা; ন্যায় দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাষ ঃ জ্ঞান তত্ত্ব, কাৰণ তত্ত্ব, আত্মা আৰু তাৰ মুক্তি, ঈশ্বৰ তত্ত্ব

অধ্যায় ৫ ঃ **বৈশেষিক দর্শনৰ পৰিচয়** **৫৯ - ৭১**

বৈশেষিক শব্দৰ অর্থ; বৈশেষিক দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাষ; বৈশেষিক দর্শনৰ সপ্ত পদার্থ ঃ দ্রব্য, গুণ, কর্ম, সামান্য, বিশেষ, সমবায়, অভাৱ; বৈশেষিক পৰমাণুবাদ আৰু সৃষ্টিতত্ত্ব; ঈশ্বৰ তত্ত্ব; আত্মা আৰু মুক্তি

অধ্যায় ৬ ঃ **মীমাংসা দর্শনৰ পৰিচয়** **৭২ - ৮৩**

মীমাংসা শব্দৰ তাৎপর্য্য; মীমাংসা দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস ঃ জ্ঞান তত্ত্ব, ভ্রমতত্ত্ব, অধ্যাত্মতত্ত্ব, আত্মা আৰু জ্ঞান, ধর্ম, মীমাংসা দর্শনত ঈশ্বৰৰ স্থান

অধ্যায় ৭ ঃ **বেদান্ত দর্শনৰ পৰিচয় (প্রথম ভাগ)** **৮৪ - ৯৮**

বেদান্তৰ উৎপত্তি আৰু ক্রমবিকাশ; অদ্বৈত বেদান্ত দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস ঃ জ্ঞানতত্ত্ব, ব্রহ্মতত্ত্ব, জগততত্ত্ব, মায়াতত্ত্ব, ঈশ্বৰতত্ত্ব, জীৱতত্ত্ব, মোক্ষতত্ত্ব

অধ্যায় ৮ ঃ **বেদান্ত দর্শনৰ পৰিচয় (দ্বিতীয় ভাগ)** **৯৯ - ১১২**

বিশিষ্টাদ্বৈতবাদ শব্দৰ তাৎপর্য্য; বিশিষ্টাদ্বৈতবাদ বিভিন্ন বিষয়বস্তুৰ চমু আভাস ঃ ব্রহ্ম, জগত, মায়া, জীৱ আৰু তাৰ বন্ধনমুক্তি; অন্যান্য বেদান্ত সম্প্রদায় ঃ দ্বৈতবাদ, দ্বৈতাদ্বৈতবাদ, শুদ্ধাদ্বৈতবাদ

পাঠ্যবিষয়ৰ পৰিচয় ঃ ভাৰতীয় দর্শন

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ প্রধান তথা ঐচ্ছিক সংস্কৃত বিষয়ৰ তৃতীয় ষাণ্মাসিকৰ চতুর্থ পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। 'ভাৰতীয় দর্শন' শীর্ষক পাঠ্যবিষয়টিত ভাৰতীয় দর্শনৰ বিভিন্ন সম্প্রদায়সমূহৰ বিষয়ে আলোচিত হ'ব, ইয়াৰ উপৰি 'তর্কসংগ্রহ' গ্রন্থৰ বিষয়েও এই পাঠ্যবিষয়টিত আলোচিত হ'ব। এই পাঠ্যবিষয়টিত সর্বমুঠ পোন্ধৰটা অধ্যায় আছে। ইয়াক দুটা খণ্ডত ভাগ কৰা হৈছে। প্রথম খণ্ডত আঠটা অধ্যায় আৰু দ্বিতীয় খণ্ডত সাতটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। পাঠ্যবিষয়টিৰ অধ্যায়সমূহৰ নাম তলত উল্লেখ কৰা হ'ল—

প্রথম খণ্ডৰ অধ্যায়সমূহ হ'ল—

১) ভাৰতীয় দর্শনৰ পৰিচয়
২) সাংখ্য দর্শনৰ পৰিচয়
৩) যোগ দর্শনৰ পৰিচয়
৪) ন্যায় দর্শনৰ পৰিচয়
৫) বৈশেষিক দর্শনৰ পৰিচয়
৬) মীমাংসা দর্শনৰ পৰিচয়
৭) বেদান্ত দর্শনৰ পৰিচয় (প্রথম ভাগ)
৮) বেদান্ত দর্শনৰ পৰিচয় (দ্বিতীয় ভাগ)

দ্বিতীয় খণ্ডৰ অধ্যায়সমূহ হ'ল—

৯) চার্বাক দর্শনৰ পৰিচয়
১০) জৈন দর্শনৰ পৰিচয়
১১) বৌদ্ধ দর্শনৰ পৰিচয়
১২) প্রমাণ (সাধাৰণ আলোচনা)
১৩) অনুমান প্রমাণ (সাধাৰণ আলোচনা)
১৪) তর্কসংগ্রহ (সাধাৰণ আলোচনা)
১৫) তর্কসংগ্রহ (অনুমান খণ্ড)

খণ্ড পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্ৰমৰ তৃতীয় ষাণ্মাসিকৰ প্ৰধান তথা ঐচ্ছিক সংস্কৃতৰ প্ৰথম খণ্ডৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই খণ্ডটিত আঠটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। সেইসমূহ হ'ল—

অধ্যায় ১ ঃ ভাৰতীয় দৰ্শনৰ পৰিচয়
অধ্যায় ২ ঃ সাংখ্য দৰ্শনৰ পৰিচয়
অধ্যায় ৩ ঃ যোগ দৰ্শনৰ পৰিচয়
অধ্যায় ৪ ঃ ন্যায় দৰ্শনৰ পৰিচয়
অধ্যায় ৫ ঃ বৈশেষিক দৰ্শনৰ পৰিচয়
অধ্যায় ৬ ঃ মীমাংসা দৰ্শনৰ পৰিচয়
অধ্যায় ৭ ঃ বেদান্ত দৰ্শনৰ পৰিচয় (প্ৰথম ভাগ)
অধ্যায় ৮ ঃ বেদান্ত দৰ্শনৰ পৰিচয় (দ্বিতীয় ভাগ)

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্ৰগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্ৰগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান **'আৰ্হি প্ৰশ্ন'** তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ ভাৰতীয় দৰ্শনৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ দৰ্শন শব্দৰ অৰ্থ
১.৪ ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশ
১.৫ ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাগ
১.৬ ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ
১.৭ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ চমু পৰিচয়
১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্ৰগতিৰ খতিয়ান
১.১১ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দৰ্শন শব্দৰ অৰ্থ জানিব পাৰিব
- ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে অৱগত হ'ব
- ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাগ সম্পৰ্কে জানিব পাৰিব
- ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ব
- ভাৰতীয় দৰ্শনৰ নটা সম্প্ৰদায়ৰ চমু পৰিচয় লাভ কৰিব।

১.২ পৰিচয়

আপুনি নিশ্চয় জানে যে ভাৰতীয় দৰ্শন হ'ল সমগ্ৰ ভাৰতবৰ্ষত আৱহমান কালৰে পৰা চলি অহা এক সামগ্ৰিক চিন্তা ধাৰা। ভাৰতীয় দৰ্শন হিন্দু বা জৈন বা বৌদ্ধ আদি কোনো সাম্প্ৰদায়িক দৰ্শন নহয়। আপুনি জানেনে ই হৈছে হিন্দু, বৌদ্ধ, জৈন, ইছলাম, খ্ৰীষ্টান আদি সকলো সম্প্ৰদায়ৰে সানমিহলি এটি সনাতন দৰ্শন। এই সনাতন চিন্তাধাৰাই হৈছে ভাৰতীয় দৰ্শনৰ মুখ্য বৈশিষ্ট্য। ভাৰতীয় দৰ্শন মূলতঃ নটা সম্প্ৰদায়ত বিভক্ত হৈছে। ইয়াৰে প্ৰত্যেকটো সম্প্ৰদায়ে সূক্ষ্ম যুক্তি বিচাৰৰ দ্বাৰা নিজা নিজা মত প্ৰতিষ্ঠা কৰি ভাৰতীয় চিন্তাধাৰাৰ ক্ৰমবিবৰ্তনত এক বৃহৎ দাৰ্শনিক ভাৱধাৰাৰ সৃষ্টি কৰিছে, যাৰ মাজত ঐক্যৰ উপস্থিতি আমি অনুভৱ কৰিব পাৰোঁ। এই অনৈক্যৰ মাজৰ ঐক্যক ভাৰতৰ আত্মা বুলি ক'ব পাৰি। দাৰ্শনিক মাধৱাচাৰ্য্যৰ 'সৰ্বদৰ্শন-সংগ্ৰহ'ত ভাৰতীয়

দার্শনিক সম্প্রদায়ৰ আটাইকেইটা ভিন্ন দার্শনিক সম্প্রদায়ৰ পাৰস্পৰিক আলোচনাৰ পৰাও বুজিব পাৰি যে 'ভাৰতীয় দৰ্শন এটা সামগ্রিক চিন্তাধাৰা'।

এই অধ্যায়ত দৰ্শন শব্দৰ অর্থ, ভাৰতীয় দার্শনিক সম্প্রদায়সমূহৰ ক্রমবিকাশ, ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্রদায়ৰ নাম, ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্য আদিৰ কিছু আভাস আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে।

১.৩ দৰ্শন শব্দৰ অর্থ

এতিয়া আপুনি দৰ্শন শব্দৰ অর্থ জানিব পাৰিব।দৰ্শন শব্দটো সংস্কৃত 'দৃশ্' ধাতুৰ সৈতে অনট্ বা ল্যুট্ প্রত্যয় যোগে নিষ্পন্ন হৈছে। 'দৃশ্' ধাতুৰ অর্থ 'দেখা' বা 'প্রত্যক্ষ' কৰা। অর্থাৎ যথার্থ সত্যক দেখা বা উপলব্ধি কৰা। সত্যক কেৱল জানিলেই নহয়, ব্যৱহাৰিক জীৱনত তাক প্রয়োগ কৰাটোও এটা উদ্দেশ্য। মানুহৰ প্রকৃতি কি? জীৱনৰ শেষ ক'ত? যিখন পৃথিৱীত মানুহ বাস কৰে সেই পৃথিৱীৰ স্বৰূপ কি? মৃত্যুৰ লগে লগে জীৱনৰ পৰিসমাপ্তি ঘটে নেকি? আমাক কোনে লালন-পালন কৰে? জগতৰ উৎপত্তি কেনেকৈ হ'ল? এনেকুৱা অসংখ্য প্রশ্ন তথা সমস্যাৰ লগতে সমাধানৰ বিষয়ে ভাৰতীয় দৰ্শনত আলোচনা কৰা হৈছে। সেয়েহে ভাৰতীয় দৰ্শনক 'সত্যদৰ্শন' বুলিও কোৱা হয়।

ভাৰতীয় দার্শনিকৰ দৃষ্টিভঙ্গীত দৰ্শন আৰু ধর্ম একেটা সূত্রতে আৱদ্ধ। তেওঁলোকৰ মতে ধর্ম কেৱল মাত্র নৈতিক নিয়ম নহয়, সত্যৰ বাস্তৱ অভিজ্ঞতাই হৈছে ধর্ম আৰু সত্যৰ তাত্ত্বিক অনুসন্ধানেই হৈছে দৰ্শন। আনহাতে আধ্যাত্মিক সত্যৰ উপলব্ধিকেই দৰ্শন বুলিও কোৱা হয়, কাৰণ আধ্যাত্মিক উপলব্ধিৰ দ্বাৰাহে আত্মজ্ঞানৰ উপলব্ধি হয়। এই আত্মজ্ঞানৰ জৰিয়তে মোক্ষ লাভ কৰিব পাৰি। সেয়েহে ভাৰতীয় দৰ্শনক 'মোক্ষশাস্ত্র' বুলিও কোৱা হয়।

১.৪ ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্রমবিকাশ

দৰ্শন শব্দৰ অর্থ জনাৰ পিছত আপুনি এতিয়া জানিব যে ভাৰতীয় দার্শনিকসকলৰ দৰ্শন-চিন্তাৰ মূল উৎস হ'ল বেদ। বৈদিক সাহিত্যৰাজি অধ্যাত্ম-চিন্তাৰ লীলাভূমি। এই অধ্যাত্ম চিন্তাধাৰা ব্যাখ্যা কৰিবৰ বাবেই দার্শনিকসকলে দৰ্শন শাস্ত্রসমূহ প্রণয়ন কৰিছিল। ভাৰতীয় দৰ্শনৰ আদিম গ্রন্থ হ'ল উপনিষদসমূহ। অৱশ্যে উপনিষদসমূহ দার্শনিক গ্রন্থ হিচাপে প্রথম হ'লেও দৰাচলতে দার্শনিক চিন্তাধাৰাই যেতিয়া পূর্ণতা আৰু পৰিণতি লাভ কৰে তেতিয়াই সেই চিন্তাধাৰাই গ্রন্থৰ আকাৰ ধাৰণ কৰে। ঋগ্বেদৰ পুৰুষসূক্ত, দেৱীসূক্ত, হিৰণ্যগর্ভসূক্ত, নাসদীয়সূক্ত আদিত দার্শনিক চিন্তাৰ পৰিচয় পোৱা যায়। ঋগ্বেদৰ সময়ৰ পৰা উপনিষদসমূহ ৰচনা কৰা সময় পর্য্যন্ত— এই সুদীর্ঘ সময়ছোৱাত ভাৰতীয় মনীষীসকলৰ জিজ্ঞাসু মন দার্শনিক চিন্তা-চর্চাত যে উদ্বুদ্ধ হৈ আছিল, তাক সহজেই অনুমান কৰিব পাৰি।

ঋগ্বেদৰ দার্শনিক চিন্তাধাৰাৰ বীজ উপনিষদীয় যুগত অঙ্কুৰিত হৈছিল। বৃহদাৰণ্যক উপনিষদ্, ছান্দোগ্য উপনিষদ্, প্রশ্ন উপনিষদ্, কঠ উপনিষদ্ আদিত বর্ণিত বিভিন্ন আলোচনা,

বিভিন্ন তৰ্ক সভা আদিয়ে এই কথাকে প্ৰমাণ কৰে। সেই সময়ছোৱাত পণ্ডিতসকলৰ মাজত বিভিন্ন বিষয়বস্তুৰ ওপৰত দীৰ্ঘসময় জুৰি আলাপ-আলোচনা হৈছিল। আনহাতে, উপনিষদসমূহত সত্যদ্ৰষ্টা ঋষিমুনিসকলে প্ৰত্যক্ষ কৰা সত্য অথবা পৰমতত্ত্বৰ বিভিন্ন দিশৰ কথাও আছে। তেওঁলোকে অন্তঃপ্ৰজ্ঞাৰ দ্বাৰা সত্যৰ সাক্ষাৎ জ্ঞান লাভ কৰে। বেদ আৰু উপনিষদত থকা তাত্ত্বিক দিশসমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন দাৰ্শনিক পণ্ডিতে স্বতন্ত্ৰ যুক্তি তথা ন্যায়ৰ দ্বাৰা নিজা নিজা মতবাদ প্ৰতিষ্ঠা কৰিছে। প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক ভাৰতীয় দৰ্শনৰ প্ৰত্যেকটো সম্প্ৰদায়েই বেদ-উপনিষদসমূহৰ লগত জড়িত। এই সম্প্ৰদায়সমূহে বেদ-উপনিষদত থকা পৰম সত্যসমূহৰ ওপৰত ভিত্তি কৰি নিজস্ব যুক্তি-তৰ্কৰ মাধ্যমেৰে নিজা নিজা মতবাদসমূহ প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে। উপনিষদত বৰ্ণিত পৰম সত্যৰ বিভিন্ন দিশসমূহৰ লগত সামঞ্জস্য ৰাখি সামগ্ৰিক সত্য উদ্‌ঘাটনৰ বাবে ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহে এটি শৃঙ্খলাবদ্ধ বৌদ্ধিক পৰ্য্যালোচনাৰ মাজেৰে আগবাঢ়িছে। এনেধৰণৰ বৌদ্ধিক পৰ্য্যালোচনাৰ দ্বাৰা জীৱন আৰু জগত সম্পৰ্কে এটা সামগ্ৰিক সত্য উদ্‌ঘাটন কৰি বাস্তৱ জীৱনৰ আধ্যাত্মিক ভেটি সুদৃঢ় কৰাটোৱেই ভাৰতীয় দৰ্শনৰ মুখ্য উদ্দেশ্য। এই সামগ্ৰিক সত্য উদ্‌ঘাটনৰ বাবে ভাৰতীয় দাৰ্শনিকসকলৰ যি নিৰলস প্ৰচেষ্টা, তাৰ অন্তনিৰ্হিত উদ্দেশ্য হ'ল 'মোক্ষ' লাভ। কাৰণ ভাৰতীয় দৰ্শনৰ মুখ্য উদ্দেশ্য হ'ল 'মোক্ষ'। সেয়েহে ভাৰতীয় দৰ্শনক 'মোক্ষশাস্ত্ৰ' বুলিও কোৱা হয় বুলি আমি আগতেই গম পাই আহিছোঁ।

এটা কথা অনস্বীকাৰ্য্য যে ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়সমূহৰ মাজত প্ৰৱল বিৰোধিতা থকা সত্ত্বেও পাৰস্পৰিক আলোচনা-সমালোচনাৰ মাজেৰেই নিজা নিজা মতবাদ প্ৰতিষ্ঠা কৰিছিল। তেওঁলোকে উপলব্ধি কৰিব পাৰিছিল যে বিপৰীত পক্ষৰ মতবাদ সম্পৰ্কে সম্পূৰ্ণ জ্ঞান নাথাকিলে তাক অস্বীকাৰ বা খণ্ডন কৰাটো অসম্ভৱ। আনৰ মতৰ প্ৰতি শ্ৰদ্ধা আৰু সহনশীলতাৰ মনোভাৱৰ পৰাই ভাৰতীয় দৰ্শনৰ উদাৰ দৃষ্টিভঙ্গীৰ আভাস পোৱা যায়। সত্য অন্বেষণৰ ক্ষেত্ৰত এই পদ্ধতিটো অপৰিহাৰ্য্য। এনেকুৱা পাৰস্পৰিক আলোচনা-সমালোচনাৰ মাজেৰে ভাৰতীয় দৰ্শনৰ ক্ৰমবিকাশৰ প্ৰণালী আগবাঢ়িছিল।

১.৫ ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাগ

আপুনি ইতিমধ্যে জানি আহিছে যে বেদ আৰু উপনিষদসমূহেই হ'ল ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ৰ ভেটি স্বৰূপ। প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক, ভাৰতীয় দৰ্শনৰ প্ৰত্যেকটো সম্প্ৰদায় বেদ আৰু বৈদিক সাহিত্যৰ অন্তৰ্গত। বেদৰ প্ৰামাণ্য স্বীকাৰ কৰা-নকৰাৰ ওপৰত ভিত্তি কৰি ভাৰতীয় দৰ্শনক প্ৰধানকৈ দুটা শাখাত বিভক্ত কৰা হৈছে— আস্তিক আৰু নাস্তিক। সাধাৰণ অৰ্থত ঈশ্বৰৰ অস্তিত্বত বিশ্বাসীসকলক আস্তিক বোলা হয় আৰু ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নকৰাসকলক নাস্তিক বোলা হয়। কিন্তু দাৰ্শনিক শ্ৰেণীবিভাজনৰ ক্ষেত্ৰত ইয়াৰ অৰ্থ বেলেগ। বেদৰ প্ৰামাণ্যক বিশ্বাস কৰা দৰ্শনৰ শাখাসমূহক আস্তিক দৰ্শন আৰু বেদৰ প্ৰামাণ্যক বিশ্বাস নকৰা দৰ্শনৰ শাখাসমূহক নাস্তিক দৰ্শন বুলি কোৱা হয়।

ভাৰতীয় দৰ্শন ভিন্ ভিন্ মতাদৰ্শত বিশ্বাসী মুলতঃ নটা সম্প্ৰদায়ৰ সমষ্টি। সেই সম্প্ৰদায়কেইটা হৈছে— সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা, বেদান্ত, চার্বাক, বৌদ্ধ আৰু জৈন। ইয়াৰ ভিতৰত প্ৰথম ছটা সম্প্ৰদায় আস্তিক দৰ্শনৰ অন্তৰ্ভুক্ত। এই ছটা দৰ্শনক একেলগে 'ষড়্দৰ্শন' বুলি কোৱা হয়। চার্বাক, বৌদ্ধ আৰু জৈন দৰ্শনক নাস্তিক দৰ্শন বুলি কোৱা হয়। মীমাংসা আৰু সাংখ্য দৰ্শনত ঈশ্বৰৰ উল্লেখ নাই যদিও তেওঁলোকে বেদৰ প্ৰামাণ্য স্বীকাৰ কৰা বাবে আস্তিক সম্প্ৰদায়ভুক্ত হৈছে। আনহাতে, জৈনসকলে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিলেও বেদৰ প্ৰামাণ্য অস্বীকাৰ কৰা বাবে এই সম্প্ৰদায়ক নাস্তিক বুলি কোৱা হয়।



জানি থোৱা ভাল

বেদৰ প্ৰামাণ্যক অথবা বেদৰ কৰ্তৃত্বক বিশ্বাস কৰা বাবেই ষড়দৰ্শনক আস্তিক নামেৰে জনা যায় যদিও সকলো সম্প্ৰদায়ৰে বিশ্বাসৰ গভীৰতাৰ মাপকাঠী সমান নহয়। মীমাংসা আৰু বেদান্ত দৰ্শনৰ ভেটি হ'ল বেদ। এই দুয়োটা দাৰ্শনিক সম্প্ৰদায়ৰে মূল লক্ষ্য হৈছে বেদক বিস্তাৰিতভাৱে ব্যাখ্যা কৰা। দুয়োটা সম্প্ৰদায়ে বেদৰ সকলো কথাকে সত্য বুলি স্বীকাৰ কৰিছে আৰু যুক্তি সহকাৰে বেদৰ তথ্যবোৰ প্ৰকাশ কৰিছে। আনহাতে সাংখ্য, যোগ, ন্যায় আৰু বৈশেষিক দৰ্শন —এই চাৰিটা হৈছে বেদ স্বতন্ত্ৰ দৰ্শন। এই চাৰিটা দাৰ্শনিক সম্প্ৰদায়ৰ প্ৰণেতাসকলে নিজে কিছুমান সূত্ৰ বা তথ্য প্ৰণয়ন কৰি সেইবোৰক বৈদিক তথ্যৰ জৰিয়তে যুক্তি সহকাৰে ব্যাখ্যা কৰিছে।

নাস্তিক দাৰ্শনিক সম্প্ৰদায়সমূহৰ ভিতৰত চার্বাক আৰু বৌদ্ধ দৰ্শনে বেদৰ তীব্ৰ বিৰোধিতা কৰিছে. গতিকে এই দুটা সম্প্ৰদায়ক চৰমপন্থী নাস্তিক সম্প্ৰদায় বুলি কোৱা হয়। জৈন দৰ্শন হৈছে নৰমপন্থী নাস্তিক দাৰ্শনিক সম্প্ৰদায়। এই সম্প্ৰদায়ে ইমান তীব্ৰভাৱে বেদৰ তথ্যসমূহৰ বিৰোধিতা কৰা নাই। বেদৰ প্ৰামাণ্যক অস্বীকাৰ কৰিলেও এই দৰ্শনে এক অতীন্দ্ৰিয় পুৰুষৰ অস্তিত্বক স্বীকাৰ কৰিছে।

১.৬ ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ

এতিয়া আপুনি ভাৰতীয় দৰ্শনৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব। ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ নিজা নিজা দাৰ্শনিক শিক্ষা আছে। যদিও ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়সমূহৰ মাজত মতৰ পাৰ্থক্য দেখা যায়, তথাপি আমি এটা কথাত একমত হ'ব লাগিব যে প্ৰতিটো সম্প্ৰদায় আৱহমান কালৰে পৰা চলি অহা ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰে পৰিপুষ্ট। একে কৃষ্টি-সংস্কৃতি, সভ্যতা, নীতি-নৈতিকতাৰ মাধ্যমত বিকশিত হোৱা ভাৰতীয় দাৰ্শনিক শাখাসমূহৰ মাজত কিছুমান সাধাৰণ বৈশিষ্ট্য লক্ষ্য কৰা যায়, যিবোৰ বৈশিষ্ট্যই ভাৰতীয় দৰ্শনক পৃথিৱীৰ অন্যান্য দাৰ্শনিক সম্প্ৰদায়সমূহৰ ওচৰত এক সুকীয়া আসন প্ৰদান কৰিছে। অৱশ্যে ভাৰতীয় দৰ্শনৰ এই মৌলিকতা চার্বাক দৰ্শনত প্ৰতিফলিত হোৱা নাই। চার্বাক দৰ্শন অন্যান্য দাৰ্শনিক সম্প্ৰদায়ৰ পৰা ব্যতিক্ৰম। এই

দৰ্শনে তথাকথিত ভাৰতীয় চিন্তাধাৰাৰ বিপৰীতে গৈ নিজস্ব মত দাঙি ধৰিছে। চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় অন্যান্য দাৰ্শনিক সম্প্রদায়সমূহৰ সাধাৰণ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

ক) **ব্যৱহাৰিক দৃষ্টিভঙ্গী ঃ** ভাৰতীয় দৰ্শনে তাত্ত্বিক আৰু ব্যৱহাৰিক উভয় দিশৰ প্রতি সমানে গুৰুত্ব আৰোপ কৰা দেখা যায়। কেৱল মাত্র সত্যৰ অনুসন্ধান কৰাই নহয়, সত্যক প্রতিষ্ঠা কৰাটোও ভাৰতীয় দৰ্শনৰ এক মহান উদ্দেশ্য। কেৱল পুথিগত জ্ঞান আহৰণৰ ওপৰত ভাৰতীয় দৰ্শনে গুৰুত্ব আৰোপ কৰা নাই। দাৰ্শনিক জ্ঞানৰ আলোকেৰে কিদৰে জীৱনৰ অন্ধকাৰসমূহ দূৰ কৰিব পৰা যায় তাৰ ওপৰতহে ভাৰতীয় দৰ্শনে গুৰুত্ব আৰোপ কৰিছে। ভাৰতীয় দাৰ্শনিকসকলৰ মতে বাস্তৱ জীৱনটো নিয়ন্ত্রিত কৰি জীৱনটো সঠিক দিশত আগবঢ়াই নিবলৈ সত্য জ্ঞানৰ প্রয়োজন হয়।সত্যজ্ঞান অথবা তত্ত্বজ্ঞানৰ আলোকত জীৱনক কল্যাণময় আৰু সুন্দৰময় কৰাই হৈছে ভাৰতীয় দৰ্শনৰ উদ্দেশ্য।

খ) **আধ্যাত্মিক অশান্তিবোধ ঃ** ভাৰতীয় দৰ্শনে জীৱন আৰু জগত দুখময় আৰু অপূর্ণ বুলি ভাবে। গতিকে বাহ্যিক দৃষ্টিত ভাৰতীয় দৰ্শনক নৈৰাশ্যবাদী দৰ্শন যেন লাগে। দৰাচলতে ভাৰতীয় দৰ্শনে জীৱনটো দুখময় বুলি কোৱাৰ অর্থ হ'ল— 'জীৱনটো অসাৰ বা অবাস্তৱ নহয়। ই আধ্যাত্মিক দৃষ্টিতহে অসাৰ, জাগতিক দৃষ্টিত অসাৰ নহয়।' ভাৰতীয় দাৰ্শনিকসকল জীৱনৰ দুখ-জ্বালা-যন্ত্রনাৰ প্রতি উদাসীন হৈ থাকিব পৰা নাছিল। দুখ নিবৃত্তিৰ পথৰ অনুসন্ধান কৰাৰ ফলতে ভাৰতত দৰ্শন চর্চা আৰম্ভ হৈছিল। মানুহৰ দুখ-কষ্ট, জ্বালা-যন্ত্রনাই ভাৰতীয় ঋষি-মুনিসকলৰ হৃদয় ব্যথিত কৰি তুলিছিল। এই দুখ-কষ্টৰ অৱসান বিচাৰি তেওঁলোক দাৰ্শনিক আলোচনাত মিলিত হৈছিল। সকলোবোৰ দাৰ্শনিক সম্প্রদায়েই এই বিষয়ত এক মত যে মানৱ জীৱন দুখেৰে ভৰা আৰু এই দুখ উপশমৰ পথ নির্দেশনাই হৈছে ভাৰতীয় দাৰ্শনিকৰ মূল লক্ষ্য। বৌদ্ধ দৰ্শনৰ মূল কথাই হৈছে— 'সর্বং দুঃখম্'। ভাৰতীয় দাৰ্শনিকসকলে উপলব্ধি কৰিব পাৰিছিল যে দুখ নিবৃত্তিৰ জৰিয়তে জীৱনক সুখৰ আলোকেৰে আলোকিত কৰি তুলিব পাৰি।

গ) **নৈতিক নিয়মত বিশ্বাস ঃ** জড়বাদী চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় সকলোবোৰ দাৰ্শনিক সম্প্রদায়েই এক সনাতন নৈতিক নিয়মৰ অস্তিত্বক বিশ্বাস কৰে। সমগ্র বিশ্ব জগত এক নৈতিক নিয়মৰ দ্বাৰা পৰিচালিত। সমগ্র বিশ্ব জগতৰ উৎপত্তি, গতি, স্থিতি, বিনাশৰ অন্তৰালত এক অপৰিৱর্তনীয় নৈতিক শক্তি নিহিত হৈ আছে।এই নৈতিক নিয়মক ঋগ্‌বেদত ঋত বুলি কোৱা হৈছে। এই ঋতেই প্রাকৃতিক আৰু নৈতিক এই দুয়ো জগতৰ নিয়ন্ত্রণকর্তা। এই নৈতিক নিয়মক বেলেগ বেলেগ দৰ্শনত বেলেগ বেলেগ নামেৰে নামকৰণ কৰা হৈছে। যেনে— মীমাংসা দৰ্শনত 'অপূর্ব', ন্যায়-বৈশেষিক দৰ্শনত 'অদৃষ্ট' আদি। দৰাচলতে সকলো দাৰ্শনিক শাখাৰে স্পষ্ট মত যে জগতখন এক সনাতন নৈতিক নিয়মৰ অধীন।

ঘ) **আত্মাৰ অস্তিত্বত বিশ্বাস ঃ** চাৰ্বাক আৰু বৌদ্ধ দৰ্শনৰ বাহিৰে ভাৰতীয় দৰ্শনৰ আটাইবোৰ সম্প্রদায়ে এটা পৰম নিত্য শুদ্ধ সত্তাৰ অস্তিত্ব স্বীকাৰ কৰে, সেইটোৱেই হৈছে আত্মা বা পুৰুষ। আত্মা বা পুৰুষেই একমাত্র সত্য। ইয়াৰ বাহিৰে জগতখনত একোৱেই নিত্য নহয়।

ঙ) **কৰ্মবাদ আৰু জন্মান্তৰত বিশ্বাস ঃ** ভাৰতীয় দৰ্শনে কৰ্মবাদ আৰু জন্মান্তৰবাদত বিশ্বাস কৰে। কৰ্মবাদৰ সাৰমৰ্ম হ'ল— ব্যক্তিৰ জীৱনৰ সুখ দুখ ব্যক্তিৰেই কৃত কৰ্মৰ ফল। এগৰাকী ব্যক্তিৰ বৰ্তমান জীৱনৰ সুখ-দুখ অতীত জীৱনৰ কৰ্মফল। আনহাতে বৰ্তমান জীৱনৰ কৰ্মৰাজিয়ে ভৱিষ্যত জীৱনৰ গতি নিৰ্ধাৰণ কৰে। ভাৰতীয় দাৰ্শনিকসকলৰ মতে ব্যক্তিসকলৰ মাজত দেখিবলৈ পোৱা বৈষম্যতাৰ মূল কাৰণ হৈছে কৰ্মনীতি। কৰ্মবাদ অনুসৰি কৰ্মফলৰ আশা পৰিত্যাগ কৰি নিষ্কাম কৰ্মৰ জৰিয়তে ব্যক্তিয়ে তেওঁৰ অদৃষ্টক জয় কৰিব পাৰে। জন্মান্তৰবাদৰ অৰ্থ হৈছে মানুহে নিজ কৰ্মৰ ফল ভোগ কৰিবৰ বাবে বাৰে বাৰে জগতত জন্ম লাভ কৰা। দৰাচলতে অজ্ঞানতাৰ বশৱৰ্তী হৈ মানুহে কামনা বাসনাত লিপ্ত হৈ পৰে আৰু মায়াভৰা সংসাৰৰ ক্ষণস্থায়ী সুখ-সম্ভোগৰ পিছত ঢাপলি মেলে আৰু বন্ধনত আৱদ্ধ হয়। তত্ত্বজ্ঞান লাভ কৰিলেহে ব্যক্তিৰ জ্ঞানচক্ষু মুকলি হয়। তত্ত্বজ্ঞানৰ দ্বাৰা অবিদ্যাৰ বিনাশ হয়, কৰ্ম বন্ধন নাইকিয়া হয়। কৰ্মৰ বন্ধন নাইকীয়া হ'লে ব্যক্তিয়ে মুক্তি লাভ কৰে।

চ) **সত্যৰ নিৰন্তৰ ধ্যান ঃ** ভাৰতীয় দৰ্শনৰ মতে কোনো এটা বিষয়বস্তুৰ সত্য বা জ্ঞান লাভ কৰি সেই অনুসৰি কৰ্ম কৰিলেহে সম্যক্ জ্ঞান লাভ কৰিব পাৰি। কিন্তু নৈতিক শুচিতা বা আত্মসংযম আৰু ধ্যান নহ'লে সম্যক্ জ্ঞান লাভ কৰিব নোৱাৰি। আত্মসংযম আৰু ধ্যানে বিষয়ৰ প্ৰতি থকা মানুহৰ আসক্তি দূৰ কৰি সম্যক্ জ্ঞান লাভ কৰাত সহায় কৰে। সম্যক্ জ্ঞানৰ জৰিয়তে অজ্ঞানতাৰ বিনাশ হয় আৰু ব্যক্তিয়ে মোক্ষ বা মুক্তি লাভ কৰিবলৈ সক্ষম হয়।

ছ) **মোক্ষ জীৱনৰ পৰম পুৰুষাৰ্থ ঃ** চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় দৰ্শনৰ সকলো সম্প্ৰদায়ে মোক্ষক জীৱনৰ পৰম পুৰুষাৰ্থ বুলি স্বীকাৰ কৰিছে। অৱশ্যে মোক্ষৰ স্বৰূপ সম্পৰ্কে ভাৰতীয় দাৰ্শনিকসকল একমত নহয়। মানৱ জীৱন দুখেৰে পৰিপূৰ্ণ। দুখৰ অৱসান ঘটাই মোক্ষ লাভ কৰাটোৱেই আত্যন্তিক দুখ মুক্তি। অনেকে আকৌ মুক্তিক এক আনন্দময় অৱস্থা বুলি বৰ্ণনা কৰিছে। মোক্ষ লাভ কৰাৰ উপায় আৰু মোক্ষৰ নামকৰণ যদিওবা বেলেগ বেলেগ দাৰ্শনিক সম্প্ৰদায়ে ভিন্ ভিন্ ভাৱে দাঙি ধৰিছে তথাপি ই যে এক দুখবিহীন অৱস্থা সেই বিষয়ে সকলো দাৰ্শনিক শাখা একমত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ দৰ্শন শব্দটো সংস্কৃত কি ধাতুৰ পৰা উৎপত্তি হৈছে?

.....

.....

প্ৰশ্ন ২ ঃ ঋগ্বেদৰ কোনবোৰ সূক্তত দাৰ্শনিক চিন্তাধাৰাৰ পৰিচয় পোৱা যায়?

.....

প্ৰশ্ন ৩ ঃ ষড়্‌দৰ্শন বুলিলে কি বুজায় লিখক।

.....

.....

প্ৰশ্ন ৪ ঃ আস্তিক আৰু নাস্তিক শব্দৰ অৰ্থ লিখক।

.....

.....

১.৭ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ চমু পৰিচয়

এতিয়া আপুনি ভাৰতীয় দৰ্শনৰ সম্প্ৰদায়সমূহৰ বিষয়ে জানিব পাৰিব। প্ৰথমে **আস্তিক দৰ্শন**ৰ বিষয়ে জানিব।

ক) **সাংখ্য দৰ্শন ঃ** ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ৰ ভিতৰত সাংখ্য দৰ্শনৰ নাম প্ৰাচীন গ্ৰন্থৰাজিত বেছিকৈ উপলব্ধ। উপনিষদ, মহাভাৰত, মনুসংহিতা, চৰকসংহিতা, গীতা, ব্ৰহ্মসূত্ৰ আদি গ্ৰন্থত সাংখ্য মতৰ বিষয়ে পোৱা যায়। শ্বেতাশ্বতৰ উপনিষদত পোৱা যায় যে, সাংখ্যদৰ্শনৰ প্ৰণেতা কপিল। সাংখ্যদৰ্শনৰ বহুকেইখন মৌলিক গ্ৰন্থ কালৰ বুকুত বিলীন হৈছে। 'সংখ্যা' শব্দটোৰ পৰা 'সাংখ্য' নামৰ উৎপত্তি হৈছে বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। মূল তত্ত্বৰ সংখ্যা নিৰূপণ কৰি তাৰ তাত্ত্বিক উপলব্ধিৰ দ্বাৰা মোক্ষ লাভ কৰাটোৱেই হৈছে সাংখ্য দৰ্শনৰ মূল উদ্দেশ্য। সাংখ্য দৰ্শনত ২৫টি তত্ত্বৰ কথা উল্লেখ আছে। এই দৰ্শনৰ মতে জগত সৃষ্টিৰ মূল হ'ল পুৰুষ আৰু প্ৰকৃতি। পুৰুষেই আত্মা। প্ৰকৃতি তিনিটা গুণৰ (সত্ত্বঃ, ৰজ ঃ আৰু তমঃ) সমষ্টি। তিনিটা গুণৰ হ্ৰাস-বৃদ্ধি হ'লেই প্ৰকৃতিৰ মাজত আলোড়নৰ সৃষ্টি হয় আৰু তাৰ ফলত জগত সৃষ্টি হয়। সাংখ্য দৰ্শনৰ এটি উল্লেখযোগ্য মতবাদ হ'ল— কাৰ্য্যকাৰণবাদ। অৰ্থাৎ প্ৰতিটো কাৰ্য্যই উৎপত্তিৰ আগতে অব্যক্ত অৱস্থাত কাৰণত নিহিত হৈ থাকে। যি কোনো কাৰ্য্যকাৰণৰ পৰা অভিন্ন। গতিকে ত্ৰিগুণাত্মিকা প্ৰকৃতিৰ পৰা যি সৃষ্টি হয়, সেই সকলোবোৰ ত্ৰিগুণযুক্ত।

খ) **যোগদৰ্শন ঃ** 'যোগ' শব্দৰ অৰ্থ 'চিত্তবৃত্তিৰ নিৰোধ'। বুদ্ধি, অহঙ্কাৰ আৰু মনক একেলগে চিত্ত বুলি কোৱা হয়। চিত্তৰ পৰিৱৰ্তনকে 'বৃত্তি' বোলে। চিত্তৰ বৃত্তিয়েই হৈছে বিষয়ৰ জ্ঞান। চিত্তৰ বৃত্তিৰ নিৰোধৰ ফলত অবিদ্যা বা অজ্ঞানতা দূৰ হয়, ফলত পুৰুষে প্ৰকৃতিৰ পৰা নিজৰ পাৰ্থক্য উপলব্ধি কৰিব পাৰে। এই পাৰ্থক্য জ্ঞানেই হৈছে মোক্ষ। যোগদৰ্শনত অষ্টাঙ্গযোগৰ কথা আছে। অষ্টাঙ্গযোগেই চিত্তবৃত্তিনিৰোধৰ কাৰণ। যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি হ'ল অষ্টাঙ্গযোগ।

সাংখ্য আৰু যোগদৰ্শন সমানতান্ত্ৰিক দৰ্শন। কিন্তু যোগদৰ্শন হ'ল ঈশ্বৰবাদী দৰ্শন, আনহাতে সাংখ্যদৰ্শন নিৰীশ্বৰবাদী। সেয়ে সাংখ্যক নিৰীশ্বৰ সাংখ্য আৰু যোগক সেশ্বৰ সাংখ্য বুলি কোৱা হয়।

গ) **ন্যায়দৰ্শন ঃ** ন্যায় দৰ্শনৰ প্ৰণেতা মহৰ্ষি গৌতম। ন্যায়দৰ্শনে **ষোল্লটা পদাৰ্থ** স্বীকাৰ কৰে। এই পৃথিৱীত যিমানবোৰ বস্তু আছে, সেই সকলোবোৰ এই ষোল্লটা পদাৰ্থৰ অন্তৰ্গত।



ষোল্লটা পদাৰ্থ হ'ল— প্ৰমাণ, প্ৰমেয়, সংশয়, প্ৰয়োজন, দৃষ্টান্ত, সিদ্ধান্ত, অৱয়ব, তৰ্ক, নিৰ্ণয়, বাদ, জল্প, বিতণ্ডা, হেত্বাভাস, ছল, জাতি আৰু নিগ্ৰহ স্থান।

এই পদাৰ্থসমূহৰ যথাৰ্থ জ্ঞান লাভ কৰিলেই মোক্ষ লাভ হয়। 'যুক্তি-তৰ্কৰ দ্বাৰা মীমাংসাত উপনীত হ'ব পাৰি'— এই কথা ন্যায়শাস্ত্ৰত আলোচনা কৰা আছে। নব্য-নৈয়ায়িকসকলে জগতৰ স্ৰষ্টা হিচাপে ঈশ্বৰক বিশ্বাস কৰে। সাংখ্য দৰ্শনে স্বীকাৰ কৰা কাৰ্য্যকাৰণ তত্ত্বটো ন্যায়দৰ্শনে অলপ পৰিৱৰ্তিত ৰূপত বিশ্বাস কৰে। ন্যায়দৰ্শনৰ মতে কাৰ্য্যকাৰণ তত্ত্বটো কেৱল বস্তুৰ ক্ষেত্ৰতেই নহয়, ই সমগ্ৰ বিশ্ব প্ৰকৃতি আনকি আমাৰ দৈনন্দিন জীৱনক জুৰি আছে। 'যেনে কৰ্ম তেনে ফল'— কাৰ্য্যকাৰণৰ এই নৈতিক নিয়মটো এটা অলংঘনীয় জাগতিক নিয়ম, যাক ঋত বুলি কোৱা হয়। সঞ্চিত কৰ্মফলকে অদৃষ্ট বোলা হয়। জীৱই নিজৰ অদৃষ্ট পৰিচালনা কৰিব নোৱাৰে। সৰ্বজ্ঞ, সৰ্বশক্তিমান ঈশ্বৰে অদৃষ্ট অনুসৰি জীৱৰ ফলভোগৰ ব্যৱস্থা কৰে।

সাতবিধ পদাৰ্থ হ'ল — দ্ৰব্য, গুণ, কৰ্ম, সামান্য, বিশেষ, সমবায় আৰু অভাৱ।

ঘ) **বৈশেষিক দৰ্শনঃ** মহৰ্ষি কণাদ বৈশেষিক দৰ্শনৰ প্ৰৱৰ্তক।জীৱৰ স্বৰূপ কি ? জীৱ আৰু ঈশ্বৰৰ সম্পৰ্ক কেনেকুৱা ? জগতৰ উৎপত্তি কেনেদৰে হ'ল ? এনেধৰণৰ কঠিন প্ৰশ্নৰ বিচাৰ এই দৰ্শনত পোৱা যায়। বৈশেষিক দৰ্শনে **সাতবিধ পদাৰ্থ** স্বীকাৰ কৰে। এইবোৰৰ ভিতৰত 'বিশেষ' নামৰ পদাৰ্থবিধ উল্লেখযোগ্য। 'বিশেষ'ৰ পৰাই এই দৰ্শনৰ নাম বৈশেষিক দৰ্শন হৈছে। অস্তিত্বশীল সকলো জ্ঞেয় বস্তুৱেই পদাৰ্থ। বৈশেষিক দৰ্শনৰ পদাৰ্থ তত্ত্বৰ বিশ্লেষণৰ লগত আধুনিক বিজ্ঞানৰ পদাৰ্থৰ ব্যাখ্যাৰ সাদৃশ্য দেখা যায়। এই দৰ্শনৰ মতে জাগতিক সকলো বস্তু কিছুমান ক্ষুদ্ৰ অৱয়ৱৰ দ্বাৰা গঠিত। এই অৱয়ৱসমূহৰ ক্ষুদ্ৰতম অৱয়ৱ হ'ল পৰমাণু। এই পৰমাণুক আৰু ভাগ কৰিব নোৱাৰি, কাৰণ এই পৰমাণুসমূহ একো একোটি 'বিশেষ' অৰ্থাৎ প্ৰত্যেক পৰমাণুৰ মাজতে একো একোটি ধৰ্ম বা বৈশিষ্ট্য আছে। ক্ষিতি, অপ্, তেজ, মৰুৎ— এই চাৰি প্ৰকাৰৰ পৰমাণুপুঞ্জৰ পৰা সৃষ্টি হৈছে চৰাচৰ সমস্ত জগত। কিন্তু জগত সৃষ্টিৰ বাবেও প্ৰয়োজন হয় 'বিশেষ' নামৰ পদাৰ্থৰ প্ৰভাৱ। কিন্তু এটা কথা অনস্বীকাৰ্য্য যে বৈশেষিকসকলে যদিও পৰমাণুতত্ত্বৰ দ্বাৰা জগত আৰু সৃষ্টিৰ ব্যাখ্যা কৰিছে, ই ভাৰতীয় দৰ্শনৰ আধ্যাত্মিকতাৰ সীমা পাৰ হৈ যোৱা নাই। তেওঁলোকৰ মতে পৰমাণুবোৰ এক প্ৰকাৰ আধ্যাত্মিক সত্তা, এইবোৰ বস্তুবাদ নহয়। আত্মা, মন, ইন্দ্ৰিয় আদি পৰমাণুৰে তৈয়াৰী শৰীৰৰ মাজত থাকিয়েই নিজা নিজা কৰ্মফল ভোগ কৰি ক্ৰমে ই আধ্যাত্মিক বিকাশৰ পথত অগ্ৰসৰ হয়।

ঙ) **মীমাংসা দৰ্শন ঃ** বেদৰ কৰ্মকাণ্ডভাগেই হ'ল মীমাংসা দৰ্শনৰ ভিত্তি। 'মীমাংসা' শব্দৰ অৰ্থ বিচাৰ। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে ধৰ্মৰ অৰ্থ ব্যাখ্যা কৰা। বেদৰ কৰ্মকাণ্ডত যিবোৰ কৰ্মৰ বিধান দিয়া আছে, সেই বিষয়সমূহৰ সমালোচনাত্মক বিশ্লেষণ কৰি বিধানসমূহৰ যথাৰ্থতা প্ৰতিপন্ন কৰাই এই দৰ্শনৰ উদ্দেশ্য। বেদৰ পূৰ্বভাগ অৰ্থাৎ কৰ্মকাণ্ডৰ বিষয়ে আলোচনা কৰা বাবে এই দৰ্শনক 'পূৰ্ব-মীমাংসা' বুলিও অভিহিত কৰা হয়। মীমাংসা দৰ্শনে সকলো দেৱ-দেৱীৰ অস্তিত্ব স্বীকাৰ কৰিছে যদিও তেওঁলোকে মত পোষণ কৰে যে জীৱ-জগত সৃষ্টিৰ বাবে কোনো অসীম অনন্ত বোধশক্তিসম্পন্ন ঈশ্বৰৰ প্ৰয়োজন নাই। কৰ্মৰ অন্তৰ্নিহিত শক্তি অদৃষ্টই জগত আৰু জীৱক পৰিচালনা কৰি আহিছে।

বেদোক্ত বিধান অনুসৰি কৰ্মই একমাত্ৰ ধৰ্ম। এই বিধানসমূহ যথাযথভাৱে পালন কৰিলে ধৰ্ম লাভ হয় আৰু সেই ধৰ্মৰ দ্বাৰাই পাৰমার্থিক উদ্দেশ্যত উপনীত হ'ব পাৰি। গতিকে একে আষাৰতে ক'ব পাৰি মীমাংসা-দৰ্শন ঈশ্বৰবিহীন নৈতিক বাস্তৱবাদ।

চ) **বেদান্ত দৰ্শন ঃ** বেদান্ত দৰ্শনে বেদৰ জ্ঞান-কাণ্ডৰ ওপৰত গুৰুত্ব দি তাক বিশ্লেষণ কৰি তাৰ যথার্থতা প্ৰমাণ কৰিছে। উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰ হ'ল বেদান্ত দৰ্শনৰ মূলগ্ৰন্থ। 'বেদান্ত' মানে হ'ল বেদৰ অন্ত ভাগ অর্থাৎ উপনিষদ। উপনিষদৰ সাৰভাগ সংগ্ৰহ কৰি বাদৰায়ণে 'ব্ৰহ্মসূত্ৰ' ৰচনা কৰে। ব্ৰহ্মসূত্ৰৰ মূল প্ৰতিপাদ্য বিষয় হ'ল 'ব্ৰহ্ম'। ব্ৰহ্ম নিৰ্গুণ, নিৰাকাৰ, অনাদি অনন্ত। ব্ৰহ্ম আৰু জগত যথাক্ৰমে কাৰণ আৰু কার্য্য হিচাপে অভিন্ন। 'ব্ৰহ্মসূত্ৰ'ৰ ওপৰত পৰৱর্তী পর্য্যায়ত বহুতো ভাষ্য ৰচনা হয়। ব্ৰহ্ম আৰু জগতৰ স্বৰূপ সম্বন্ধে তেওঁলোকে নিজা নিজা যুক্তি আগবঢ়োৱাৰ ফলত বেদান্ত দৰ্শনৰ পাঁচটা সম্প্ৰদায়ৰ সৃষ্টি হয়। সেইকেইটা হ'ল— শঙ্কৰাচার্য্যৰ অদ্বৈতবাদ, ৰামানুজাচার্য্যৰ বিশিষ্টাদ্বৈতবাদ, মধ্বাচার্য্যৰ দ্বৈতবাদ, নিম্বার্কাচার্য্যৰ দ্বৈতাদ্বৈতবাদ আৰু বল্লভাচার্য্যৰ শুদ্ধাদ্বৈতবাদ। ব্ৰহ্মৰ সৈতে জীৱ আৰু জগতৰ সম্বন্ধ নিৰূপণ তথা পৰমার্থৰ লক্ষণক লৈ আচলতে তেওঁলোকৰ মাজত মতানৈক্য হয়। শঙ্কৰাচার্য্যৰ মতে জীৱ আৰু ব্ৰহ্ম একে, জগতখন ব্ৰহ্মৰেই অৱভাস। ৰামানুজৰ মতে ব্ৰহ্ম বিশিষ্ট অর্থাৎ ভিন্নতাৰ মাজত এটা আংগিক ঐক্য আছে। জীৱ আৰু জগত ঈশ্বৰৰ পৰিণাম। মধ্বৰ মতে জীৱ আৰু ব্ৰহ্ম দুটা বেলেগ বস্তু। সিহঁতৰ স্বতন্ত্ৰ যথার্থ অস্তিত্ব আছে। নিম্বার্কৰ মতে জীৱ আৰু ব্ৰহ্মৰ স্বতন্ত্ৰ অস্তিত্ব আছে যদিও জীৱ ব্ৰহ্মৰ ওপৰত নির্ভৰশীল। ব্ৰহ্ম তাদাত্মিকতা আৰু ভিন্নতাৰ সমষ্টি। বল্লভৰ মতে ব্ৰহ্ম অদ্বিতীয়। ব্ৰহ্মই স্বইচ্ছাই নিজ শক্তি মায়াৰ দ্বাৰা নিজকে জগত ৰূপে প্ৰকাশ কৰিছে। জগতখন অযথার্থ নহয়। ব্ৰহ্ম আৰু জগত উভয়েই শুদ্ধ আৰু অভিন্ন।

নাস্তিক দৰ্শন ঃ

ক) **চার্বাক দৰ্শন ঃ** চার্বাক দৰ্শন জড়বাদী দৰ্শন। কিছুমান দার্শনিকৰ মতে বৃহস্পতি হ'ল চার্বাক দৰ্শনৰ প্ৰতিষ্ঠাতা। আন কিছুমানৰ মতে চার্বাকসকলৰ জীৱনাদর্শ অথবা তেওঁলোকৰ কথাবোৰ শ্ৰুতিমধুৰ (চাৰু + বাক্ = চার্বাক) হোৱা বাবে এই মতৰ নাম চার্বাক দৰ্শন। চার্বাকৰ মতে বেদ অপৌৰুষেয় নহয়, ইয়াৰ কোনো সত্যতা নাই। ঈশ্বৰ, আত্মা, পৰলোক, কর্মফল, মুক্তি আদিৰ ধাৰণাবোৰ অসত্য। ক্ষিতি, অপ্, তেজ আৰু মৰুৎ এই চাৰি তত্ত্বৰ দ্বাৰা জাগতিক বস্তুবোৰ সৃষ্টি হৈছে। পৃথিৱীত পাপ-পুণ্য আদিৰ কোনো প্ৰকৃত স্থিতি নাই। দৈহিক সুখহে মানৱ জীৱনৰ একমাত্ৰ কাম্য বস্তু।

চার্বাক দৰ্শনৰ মতে প্ৰত্যক্ষই একমাত্ৰ প্ৰমাণ। অন্যান্য দৰ্শনে স্বীকাৰ কৰা অনুমান, উপমান, শব্দ আদি প্ৰমাণে কোনো জ্ঞান প্ৰদান কৰিব নোৱাৰে।

খ) **বৌদ্ধ দৰ্শন ঃ** গৌতম বুদ্ধ হ'ল বৌদ্ধ দৰ্শনৰ প্ৰৱর্তক। তিনিখন পিটকত এই দৰ্শনৰ সাৰমর্ম পোৱা যায়— বিনয় পিটক, সুত্ত পিটক আৰু অভিধর্ম পিটক। বুদ্ধদেৱৰ দৰ্শনৰ মূল কথা হ'ল— সংসাৰত সকলো ক্ষণস্থায়ী। মানুহে নিজৰ কর্মৰ ফলত মুক্তি লাভ

কৰিব পাৰে। বুদ্ধদেৱৰ মহা পৰিনিৰ্বাণৰ পিছত শিষ্যসকলৰ মাজত দাৰ্শনিক প্ৰশ্ন কিছুমান লৈ মতভেদ সৃষ্টি হোৱাৰ ফলত বৌদ্ধ ধৰ্ম দুভাগত ভাগ হয়— মহাযান আৰু হীনযান। বুদ্ধদেৱে বাস্তৱ জীৱনৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছিল। জীৱন মানেই দুখভোগ, এই দুখৰ কাৰণ আছে, এই দুখ নিৰোধ কৰিব পাৰি আৰু দুখ নিৰোধ কৰাৰ উপায় আছে— এই চাৰিটা সত্যই হ'ল বুদ্ধদেৱৰ নৈতিক শিক্ষাৰ মুখ্য বিষয়। এই চাৰিটাক 'চাৰিটা আৰ্য্য-সত্য' বুলি জনা যায়। এইচাৰিটা আৰ্য্য-সত্যৰ মাজতে নিহিত হৈ আছে— বৌদ্ধ দাৰ্শনিক সম্প্ৰদায়ৰ মূল কথা। বুদ্ধৰ পৰৱৰ্তী শিষ্যসকলে তেওঁৰ নৈতিক শিক্ষাৰ পৰাই চাৰিটা ভিন্ন সম্প্ৰদায়ৰ সৃষ্টি কৰে— (১) মাধ্যমিক বা শূন্যবাদ, (২) যোগাচাৰ বা বিজ্ঞানবাদ, (৩) সৌত্ৰান্তিক আৰু (৪) বৈভাষিক। আত্যন্তিক দুখ নিবৃত্তিৰ বাবে বুদ্ধদেৱে অষ্টাঙ্গিক মাৰ্গৰ কথা উল্লেখ কৰিছে— সম্যক্ দৃষ্টি, সম্যক্ সঙ্কল্প, সম্যক্ বাক্, সম্যক্ কৰ্মান্ত, সম্যক্ আজীৱ, সম্যক্ ব্যায়াম, সম্যক্ স্মৃতি আৰু সম্যক্ সমাধি।



তীৰ্থঙ্কৰ ঃ জীৱ বা মুক্ত আত্মাবোৰক তীৰ্থঙ্কৰ বোলা হয়।

গ) **জৈন দৰ্শন ঃ** জৈন দৰ্শনৰ প্ৰৱৰ্তক হিচাপে কোনো বিশেষ ব্যক্তিৰ নাম পোৱা নাযায়। জনবিশ্বাস মতে চৌবিশজন **তীৰ্থঙ্কৰৰ** যোগেদি অনাদি কালৰে পৰা জৈন মতবাদ প্ৰচলিত হৈ আহিছে। ইয়াৰে প্ৰথমগৰাকীৰ নাম ঋষভ আৰু একেবাৰে শেষৰ গৰাকীৰ নাম মহাবীৰ। 'জৈন' শব্দটো 'জিন' শব্দৰ পৰা আহিছে। 'জিন' শব্দৰ অৰ্থ জয় কৰা।

জৈন দৰ্শনে ঈশ্বৰৰ অস্তিত্ব আৰু বেদৰ প্ৰামাণ্য অস্বীকাৰ কৰিছে, কিন্তু আত্মাৰ অস্তিত্ব স্বীকাৰ কৰিছে। তেওঁলোক বাস্তৱবাদী আৰু বহুসত্তাবাদী। অহিংসা আৰু সত্যই এই দৰ্শনত অধিক গুৰুত্ব লাভ কৰিছে। কালক্ৰমত জৈন ধৰ্মৰ অনুগামীসকল দিগম্বৰ আৰু শ্বেতাম্বৰ নামে দুটা সম্প্ৰদায়ত বিভক্ত হয়।

জৈন দৰ্শনৰ মতে দ্ৰব্য দুই প্ৰকাৰৰ— অস্তিকায় আৰু অনস্তিকায়। অনস্তিকায় দ্ৰব্য এটা— কাল। অস্তিকায় দ্ৰব্য দুই প্ৰকাৰৰ— জীৱ আৰু অজীৱ। জীৱ তিনি প্ৰকাৰৰ— নিত্যসিদ্ধ, বদ্ধ আৰু মুক্ত। অজীৱ চাৰিপ্ৰকাৰৰ— ধৰ্ম, অধৰ্ম, আকাশ আৰু পুদ্‌গল। জৈন দৰ্শনে শৰীৰ আৰু মনৰ সংযমৰ বাবে তিনিটা পথ দিছে যাক 'ত্ৰিৰত্ন' বোলা হয়। সেয়া হ'ল— সম্যক দৰ্শন, সম্যক্ জ্ঞান আৰু সম্যক্ চাৰিত্ৰ। সম্যক্ চৰিত্ৰ গঠনৰ বাবে পঞ্চ মহাব্ৰতৰ উল্লেখ কৰিছে— অহিংসা, সত্য, অস্তেয়ম্, ব্ৰহ্মচৰ্য্য আৰু অপৰিগ্ৰহ। জৈন দৰ্শনৰ মতে জ্ঞান দুই প্ৰকাৰৰ— পৰোক্ষ আৰু অপৰোক্ষ। প্ৰমাণ তিনি প্ৰকাৰৰ— প্ৰত্যক্ষ, অনুমান আৰু শব্দ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ সাংখ্য দৰ্শনৰ উল্লেখ থকা দুখন প্ৰাচীন গ্ৰন্থৰ নাম লিখক।

.....

প্ৰশ্ন ৬ ঃ 'যোগ' শব্দৰ অৰ্থ লিখক।

.....

প্ৰশ্ন ৭ ঃ 'সাংখ্যদৰ্শন নিৰীশ্বৰবাদী দৰ্শন' —'সঁচা' নে 'মিছা' লিখক।

.....

প্ৰশ্ন ৮ ঃ 'বিশেষ' নামৰ পদাৰ্থটো কোনটো দাৰ্শনিক সম্প্ৰদায়ে স্বীকাৰ কৰে?

.....

প্ৰশ্ন ৯ ঃ বেদান্ত দৰ্শনৰ মূল গ্ৰন্থকেইখনৰ নাম লিখক।

.....

প্ৰশ্ন ১০ ঃ 'জৈন' শব্দটো কি শব্দৰ পৰা উৎপত্তি হৈছে?

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দৰ্শন শব্দৰ অৰ্থ জানিব পাৰিলোঁ।
- ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে অৱগত হ'লোঁ।
- ভাৰতীয় দৰ্শনৰ সাধাৰণ শ্ৰেণীবিভাগ সম্পৰ্কে জানিব পাৰিলোঁ।
- ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিলোঁ।
- ভাৰতীয় দৰ্শনৰ আস্তিক আৰু নাস্তিক দুয়োটা সম্প্ৰদায়ৰে সকলো শাখাৰ চমু পৰিচয় জানিব পাৰিলোঁ।



১.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমল ভূষণ (১৯৯৪); *ভাৰতীয় দৰ্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); *ভাৰতীয় দৰ্শনত এভুমুকি*; গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোৰ্ছ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ,ভট্টাচাৰ্য্য,নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখাৰ্জী অ্যাণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.

2) Dasgupta, Surendranath (1999); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD.

১.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ √ দৃশ্ ধাতুৰ পৰা দর্শন শব্দৰ উৎপত্তি হৈছে।

২নং প্রশ্নৰ উত্তৰ ঃ পুৰুষ সূক্ত, দেৱী সূক্ত, হিৰণ্যগর্ভ সূক্ত, নাসদীয় সূক্ত আদিত।

৩নং প্রশ্নৰ উত্তৰ ঃ সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্ত— এই ছটা আস্তিক দর্শনক ষড়্দর্শন বুলি কোৱা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ বেদৰ প্রামাণ্যক স্বীকাৰ কৰা দার্শনিক সম্প্রদায়ক অস্তিক আৰু বেদৰ প্রামাণ্যক স্বীকাৰ নকৰা সম্প্রদায়সমূহ হ'ল নাস্তিক।

৫নং প্রশ্নৰ উত্তৰ ঃ শ্বেতাশ্বতৰ উপনিষদ, চৰকসংহিতা আদি।

৬নং প্রশ্নৰ উত্তৰ ঃ 'যোগ' শব্দৰ অর্থ হ'ল— 'চিত্ত বৃত্তিৰ নিৰোধ।'

৭নং প্রশ্নৰ উত্তৰ ঃ সাঁচা।

৮নং প্রশ্নৰ উত্তৰ ঃ বৈশেষিক দর্শনে।

৯নং প্রশ্নৰ উত্তৰ ঃ উপনিষদ, গীতা আৰু ব্রহ্মসূত্র।

১০নং প্রশ্নৰ উত্তৰ ঃ 'জৈন' শব্দটো 'জিন' শব্দৰ পৰা উৎপতি হৈছে।

১.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'দর্শন' শব্দটোৰ অর্থ লিখক।

প্রশ্ন ২ ঃ 'ষড়্দর্শন' মানে কি লিখক।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ সাংখ্য দর্শনৰ চমু পৰিচয় লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় দর্শনৰ উৎপত্তি আৰু ক্রমবিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ ভাৰতীয় দর্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ বহলাই লিখক।

*** ***** ***

অধ্যায় ২ ঃ সাংখ্য দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ সাংখ্য শব্দৰ অর্থ

২.৪ সাংখ্য দর্শনৰ চমু আভাস

- ২.৪.১ সৎকার্য্যবাদ
- ২.৪.২ প্রকৃতি আৰু পুৰুষ
- ২.৪.৩ সৃষ্টি তত্ত্ব
- ২.৪.৪ জ্ঞান তত্ত্ব
- ২.৪.৫ মোক্ষ বা মুক্তি তত্ত্ব
- ২.৪.৬ ঈশ্বৰ সম্পর্কে সাংখ্যৰ ধাৰণা

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্রগতিৰ খতিয়ান

২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাংখ্য শব্দৰ অর্থ জানিব পাৰিব
- সৎকার্য্যবাদৰ বিষয়ে জানিব পাৰিব
- সাংখ্যৰ দুটা মূল তত্ত্ব প্রকৃতি আৰু পুৰুষৰ বিষয়ে জ্ঞান লাভ কৰিব
- জগতৰ ক্রমবিকাশ অর্থাৎ সৃষ্টিতত্ত্ব সম্পর্কে অৱগত হ'ব
- জ্ঞানতত্ত্ব সম্পর্কে সাংখ্য মতবাদৰ বিষয়ে জানিব পাৰিব
- মোক্ষৰ বিষয়ে জনাৰ লগতে সাংখ্যৰ ঈশ্বৰ বিশ্বাস সম্পর্কীয় মতবাদৰ বিষয়ে জানিব পাৰিব।

২.২ পৰিচয়

আপুনি আগৰ অধ্যায়টি অধ্যয়ন কৰি দর্শন শব্দৰ অর্থ, ভাৰতীয় দর্শনৰ সাধাৰণ বৈশিষ্ট্য, ভাৰতীয় দর্শনৰ বিভিন্ন সম্প্রদায়ৰ নাম আদিৰ বিষয়ে জানিব পাৰিলে। ইয়াৰ লগতে এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সাংখ্যদর্শনৰ লগতো পৰিচিত হ'ব।

সাংখ্যদর্শন ভাৰতীয় দার্শনিক সম্প্রদায়সমূহৰ ভিতৰত অতি প্রাচীন।মহর্ষি কপিল মুনি এই দর্শনৰ প্রণেতা বুলি শ্বেতাশ্বতৰ উপনিষদত উল্লেখ কৰা আছে। পণ্ডিতসকলৰ মতে কপিল মুনি ৮ম শতিকাৰ লোক। সাংখ্যদর্শন নিৰীশ্বৰবাদী দর্শন অর্থাৎ জগত সৃষ্টিৰ বাবে কোনো ঐশ্বৰিক ক্রিয়াৰ অস্তিত্ব সাংখ্যদর্শনে স্বীকাৰ কৰা নাই। পুৰুষ আৰু প্রকৃতিক দুটা মৌলিক সত্তা হিচাপে স্বীকাৰ কৰি এটা আণবিক ক্রমবিবর্তনৰ মাজেদি জগতখনক ব্যাখ্যা কৰা হৈছে। আধুনিক বিজ্ঞান তথা দর্শন শাস্ত্রত আলোচিত বহুতো তাত্ত্বিক দিশ সাংখ্যদর্শনে প্রাচীন কালতে ব্যাখ্যা কৰি থৈ গৈছে। উপনিষদ, পুৰাণ, মহাভাৰত আৰু গীতাত সাংখ্য দর্শনৰ যথেষ্ট উল্লেখ আছে। ইয়াৰ উপৰিও সাংখ্যদর্শনৰ মতামত অহির্বুধ্ন্যসংহিতা, চৰকসংহিতা, অশ্বঘোষৰ বুদ্ধচৰিত গ্রন্থ আদিত পোৱা যায়।

এই অধ্যায়ত সাংখ্যদর্শননো কি, সাংখ্যদর্শনৰ স্বৰূপ, সৎকার্য্যবাদৰ সৈতে সাংখ্যদর্শনৰ সম্পর্ক, প্রকৃতি আৰু পুৰুষেই যে জগত সৃষ্টিত মুখ্য ভূমিকা লৈছে, জ্ঞান তত্ত্ব আদিৰ কিছু আভাস আপোনাৰ উদ্দেশ্য দাঙি ধৰা হৈছে। ঈশ্বৰ সম্পর্কে সাংখ্যদর্শনে আগবঢ়োৱা যুক্তিও ইয়াত আলোচনা কৰা হৈছে।

২.৩ সাংখ্য শব্দৰ অর্থ

এতিয়া আপুনি সাংখ্য শব্দৰ অর্থটো জানিব পাৰিব। 'সাংখ্য' নামটোৰ উৎপত্তি সন্দর্ভত পণ্ডিতসকলৰ মাজত মতানৈক্য দেখা যায়। কিছুমানৰ মতে 'সংখ্যা' শব্দটোৰ পৰা 'সাংখ্য' শব্দটোৰ উৎপত্তি হৈছে কাৰণ এই দর্শনে জ্ঞানৰ মূল বিষয়বোৰৰ সংখ্যা নিৰূপণ কৰি সত্তাক জনাৰ প্রয়াস কৰে। আন কিছুমানৰ মতে 'সাংখ্য' মানে 'যথার্থ জ্ঞান'। তত্ত্বজ্ঞানেই হৈছে যথার্থজ্ঞান। অর্থাৎ যি দর্শনে আমাক সত্তা সম্পর্কে পূর্ণ জ্ঞান দিয়ে, যি দর্শনৰ দ্বাৰা আত্মোপলব্ধি বা মোক্ষ লাভ কৰিব পাৰি সেই দর্শনেই সাংখ্য দর্শন।

২.৪ সাংখ্য দর্শনৰ চমু আভাস

এই অংশত আপুনি সাংখ্যদর্শনৰ বিভিন্ন বিষয়বস্তু অর্থাৎ সৎকার্য্যবাদ, প্রকৃতি আৰু পুৰুষ, সাংখ্য সৃষ্টিতত্ত্ব, জ্ঞানতত্ত্ব, মোক্ষ তথা ঈশ্বৰ সম্পর্কে সাংখ্যৰ ধাৰণা আদিৰ বিষয়ে জানিব পাৰিব।

২.৪.১ সৎকার্য্যবাদ

আপুনি জানেনে যে কার্য্য আৰু কাৰণৰ সম্বন্ধক ভিত্তি কৰি ভাৰতীয় দর্শনত দুটা মতবাদ গঢ় লৈ উঠিছে। এটা হ'ল সৎকার্য্যবাদ আৰু আনটো হ'ল অসৎকার্য্যবাদ। সাংখ্যদর্শনে সৎকার্য্যবাদ স্বীকাৰ কৰে।

সাংখ্যদর্শনৰ স'তে উৎপত্তিৰ পূর্বে কার্য্য তাৰ কাৰণৰ মাজত নিহিত হৈ থাকে— এয়াই সৎকার্য্যবাদ (কার্য্য কাৰণত সৎ বিদ্যমান, সেই বাবেই এই মতৰ নাম

সৎকার্য্যবাদ)। সৎকার্য্যবাদৰ সপক্ষে সাংখ্যকাৰসকলে বিভিন্ন যুক্তি আগবঢ়াইছে— (ক) যদি কার্য্য আগৰেপৰা কাৰণত নাথাকে তেন্তে শূন্যৰ পৰাও কার্য্যৰ উৎপত্তি হ'ব পাৰে; (খ) যদি কার্য্য উপাদান কাৰণৰ (যেনে— মাটি) মাজত নিহিত হৈ নাথাকে তেন্তে কোনো নিমিত্ত কাৰণে (যেনে- কুমাৰ) কাৰণৰ পৰা কার্য্য (যেনে— ঘট) তৈয়াৰ কৰিব নোৱাৰে। (গ) কার্য্য আৰু কাৰণৰ মাজত এটা এৰাব নোৱাৰা সম্বন্ধ থকা বাবেই এটা নির্দিষ্ট কাৰণৰ পৰা এটা নির্দিষ্ট কার্য্যৰহে উৎপত্তি হয়। যেনে— সৰিয়হৰ গুটিৰ পৰাহে তেল হয়, বালিৰ পৰা নহয়; (ঘ) যি কাৰণৰ মাজত যি কার্য্যৰ সম্ভাৱনা নিহিত হৈ থাকে সেই কাৰণৰপৰা সেই কার্য্যহে উৎপন্ন হ'ব আৰু (ঙ) কার্য্য আৰু কাৰণ একেটা দ্রব্যৰেই ব্যক্ত আৰু অব্যক্ত ৰূপ। স্বৰূপ কিন্তু একেটাই।

সৎকার্য্যবাদৰ দুটা ৰূপ— **পৰিণামবাদ** আৰু **বিবর্তবাদ**। সাংখ্যদর্শনে পৰিণামবাদী সৎকার্য্যবাদ সমর্থন কৰে। কাৰণৰ পৰা কার্য্যৰ উৎপত্তি হওঁতে এটা যথার্থ পৰিৱর্তন ঘটে, সেয়াই হৈছে পৰিণামগত পৰিৱর্তন।

পৰিণামবাদ ঃ কার্য্য যদিও উৎপত্তিৰ আগতে কাৰণৰ মাজত নিহিত হৈ থাকে কার্য্য এটা নতুন সৃষ্টি অর্থাৎ এটা যথার্থ পৰিৱর্তন। এই পৰিৱর্তন পৰিণামগত পৰিৱর্তন। এই মতবাদৰ নামেই পৰিণামবাদ।

বিবর্তবাদ ঃ কাৰণৰ পৰা কার্য্যৰ উৎপত্তি হোৱাটো এটা ৰূপান্তৰ মাথোন, কাৰণৰ যথার্থ পৰিৱর্তন নহয়। ইয়াকে বিবর্তবাদ বোলে। অদ্বৈতবাদীসকলে বিবর্তবাদ স্বীকাৰ কৰে।

২.৪.২ প্রকৃতি আৰু পুৰুষ

সৃষ্টিৰ মূল হিচাপে সাংখ্যদর্শনে প্রকৃতি আৰু পুৰুষ এই দুটা মৌলিক তত্ত্বক স্বীকাৰ কৰে। এই দুটা মৌলিক সত্তাৰ সংঘাত আৰু ক্রমবিকাশৰ ফলশ্রুতিয়েই হৈছে জগত সৃষ্টি আৰু সিহঁতৰ বিচ্ছেদেই হৈছে ধ্বংস।

সাংখ্যদর্শনৰ প্রকৃতিতত্ত্বৰ ভিত্তি হৈছে পৰিণামবাদী সৎকার্য্যবাদ। জাগতিক সকলো বস্তু বা ঘটনা কোনো এটা কাৰণৰ ওপৰত নির্ভৰ কৰে। এনেদৰে ক্রমাগতভাৱে কার্য্যৰ কাৰণ বিচাৰোতে এটা মূল কাৰণ পোৱা যায়। সাংখ্যৰ মতে এই মূল কাৰণেই হৈছে প্রকৃতি। প্রকৃতি অন্য কোনো কাৰণৰ ওপৰত নির্ভৰশীল নহয়। ইয়াৰ কোনো উৎপত্তিও নাই, ধ্বংসও নাই। ই স্থান, কাল আৰু শব্দৰো অতীত। অথচ এই প্রকৃতি সর্বব্যাপ্ত। প্রকৃতি অচেতন কিন্তু সক্রিয়।

সাংখ্যদর্শনৰ মতে প্রকৃতি তিনিটা গুণৰ সমাহাৰ— সত্ত্ব, ৰজঃ আৰু তমঃ। এই গুণ তিনিটা প্রকৃতিৰ উপাদান। গুণসমূহৰ নিজস্ব ধর্ম বা লক্ষণ আছে। গুণবোৰৰ সমষ্টিত যি বস্তুৰ সৃষ্টি হয়, সেই বস্তুত অধিক শক্তিশালী ৰূপত গুণৰ লক্ষণেই প্রকাশিত হয়। গুণৰ মুখ্য বৈশিষ্ট্য হৈছে কার্য্য উৎপন্ন কৰা আৰু তাৰ দ্বাৰা পুৰুষৰ উদ্দেশ্য সাধন কৰা। 'সত্ত্ব' শব্দটো 'সৎ' শব্দটোৰ পৰা উৎপত্তি হৈছে। 'সৎ' মানে হ'ল যাৰ অস্তিত্ব আছে অথবা যি যথার্থ। যি উপাদানৰ পৰা সুখ, আনন্দ, সৌন্দর্য্য আদিৰ উৎপত্তি হয় তাকে সত্ত্ব বোলে। সত্ত্বগুণ লঘু অথবা ভাৰমুক্ত। যি উপাদানৰ পৰা গতিৰ আৰু দুখৰ সৃষ্টি হয়, সেয়াই ৰজঃ গুণ। ই চঞ্চল প্রকৃতিৰ। এই গুণৰ বাবে মন বিষয়মুখী হয় আৰু শেষত দুখ ভোগ কৰিবলগীয়া হয়। তমঃ গুণ গুৰু অথবা ভাৰযুক্ত। তমঃ গুণৰ প্রভাৱত নিস্ক্রিয়তা, নিদ্রা, প্রতিবন্ধকতা আদিৰ সৃষ্টি হয়। এই গুণ তিনিটা যেতিয়া সাম্যৱস্থাত

থাকে তেতিয়া জগত সৃষ্টি হ'ব নোৱাৰে। গুণ তিনিটাৰ পাৰস্পৰিক প্ৰভাৱ আৰু সংমিশ্ৰণৰ ফলতহে জগত সৃষ্টি হয়। ইটো গুণে সিটো গুণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ ফলত শেষত যিটো গুণে প্ৰাধান্য বিস্তাৰ কৰে সেইটোৱেই বস্তুটোৰ স্বভাৱ হয়। এই তিনিটা গুণ আকৌ পৰস্পৰবিৰোধী। তথাপিও এই গুণকেইটা সদায় একেলগে থাকে আৰু এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। আন দুটা গুণৰ সহযোগ নাপালে কেৱল এটা গুণে কোনো বস্তু উৎপাদন কৰিব নোৱাৰে।



জ্ঞাতা ঃ জানোতা, যি জানে। পুৰুষৰ কোনো জ্ঞানৰ প্ৰয়োজন নাই।

সাংখ্যাদৰ্শনে স্বীকাৰ কৰা দ্বিতীয় মৌলিক সত্তা হ'ল পুৰুষ অথবা আত্মা। সাংখ্যৰ মতে আত্মা হ'ল চেতন সত্তা আৰু সদায়েই **জ্ঞাতা**। ই সকলো ক্ৰিয়া আৰু পৰিবৰ্তনৰ বাহিৰত। ই কাৰণবিহীন, নিত্য আৰু সৰ্বব্যাপী। এই আত্মা, দেহ, মন, ইন্দ্ৰিয় আদিৰ পৰা পৃথক। অজ্ঞানতাৰ বাবে আত্মাই নিজকে এইবোৰৰ লগত একে বুলি ভুল কৰে আৰু জগতৰ পৰিৱৰ্তনৰ প্ৰবাহৰ মাজত সোমাই দুখ কষ্ট অনুভৱ কৰে। সাংখ্যদৰ্শনে বহু পুৰুষৰ অস্তিত্ব স্বীকাৰ কৰে। পুৰুষ শুদ্ধ, চেতন আৰু নিষ্ক্ৰিয়।

সাংখ্যদৰ্শনত পুৰুষৰ দুটা দিশ আছে— পাৰমাৰ্থিক আৰু ব্যৱহাৰিক। পাৰমাৰ্থিক দিশটো হ'ল শুদ্ধ পুৰুষ বা আত্মা আৰু ব্যৱহাৰিক দিশটো হ'ল জীৱ। আচলতে আত্মাই জীৱাত্মাৰ স্বৰূপ। কিন্তু বুদ্ধিৰ সংযোগত আত্মা যেতিয়া অংহকাৰত মগ্ন হৈ ভ্ৰমান্ধ হয় তেতিয়া জীৱ বোলা হয়।

২.৪.৩ সৃষ্টিতত্ত্ব

এইটো অধ্যায়তে আপুনি ইতিমধ্যে অৱগত হৈছে যে সাংখ্যদৰ্শনে জগত সৃষ্টিৰ ক্ষেত্ৰত কোনো ঐশ্বৰিক ক্ৰিয়াৰ অস্তিত্ব স্বীকাৰ কৰা নাই। পুৰুষ আৰু প্ৰকৃতি এই দুটা মৌলিক সত্তাৰ সংযোগৰ ফলতে জগতৰ ক্ৰমবিকাশৰ আৰম্ভণি হয়। সৃষ্টিৰ আগতে ত্ৰিগুণাত্মক প্ৰকৃতিৰ গুণসমূহ সাম্যাৱস্থাত থাকে। প্ৰকৃতি অচেতন যদিও নিজৰ স্বভাৱজাত সক্ৰিয়তাৰ ফলত যেতিয়া প্ৰকৃতিয়ে **অভিব্যক্তি** বিচাৰে তেতিয়া চেতন পুৰুষৰ সান্নিধ্যলৈ আহে আৰু লগে লগে সাম্যাৱস্থা ভঙ্গ হৈ সৃষ্টি আৰম্ভ হয়। প্ৰথমতে প্ৰকৃতিৰ চঞ্চল স্বভাৱৰ ৰজঃ গুণে সত্ত্ব আৰু তম গুণক চঞ্চল কৰি তোলে। ইয়াৰ ফলত প্ৰকৃতিৰ বুকুত ভয়ানক আলোড়নৰ সৃষ্টি হয় আৰু তিনিওটা গুণে পৰস্পৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰে। এনেদৰে ক্ৰমে জগতখনৰ অভিব্যক্তি ঘটিবলৈ ধৰে।



অভিব্যক্তি ঃ প্ৰকাশ, বিকাশ।

পুৰুষ আৰু প্ৰকৃতি পৰস্পৰ বিৰোধী সত্তা। তথাপিও সক্ৰিয় প্ৰকৃতি চেতন পুৰুষৰ **'দৰ্শনাৰ্থে'** আৰু **'কৈৱল্যাৰ্থে'** তাৰ সান্নিধ্যলৈ আহে। অৰ্থাৎ প্ৰকৃতিক পুৰুষৰ প্ৰয়োজন হয় দৰ্শনাৰ্থে আৰু পুৰুষক প্ৰকৃতিৰ প্ৰয়োজন হয় কৈৱল্যাৰ্থে। প্ৰকৃতিয়ে সৃষ্টি কৰা জগতখনৰ ভোগ আৰু দৰ্শনৰ বাবে পুৰুষৰ প্ৰয়োজন হয়। আনহাতে, পুৰুষে নিজক জড়ৰ পৰা পৃথক কৰি মুক্তিলাভৰ কাৰণে প্ৰকৃতিৰ সাহায্য লয়।



দৰ্শনাৰ্থে ঃ পুৰুষে প্ৰকৃতিক চাবৰ বাবে, অৰ্থাৎ পুৰুষে সংসাৰ ভোগ কৰিবৰ বাবে।


কৈৱল্যাৰ্থে ঃ পুৰুষৰ মুক্তিৰ বাবে। কৈৱল্য মানে মুক্তি।

পুৰুষৰ সান্নিধ্যৰ ফলত প্ৰকৃতিৰ ক্ৰমবিকাশৰ প্ৰথম অভিব্যক্তি হ'ল মহৎ বা বুদ্ধি। মহৎ হ'ল সমগ্ৰ বিশ্বৰ বীজ। মহৎ বা বুদ্ধিৰ পৰা অহঙ্কাৰৰ উদ্ভৱ হয়। অহঙ্কাৰৰ পৰা পঞ্চতন্মাত্ৰ, পঞ্চজ্ঞানেন্দ্ৰিয়, পঞ্চকৰ্মেন্দ্ৰিয় আৰু মনৰ উৎপত্তি হয়। পঞ্চতন্মাত্ৰৰ পৰা পঞ্চমহাভূতৰ উদ্ভৱ হয়।

এনেদৰে সাংখ্যদৰ্শনৰ জগত ক্ৰমবিকাশত মুঠতে পঁচিশটা তত্ত্বৰ উল্লেখ পাওঁ। তাৰ ভিতৰত প্ৰকৃতি মুখ্য কাৰণ। ইয়াৰ ভিতৰত মহৎ, অহঙ্কাৰ আৰু পঞ্চতন্মাত্ৰ এফালে কাৰণ আৰু আনফালেদি কাৰ্য্য। পঞ্চজ্ঞানেন্দ্ৰিয়, পঞ্চকৰ্মেন্দ্ৰিয় পঞ্চমহাভূত আৰু মন কেৱলমাত্ৰ কাৰ্য্য। পুৰুষ কেৱল নিৰ্বিকাৰ দ্ৰষ্টা বা সাক্ষী হিচাপে থাকে।

পঁচিশটা তত্ত্ব

পুৰুষৰ সংযোগত প্ৰকৃতিৰ ক্ৰমবিৱৰ্তন বা অভিব্যক্তি এনেধৰণৰ ঃ



পঞ্চ জ্ঞানেন্দ্ৰিয়— চকু, কাণ, নাক, জিভা, ছাল
পঞ্চ কৰ্মেন্দ্ৰিয়— হাত, ভৰি, মুখ, গুহ্য, মূত্ৰদ্বাৰ
পঞ্চ তন্মাত্ৰ— ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ
পঞ্চ মহাভূত— মাটি, পানী, তেজ, বায়ু, আকাশ

প্ৰকৃতিৰ অভিব্যক্তিৰ ক্ষেত্ৰত সাংখ্যদৰ্শনৰ আন এটি উল্লেখযোগ্য মত হ'ল সৃষ্টিৰ অৰ্থত প্ৰকৃতিয়েই মুখ্য কাৰণ যদিও উদ্দেশ্যৰ অৰ্থত কিন্তু পুৰুষ মুখ্য কাৰণ। প্ৰকৃতিয়ে অচেতনভাৱে পুৰুষৰ উদ্দেশ্য সাধন কৰি গৈ থাকে— যেনেদৰে গৰুৱে গাখীৰ দিয়ে, গছে ফল দিয়ে। প্ৰকৃতিৰ পৰা সৃষ্ট জগতৰ সকলো কৰ্মৰ উদ্দেশ্য হৈছে পুৰুষ। পুৰুষে ভাল-বেয়া কৰ্মৰ পৰিণাম অনুযায়ী ফল ভোগ কৰি যথাৰ্থ জ্ঞান লাভ কৰি কৈৱল্য সাধন কৰে। আনহাতে পুৰুষৰ সংস্পৰ্শত প্ৰকৃতিয়ে বিৰাটৰ পৰা ক্ষুদ্ৰাতিক্ষুদ্ৰলৈ যিদৰে নিজক অভিব্যক্ত কৰে ঠিক একে পথেদি ঘূৰি আহি গুণত্ৰয়ৰ সাম্যাৱস্থাত উপস্থিত হয়। গতিকে সাংখ্যকাৰসকলৰ মতে প্ৰকৃতিয়েই উপাদান কাৰণ

যদিও উদ্দেশ্য অনুসৰি পুৰুষেই মুখ্য কাৰণ। পুৰুষৰ উদ্দেশ্য সাধনৰ অবিহনে প্ৰকৃতি আৰু তাৰ সৃষ্টিৰ কোনো প্ৰয়োজন নাথাকে।



জানি থোৱা ভাল

১) প্ৰকৃতিৰ অভিব্যক্তিৰ দ্বিতীয় উপাদান হ'ল অহঙ্কাৰ। অহঙ্কাৰ হৈছে 'মই', 'মোৰ', 'আমাৰ' আদি ব্যক্তিবোধক অভিমানসমূহ। সত্ব, ৰজঃ আৰু তমঃ— এই তিনিটা গুণৰ প্ৰাধ্যন্য অনুযায়ী অহঙ্কাৰক তিনিভাগত বিভক্ত কৰিব পাৰি। সত্বৰ প্ৰাধান্য হ'লে সাত্ত্বিক অহঙ্কাৰ, ৰজৰ প্ৰাধান্য থাকিলে তৈজস বা ৰাজসিক অহঙ্কাৰ আৰু তমগুণৰ প্ৰাধান্য থাকিলে ভূতাদি বা তামসিক অহঙ্কাৰ বোলা হয়। সাত্ত্বিক অহঙ্কাৰৰ পৰা পঞ্চজ্ঞানেন্দ্ৰিয়, পঞ্চকৰ্মেন্দ্ৰিয় আৰু মন; তামসিক অহঙ্কাৰৰ পৰা পঞ্চতন্মাত্ৰৰ উৎপত্তি হয়। ৰাজসিক অহংকাৰে সাত্ত্বিক আৰু তামসিকৰ লগত লগ লাগি উৎপাদনত সহায় কৰে। অহঙ্কাৰৰ এই বিকাশ প্ৰক্ৰিয়া সাংখ্য দাৰ্শনিক বিজ্ঞানভিক্ষুৰ বাহিৰে বাকী সকলো সাংখ্য দাৰ্শনিকে সমৰ্থন কৰে।

২) প্ৰকৃতিৰ অভিব্যক্তিৰ দুটা দিশ আছে— এটা মানসিক (বুদ্ধি সৰ্গ বা প্ৰত্যয় সৰ্গ), আনটো ভৌতিক (তন্মাত্ৰ সৰ্গ বা ভৌতিক সৰ্গ)। প্ৰথম অভিব্যক্তি আভ্যন্তৰীণ, দ্বিতীয়টো বাহ্যিক। প্ৰথম ভাগত বুদ্ধি, অহঙ্কাৰ আৰু এঘাৰটি ইন্দ্ৰিয় অন্তৰ্ভুক্ত আৰু দ্বিতীয়টো ভাগত পঞ্চতন্মাত্ৰ আৰু পঞ্চমহাভূত অন্তৰ্গত। তন্মাত্ৰসমূহৰ বিশিষ্ট প্ৰত্যক্ষিত লক্ষণ নাই বাবে 'অবিশেষ' বোলা হয় আৰু পঞ্চমহাভূতৰ সুখ, দুখ আদি বিভিন্ন প্ৰত্যক্ষযোগ্য বৈশিষ্ট্য থকা বাবে 'বিশেষ' বোলা হয়। বিশেষ বা দৈহিক বস্তুবোৰক তিনিটা ভাগত ভগোৱা হৈছে— স্থূল শৰীৰ (ভূতাদিৰ পৰা তৈয়াৰী, পিতৃ-মাতৃৰ পৰা উৎপন্ন হোৱা শৰীৰ); সূক্ষ্মশৰীৰ বা লিঙ্গশৰীৰ (বুদ্ধি, অহঙ্কাৰ, মন আৰু দহোটা ইন্দ্ৰিয় পঞ্চতন্মাত্ৰৰ পৰা গঠিত শৰীৰ। এই শৰীৰ যোগী সকলে সাধনাৰ জৰিয়তেহে লাভ কৰে) আৰু অধিষ্ঠান শৰীৰ (এটা স্থূলদেহৰ পৰা আন এটা স্থূলদেহলৈ যোৱাৰ পথত অধিষ্ঠান শৰীৰে সূক্ষ্মদেহক সহায় কৰে)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ সাংখ্যদৰ্শনৰ প্ৰণেতা কোন?

.....

প্ৰশ্ন ২ ঃ কোনটো শব্দৰ পৰা সাংখ্য শব্দটোৰ উৎপত্তি হৈছে?

.....

প্ৰশ্ন ৩ ঃ সৎকাৰ্য্যবাদ মানে কি?

.....

.....

প্রশ্ন ৪ ঃ সৎকার্য্যবাদৰ কেইটা ৰূপ? নামকেইটা লিখক।

.....

প্রশ্ন ৫ ঃ প্রকৃতিত কি কি গুণৰ সমাহাৰ হৈছে?

.....

.....

২.৪.৪ জ্ঞান তত্ত্ব

আপুনি ইতিমধ্যে দর্শনৰ জ্ঞানতত্ব সম্পর্কে জানি আহিছে। যথার্থ জ্ঞান বা প্রমা, প্রমাণ, প্রমাতা প্রমেয়ৰ বিষয়েও জ্ঞান লাভ কৰিছে। আপুনি এই অংশত সাংখ্যদর্শনৰ জ্ঞানতত্ত্বৰ কথা জানিব পাৰিব। সাংখ্যৰ জ্ঞানতত্ত্ব পুৰুষ প্রকৃতি দ্বৈতবাদৰ ওপৰত প্রতিষ্ঠিত। যথার্থ জ্ঞানৰ সাধনৰূপে সাংখ্যই তিনিবিধ প্রমাণক মানি লয়। যেনে— প্রত্যক্ষ বা দৃষ্ট, অনুমান আৰু শব্দ বা আপ্তবচন উপমান সংখ্যাই অর্থাপত্তি, অনুপলব্ধি ইত্যাদিক স্বতন্ত্র প্রমাণ বুলি স্বীকাৰ নকৰে। এই কেইবিধ প্রমাণক সাংখ্যই ওপৰত উল্লেখিত তিনিবিধ প্রমাণৰ অন্তর্ভুক্ত কৰে।

প্রত্যক্ষ প্রমাণ ঃ ইন্দ্রিয়ৰ লগত বিষয়বস্তুৰ সংযোগ হ'লে যি জ্ঞান হয়, সেয়ে প্রত্যক্ষ বা দৃষ্ট প্রমাণ। উদাহৰণ স্বৰূপে যদি চকুৰ লগত মেজ এখনৰ সংযোগ হয়, তেতিয়া মনে ইন্দ্রিয়ৰ অনুভৱবোৰ বিশ্লেষণ কৰে। মন আৰু ইন্দ্রিয়ৰ এই প্রক্রিয়াৰ ফলত বুদ্ধিৰ বিকাৰ হয় আৰু মেজৰ আকাৰলৈ ৰূপান্তৰ হয়। বুদ্ধিয়ে নিজে মেজৰ আকাৰ জানিব নোৱাৰে। গতিকে সত্ত্ব গুণৰ প্রাধান্য থকা বুদ্ধিয়ে আত্মাৰ চৈতন্য প্রতিফলিত কৰি মেজৰ জ্ঞান অর্জন কৰে (যেনেদৰে আইনা এখনে চাকিৰ পোহৰ প্রতিফলন কৰি নিজেও প্রকাশিত হয় আৰু আনকো প্রকাশ কৰে)।

প্রত্যক্ষ দুই প্রকাৰৰ— নির্বিকল্প আৰু সবিকল্প। ইন্দ্রিয়ৰ লগত বিষয়বস্তুৰ সংযোগৰ প্রথম মুহূর্তটোত নির্বিকল্প প্রত্যক্ষৰ উৎপত্তি হয়। কেঁচুৱা এটাই যেনেদৰে নিজৰ অভিজ্ঞতাক শব্দ বা বাক্যৰে বুজাব নোৱাৰে তেনেদৰে নির্বিকল্প প্রত্যক্ষৰ ক্ষেত্রত বিষয়বস্তুৰ সম্পূর্ণ জ্ঞান নহয়। ইয়াৰ পিছৰ পর্য্যায়ত মনৰ লগত বিষয়বস্তুৰ সংবেদন প্রক্রিয়া আৰম্ভ হয় আৰু সবিকল্প প্রত্যক্ষৰ উৎপত্তি হয়। অর্থাৎ বস্তুৰ জ্ঞান লাভ কৰা হয়। যেনে— চেনী মিঠা, সেইজোপা গছ আদি।

অনুমান ঃ এটা বস্তু প্রত্যক্ষ কৰি তাৰেই ভিত্তিত আন এটা অপ্রত্যক্ষিত বস্তুৰ জ্ঞান লাভ কৰা প্রক্রিয়াকে অনুমান বোলে। দুটা বস্তুৰ মাজত থকা **ব্যাপ্তি** সম্পর্কৰ জ্ঞানৰ ভিত্তিতে অনুমানৰ সহায়ত প্রত্যক্ষিত বস্তুৰ পৰা অপ্রত্যক্ষিত বস্তুৰ অৱস্থিতি সম্পর্কে জানিব পাৰি। অনুমানৰ বিভাজন সম্পর্কত সাংখ্য দার্শনিক সকলে ভিন্ ভিন্ মতবাদ প্রকাশ কৰা দেখা যায়। 'সাংখ্যকাৰিকা' গ্রন্থৰ এজন ভাষ্যকাৰ গৌড়পাদৰ মতে অনুমান তিনি প্রকাৰৰ— পূর্ববৎ, শেষবৎ আৰু সামান্যতোদৃষ্ট। কাৰণ দেখি কার্য্যৰ অনুমান কৰাটোৱেই

হ'ল পূৰ্ববৎ অনুমান। যেনে— আকাশৰ মেঘ দেখি বৰষুণ হ'ব বুলি কৰা অনুমান। কাৰ্য্যৰ পৰা কাৰণৰ অনুমান কৰাটোৱেই হ'ল শেষবৎ অনুমান। যেনে— সাগৰৰ পানী অলপ চাকি চালে যদি লুণীয়া লাগে তেন্তে সাগৰৰ সকলো পানী লুণীয়া হ'ব। প্ৰত্যক্ষ বিষয়ৰ পৰা অপ্ৰত্যক্ষ বিষয়ৰ অনুমানেই সামান্যতোদৃষ্ট অনুমান। যেনে— এডাল আম গছৰ মুকুল ওলোৱা দেখিলে অন্য সকলো আমগছৰে মুকুল ওলোৱা বুলি কৰা অনুমান।

শব্দ বা আপ্তবচন ঃ সাংখ্যদৰ্শনে স্বীকাৰ কৰা তৃতীয় প্ৰমাণ হ'ল শব্দ বা আপ্তবচন। যি বস্তুৰ জ্ঞান প্ৰত্যক্ষ বা অনুমান প্ৰমাণেৰে পোৱা নাযায়, তাৰ জ্ঞানৰ কাৰণে শব্দ প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। শব্দ দুই প্ৰকাৰৰ— লৌকিক আৰু বৈদিক। সাধাৰণ বিশ্বাসযোগ্য ব্যক্তিৰ বচনেই লৌকিক শব্দ। সাংখ্যই ইয়াক স্বীকাৰ নকৰে। বেদ, শ্ৰুতি, স্মৃতি, ইতিহাস, পুৰাণ আদিও থকা বাক্য বা শব্দৰ যিবোৰ জ্ঞান সেয়াহে শব্দ প্ৰমাণ। তেওঁলোকৰ মতে এইবোৰ অভ্ৰান্ত।

২.৪.৫ মোক্ষ বা মুক্তি তত্ত্ব

সাধাৰণ অৰ্থত জন্ম-মৃত্যুৰ ভৱচক্ৰৰ পৰা হাত সাৰিব পৰাকেই মোক্ষ বা মুক্তি বোলে। ভাৰতীয় দৰ্শনে মোক্ষ লাভ কৰাই জীৱনৰ মুখ্য উদ্দেশ্য বুলি একেমুখে স্বীকাৰ কৰে। অৱশ্যে মোক্ষ লাভ কৰাৰ পথ সকলো দাৰ্শনিক সম্প্ৰদায়ৰে একে নহয়।

সাংখ্যদৰ্শনৰ মতে দুখৰ পৰা চৰম আৰু সম্পূৰ্ণ নিষ্কৃতিয়েই হ'ল মুক্তি। তেওঁলোকৰ মতে দুখ তিনি প্ৰকাৰৰ— আধ্যাত্মিক, আধিভৌতিক আৰু আধিদৈৱিক। শাৰীৰিক আৰু মানসিক কাৰণৰ পৰা উদ্ভৱ হোৱা দুখ হ'ল আধ্যাত্মিক দুখ; পশু-পক্ষী, মানুহ আদিৰ পৰা পোৱা দুখ হ'ল আধিভৌতিক দুখ আৰু অলৌকিক বা অতিপ্ৰাকৃতিক কাৰণ, যেনে—ভূত-প্ৰেত, বজ্ৰপাত, শীত আদিৰ পৰা উদ্ভৱ হোৱা দুখ হ'ল আধিদৈৱিক দুখ। এই তিনি প্ৰকাৰৰ দুখৰ স্বৰূপ আৰু উৎপত্তি সম্পৰ্কে জ্ঞান তথা সিহঁতৰ পৰা পৰিত্ৰাণ লাভ কৰাই হৈছে সাংখ্যমতে জীৱনৰ মুখ্য উদ্দেশ্য।

আপুনি আগতেই পাই আহিছে যে পুৰুষৰ সংযোগত প্ৰকৃতিৰ পৰা সৃষ্টি আৰম্ভ হয় আৰু সেই সৃষ্টিৰ অৰ্থই হৈছে জন্ম-মৃত্যু। জন্মৰ মাজতে জীৱৰ বন্ধন হয়, য'ৰপৰা জীৱই মুক্তি বিচাৰে। সাংখ্যমতে জীৱ স্বৰূপাৰ্থত মুক্ত, শুদ্ধ, চৈতন্য পুৰুষ। অজ্ঞানতা অথবা অবিদ্যাবশতঃ জীৱই কৰ্তা, ভোক্তা, জ্ঞাতাৰূপে সংসাৰৰ কৰ্মফল ভোগৰ বাবে জন্ম লয়। এয়া আচলতে একপ্ৰকাৰৰ ভ্ৰম। কাৰণ কৰ্তা, ভোক্তা হৈছে প্ৰকৃতিৰ পৰা উদ্ভৱ হোৱা বুদ্ধি, অহঙ্কাৰ, মন আৰু ইন্দ্ৰিয়সমূহ। জীৱ কেৱল সাক্ষী।

সাংখ্যকাৰসকলৰ মতে মুক্তিৰ উপায় হ'ল পুৰুষ আৰু প্ৰকৃতিৰ সংযোগ বিনাশ কৰা। কাৰণ পুৰুষ আৰু প্ৰকৃতিৰ সংযোগৰ পৰাই বন্ধনৰ মূল কাৰণ অবিদ্যাৰ উৎপত্তি হয়। পুৰুষ তথা প্ৰকৃতিৰ পৰা উদ্ভৱ হোৱা পঁচিশ তত্ত্বৰ স্বৰূপ ভালদৰে জানিব পাৰিলে

এজন ব্যক্তি মুক্তিৰ পথত অগ্রসৰ হ'ব পাৰে। এই পঁচিশ তত্ত্বৰ জ্ঞান, ধ্যান, ধাৰণা, অভ্যাস আদিৰ ফলত এজন ব্যক্তিৰ মনত আত্মা আৰু অনাত্মাৰ মাজত পার্থক্যজনিত জ্ঞানৰ উদয় হয়। তাৰ ফলত অহংভাব দূৰ হয়। এই পার্থক্য জনিত জ্ঞান অথবা বিবেকজ্ঞানৰ পৰা মুক্তি লাভ হয়। সাংখ্যদর্শনৰ মতে মুক্তিপ্রাপ্ত ব্যক্তিৰ স্বৰূপ হৈছে সুখ-দুখ ৰহিত এটা চৈতন্য অৱস্থা যি কেৱল সূক্ষ্ম শৰীৰত অৱস্থান কৰে। প্রকৃতিৰ বিকাৰে এই চৈতন্য অৱস্থাক স্পর্শ কৰিব নোৱাৰে। এই অৱস্থাৰ নাম হ'ল জীৱন-মুক্তি অর্থাৎ জীয়াই থকা কালতে মুক্ত পুৰুষৰ অৱস্থা প্রাপ্ত হোৱা। মৃত্যুৰ পিছত এই জীৱন মুক্ত পুৰুষৰ বিদেহ মুক্তি হয় অর্থাৎ স্থূল শৰীৰ আৰু সূক্ষ্ম শৰীৰ দুয়োটাকে ত্যাগ কৰে।

২.৪.৬ ঈশ্বৰ সম্পর্কে সাংখ্যৰ ধাৰণা

সাংখ্যদর্শনে ঈশ্বৰক বিশ্বাস নকৰে। সাংখ্য দার্শনিকসকলৰ মতে ঈশ্বৰৰ ধাৰণাটোৱেই অসিদ্ধ। ঈশ্বৰৰ অস্তিত্ব প্রত্যক্ষ, অনুমান, শব্দ আদি কোনো প্রমাণৰ সহায়তেই প্রমাণ কৰি দেখুৱাব নোৱাৰি। তেওঁলোকৰ মতে বেদত যি ঈশ্বৰৰ কথা আলোচনা কৰা হৈছে সেয়া আচলতে মুক্ত পুৰুষহে। অন্যান্য আস্তিক দার্শনিক সম্প্রদায়সমূহে জগত সৃষ্টিৰ ক্ষেত্রতে হওঁক বা অন্য ক্ষেত্রতে হওক যি ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিছে, সাংখ্যমতে পুৰুষ আৰু প্রকৃতিৰ সংযোগৰ ফলতে সেই সকলোবোৰ চলি আছে।

সাংখ্যদার্শনিক বিজ্ঞানভিক্ষুৱে ওপৰোক্ত মতবাদটোৰ ক্ষেত্রত নিজস্ব মতবাদ দাঙি ধৰি কৈছে যে সাংখ্যকাৰসকলে ঈশ্বৰৰ অস্তিত্বক প্রমাণ কৰিব নোৱাৰি বুলিহে কৈছে, ঈশ্বৰ নাই বুলি কোৱা নাই। সাংখ্যদর্শনে বেদ-উপনিষদ আদিৰ প্রামাণ্য স্বীকাৰ কৰিছে। এই গ্রন্থসমূহত আকৌ স্পষ্টকৈ ঈশ্বৰৰ উল্লেখ আছে। গতিকে বিজ্ঞানভিক্ষুৱে মত প্রকাশ কৰিছে যে সৃষ্টিকর্তা ৰূপে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰিলেও নিত্য আৰু পূর্ণসত্তা হিচাবে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিব লাগিব। তেওঁৰ মতে ঈশ্বৰ জগতৰ সাক্ষী। কিন্তু এই মতো অধিক সংখ্যক পণ্ডিতে অগ্রাহ্য কৰিছে।



জানি থোৱা ভাল

সাংখ্য দর্শনৰ কিছুমান উল্লেখযোগ্য গ্রন্থ ঃ সাংখ্য দর্শনৰ প্রণেতা কপিল মুনিয়ে ৰচনা কৰা 'সাংখ্যসূত্র' গ্রন্থখন সাংখ্যদর্শনৰ প্রথম গ্রন্থ যদিও এই গ্রন্থখন কালৰ গর্ভত বিলুপ্ত হৈছে। ঈশ্বৰকৃষ্ণই লিখা 'সাংখ্যকাৰিকা' গ্রন্থখনেই বর্তমানলৈ প্রাপ্ত পুৰণি আৰু প্রধান গ্রন্থ। 'সাংখ্যকাৰিকা'খনৰ ওপৰত গৌড়পাদে 'সাংখ্যকাৰিকা ভাষ্য' আৰু বাচস্পতি মিশ্রই 'সাংখ্যতত্ত্বকৌমুদী' নামেৰে দুখন ভাষ্য লিখে। এইকেইখন গ্রন্থৰ উপৰিও নাৰায়ণতীর্থৰ 'সাংখ্যচন্দ্রিকা, অনিৰুদ্ধৰ

'সাংখ্যসূত্রবৃত্তি', বিজ্ঞানভিক্ষুৰ 'সাংখ্যপ্রৱচনভাষ্য', নাগেশভট্টৰ 'লঘুসাংখ্যসূত্রবৃত্তি' আদিও সাংখ্যদর্শনৰ উল্লেখযোগ্য গ্ৰন্থ। 'সাংখ্যপ্রবচনসূত্র' আৰু 'তত্ত্বসমাস' দুখন মূল্যবান গ্ৰন্থ কপিল মুনিয়ে ৰচনা কৰা বুলি কোৱা হয় যদিও প্ৰমাণিত তথ্য নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ সাংখ্যদর্শনে কেইটা প্ৰমাণ স্বীকাৰ কৰে?

.....

.....

প্ৰশ্ন ৭ ঃ প্ৰত্যক্ষ প্ৰমাণ কেইপ্ৰকাৰৰ আৰু কি কি?

.....

প্ৰশ্ন ৮ ঃ সাংখ্যদর্শনৰ মতে দুখ কেইপ্ৰকাৰৰ আৰু কি কি?

.....

.....

প্ৰশ্ন ৯ ঃ সাংখ্যকাৰসকলে মুক্তিৰ উপায় কি দেখুৱাইছে?

.....

.....

প্ৰশ্ন ১০ ঃ জীৱন্মুক্তি মানে কি?

.....

প্ৰশ্ন ১১ ঃ সাংখ্যমতে মুক্তিৰ অৰ্থ কি?

.....

প্ৰশ্ন ১২ ঃ সাংখ্যকাৰিকা গ্ৰন্থখনৰ ৰচয়িতা কোন?

.....



২.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- সাংখ্য শব্দৰ অৰ্থ জানিব পাৰিলোঁ।
- সৎকাৰ্য্যবাদৰ বিষয়ে জানিব পাৰিলোঁ।
- সাংখ্যৰ দুটা মূল তত্ত্ব প্ৰকৃতি আৰু পুৰুষৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।
- জগতৰ ক্ৰমবিকাশ সম্পৰ্কে অৱগত হ'লোঁ।
- জ্ঞানতত্ত্ব সম্পৰ্কে সাংখ্যমত জানিব পাৰিলোঁ।
- মোক্ষৰ বিষয়ে জানিব পাৰিলোঁ।
- সাংখ্যৰ ঈশ্বৰ বিশ্বাস সম্পৰ্কীয় মতবাদৰ বিষয়ে জানিব পাৰিলোঁ।



২.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) চেতিয়া, ড° বিপিন , শর্মা, ড° নীলিমা (১৯৭৪); *ভাৰতীয় দর্শন* (১ম খণ্ড); গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি।

২) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ, ভট্টাচার্য্য, নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Sharma Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.



২.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যদর্শনৰ প্ৰণেতা কপিল মুনি।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'সংখ্যা' শব্দটোৰ পৰা সাংখ্য শব্দৰ উৎপত্তি হৈছে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যদর্শনৰ মতে উৎপত্তিৰ পূৰ্বে কার্য্য তাৰ কাৰণৰ মাজত নিহিত হৈ থাকে। সাংখ্যৰ এই মতটোৰ নামেই হ'ল সৎকার্য্যবাদ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ সৎকার্য্যবাদৰ দুটা ৰূপ। পৰিণামবাদ আৰু বিবর্তবাদ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যমতে প্ৰকৃতিত সত্ব, ৰজঃ আৰু তমঃ —এই তিনিটা গুণৰ সমাহাৰ হৈছে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যদর্শনে তিনিটা প্ৰমাণ স্বীকাৰ কৰে— প্ৰত্যক্ষ বা দৃষ্ট, অনুমান আৰু শব্দ বা আপ্তবচন।

৭নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যমতে প্ৰত্যক্ষ প্ৰমাণ দুই প্ৰকাৰৰ— নির্বিকল্প আৰু সবিকল্প।

৮নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যদর্শনৰ মতে দুখ তিনি প্ৰকাৰৰ— আধ্যাত্মিক, অধিভৌতিক আৰু অধিদৈৱিক।

৯নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যকাৰ সকলৰ মতে মুক্তিৰ উপায় হ'ল— পুৰুষ আৰু প্ৰকৃতিৰ সংযোগ বিনাশ কৰা।

১০নং প্ৰশ্নৰ উত্তৰ ঃ জীয়াই থকা কালতে মুক্ত পুৰুষৰ অৱস্থা প্ৰাপ্ত হোৱাকে জীৱন্মুক্তি বোলে।

১১নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্যমতে মুক্তিৰ অর্থ হ'ল— দুখৰ পৰা চৰম আৰু সম্পূর্ণ নিষ্কৃতি পোৱা।

১২নং প্ৰশ্নৰ উত্তৰ ঃ 'সাংখ্যকাৰিকা' গ্ৰন্থৰ ৰচয়িতা হ'ল— ঈশ্বৰকৃষ্ণ।



২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ 'সাংখ্য' শব্দৰ অৰ্থ লিখক।

প্ৰশ্ন ২ ঃ সাংখ্যদৰ্শনৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থৰ নাম লিখক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ সৎকাৰ্য্যবাদৰ বিষয়ে আলোচনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰকৃতি আৰু পুৰুষৰ সংযোগত কি ভাৱে জগতৰ সৃষ্টি হয় ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জ্ঞান সম্পৰ্কে সাংখ্যমত আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ যোগ দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ যোগ শব্দৰ অর্থ

৩.৪ যোগ দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস

৩.৪.১ যোগ মনস্তত্ত্ব

৩.৪.২ যোগৰ অষ্টমার্গ বা অষ্টাঙ্গযোগ

৩.৪.৩ যোগ দর্শনৰ ঈশ্বৰতত্ত্ব

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যোগ শব্দৰ অর্থ জানিব পাৰিব
- যোগমনস্তত্ত্বৰ দুটা মূল বিষয়বস্তু চিত্তবৃত্তি আৰু চিত্তভূমিৰ বিষয়ে জানিব পাৰিব
- তত্ত্বজ্ঞান লাভৰ ক্ষেত্রত অষ্টাঙ্গযোগৰ ভূমিকা সম্পর্কে জানিব পাৰিব
- যোগ দর্শনত ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে জ্ঞান লাভ কৰিব
- যোগদর্শনৰ বিভিন্ন গ্রন্থ তথা গ্রন্থকাৰৰ নাম জানিব পাৰিব।

৩.২ পৰিচয়

আপুনি জানি থোৱা উচিত যে যোগ দর্শনৰ প্রৱর্তক মহর্ষি পতঞ্জলি। পণ্ডিত ৰাধাকৃষ্ণণৰ মতে পতঞ্জলিৰ আৱির্ভাৱকাল ৩য় শতিকাৰ ওচৰা-ওচৰি। যোগ আৰু সাংখ্যদর্শনক সমানতান্ত্রিক দর্শন বুলিও কোৱা হয়। কাৰণ যোগ দর্শন আৰু সাংখ্যদর্শনৰ জ্ঞানতত্ত্ব, সৃষ্টিতত্ত্ব মূলত একেই। অৱশ্যে সৃষ্টি সম্পর্কে সাংখ্যই উল্লেখ কৰা পুৰুষ আৰু প্রকৃতিকে ধৰি মুঠ পঁচিশটা তত্ত্ব গ্রহণ কৰাৰ উপৰিও যোগদর্শনে ঈশ্বৰ বা পৰম পুৰুষৰ অস্তিত্ব স্বীকাৰ কৰিছে। সেয়েহে যোগদর্শনক ‘সেশ্বৰ সাংখ্য’ অথবা ‘ঈশ্বৰবাদী সাংখ্য’ বুলি কোৱা হয়।

চিত্ত বিশ্লেষণ কৰি তাৰ বৃত্তি বা বিকাৰসমূহ ৰোধ কৰাৰ ওপৰত যোগদর্শনে সর্বাধিক গুৰুত্ব আৰোপ কৰিছে। শুদ্ধ বিচাৰ আৰু নৈতিক আচাৰাদি অনুশীলনৰ দ্বাৰা মানসিক বিকাৰসমূহক নিবৃত্ত কৰিব পাৰি। এই নৈতিক আচাৰ বা যৌগিক প্রণালীৰ বিশদ আলোচনাই হ’ল যোগদর্শন।

যোগদর্শন অতি প্রাচীন দর্শন। শ্বেতাশ্বতৰ উপনিষদ আৰু কঠ উপনিষদৰ সময়তো যোগ সাধনা হৈছিল বুলি উল্লেখ পোৱা যায়। স্মৃতিশাস্ত্র, পুৰাণ আদিতো ইয়াৰ উল্লেখ পোৱা যায়। যোগদর্শনে উল্লেখ কৰা প্রণালীসমূহ ভাৰতৰ প্রায়বোৰ দার্শনিকেই গ্রহণ কৰা যায়। যোগ দর্শনৰ আচাৰসমূহক জীৱনৰ সকলো কৃতকার্য্যতা আৰু সুখ-সম্পদৰ বাবে উৎকৃষ্ট পন্থা বুলি ক'ব পাৰি।

এই অধ্যায়ত যোগদর্শননো কি, যোগদর্শনৰ স্বৰূপ, চিত্তবৃত্তি, চিত্তভূমি, যোগৰ অষ্টাংগিক মার্গ আদিৰ কিছু আভাস আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে। যোগদর্শনত ঈশ্বৰৰ স্থান সম্পর্কে ইয়াত আলোচনা কৰা হৈছে।

৩.৩ যোগ শব্দৰ অর্থ

'যোগ' শব্দটোৰ বিভিন্ন অর্থ পোৱা যায়। 'যোগ' শব্দটো 'যুজ্' ধাতুৰ পৰা আহিছে। 'যুজ্' ধাতুৰ অর্থ সংযোগ কৰা। গতিকে এই অর্থৰ পৰা যোগৰ অর্থ এনে ধৰণৰ— আত্মা আৰু পৰমাত্মাৰ সংযোগ, চিত্তৰ একাগ্রতা বিধান কৰা, চিত্তবৃত্তি নিৰোধ কৰা। পতঞ্জলিৰ 'যোগসূত্র' গ্রন্থখনত শেষৰ অর্থটো গ্রহণ কৰা দেখা যায়। চিত্তৰ বৃত্তি (মানসিক কার্য্য) নিৰোধ কৰাৰ ফলত ক্রমান্বয়ে চিত্তই বাহ্যিক আৰু আভ্যন্তৰীণ বিষয়সমূহৰ পৰা আঁতৰি যায়। যাৰ ফলত অবিদ্যা দূৰ হয়। অর্থাৎ পুৰুষে প্রকৃতিৰ পৰা নিজৰ পার্থক্য উপলব্ধি কৰিব পাৰে। যোগ দর্শনৰ মতে পুৰুষ আৰু প্রকৃতিৰ পার্থক্য জ্ঞানেই হ'ল কৈৱল্য। অন্যান্য দার্শনিক সম্প্রদায়ৰ দৰে কৈৱল্যই হ'ল যোগদর্শনৰ চৰম লক্ষ্য।

৩.৪ যোগদর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস

এই অংশত আপুনি যোগদর্শনৰ বিভিন্ন বিষয়বস্তু অর্থাৎ যোগ মনস্তত্ব অথবা যোগ মনোবিজ্ঞান, অষ্টাঙ্গযোগ, ঈশ্বৰ তত্ত্বৰ বিষয়ে জানিব পাৰিব। আপুনি আগতেই পাই আহিছে যে সাংখ্য আৰু যোগদর্শনক সমানতান্ত্রিক দর্শন বুলি কোৱা হয়। যোগদর্শনে সাংখ্যৰ সৃষ্টিতত্ব আৰু জ্ঞান তত্ত্ব গ্রহণ কৰিছে। মাত্র যোগদর্শনে ব্যৱহাৰিক দৃষ্টিৰ পৰা সৃষ্টিৰ বাবে ঈশ্বৰৰ অস্তিত্ব গ্রহণ কৰিছে। গতিকে এই অংশত সৃষ্টিতত্ব আৰু জ্ঞানতত্ত্বৰ বিষয়ে আলোচনা কৰা নহয়।

৩.৪.১ যোগ মনস্তত্ব

যোগ মনস্তত্ব ভাৰতীয় দর্শনৰ মনস্তাত্বিক বিচাৰৰ পূর্ণ প্রকাশ। যোগ মনস্তত্বৰ বিষয়বস্তু দুটা— (ক) চিত্তবৃত্তি আৰু (খ) চিত্তভূমি অথবা যোগৰ যথার্থ স্বৰূপ।

ক) চিত্তবৃত্তি ঃ আপুনি ইতিমধ্যে জানি আহিছে যে পুৰুষৰ সান্নিধ্যত প্রকৃতিৰ প্রথম অভিব্যক্তি হ'ল বুদ্ধি। প্রকৃতিৰ প্রথম অভিব্যক্তি আৰু পুৰুষৰ সান্নিধ্যত থকা বাবে বুদ্ধি সত্ব প্রধান, গতিকে স্বচ্ছ। যোগদর্শনৰ মতে পুৰুষৰ বন্ধনৰ কাৰণ হ'ল এই বুদ্ধি। পুৰুষ প্রকৃততে নিত্য, নির্গুণ, নিৰাকাৰ, শুদ্ধ চৈতন্য সত্তা। আনহাতে, বুদ্ধি

প্রকৃতিজাত, গতিকে অচেতন বা জড়। কিন্তু ই স্বচ্ছ হোৱা বাবে পুৰুষে বুদ্ধিত প্রতিফলিত নিজৰ প্রতিবিম্বক ভুলকৈ আত্মস্বৰূপ বুলি ভাবে। বুদ্ধিৰদ্বাৰা প্রভাৱিত পুৰুষে তাৰ আকাৰ লয়। পুৰুষৰ এই বুদ্ধিৰ আকাৰপ্রাপ্ত ৰূপ কিন্তু অহঙ্কাৰাশ্রিত ৰূপ। এই ৰূপৰ ফলতে পুৰুষে নিজকে কর্তা, ভোক্তা, জ্ঞাতা বুলি ভাবে আৰু ফল ভোগ কৰে। এয়াই হ'ল পুৰুষৰ ভ্রম বা অবিদ্যা। অর্থাৎ পুৰুষক বুদ্ধি বুলি ভবা আৰু বুদ্ধিক পুৰুষ বুলি ভবাটোৱেই হৈছে ভ্রম। গতিকে যোগদর্শনৰ মতে বুদ্ধিক বিনাশ কৰিব পাৰিলে অথবা বিকাৰশূন্য কৰিলে পুৰুষ বন্ধনমুক্ত হয় আৰু এয়াই হ'ল আত্মোপলব্ধি অথবা কৈৱল্য।

যোগদর্শনত প্রকৃতিৰ তিনিটা অভিব্যক্তি বুদ্ধি, অহঙ্কাৰ আৰু মনক একেলগে চিত্ত বোলে। সাংখ্যদর্শনত এই তিনিটাক অন্তঃকৰণ বোলা হৈছে। অর্থাৎ চিত্ত আৰু অন্তঃকৰণ একে। সাংখ্য দার্শনিক বাচস্পতি মিশ্রৰ মতেও বুদ্ধি বা অন্তঃকৰণ অর্থতে 'চিত্ত' শব্দটো ব্যৱহাৰ হৈছে। পতঞ্জলিয়েও 'চিত্ত' শব্দটো বুদ্ধিৰ সমার্থক হিচাবে ব্যৱহাৰ কৰিছে। গতিকে যোগদর্শনে স্বীকাৰ কৰে যে অন্তঃকৰণেই হৈছে চিত্ত বা বুদ্ধি বা মহৎ, যিয়ে অহঙ্কাৰ আৰু মনক অন্তর্ভুক্ত কৰি লয়।

কোনো এটা বিষয়বস্তু ইন্দ্রিয় আৰু মনৰ মাধ্যমত চিত্তৰ ওপৰত প্রতিবিম্বিত হয় আৰু চিত্তই সেই বিষয়ৰ আকাৰ ধা�ৰণ কৰে। চিত্তৰ এই পৰিৱর্তনকে তাৰ বৃত্তি বোলা হয়। চিত্তৰ বৃত্তিয়েই হৈছে বিষয়ৰ জ্ঞান। চিত্তৰ এই সমগ্র অৱস্থাটোক পাঁচোটা বৃত্তিত ভাগ কৰা হৈছে— (১) প্রমাণ, (২) বিপর্যয়, (৩) বিকল্প, (৪) নিদ্রা আৰু (৫) স্মৃতি।

১) যি প্রক্রিয়াৰদ্বাৰা বস্তুৰ স্বৰূপ জানিব পাৰি তাকে প্রমাণ বোলে। প্রমাণ তিনি প্রকাৰৰ— প্রত্যক্ষ, অনুমান আৰু আগম।

২) মিথ্যা জ্ঞান বা ভুল জ্ঞানক বিপর্যয় বোলে। বিপর্যয়ত বস্তুৰ স্বৰূপ সম্বন্ধে যথার্থ জ্ঞান নহয়।

৩) বিকল্প হ'ল কল্পনা। বিকল্পৰ আচল অর্থ হ'ল শব্দ জনিত বৃত্তি। এই জ্ঞানত বস্তু-স্থিতিৰ লগত কোনো সম্বন্ধ নাই। যেনে— শহাপহুৰ শিং, আকাশ কুসুম আদি কথাবোৰ এই শ্রেণীৰ।

৪) চিত্তত যেতিয়া তমো গুণৰ প্রভাৱ বেছি হয় তেতিয়া ইয়াত নিদ্রাই দেখা দিয়ে। এই অৱস্থাত জাগ্রত আৰু স্বপ্ন অৱস্থাৰ বিলুপ্তি সাধন হয়। এই নিদ্রাক সুষুপ্তি নামেও জনা যায়। সুষুপ্তি অৱস্থাতো সাক্ষাৎ জ্ঞান হয়। সেয়েহে টোপনিৰ পৰা উঠি এজন ব্যক্তিয়ে 'ভাল টোপনি হৈছিল'। 'মই একো নাজানো' বুলি কয়। এই কথাখিনি আচলতে চিত্তবৃত্তি।

৫) অতীতৰ অভিজ্ঞতাক পুনৰুত্থান কৰাই হৈছে স্মৃতি। স্মৃতিৰ অভিজ্ঞতা অতীতৰ লগত একে থাকে। গতিকে স্মৃতিক এটা চিত্তবৃত্তি বোলা হয়।

বস্তু আৰু ঘটনা অনুসৰি ওপৰত উল্লেখ কৰা চিত্তৰ বৃত্তিসমূহ সদায় পৰিৱৰ্তিত হৈ থাকে। পুৰুষ বা আত্মা প্ৰকৃততে নিত্য, শুদ্ধ, মুক্ত। কিন্তু চিত্তত আত্মা প্ৰতিবিম্বিত হোৱাৰ ফলত আত্মাই চিত্তৰ বৃত্তি সমূহকে নিজৰ বুলি ভাবে আৰু নিজকে সীমিত, কৰ্তা, ভোক্তা, জ্ঞাতা বুলি ভাবে। চিত্তবৃত্তিৰ পৰা উদ্ভৱ পাঁচ প্ৰকাৰৰ ক্লেশ আত্মাই নিজৰ বুলি ভাবে। এই পাঁচ প্ৰকাৰৰ ক্লেশ হ'ল— (১) অবিদ্যা, (২) অস্মিতা, (৩) ৰাগ, (৪) দ্বেষ আৰু (৫) অভিনিবেশ।

(১) অজ্ঞানতাই অবিদ্যা; (২) অহং ভাবেই হ'ল অস্মিতা; (৩) সুখ ভোগ কৰাৰ ইচ্ছাকে ৰাগ বোলে; (৪) দুখ প্ৰতিৰোধ কৰাৰ ইচ্ছাই হ'ল দ্বেষ আৰু (৫) মৃত্যু ভয়েই হৈছে অভিনিবেশ।

প্ৰকৃততে চিত্তৰ বৃত্তিসমূহৰ বাবেই পুৰুষ বা আত্মাৰ বন্ধন হয়। চিত্তৰ বৃত্তি সমূহক ৰোধ কৰিব পাৰিলেই চিত্তই নিজৰ স্বৰূপ বুজি পাব আৰু আত্মায়ো নিজৰ স্বৰূপ উপলব্ধি কৰিব পাৰিব। চিত্ত কাৰ্য্যহীন হৈ পৰিলে তাৰ পৰিবৰ্তনো বন্ধ হৈ যাব আৰু এটা সময়ত চিত্ত স্থিৰ হৈ ৰব। চিত্ত স্থিৰ হ'লে আত্মাও স্থিৰ হৈ ৰ'ব। দেহ-মনক সুসংযত কৰি চিত্তবৃত্তি নিৰোধ কৰিব পাৰিলেই আত্মাই নিজৰ স্বৰূপ বুজি পাব। যোগৰ এয়াই উদ্দেশ্য।

খ) **চিত্তভূমি ঃ** যোগদৰ্শনৰ মতে আত্মাই চিত্ত বা বুদ্ধিৰ পৰা নিজৰ পাৰ্থক্য উপলব্ধি কৰিব পৰা অৱস্থাই হ'ল মুক্তি। বুদ্ধি বা চিত্ত প্ৰকৃতিজাত হোৱা বাবে ইয়াক ধ্বংস কৰিব নোৱাৰি। গতিকে চিত্তবৃত্তি নিৰোধ কৰাটোৱেই হৈছে যোগৰ মুখ্য উদ্দেশ্য। চিত্তৰ পাঁচোটা অৱস্থা বা ভূমি— ক্ষিপ্ত, মূঢ়, বিক্ষিপ্ত, একাগ্ৰ আৰু নিৰুদ্ধ।

চিত্তৰ অস্থিৰ অৱস্থাকে ক্ষিপ্ত বোলে। এই অৱস্থাত চিত্তৰ ওপৰত ৰজঃ গুণৰ প্ৰাধান্য বেছি হয়, ফলত মন, ইন্দ্ৰিয়াদি নিয়ন্ত্ৰণৰ বাহিৰত থাকে। চিত্তৰ ওপৰত তমঃ গুণৰ প্ৰভাৱ বেছি হোৱা অৱস্থাটোকে মূঢ় বোলে। এই অৱস্থাত চিত্তই কৰ্তব্য, অকৰ্তব্য অগ্ৰাহ্য কৰি নিদ্ৰালু বা এলেহুৱা হৈ পৰে। বিক্ষিপ্ত অৱস্থাত চিত্তৰ ওপৰত সত্ত্বগুণে প্ৰাধান্য পায় যদিও ৰজঃ গুণেও মাজে-মাজে প্ৰভাৱ বিস্তাৰ কৰাৰ ফলত চিত্ত কেতিয়াবা বিষয়বস্তুৰ প্ৰতি স্থিৰ কেতিয়াবা অস্থিৰ হৈ পৰে। গতিকে এই অৱস্থাতো যোগৰ উদ্দেশ্য সাধিত নহয়। চতুৰ্থ অৱস্থা হ'ল একাগ্ৰ। এই অৱস্থাত চিত্ত সম্পূৰ্ণ সত্ত্ব প্ৰধান হয়। ফলত বিষয় বস্তুৰ প্ৰতি চিত্তই স্থিৰভাৱে সংযোগ স্থাপন কৰিব পাৰে। এই অৱস্থাত চিত্ত-বৃত্তি নিৰোধৰ পথ মুকলি হয় যদিও চিত্তৰ সন্মুখত এটা বিষয় বস্তু থাকে বাবে চিত্ত সম্পূৰ্ণ বৃত্তিশূণ্য নহয়। চিত্ত যেতিয়া সম্পূৰ্ণৰূপে বিষয় ৰহিত হৈ পৰে তেতিয়া তাক নিৰুদ্ধ অৱস্থা বুলি কোৱা হয়। এই অৱস্থাত চিত্ত কেৱল শুদ্ধ, শান্ত, সাত্ত্বিক ৰূপত থাকে। এই নিৰুদ্ধ অৱস্থাৰ নামেই হৈছে সমাধি।

প্ৰকৃততে ওপৰোক্ত চিত্তৰ পাঁচোটা অৱস্থাৰ ভিতৰত একাগ্ৰ আৰু নিৰুদ্ধ অৱস্থাৰ মাজেদিহে যোগ সম্পূৰ্ণ কৰিব পাৰি। অৰ্থাৎ চিত্তক সম্পূৰ্ণৰূপে বৃত্তিমুক্ত কৰি

তাৰ স্বৰূপ শুদ্ধ, স্বচ্ছ, সাত্ত্বিক অৱস্থালৈ আনিব পাৰি। চিত্তৰ এই অবিকৃত শুদ্ধ অৱস্থাই হৈছে যোগৰ মুখ্য উদ্দেশ্য।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ১ ঃ 'যোগ' শব্দটো কি ধাতুৰ পৰা আহিছে।

.....

প্রশ্ন ২ ঃ চিত্তৰ পাঁচোটা বৃত্তিৰ নাম লিখক।

.....

প্রশ্ন ৩ ঃ চিত্তৰ ক্লেশ কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ৪ ঃ চিত্তৰ 'পাঁচোটা' অৱস্থাৰ নাম লিখক।

.....

প্রশ্ন ৫ ঃ যোগৰ মুখ্য উদ্দেশ্য কি?

.....

.....

৩.৪.২ যোগৰ অষ্টমার্গ বা অষ্টাঙ্গযোগ

যোগদর্শনৰ মতে তত্ত্বজ্ঞান লাভ কৰিলেহে চৰম আধ্যাত্মিক সত্য লাভ কৰিব পাৰি। এই চৰমসত্য লাভ কৰিবলৈ হ'লে দেহ, মন, ইন্দ্রিয়ক নিয়ন্ত্রণ কৰি সংস্কাৰমুক্ত কৰিব লাগিব। চিত্তৰ অতীতৰ সংস্কাৰ আৰু কর্ম-নাশ কৰিব পাৰিলেহে চিত্ত বিকাৰশূণ্য হৈ একাগ্রতাৰে উদ্দেশ্য সাধনত ব্রতী হ'ব পাৰে। একাগ্র চিত্ত নহ'লে সমাধি পূর্ণ নহয়। সমাধি লাভ কৰিবৰ বাবে যোগদর্শনে আঠোটি অনুশাসন অভ্যাস কৰিবলৈ নির্দ্দেশ দিছে। এই আঠোটি অনুশাসনক অষ্টাঙ্গ যোগ বোলা হয়। সেই সমূহ হৈছে—(১) যম, (২) নিয়ম, (৩) আসন, (৪) প্রাণায়াম, (৫) প্রত্যাহাৰ, (৬) ধাৰণা, (৭) ধ্যান আৰু (৮) সমাধি।

১) **যম ঃ** নৈতিক শৃঙ্খলাই হৈছে যম। অহিংসা, সত্য, অস্তেয়, ব্রহ্মচর্য্য আৰু অপৰিগ্রহ —এই কেইটা হৈছে যম অথবা নিষেধাত্মক বিধি। কায়মনো বাক্যে হিংসাবৃত্তিৰ পৰা নিৰস্ত হৈ শুদ্ধ চিত্তে কর্ম বাক্যে হিংসাবৃত্তিৰ পৰা নিৰস্ত হৈ শুদ্ধ চিত্তে কর্ম কৰি যাব পৰাটোৱেই অহিংসাৰ পথ। মিছা কথা নোকোৱাটো হ'ল সত্য। আনৰ বস্তুৰ প্রতি স্পৃহা নথকা বা আনৰ বস্তু চুৰ নকৰাই হ'ল অস্তেয়। ইন্দ্রিয় সুখ-ভোগৰ পৰা নিবৃত্ত হোৱাৰ সাধনাই হৈছে ব্রহ্মচর্য্য। প্রয়োজনতকৈ বেছি গ্রহণ নকৰাই হৈছে অপৰিগ্রহ ইয়াৰ ফলত ত্যাগ আৰু বৈৰাগ্যৰ উদয় হয়। হিংসুক, মিথ্যাবাদী, ইন্দ্রিয়াসক্ত আৰু লোভীমানুহে আধ্যাত্মিক জ্ঞান লাভ কৰিব নোৱাৰে।

২) **নিয়ম ঃ** যিবোৰ নিত্য-নৈমিত্তিক আচাৰ পালন কৰিলে দেহ, মন, ইন্দ্রিয়াদি শুদ্ধ হয় তাকে নিয়ম বোলে।এই নিয়মসমূহ হ'ল— (ক) শৌচ, (খ) সন্তোষ, (গ) তপঃ, (ঘ) স্বাধ্যায় আৰু (ঙ) ঈশ্বৰ প্রণিধান।

ক) বাহ্যিক (স্নান, শুদ্ধ আহাৰ আদি) আৰু আভ্যন্তৰ অথবা অন্তৰ (দয়া, মায়া, আনন্দ আদি) শুদ্ধিৰ বাবে কৰা আচাৰ সমূহকে শৌচ বোলে।

খ) যিখিনি প্রাপ্য, তাতকৈ বেছি নিবিচাৰি প্রাপ্য খিনিকে লৈ সন্তুষ্ট থকাই হৈছে সন্তোষ।

গ) উদ্দেশ্য সাধনৰ বাবে দৃঢ় প্রতিজ্ঞ হোৱা সকলো প্রকাৰৰ দৈহিক বা মানসিক কষ্ট স্বীকাৰ কৰাই হৈছে তপঃ।

ঘ) নিয়মিতভাৱে শাস্ত্র আদি পাঠ কৰাকে স্বাধ্যায় বোলে।

ঙ) নিতৌ নিয়মিতভাৱে ঈশ্বৰক ভক্তি কৰি তেওঁৰ ওচৰত আত্মসমর্পণ কৰাকে ঈশ্বৰ প্রণিধান বোলে।

৩) **আসন ঃ**শৰীৰটো সুস্থ ৰাখিবলৈ কিছুমান ব্যায়ামৰ প্রয়োজন। এই ব্যায়ামকে আসন বোলে। শৰীৰ আৰু চিত্ত এটা অন্যৰ পৰিপূৰক।নিৰোগী শৰীৰতহে চিত্ত সুস্থ আৰু একাগ্র হয়।

৪) **প্রাণায়াম ঃ** উশাহ-নিশাহ নিয়ন্ত্রণ কৰাকে প্রাণায়াম বোলে। বায়ু আমাৰ প্রাণ। গতিকে বায়ুক নিয়ন্ত্রণ কৰিব পাৰিলে প্রাণক জানিব পাৰি। প্রাণায়ামৰ প্রক্রিয়া তিনিটা— উশাহ লোৱা বা পূৰক, উশাহ বন্ধ কৰি ৰখা বা কুম্ভক, আৰু উশাহ এৰি দিয়া বা ৰেচক। প্রাণায়ামে চিত্ত স্থিৰ কৰি ৰখাত সহায় কৰে আৰু মানসিক দৃঢ়তা আৰু একাগ্রতা বঢ়োৱাত সহায় কৰে। কিন্তু প্রাণায়াম প্রক্রিয়া অতি জটিল হোৱা বাবে সদায়ে বিশেষজ্ঞৰ সহায়ত এই প্রক্রিয়া অনুশীলন কৰিব লাগে। নহ'লে শৰীৰত বিৰূপ প্রতিক্রিয়াহে হ'ব পাৰে।

৫) **প্রত্যাহাৰ ঃ** ইন্দ্রিয়সমূহে বাহ্যিক বস্তুৰ লগত সম্পর্ক ত্যাগ কৰিব পৰা অৱস্থাকেই প্রত্যাহাৰ বোলে। প্রত্যাহাৰৰ দ্বাৰা ইন্দ্রিয়বোৰক অন্তর্মুখী কৰি মনৰ নিয়ন্ত্রনাধীন কৰিব পাৰিলে লোভ-মোহৰ পৰা মুক্ত হ'ব পাৰি।ইয়াৰ ফলত চিত্তৰ স্থিৰতা আহে।

৬) **ধাৰণা ঃ** কোনো বিষয় বা বস্তুৰ ওপৰত চিত্ত নিবদ্ধ কৰা কার্য্যকে ধাৰণা বোলে। চিত্তৰ চঞ্চলতা আঁতৰ কৰি এটা মাত্র বিষয়ৰ ওপৰত চিত্ত নিবদ্ধ কৰিব পাৰিব লাগিব। মনোযোগ স্থাপন কৰা বিষয়বস্তু বিভিন্ন হ'ব পাৰে। যেনে— দেৱ-দেৱীৰ ৰূপ, নাক বা কপালৰ মধ্যবিন্দু আদি। ক্রমাগত অনুশীলনৰ দ্বাৰা ধাৰণ ক্ষমতা বুদ্ধি কৰিব পৰিলে চিত্তৰ একাগ্রতা বাঢ়ে আৰু ক্রমান্বয়ে যোগৰ চৰম অৱস্থালৈ অগ্রসৰ হোৱা যায়।

৭) **ধ্যান ঃ** বিষয়বস্তুৰ সৈতে মনৰ সংযোগ যদি দীর্ঘস্থায়ী কৰিব পাৰি তেন্তে বিষয়বস্তুৰ প্রকৃত স্বৰূপ আংশিকভাৱে প্রকাশ হ'বলৈ ধৰে। ধাৰণাৰ পিছৰ অৱস্থাই হ'ল ধ্যান।

ধ্যানৰ ফলত ধাৰণা দৃঢ় হয়। গতিকে ধ্যানে যোগীক ধ্যেয় (ধ্যানৰ বিষয়) বস্তুৰ যথার্থ জ্ঞান দিয়ে।

৮) **সমাধি ঃ** ধ্যান কৰোঁতে কৰোঁতে যেতিয়া চিত্ত ধ্যেয়ৰ আকাৰত পৰিণত হৈ যায়, তেতিয়া চিত্তৰ স্ব-স্বৰূপ নোহোৱা হৈ যায়, সেই অৱস্থাকে সমাধি বোলা হয়। 'মই ধ্যান কৰিছোঁ' এই ধাৰণাও এই অৱস্থাত লুপ্ত হৈ যায়। এই অৱস্থাত ধ্যানৰূপ প্রক্রিয়া আৰু ধ্যানৰ বিষয়— এই উভয়ৰ মাজত ভেদজ্ঞান লুপ্ত হয়। ধ্যানক্রিয়া, ধ্যানৰ বিষয় আৰু ধ্যানকর্তা এই তিনিওটা মিলি একাকাৰ হৈ যায়। এইদৰে চিত্ত ধ্যায়াকাৰ হৈ যোৱা অৱস্থাকে সমাধি বোলা হয়।

সমাধি দুই প্রকাৰৰ— (ক) সম্প্রজ্ঞাত সমাধি আৰু (খ) অসম্প্রজ্ঞাত সমাধি।

ক) **সম্প্রজ্ঞাত সমাধি ঃ** সমাধিৰ এই স্তৰত দৈহিক ক্রিয়া সম্পূর্ণ লোপ পায় যদিও দেহ সংজ্ঞাহীন নহয়। কেৱলমাত্র বাহ্য-চেতনা লোপ পায়। চিত্ত সত্ত্ব প্রধান হৈ পৰে। এই স্তৰত এটা মাত্র বিষয়-বস্তুৰ বৃত্তি থাকে বাবে জাগতিক ক্লেশ আৰু কর্মৰ বন্ধন নাইকীয়া হয়।

ধ্যানৰ বিষয় বস্তু অনুসৰি সম্প্রজ্ঞাত সমাধি চাৰি প্রকাৰ— সবিতর্ক, সবিচাৰ, সানন্দ আৰু সাস্মিত।

সবিতর্ক ঃ সমাধিত চিত্ত যেতিয়া কোনো এটা স্থূল ধ্যেয় বস্তুৰ ওপৰত নিবিষ্ট হয়। তেতিয়া সমাধিৰ সেই অৱস্থাক কোৱা হয় সবিতর্ক সমাধি।

সবিচাৰ ঃ সমাধিৰ এই স্তৰত চিত্ত সূক্ষ্ম তন্মাত্রৰ নিচিনা (ৰূপ, ৰস আদি) বিষয়ৰ ওপৰত নিবিষ্ট হয় আৰু এই অৱস্থাক কোৱা হয় সবিচাৰ সমাধি।

সানন্দ ঃ এইটো স্তৰত চিত্ত সূক্ষাতিসূক্ষ্ম ইন্দ্রিয়ৰ ওপৰত নিবদ্ধ হয়, য'ৰ পৰা চিত্তত আনন্দ অনুভূত হয়।

সাস্মিত ঃ এই স্তৰত চিত্তৰ ধ্যানৰ বিষয় সূক্ষ্মৰ পৰা সূক্ষাতিসূক্ষ্ম হয় আৰু এই অৱস্থাত চিত্ত অহঙ্কাৰলৈ যায় অর্থাৎ অহঙ্কাৰত নিজকে নিবিষ্ট কৰে।

খ) **অসম্প্রজ্ঞাত সমাধি ঃ** যিটো স্তৰত চিত্তৰ বৃত্তি সম্পূর্ণ লোপ হৈ কেৱল নির্গুণ, শুদ্ধ চৈতন্য বিৰাজ কৰে সেইটো স্তৰেই হৈছে অসম্প্রজ্ঞাত সমাধি। ধ্যান গভীৰ হৈ অহাৰ লগে লগে চিত্ত তাৰ ধ্যানবিন্দুত মিলি যায়। চিত্তবৃত্তি শূন্য হোৱাৰ লগে লগে যোগীৰ বুদ্ধি স্বচ্ছ (নির্মল) হৈ যায় অর্থাৎ সত্ত্ব গুণৰ উৎকর্ষ হোৱাৰ লগে লগে ৰজো আৰু তমো গুণৰ কলুষ দূৰ হৈ যায়। যোগীয়ে যথার্থ সত্যক উপলদ্ধি কৰিব পৰা হয়। তাত কোনো প্রকাৰৰ ভ্রম বা সংশয়ৰ লেশ নাথাকে। এই অৱস্থাই হৈছে জ্ঞাতা জ্ঞেয়ৰ সম্বন্ধৰহিত চিত্তৰ নিৰুদ্ধ অৱস্থা। ইয়াত চিত্তৰ কোনো অৱলম্বন নাথাকে। অসম্প্রজ্ঞাত সমাধি প্রাপ্তিৰ পিছত যোগীৰ কাষত জগত বা পার্থিৱ বস্তুৰ কোনো অস্তিত্ব নাথাকে।

৩.৪.৩ যোগ-দর্শনৰ ঈশ্বৰ তত্ত্ব

এইটো অধ্যায়ৰ আৰম্ভণিতে আপুনি পাই আহিছে যে সাংখ্য আৰু যোগদর্শন সমানতান্ত্রিক দর্শন। কিন্তু যোগদর্শন হ'ল ঈশ্বৰবাদী দর্শন, আনহাতে, সাংখ্যদর্শন নিৰীশ্বৰবাদী।

যোগদর্শনৰ মতে ঈশ্বৰ পুৰুষবিশেষ। ঈশ্বৰ শুদ্ধ, অনন্ত, অসীম, পূর্ণ, একক চৈতন্য সত্তা। প্রকৃতি হৈছে সৃষ্টিৰ উপাদান কাৰণ আৰু পুৰুষ হৈছে নিমিত্ত কাৰণ। প্রকৃতিৰ সান্নিধ্যত থাকিও মুক্ত। সর্বব্যাপী, সর্বজ্ঞ, সর্বশক্তিমান নিজৰ কর্মফল অনুসৰি ফলপ্রদান কৰে। তেওঁ ঋষিসকলৰ গুৰু, বেদশাস্ত্ৰৰো গুৰু। 'ওম্' তেওঁৰ প্রতীক। তেওঁক ভক্তি কৰিলেই সমাধিৰ পথ প্রশস্ত হয়। ঈশ্বৰৰ অস্তিত্ব সম্পর্কত যোগদর্শনে নিম্নোক্ত যুক্তিবোৰ আগবঢ়াইছে—

ক) বেদত ঈশ্বৰৰ কথা পোৱা যায়।

খ) ধাৰাবাহিকতাৰ নিয়ম অনুসৰি মানুহৰ জ্ঞান সীমিত, কিন্তু অসীম জ্ঞানৰ অধিকাৰী যিজন তেওঁ ঈশ্বৰ।

গ) দুটা সম্পূর্ণ বিপৰীত সত্তা প্রকৃতি আৰু পুৰুষৰ সংযোগ আৰু বিচ্ছেদ একমাত্র অসীম শক্তিসম্পন্ন ঈশ্বৰৰ দ্বাৰাহে সম্ভৱ।

ঘ) সমাধি প্রাপ্তিৰ বাবে ঈশ্বৰৰ ভক্তিয়েই একমাত্র উপায়, যাৰ জৰিয়তে মুক্তি লাভ কৰিবলৈ সহজ হয়।

যোগদর্শনৰ মতে কিন্তু ঈশ্বৰ সৃষ্টি স্থিতি লয়ৰ কাৰণ নহয়। তেওঁ প্রত্যক্ষভাৱে জীৱৰ মুক্তিত সহায় নকৰে। তেওঁ মুক্তিৰ পথত থকা বাধা-বিঘিনি (ক্লেশ) আতৰাই মুক্তিৰ পথ প্রশস্ত কৰি তোলে। যোগদর্শনৰ মতে জীৱৰ মুখ্য উদ্দেশ্য ঈশ্বৰ প্রাপ্তি নহয়, পুৰুষ আৰু প্রকৃতিৰ মাজত থকা পার্থক্য উপলব্ধি কৰাহে।



জানি থোৱা ভাল

যোগ দর্শনৰ কিছুমান উল্লেখযোগ্য গ্রন্থ—

গ্রন্থৰ নাম	—	লিখকৰ নাম
১) যোগ সূত্র অথবা পাতঞ্জল-সূত্র	—	পতঞ্জলি
২) যোগ ভাষ্য বা ব্যাস-ভাষ্য	—	ব্যাস
৩) তত্ত্ব বৈশাৰদী	—	বাচস্পতি মিশ্র
৪) যোগবার্তিক	—	বিজ্ঞানভিক্ষু
৫) যোগ সাৰসংগ্রহ	—	বিজ্ঞানভিক্ষু
৬) ভোজবৃত্তি বা ৰাজমার্তণ্ড	—	ভোজদেৱ

৭) যোগসূত্র দীপিকা — ভাৰগণেশ
৮) যোগ সিদ্ধান্ত চন্দ্রিকা — নাৰায়ণতীর্থ
৯) ভাস্বতী — হৰিহৰানন্দ আৰণ্যক
১০) মণিপ্রভা — ৰামানন্দ যতি

সাংখ্য আৰু যোগৰ সম্বন্ধ ঃ সাংখ্য আৰু যোগদর্শনক সমানতান্ত্রিক দর্শন বোলা হয়। সৃষ্টি তত্ত্ব আৰু জ্ঞান তত্ত্বৰ ক্ষেত্রত দুয়োটা দর্শনৰে মত একে। কিন্তু কিছু কিছু ক্ষেত্রত উভয় দর্শনৰ সামান্য পার্থক্যও দেখা যায়। কিন্তু পার্থক্য যিয়েই নাথাকক উভয় দর্শনেই দ্বৈতবাদী দর্শন। অর্থাৎ পুৰুষ আৰু প্রকৃতি হ'ল দুটা প্রধান মৌলিক তত্ত্ব।

পাতঞ্জল যোগসূত্রৰ চাৰিটা বিভাগ বা পাদ আছেঃ সমাধি পাদ, সাধন পাদ, বিভূতি পাদ আৰু কৈৱল্য পাদ। প্রথম পাদত চিত্ত আৰু তাৰ বৃত্তিসমূহৰ বিশ্লেষণাত্মক আলোচনা আছে। দ্বিতীয় পাদত কৈৱল্য লাভৰ সাধন আদি উপায়সমূহৰ কথা বিশেষভাৱে আলোচনা কৰা হৈছে। তৃতীয় পাদত যোগ সাধনাৰ দ্বাৰা লাভ কৰা যোগবিভূতি বা যোগৈশ্বর্য্যৰ কথা আলোচনা আছে আৰু চতুর্থ পাদত যোগৰ মুখ্য উদ্দেশ্যত উপনীত হ'লে কি হয় তাৰ আলোচনা আছে। লগতে আত্মাৰ প্রকৃত স্বৰূপ, কৈৱল্য লাভ কৰিলে আত্মাৰ কি হয় তাৰ বিষয়েও আলোচনা কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ অষ্টাঙ্গযোগৰ নাম কেইটা লিখক।

.....

.....

প্রশ্ন ৭ ঃ সমাধি কেইপ্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ৮ ঃ সম্প্রজ্ঞাত সমাধি কেইপ্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ৯ ঃ 'যোগবার্তিক' গ্রন্থৰ গ্রন্থকাৰৰ নাম লিখক।

.....

প্রশ্ন ১০ ঃ 'পাতঞ্জল-সূত্র' নামৰ গ্রন্থখন কেইটা পাদত ভাগ কৰা হৈছে আৰু কি কি?

.....

.....



৩.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- যোগ শব্দৰ অর্থ জানিব পাৰিলোঁ।
- যোগমনস্তত্ত্বৰ মূল বিষয়বস্তু দুটা অর্থাৎ চিত্তবৃত্তি আৰু চিত্তভূমিৰ বিষয়ে জানিব পাৰিলোঁ।
- তত্ত্বজ্ঞান লাভৰ ক্ষেত্রত অষ্টাঙ্গযোগৰ ভূমিকা সম্পর্কে জ্ঞান লাভ কৰিলোঁ।
- যোগদর্শনত ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে অৱগত হ'ব পাৰিলোঁ।
- যোগদর্শনৰ বিভিন্ন গ্রন্থ তথা গ্রন্থকাৰৰ নাম জানিব পাৰিলোঁ।



৩.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) চেতিয়া, ড° বিপিন , শর্মা, ড° নীলিমা (১৯৭৪); *ভাৰতীয় দর্শন* (১ম খণ্ড); গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি।

২) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

বাংলা গ্রন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্র,ভট্টাচার্য্য,নাৰায়ণ চন্দ্র; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্রাইভেট লিমিটেড।

ইংৰাজী গ্রন্থ ঃ

1) Sharma Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.



৩.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ 'যোগ' শব্দটো 'যুজ্' ধাতুৰ পৰা আহিছে।

২নং প্রশ্নৰ উত্তৰ ঃ চিত্তৰ পাঁচোটা বৃত্তি হ'ল— প্রমাণ, বিপর্য্যয় বিকল্প, নিদ্রা আৰু স্মৃতি।

৩নং প্রশ্নৰ উত্তৰ ঃ চিত্তৰ ক্লেশ পাঁচ প্রকাৰৰ— অবিদ্যা, অস্মিতা, ৰাগ, দ্বেষ আৰু অভিনিবেশ।

৪নং প্রশ্নৰ উত্তৰ ঃ চিত্তৰ পাঁচোটা অৱস্থা হ'ল— ক্ষিপ্ত, মূঢ়, বিক্ষিপ্ত, একাগ্র আৰু নিৰুদ্ধ।

৫নং প্রশ্নৰ উত্তৰ ঃ যোগৰ মুখ্য উদ্দেশ্য হ'ল— চিত্তক সম্পূর্ণৰূপে বৃত্তিমুক্ত কৰি তাৰ যথার্থ স্বৰূপ অৱস্থা অর্থাৎ শুদ্ধ, স্বচ্ছ, সাত্বিক অৱস্থালৈ অনা।

৬নং প্রশ্নৰ উত্তৰ ঃ অষ্টাঙ্গ যোগ হ'ল— যম, নিয়ম, আসন, প্রাণায়াম, প্রত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি।

৭নং প্রশ্নৰ উত্তৰ ঃ সমাধি দুই প্রকাৰৰ— সম্প্রজ্ঞাত সমাধি আৰু অসম্প্রজ্ঞাত সমাধি।

৮নং প্রশ্নৰ উত্তৰ ঃ সম্প্রজ্ঞাত সমাধি চাৰি প্রকাৰৰ— সবিতর্ক, সবিচাৰ, সানন্দ আৰু সাস্মিত।

৯নং প্রশ্নৰ উত্তৰ ঃ 'যোগবার্তিক' গ্রন্থৰ গ্রন্থকাৰ বিজ্ঞানভিক্ষু।

১০নং প্রশ্নৰ উত্তৰ ঃ 'পাতঞ্জল-সূত্র' নামৰ গ্রন্থখন চাৰিটা পাদত ভাগ কৰা হৈছে— সমাধিপদ, সাধন পাদ, বিভূতিপাদ আৰু কৈৱল্য পাদ।



৩.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ যোগ শব্দৰ অর্থ লিখক।

প্রশ্ন ২ ঃ যম শব্দটোৰ ওপৰত এটি টোকা লিখক।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ সমাধিৰ ভাগ দুটাৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ যোগমনস্তত্ত্বৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ অষ্টাঙ্গযোগৰ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ ন্যায় দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ন্যায় শব্দৰ অর্থ
৪.৪ ন্যায় দর্শনৰ পদার্থৰ সংখ্যা
৪.৫ ন্যায় দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস
৪.৫.১ জ্ঞান তত্ত্ব
৪.৫.২ কাৰণ তত্ত্ব
৪.৫.৩ আত্মা আৰু তাৰ মুক্তি
৪.৫.৪ ঈশ্বৰ তত্ত্ব
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান
৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ন্যায় শব্দৰ অর্থ জানিব পাৰিব
- ন্যায় দর্শনৰ পদার্থৰ সংখ্যা জানিব পাৰিব
- ন্যায় দর্শনত জ্ঞানতত্ত্বৰ গুৰুত্বপূর্ণ ভূমিকা সম্পর্কে অৱগত হ'ব
- ন্যায় দর্শনৰ আত্মা আৰু তাৰ মুক্তিৰ বিষয়ে জানিব পাৰিব
- ঈশ্বৰতত্ত্বৰ বিষয়ে অৱগত হ'ব।

৪.২ পৰিচয়

আপুনি ইতিমধ্যে সাংখ্য আৰু যোগ দর্শনৰ বিষয়ে গম পালে। এতিয়া আপুনি ন্যায় দর্শনৰ বিষয়ে জানিব পাৰিব। ন্যায় দর্শনৰ প্রতিষ্ঠাতা হ'ল মহর্ষি গৌতম। মহর্ষি গৌতমক গোতম, অক্ষপাদ আদি নামেৰেও জনা যায়। খ্রীঃপূঃ ২০০ তেওঁৰ আৰির্ভাৱ কাল বুলি পণ্ডিতসকলে অনুমান কৰে। গৌতমে ৰচনা কৰা 'ন্যায় সূত্র' গ্রন্থখন ন্যায় দর্শনৰ প্রথমখন প্রামাণিক গ্রন্থ হিচাপে অভিহিত কৰা হয়।

ন্যায় দর্শন বস্তুবাদী আস্তিক দর্শন। এই দর্শনে বেদক প্রমাণ হিচাপে স্বীকাৰ কৰে যদিও নিজস্ব স্বাধীন চিন্তা আৰু বিচাৰ পদ্ধতিৰ ওপৰত ই প্রতিষ্ঠিত। ন্যায় দর্শনৰ মুখ্য আলোচ্য বিষয়

হৈছে প্রমাণ নিৰূপণ, অর্থাৎ যাৰ দ্বাৰা সত্য (প্রমাণ) বা জ্ঞান লাভ কৰিব পাৰি। প্রমাণ নিৰূপণৰ উপৰিও জগত, জীৱন আত্মা, মোক্ষ, ঈশ্বৰ আদিৰ প্রকৃতি আৰু যথার্থতা নির্ণয় আদিৰ বিষয়েও ন্যায় দর্শনত আলোচনা কৰা হয়।

মহর্ষি গৌতমৰ 'ন্যায়সূত্র'ৰ ওপৰত ভিত্তি কৰি বিভিন্ন ভাষ্যকাৰে পাৰম্পৰিক উপাদান আৰু যুক্তিতর্কৰ মাজেদি বিভিন্ন গ্রন্থ ৰচনা কৰি ন্যায়দর্শনৰ ভেটি সুদৃঢ় কৰি তোলে। এই গ্রন্থসমূহক প্রাচীন ন্যায়ৰ গ্রন্থ বুলি ধৰা হয়। আনহাতে, প্রায় ১২০০ খ্রীষ্টাব্দৰ শেষৰ ফালে মিথিলা নিৱাসী গঙ্গেশ উপাধ্যায়ে 'তত্ত্বচিন্তামণি' নামৰ তত্ত্বগধুৰ গ্রন্থ এখনি ৰচনা কৰি নব্য-ন্যায়ৰ পাতনি মেলে। নব্যন্যায় বিভাগটোৱে তর্কৰ ওপৰতত অধিক গুৰুত্ব আৰোপ কৰে। শেষলৈ নব্যন্যায় বিভাগটোত প্রাচীন ন্যায়ৰ তর্কতত্ত্বই পূর্ণতা লাভ কৰে আৰু অন্যান্য ভাৰতীয় দার্শনিক সম্প্রদায়ক প্রভাৱান্বিত কৰিবলৈ সক্ষম হয়। ন্যায়দর্শনৰ মতে পদার্থৰ সংখ্যা ১৬টা। এই ১৬টা পদার্থই হৈছে এই দর্শনৰ বিচার্য্য বিষয়বস্তু। এই পদার্থসমূহৰ যথার্থ জ্ঞান লাভ কৰিব পাৰিলেই মোক্ষ লাভ হয় বুলি এই দর্শনে স্বীকাৰ কৰে। তাকে আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে।

৪.৩ ন্যায় শব্দৰ অর্থ

ন্যায় দর্শনৰ অর্থ আপুনি জানেনে? যুক্তিতর্কৰ সহায়ত আনক কিবা এটা বিষয় বুজাবলৈ যি পদ্ধতি বা উপায় অৱলম্বন কৰা হয় সেই পদ্ধতিকে ন্যায় বুলি কোৱা হয়। আকৌ যি শাস্ত্রৰ সহায়ত যথার্থ সত্যত উপনীত হ'ব পাৰি তাকে ন্যায়শাস্ত্র বোলে (নীয়তে অনেন ইতি ন্যায়ঃ)। বিভিন্ন প্রমাণৰ সহায়ত বস্তুৰ তত্ত্ব নিৰূপণ কৰা কার্য্যকো ন্যায় বুলি কোৱা হয়। ন্যায়দর্শনক প্রমাণ শাস্ত্র, তর্কশাস্ত্র, আন্বীক্ষিকী আদি বিভিন্ন নামেৰেও জনা যায়। প্রমাণ নিৰূপণৰ বাবে শুদ্ধ বিচাৰধাৰা প্রয়োগ কৰা হয় বাবে ন্যায়শাস্ত্রক প্রমাণ শাস্ত্র বোলে। প্রতিপক্ষই উদ্ভাৱন কৰা তর্ক এই দর্শনে অতি কৌশলেৰে তর্কৰ সহায়ত খণ্ডন কৰে বাবে এই দর্শনৰ নাম তর্কশাস্ত্র। 'আন্বীক্ষিকী'ৰ অর্থ হ'ল— (অনু+ঈক্ষ) - অনু মানে পিছত আৰু ঈক্ষ মানে দর্শন। প্রত্যক্ষ বা শ্রুতিৰ সহায়ত যি জনা যায় সেই বিষয়ে পাছত আলোচনা কৰা কার্য্যই হ'ল অন্বীক্ষা।

৪.৪ ন্যায় দর্শনৰ পদার্থৰ সংখ্যা

এতিয়া আপুনি ন্যায় দর্শনৰ পদার্থৰ সংখ্যাৰ বিষয়ে জানিব পাৰিব। ন্যায় দর্শনে স্বীকাৰ কৰা পদার্থৰ সংখ্যা হ'ল ১৬টা। সেই *পদার্থ* কেইটা হ'ল— প্রমাণ, প্রমেয়, সংশয়, প্রয়োজন, দৃষ্টান্ত, সিদ্ধান্ত, অবয়ব, তর্ক, নির্ণয়, বাদ, জল্প, বিতণ্ডা, হেত্বাভাস, ছল, জাতি আৰু নিগ্রহস্থান।

১) যি প্রক্রিয়াৰ দ্বাৰা বস্তুৰ জ্ঞান লাভ কৰিব পাৰি তাক প্রমাণ বোলে।

২) জ্ঞানৰ বিষয়বস্তুক প্রমেয় বোলে। আত্মা, জীৱাত্মা, শৰীৰ, ইন্দ্রিয়, মন, দুখ, মোক্ষ আদি প্রমেয়।

৩) মনৰ অনিশ্চিত অৱস্থাক সংশয় বোলা হয়।

৪) কর্মৰ উদ্দেশ্যক প্রয়োজন বোলে।

৫) সাধাৰণ নিয়ম এটা নির্ধাৰণ কৰা নিশ্চিত তথ্যই হ'ল দৃষ্টান্ত।

৬) প্রমাণৰ দ্বাৰা সিদ্ধ আৰু গৃহীত তত্ত্বকে সিদ্ধান্ত বোলে।

৭) যিবোৰ বাক্যৰ দ্বাৰা ন্যায় গঠিত হয় সিহঁতৰ প্রত্যেককে অবয়ব বোলা হয়।

৮) যি যুক্তিৰ দ্বাৰা বিপৰীত পক্ষৰ মত অবাস্তৱ বুলি প্রতিপন্ন কৰি নিজস্ব মত প্রতিষ্ঠিত কৰা হয় তাকে তর্ক বোলে।

৯) কোনো এটা বিষয়ৰ সপক্ষে আৰু বিপক্ষে সকলোবোৰ যুক্তি দাঙি ধৰি তাৰ সম্পর্কত নিশ্চিত জ্ঞান লাভ কৰাকেই নির্ণয় বোলা হয়।

১০) এটা বিষয়ৰ সত্যতা নির্ণয়ৰ বাদী আৰু প্রতিবাদী পক্ষই ন্যায়ৰ মাধ্যমত যি আলোচনা কৰে তাকে বাদ বোলে।

১১) কোনো এটা বিষয়ৰ যথার্থ সত্য নির্ণয়ৰ প্রতি লক্ষ্য নকৰি কেৱল জয়ী হোৱাৰ আশাৰে যি যুক্তি কৰা হয় তাকে জল্প বোলা হয়।

১২) আনহাতে যি যুক্তিৰ দ্বাৰা কেৱল প্রতিবাদীৰ মতক অপ্রমাণিত কৰা হয়, তাত সত্য অন্বেষণৰ বা নিজা মত প্রতিষ্ঠা কৰাৰ কোনো উদ্দেশ্য নাথাকে, তাকে বিতণ্ডা বোলা হয়।

১৩) অনুমান সংক্রান্ত দোষক হেত্বাভাস বোলে।

১৪) প্রতিবাদীৰ মতক অপ্রমাণিত কৰিবৰ বাবে কোনো এটা মতৰ প্রকৃত অর্থ কপট ব্যাখ্যাৰ দ্বাৰা ভ্রষ্ট কৰা কার্য্যকে ছল বোলা হয়।

১৫) মিথ্যা সাদৃশ্য বা বৈসাদৃশ্যৰ ওপৰত ভিত্তি কৰি কোনো মত অপ্রমাণিত কৰাকে জাতি বোলে।

১৬) নিজ মতত পৰাজয় বৰণ কৰাকে নিগ্রহস্থান বোলে।

৪.৫ ন্যায় দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস

পদার্থৰ সংখ্যা বিষয়ে অৱগত হোৱাৰ পাছত এতিয়া আপুনি ইয়াৰ মূল তত্ত্বসমূহৰ বিষয়ে জানিব পাৰিব। ন্যায় দর্শনক চৰিটা ভাগত ভাগ কৰিব পাৰি— জ্ঞানতত্ত্ব, বস্তুতত্ত্ব, জীৱাত্মা আৰু মুক্তি আৰু ঈশ্বৰবাদ।

পদার্থ ঃ যাৰ সত্তা আছে, যাক জানিব পাৰি আৰু যাৰ নামকৰণ কৰিব পাৰি তাকেই পদার্থ বোলে।

বাস্তৱবাদ ঃ পৰিভাষাত বাস্তৱবাদ এনে এটা পদ্ধতি, যিটোৰ মতে বস্তুৰ অস্তিত্ব জ্ঞান নিৰপেক্ষ অর্থাৎ বস্তুৰ অস্তিত্ব কোনো মানসিক ক্রিয়াৰ ওপৰত নির্ভৰশীল নহয়।

৪.৫.১ ন্যায় জ্ঞান তত্ত্ব

ন্যায় দর্শন যুক্তিৰ ওপৰত প্রতিষ্ঠিত **বাস্তৱবাদ**। এই বাস্তৱবাদ ইয়াৰ জ্ঞানতত্ত্বৰ ওপৰত প্রতিষ্ঠিত।ন্যায়ৰ জ্ঞানতত্ত্ব অনুসৰি জ্ঞানৰ চাৰিটা উৎস আছে—প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ। জ্ঞানতত্ত্বৰ আলোচ্য বিষয়কেইটা হ'ল— প্রমা বা যথার্থ জ্ঞান, প্রমাণ বা জ্ঞানৰ উপাদানসমূহ, অপ্রমা বা অযথার্থজ্ঞান আৰু প্রামাণ্য বা সত্যাসত্যৰ নির্ণয়। জ্ঞানৰ উৎপত্তি হয় জ্ঞাতা, জ্ঞেয় (জ্ঞানৰ বিষয়বস্তু) আৰু প্রমাণৰ দ্বাৰা।

বিষয়বস্তুৰ প্রকাশকে জ্ঞান বা বুদ্ধি বোলে। জ্ঞানৰ মাধ্যমত বস্তু এটাৰ স্বৰূপ আমাৰ ওচৰত প্রকাশিত হয়। ন্যায় দর্শনৰ মতে জ্ঞান দুই প্রকাৰৰ— প্রমা বা যথার্থ

জ্ঞান আৰু অপ্রমা বা অযথার্থ জ্ঞান। যথার্থ জ্ঞান চাৰি প্রকাৰৰ— প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ বা সাক্ষ্য। তেনেদৰে অযথার্থ জ্ঞানো চাৰি প্রকাৰৰ— স্মৃতি, সংশয়, বিপর্য্যয় আৰু তর্ক।

বিষয়বস্তুৰ অসন্দিগ্ধ বা নিশ্চিত অনুভৱকে যথার্থ জ্ঞান বা প্রমা বোলে। সন্মুখতে দেখা বস্তু এটা সম্পর্কে আমাৰ যি অনুভৱ সেয়া যথার্থ জ্ঞান। আনহাতে, যি জ্ঞান অনিশ্চিত বা সন্দিগ্ধ তাকে অযথার্থ জ্ঞান বোলা হয়। উদাহৰণ স্বৰূপে, জৰী এডালক সাপ বুলি ভাবিলে তাক অপ্রমা বোলা হয়।

- **ন্যায় ভ্রমতত্ত্ব ঃ** নৈয়ায়িকসকসৰ মতে 'ভ্রম' এটা মিথ্যা বা অযথার্থ জ্ঞান। এটা বিশেষ বিষয়বস্তুক আন এটা বিষয়বস্তু বুলি অনুভৱ কৰা কার্য্যকে ভ্রম বুলি কোৱা হয়। 'ভ্রম' হৈছে অন্যথাখ্যাতি বা বিপৰীত খ্যাতি। কাৰণ নৈয়ায়িকসকলৰ মতে ভ্রমত বিষয়বস্তুৰ সাক্ষাৎ প্রত্যক্ষ হয়। ৰছী এডালত সাপৰ যি জ্ঞান সেয়া আমি অস্বীকাৰ কৰিব নোৱাৰো। যদিও 'সাপ' ইন্দ্রিয়ৰ সন্মুখত নাই তথাপি ইয়াক স্মৃতিৰ জৰিয়তে আমি পৰোক্ষভাৱে অনুভৱ কৰোঁ। এই পৰোক্ষ অনুভূতি বর্তমানৰ 'জৰী'ত ভুলকৈ আৰোপ কৰা হয় যাক অন্যথাখ্যাতি বোলা হয়।

  নোহোৱা গুণ এটা যেতিয়া বস্তু এটাত আৰোপ কৰা হয়, তেতিয়াই ভ্রম হয়। গতিকে নৈয়ায়িকৰ মতে ভ্রমো একপ্রকাৰৰ জ্ঞান। যেতিয়া যথার্থজ্ঞানৰ দ্বাৰা বিষয়বস্তুৰ স্বৰূপ উদ্ভাসিত হয়, তেতিয়া ভ্রমাত্মক জ্ঞান আঁতৰি যায়।

- **প্রত্যক্ষ ঃ** গৌতমৰ মতে বস্তু আৰু ইন্দ্রিয়ৰ সংযোগত যি **অব্যপদেশ, অব্যভিচাৰী** আৰু ব্যৱসায়াত্মক জ্ঞানৰ উৎপত্তি হয় তাকে প্রত্যক্ষ বোলা হয়। প্রাচীন নৈয়ায়িকসকলৰ মতে বস্তু আৰু ইন্দ্রিয়ৰ সংযোগত যি সংজ্ঞাহীন আৰু নিশ্চিত জ্ঞান উৎপন্ন হয় তাকেই প্রত্যক্ষ বোলা হয়। প্রত্যক্ষ জ্ঞানে অন্য কোনো জ্ঞানৰ ওপৰত নির্ভৰ নকৰে। নব্য নৈয়ায়িকসকলৰ মতে কোনো মাধ্যম নোহোৱাকৈ যি সাক্ষাৎ জ্ঞান লাভ হয় সেয়ে প্রত্যক্ষ।

  প্রত্যক্ষ সাধাৰণতে দুই ভাগত ভাগ কৰিব পাৰি— লৌকিক প্রত্যক্ষ আৰু অলৌকিক প্রত্যক্ষ। সাধাৰণতে যেতিয়া বস্তু ইন্দ্রিয়গোচৰ হয় তেতিয়া তাক লৌকিক প্রত্যক্ষ বোলা হয়। লৌকিক প্রত্যক্ষ দুই প্রকাৰৰ— বাহ্য আৰু মানস। পঞ্চ বাহ্য ইন্দ্রিয়ৰ দ্বাৰা যি জ্ঞান হয় তাৰ নাম বাহ্য প্রত্যক্ষ আৰু মনৰ দ্বাৰা যি জ্ঞান হয় তাৰ নাম মানস প্রত্যক্ষ। নৈয়ায়িকসকলে প্রত্যক্ষৰ প্রকৃতি অনুসৰি লৌকিক প্রত্যক্ষকক তিনিটা ভাগত বিভক্ত কৰিছে— নির্বিকল্প, সবিকল্প আৰু প্রত্যভিজ্ঞা। যি প্রত্যক্ষত বস্তুৰ প্রকাৰ আৰু নাম সম্পর্কে কোনো ধাৰণা নাথাকে, কেৱল মাত্র বস্তুৰ অস্তিত্বহে জানিব পাৰি তাকে নির্বিকল্প প্রত্যক্ষ বোলা হয়। বস্তুটো কি বা তাৰ গুণাগুণ সম্পর্কে কোনো নিশ্চিত ধাৰণা নির্বিকল্প প্রত্যক্ষত নাথাকে। কেৱল 'কিবা এটা আছে' এই সামান্য ধাৰণাখিনি পোৱা যায়। নির্বিকল্প প্রত্যক্ষ সকলো প্রকাৰৰ জ্ঞানৰ আদি



অব্যপদেশ ঃ গুণাগুণ বর্জিত, কেৱল মাত্র অস্তিত্বই হ'ল অব্যপদেশ।

অব্যভিচাৰী ঃ নিশ্চিত বা সংজ্ঞামুক্ত।

অৱস্থা। এই প্রত্যক্ষ সুস্পষ্ট আৰু সুনির্দিষ্ট নহয়। এই প্রত্যক্ষত বিশেষ্য-বিশেষণ ভাব নাথাকে। বাক্যৰ দ্বাৰা এই প্রত্যক্ষ প্রকাশ কৰিব পৰা নাযায়। যি প্রত্যক্ষত বস্তুৰ জাতি, গুণ, ধর্ম আদি সম্পর্কে জ্ঞান লাভ কৰা যায় তাকে সবিকল্প প্রত্যক্ষ বোলে। এই জাতীয় প্রত্যক্ষই আমাক বস্তু আৰু বস্তুৰ স্বৰূপ সম্বন্ধে সুস্পষ্ট আৰু সুনির্দিষ্ট জ্ঞান দিয়ে। এই প্রত্যক্ষ হৈছে পৰিণত স্তৰৰ প্রত্যক্ষ আৰু এই প্রত্যক্ষক বচনত প্রকাশ কৰিব পৰা যায়। অর্থাৎ প্রত্যক্ষ নির্বিকল্প স্তৰত আৰম্ভ হয় আৰু সবিকল্প স্তৰত শেষ হয়। নির্বিকল্প প্রত্যক্ষই বস্তুৰ কেৱল অস্তিত্বৰ আভাস দিয়ে, আৰু সবিকল্প প্রত্যক্ষই বস্তুটোৰ গুণাগুণ সম্পর্কে নিশ্চিত জ্ঞান দিয়ে। সবিকল্প প্রত্যক্ষ নির্বিকল্প প্রত্যক্ষৰ ওপৰত নির্ভৰশীল। পূর্বৰ কোনো জ্ঞান বর্তমানৰ প্রত্যক্ষই অভিব্যক্ত কৰাকে প্রত্যভিজ্ঞা বোলে। প্রত্যভিজ্ঞাৰ অর্থ হৈছে 'চিনি পোৱা'। যেতিয়া আমি কওঁ, "এইজন মানুহ কালি লগ পোৱা জনেই" —তেতিয়া এই জ্ঞান হয় প্রত্যভিজ্ঞা। ইয়াত বর্তমানৰ প্রত্যক্ষই নিজে কোনো জ্ঞান দিব নোৱাৰে, যদিহে পূর্ব প্রত্যক্ষ নাথাকে। ই এটা বিশেষ প্রকাৰৰ প্রত্যক্ষ।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে নৈয়ায়িকসকলে কৰা লৌকিক প্রত্যক্ষৰ এই তিনি প্রকাৰৰ শ্রেণীবিভাজনক ভাৰতীয় দর্শনৰ সকলো সম্প্রদায়ে সমভাৱে গ্রহণ কৰা নাই। বৈশেষিক, সাংখ্য আৰু মীমাংসা দর্শনে এই শ্রেণীবিভাজন গ্রহণ কৰাৰ বিপৰীতে বেদান্ত আৰু বৌদ্ধ দর্শনে স্বীকাৰ কৰা নাই।

বিষয়বস্তুৰ সৈতে অলৌকিকভাৱে ইন্দ্রিয়ৰ সংযোগৰ ফলত যি জ্ঞানৰ উৎপত্তি হয় তাক অলৌকিক প্রত্যক্ষ বোলা হয়। এই প্রত্যক্ষৰ বিষয়বস্তুৰ লগত ইন্দ্রিয়ৰ সংযোগ নহয়। অলৌকিক প্রত্যক্ষ সবিকল্প বা সংজ্ঞাযুক্ত, কাৰণ ই বস্তু সম্পর্কে যথার্থ জ্ঞান দিয়ে। অলৌকিক প্রত্যক্ষ তিনি প্রকাৰৰ— সামান্য লক্ষণ, জ্ঞান লক্ষণ আৰু যোগজ।

- **সামান্য লক্ষণ প্রত্যক্ষ ঃ** সামান্য ধর্ম প্রত্যক্ষৰ জৰিয়তে যেতিয়া কোনো জাতিক প্রত্যক্ষ কৰা হয়, তেতিয়া সেই প্রত্যক্ষক সামান্য লক্ষণ প্রত্যক্ষ বোলা হয়। 'মানুহ মৰণশীল' —এই বাক্যটোত অতীত, বর্তমান আৰু ভৱিষ্যতৰ জীৱিত বা মৃত সকলো মানুহৰ সম্পর্কে 'মৰণশীল' গুণটো ব্যক্ত কৰা হৈছে। কোনো বিশেষ মানুহক সাধাৰণতে লৌকিক প্রত্যক্ষৰ দ্বাৰা জানিব পাৰিলেও অতীত, বর্তমান আৰু ভৱিষ্যতৰ জীৱিত আৰু মৃত সকলো মানুহৰে গঠিত মানুহ শ্রেণীৰ জ্ঞান লাভ কৰাটো সম্ভৱ নহয়। নৈয়ায়িকসকলৰ মতে সামান্য লক্ষণ প্রত্যক্ষৰ জৰিয়তে এনেকুৱা শ্রেণীজ্ঞান লাভ কৰাটো সম্ভৱ নহয়। এই সামান্য লক্ষণ প্রত্যক্ষ অলৌকিক উপায়ে ঘটে অর্থাৎ এই সামান্য লক্ষণ ইন্দ্রিয়গ্রাহ্য নহয় বাবে অলৌকিক বুলি কোৱা হয়। এজন মানুহৰ মনুষ্যত্ব বোলা সামান্য লক্ষণ প্রত্যক্ষ কৰি সকলো সময়ৰ সকলো মানুহক প্রত্যক্ষ নকৰাকৈয়ে 'মানুহ মৰণশীল' —এনে সিদ্ধান্ত বাক্য দিব পাৰি। এই প্রত্যক্ষৰ জৰিয়তে ব্যাপ্তি সম্বন্ধ প্রতিষ্ঠা কৰা সম্ভৱ নহয়।

- **জ্ঞান লক্ষণ প্রত্যক্ষ ঃ** কোনো বিশেষ ইন্দ্রিয়ৰ দ্বাৰা বস্তুৰ বিশেষ ধর্ম প্রত্যক্ষ কৰাৰ সময়ত সেই ইন্দ্রিয়ৰ দ্বাৰা যেতিয়া বস্তুটোৰ আন কোনো ধর্ম প্রত্যক্ষ কৰা হয়, তেতিয়া এই প্রত্যক্ষক জ্ঞান লক্ষণ প্রত্যক্ষ বোলা হয়। এই প্রত্যক্ষ পূর্ব জ্ঞানৰ ওপৰত নির্ভৰশীল। উদাহৰণ স্বৰূপে, স্পর্শ ইন্দ্রিয়ৰ দ্বাৰা বৰফৰ 'ঠাণ্ডা' প্রত্যক্ষ কৰিব পাৰি। কিন্তু বৰফ প্রত্যক্ষ কৰিয়েই 'বৰফ ঠাণ্ডা' বুলি যেতিয়া আমি কওঁ, তেতিয়া এই প্রত্যক্ষক জ্ঞান লক্ষণ প্রত্যক্ষ বুলি কোৱা হয়। এই প্রত্যক্ষ অলৌকিক। কাৰণ যি ইন্দ্রিয়ৰ মাধ্যমত এনে জ্ঞান লাভ হয়, সাধাৰণতে সেই ইন্দ্রিয়ই তেনে জ্ঞান দিব নোৱাৰে। দর্শনেন্দ্রিয়ৰ দ্বাৰা বৰফৰ ঠাণ্ডা প্রত্যক্ষ কৰিব নোৱাৰি।
- **যোগজ প্রত্যক্ষ ঃ** যোগৰ পৰা উৎপন্ন হোৱা বাবে ইয়াক যোগজ প্রত্যক্ষ বোলা হয়। যোগাভ্যাসৰ জৰিয়তে যোগীসকলে এটা অলৌকিক শক্তি লাভ কৰে, যাৰ দ্বাৰা ভূত-ভৰিষ্যত, আত্মা-পৰমাত্মা, লোকচক্ষুৰ অন্তৰালত থকা পদার্থৰ সূক্ষ্ম অৱস্থিতিলৈকে তেওঁলোকে প্রত্যক্ষ কৰিব পাৰে।

  অৱশ্যে যোগসিদ্ধি লাভ কৰা যোগীসকলেহে এনেকুৱা প্রত্যক্ষ কৰিব পাৰে। যোগজ প্রত্যক্ষক দুটা ভাগত ভাগ কৰা হৈছে— যুক্ত আৰু যুঞ্জান। যোগসিদ্ধি লাভ কৰা যোগীসকলৰ প্রত্যক্ষ জ্ঞানক যুক্ত প্রত্যক্ষ বোলা হয়। আনহাতে, যিবিলাকে সিদ্ধি লাভ কৰা নাই তেনে যোগীৰ প্রত্যক্ষ জ্ঞান হ'ল যুঞ্জান প্রত্যক্ষ।
- **অনুমান ঃ** প্রত্যক্ষক ভিত্তি কৰি আন এটা অপ্রত্যক্ষ বস্তু সম্পর্কে যি জ্ঞান লাভ কৰা হয়, তাকে পৰোক্ষ জ্ঞান বোলা হয়। যি প্রক্রিয়াৰ দ্বাৰা পৰোক্ষ জ্ঞান লাভ কৰিব পাৰি তাকে অনুমান বোলা হয়। 'অনু' মানে 'পাছত' আৰু 'মান' মানে 'জ্ঞান' অর্থাৎ পূর্বজ্ঞানৰ পাছত লাভ কৰা জ্ঞানেই হ'ল অনুমান। উদাহৰণ স্বৰূপে, আকাশত মেঘ দেখি ক'ব পাৰি যে অতি শীঘ্রে বৰষুণ হ'ব, কাৰণ মেঘ থাকিলেহে বৰষুণ হয়।

  দুটা কথাৰ ওপৰত ভিত্তি কৰি অনুমান ৰচিত হয়— (১) ব্যাপ্তি আৰু (২) পক্ষধর্মতা বা পক্ষতা। হেতুপদ আৰু সাধ্যপদৰ অব্যভিচাৰী সাহচর্য্যক ব্যাপ্তি বোলা হয়। **পক্ষৰ** মাজত **হেতুৰ** অৱস্থিতিক পক্ষধর্মতা বোলা হয়। ভাৰতীয় ন্যায়ত পাঁচোটা অবয়ৱৰ মাধ্যমত সিদ্ধান্ত প্রদর্শন কৰা হয়। অবয়ৱসমূহ হৈছে— প্রতিজ্ঞা, হেতু, উদাহৰণ, উপনয় আৰু নিগমন। উদাহৰণ স্বৰূপে,

  ১) পাহাৰখনত জুই আছে (প্রতিজ্ঞা)
  ২) কাৰণ, পাহাৰখনত ধোৱা আছে (হেতু)
  ৩) য'ত ধোঁৱা থাকে তাত জুই থাকে, যেনে— পাকঘৰ (উদাহৰণ)
  ৪) এই পাহাৰখনত ধোঁৱা আছে (উপনয়)
  ৫) গতিকে পাহাৰখনত জুই আছে (নিগমন)

  প্রথম বাক্যটো হ'ল প্রতিজ্ঞা, অর্থাৎ যাক প্রমাণ কৰিব লাগে। দ্বিতীয়টোত হেতু অর্থাৎ প্রতিজ্ঞাৰ কাৰণ উল্লেখ কৰা হয়। তৃতীয় বাক্যটোত হেতু আৰু প্রতিজ্ঞাৰ



পক্ষ ঃ যি বস্তুত কোনো ধর্ম বা গুণৰ অস্তিত্ব প্রত্যক্ষ কৰা হয় তাকে পক্ষ বোলে।

হেতু ঃ যাৰ মাধ্যমত বা যি যুক্তিৰ দ্বাৰা অনুমান কৰা হয় তাক হেতু বা লিঙ্গ বোলে।

মাজত যি ব্যাপ্তি সম্পর্ক আছে তাক উদাহৰণৰ সৈতে দেখুওৱা যায়। চতুর্থ বাক্য উপনয়। ইয়াৰ দ্বাৰা উদাহৰণ বাক্য প্রস্তুত বিবেচ্য বিষয়টো যে প্রয়োগ কৰিব পাৰি তাক দেখুওয়া হয়। পঞ্চম বাক্যটো নিগমন। নিগমনৰ কার্য্য হ'ল প্রথম বাক্য প্রতিজ্ঞাক প্রমাণ কৰি দেখুওৱা।

নৈয়ায়িকসকলে তিনিপ্রকাৰে অনুমানৰ শ্রেণীবিভাগ কৰিছে। উদ্দেশ্য অনুসৰি প্রথমতে অনুমানক দুই শ্রেণীত ভাগ কৰিছে— (১) স্বার্থানুমান আৰু (২) পৰার্থানুমান।

১) যেতিয়া ব্যক্তিগত কাৰণে বা নিজৰ কাৰণে অনুমান কৰা হয় তাক স্বার্থানুমান বোলা হয়। এই অনুমান তিনিটা অবয়ৱৰ মাধ্যমত প্রকাশ কৰা হয়।

২) যেতিয়া আনৰ বাবে কিবা প্রমাণ কৰি দেখুৱাব লগা হয় তেতিয়া তাক পৰার্থানুমান বোলা হয়। এই অনুমান পাঁচোটা অবয়ৱৰ দ্বাৰা প্রকাশ কৰা হয়।

সাধ্য ঃ যি বিষয়ে অনুমান কৰা হয়, তাক সাধ্য বোলে।

দ্বিতীয়তে, **সাধ্য** আৰু হেতুৰ মাজত থকা ব্যাপ্তিৰ সম্পর্ক অনুসৰি অনুমানক তিনিটা শ্রেণীত বিভক্ত কৰা হৈছে— (১) পূর্ব্ববৎ, (২) শেষবৎ আৰু (৩) সামান্যতোদৃষ্ট। প্রথম দুবিধ অনুমান কার্য্যকৰণ নীতিৰ ওপৰত প্রতিষ্ঠিত।

১) কাৰণ প্রত্যক্ষ কৰি অপ্রত্যক্ষ কার্য্য সম্পর্কে যি জ্ঞান লাভ হয় তাক পূর্ববৎ অনুমান বোলা হয়। যেনে— 'আকাশত মেঘ দেখি বৰষুণ আহিব বুলি কৰা অনুমান।'

২) কার্য্য প্রত্যক্ষ কৰি অপ্রত্যক্ষ কাৰণ সম্পর্কে যি অনুমান কৰা হয় তাক শেষবৎ অনুমান বুলি কোৱা হয়। যেনে— 'টোপনিৰ পৰা সাৰ পাই উঠি বাহিৰৰ চোতাল তিতি থকা দেখি অনুমান কৰা হয় যে ৰাতি বৰষুণ হৈছিল'।

৩) পূর্বৰ নির্বিৰোধী অভিজ্ঞতাৰ ওপৰত নির্ভৰ কৰি যেতিয়া সাদৃশ্যৰ ভিত্তিত এটা বস্তুৰ জ্ঞানৰ দ্বাৰা আন এটা জ্ঞান লাভ কৰিব পাৰি তাক সামান্যতো দৃষ্ট অনুমান বুলি কোৱা হয়। উদাহৰণ স্বৰূপে, অতীতৰ অভিজ্ঞতাৰ পৰা জনা গৈছে যে শিঙাল জন্তুবোৰৰ খুৰা ফটা। গতিকে বর্তমানেও এটা শিঙাল জন্তু দেখিলেই অনুমান কৰিব পাৰি যে তাৰ খুৰা ফটা।

তৃতীয়তে, নৈয়ায়িকসকলে তিনি প্রকাৰৰ হেতুকে ভিত্তি কৰি অনুমানক তিনিটা শ্রেণীত বিভক্ত কৰিছে— (১) কেৱলান্বয়ী, (২) কেৱল ব্যতিৰেকী আৰু (৩) অন্বয় ব্যতিৰেকী।

১) যি অনুমান হেতু আৰু সাধ্যৰ সদর্থক সম্বন্ধৰ ওপৰত প্রতিষ্ঠিত তাক কেৱলান্বয়ী অনুমান বোলে। অর্থাৎ এটা উপস্থিত থাকিলে আনটোও উপস্থিত থাকিব।

২) যি অনুমানত হেতুপদটো সাধ্যপদৰ লগত নঞর্থকভাৱে জড়িত অর্থাৎ এটা অনুপস্থিত থাকিলে আনটোও অনুপস্থিত থাকে তাকে কেৱল ব্যতিৰেকী অনুমান বোলে।

৩) যি অনুমান হেতুপদ আৰু সাধ্যপদৰ সৈতে সদর্থক আৰু নঞর্তক দুয়োপ্রকাৰে সম্বন্ধিত হয় তাক অন্বয়ব্যতিৰেকী অনুমান বোলা হয়।

➢ **অনুমানৰ দোষ বা হেত্বাভাস ঃ** ভাৰতীয় তর্কশাস্ত্ৰৰ মতে অনুমানৰ দোষকে হেত্বাভাস বুলি কোৱা হয়। 'হেত্বাভাস' শব্দৰ অর্থ হ'ল 'হেতুৰ আভাস'। অর্থাৎ যি প্ৰকৃততে হেতু নহয়। কিন্তু হেতু হিচাপে প্ৰতীয়মান হয়। হেতু অনুমানৰ যুক্তি। এই হেতু নিয়ত অব্যভিচাৰীভাৱে সাধ্যৰ সৈতে জড়িত আৰু পক্ষৰ মাজত অৱস্থিত। ইয়াৰ দ্বাৰাই সাধ্য আৰু পক্ষৰ মাজত সম্বন্ধ স্থাপন কৰিব পাৰি। এই নিয়মৰ ব্যতিক্ৰম হ'লেই দোষযুক্ত হয় আৰু অনুমান অশুদ্ধ হৈ পৰে। ন্যায়শাস্ত্ৰৰ মতে অনুমানৰ আকাৰগত কোনো দোষ নাথাকে, কেৱল বস্তুগত দোষহে থাকিব পাৰে। হেত্বাভাস পাঁচ প্ৰকাৰৰ— সব্যভিচাৰ, বিৰুদ্ধ, সৎপ্ৰতিপক্ষ, অসিদ্ধ আৰু বাধিত।

১) **সব্যভিচাৰ হেত্বাভাস ঃ** অনুমানৰ নিয়ম অনুসৰি হেতু পদটোৰ লগত সদায় সাধ্যপদ উপস্থিত থাকিব লাগে আৰু য'ত হেতুপদ অনুপস্থিত থাকে তাত সাধ্যপদো অনুপস্থিত থাকিব। এই নিয়মৰ ব্যতিক্ৰম হ'লেই সব্যভিচাৰ হেত্বাভাস হয়। উদাহৰণ স্বৰূপে, য'ত জুই থাকে, তাত ধোঁৱা থাকে। যেনে— ৰান্ধনিঘৰ। পৰ্বতত জুই আছে। সেয়ে পৰ্বতত ধোঁৱা আছে। এই অনুমানত সব্যভিচাৰ হেত্বাভাস ঘটিছে। কিয়নো হেতু "জুই" কেৱল ধোঁৱাযুক্ত স্থানতেই নাথাকে, ধোঁৱা নথকা স্থানতো জুই তাকে। যেনে— তপত লোহা। ইয়াত হেতু "জুই" সাধ্য "ধোঁৱা"ৰ উপস্থিতি আৰু অনুপস্থিতি উভয় ক্ষেত্ৰতেই দেখা যায়।

সব্যভিচাৰ হেত্বাভাস তিনি প্ৰকাৰৰ— (ক) সাধাৰণ, (খ) অসাধাৰণ আৰু (গ) অনুপসংহাৰী।

২) **বিৰুদ্ধ হেত্বাভাস ঃ** হেতু আৰু সাধ্য যেতিয়া পৰস্পৰবিৰোধী হয়, তেতিয়া তাক বিৰুদ্ধ হেত্বাভাস বোলা হয়। পক্ষৰ মাজত সাধ্যৰ অস্তিত্বৰ প্ৰমাণ কৰাটোৱেই হেতুৰ উদ্দেশ্য। কিন্তু সাধ্য আৰু হেতুৰ বিৰোধিতাবশতঃ পক্ষৰ মাজত সাধ্যৰ উপস্থিতি প্ৰমাণ নকৰি তাৰ অভাৱকে প্ৰমাণ কৰিলে বিৰুদ্ধ হেত্বাভাস বুলি কোৱা হয়। যেনে— 'শব্দ নিত্য, যিহেতু শব্দ উৎপন্ন হয়' — এই অনুমানত হেতুপদটো (উৎপন্ন হয়) সাধ্যৰ (নিত্য) বিৰুদ্ধ হয়। কাৰণ উৎপন্ন হোৱা বস্তু মাত্ৰেই অনিত্য। গতিকে ইয়াত হেতুৱে পক্ষৰ (শব্দৰ' সৈতে সাধ্যৰ) অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰিলে। বৰঞ্চ বিৰুদ্ধ সিদ্ধান্তহে দিছে।

৩) **সৎপ্ৰতিপক্ষ হেত্বাভাসঃ** যেতিয়া কোনো এটা অনুমানত হেতুৱে সাধ্যৰ অস্তিত্ব প্ৰমাণ কৰে আৰু সেই হেতুৰ বিৰোধী আন এটা হেতুৱে একে সময়তে আন এটা অনুমানত সেই সাধ্যৰ অভাৱ প্ৰমাণ কৰে তেতিয়া সৎপ্ৰতিপক্ষ হেত্বাভাস ঘটে। যেনে—

ক) যি শ্ৰুতিগোচৰ হয়, সি নিত্য। যেনে— শব্দত্ব, শব্দ শ্ৰুতিগোচৰ হয়, শব্দ নিত্য।

খ) যি উৎপত্তিশীল সি অনিত্য, যেনে— ঘট, শব্দ উৎপত্তিশীল, শব্দ অনিত্য।

ইয়াত প্ৰথম অনুমানটোত হেতু 'শ্ৰুতিগোচৰে' শব্দৰ নিত্যতা প্ৰমাণ কৰিছে আৰু দ্বিতীয় অনুমানটোত হেতু 'উৎপত্তিশীলে' শব্দৰ অনিত্যতা প্ৰমাণ কৰিছে। গতিকে এই ক্ষেত্ৰত সৎপ্ৰতিপক্ষ হেত্বাভাস ঘটিছে।

৪) **অসিদ্ধ হেত্বাভাস ঃ** যি অনুমানত হেতু সাধ্যৰ নিচিনা অসিদ্ধ হয় তাকে অসিদ্ধ হেত্বাভাস বোলা হয়। এই অনুমানত হেতুৱে সাধ্যৰ উপস্থিতি সিদ্ধ নকৰে, কাৰণ হেতু প্ৰমাণসাপেক্ষ। অৰ্থাৎ হেতুপদটো অপ্ৰমাণিত অৱস্থাতেই গ্ৰহণ কৰা হয় বাবে সিদ্ধান্তটো অসিদ্ধ হৈ থাকে। যেনে— ছাঁ এটা পদাৰ্থ, কাৰণ ইয়াৰ গতি আছে। ইয়াত হেতুপদ (ইয়াৰ গতি আছে) নিজেই অসিদ্ধ, গতিকে ই সাধ্যৰ (ছাঁ) অস্তিত্ব প্ৰমাণ কৰিব নোৱাৰে।

অসিদ্ধ হেত্বাভাস তিনি প্ৰকাৰৰ— (ক) আশ্ৰয়াসিদ্ধ, (খ) স্বৰূপাসিদ্ধ, আৰু (গ) ব্যাপ্যত্বাসিদ্ধ।

৫) **বাধিত হেত্বাভাস ঃ** অনুমানৰ হেতুপদটো যদি অন্য কোনো যথাৰ্থ জ্ঞানৰ দ্বাৰা ভ্ৰান্ত বুলি প্ৰমাণিত হয়, তেতিয়া তাক বাধিত হেত্বাভাস বোলা হয়। হেতুৱে সদায় পক্ষত সাধ্যপদৰ অস্তিত্ব প্ৰমাণ কৰিব বিচাৰে। কিন্তু যদি সেই হেতুপদটো অন্য কোনো প্ৰমাণৰ দ্বাৰা ভ্ৰান্তৰূপে প্ৰমাণিত হয়, সেই হেতুপদটো দোষযুক্ত হয়। যেনে— "জুই চেঁচা, কাৰণ ই এটা দ্ৰব্য।" ইয়াত হেতুপদে (দ্ৰব্য) জুই (সাধ্য) সম্পৰ্কে যি প্ৰমাণ কৰিব বিচাৰিছে সেইটো অন্য প্ৰমাণৰ দ্বাৰা অপ্ৰমাণিত হয়।



জানি থোৱা ভাল

দুটা বিষয়ৰ পাৰস্পৰিক সম্বন্ধ তথা এটা আনটোৰ মাজত নিয়ত উপস্থিত থকাকেই ব্যাপ্তি বোলা হয়। যেনে— ধোঁৱা আৰু জুই। এই ধোঁৱা আৰু জুই পৰস্পৰ এনেভাৱে জড়িত যে এটাৰ উপস্থিতিয়ে আনটোৰ উপস্থিতিকো বুজায়। ব্যাপ্তি হ'ল ব্যাপ্য আৰু ব্যাপকৰ মাজত থকা সম্বন্ধ। এটা বস্তু আন এটাৰ মাজত ব্যাপ্ত হৈ থাকিলে, যাৰ মাজত ব্যাপ্ত হয় তাক ব্যাপ্য আৰু যাৰ দ্বাৰা ব্যাপ্ত হয় তাক ব্যাপক বোলা হয়। যেনে— ধোঁৱা আৰু জুইৰ মাজত ধোঁৱা হৈছে ব্যাপ্য আৰু জুই হৈছে ব্যাপক। ব্যাপ্তি দুই প্ৰকাৰৰ— সমব্যাপ্তি আৰু বিষমব্যাপ্তি বা অসমব্যাপ্তি। দুটা সমব্যাপক অথবা সমান বিস্তৃতি থকা বস্তুৰ মাজত থকা ব্যাপ্তিক সমব্যাপ্তি বোলে। যেনে— "সকলো উৎপত্তিশীল বস্তু বিনাশশীল"। উৎপত্তিশীল বস্তু আৰু বিনাশশীল বস্তু সমব্যাপক, যিহেতু যাৰ উৎপত্তি আছে তাৰ বিনাশ আছে, আকৌ যাৰ বিনাশ আছে তাৰ উৎপত্তি আছে। এই ক্ষেত্ৰত এটাৰ পৰা আনটোক অনুমান কৰিব পৰা যায়। যি ব্যাপ্তি সম্বন্ধত ব্যাপ্য আৰু ব্যাপ্যকৰ বিস্তৃতি সমান নহয় তাকে বিষয়ব্যাপ্তি বোলে। ধোঁৱা আৰু জুইৰ মাজৰ ব্যাপ্তি বিষমব্যাপ্তিৰ উদাহৰণ। ধোঁৱাতকৈ জুইৰ বিস্তৃতি বেছি। কাৰণ ধোঁৱা য'ত থাকে তাত জুই থাকিবই, কিন্তু জুই থকা সকলো ঠাইতে ধোঁৱা নাথাকিবও পাৰে।

- **উপমান ঃ** পূর্বজ্ঞান থকা কোনো এটা বস্তুৰে সৈতে আন এটা নতুন বস্তুৰ সাদৃশ্য দেখি সেই নতুন বস্তুটো সম্পর্কে জ্ঞান লাভ কৰা প্রণালীক উপমান বোলা হয়। নৈয়ায়িকসকলৰ মতে উপমান যথার্থ জ্ঞানৰ তৃতীয় প্রমাণ। উপমানৰ দ্বাৰা লাভ কৰা জ্ঞানক উপমিতি বোলা হয়। উদাহৰণ স্বৰূপে, 'গবয়' বা 'নীলগাই' সম্পর্কে এজন মানুহৰ কোনো জ্ঞান নাই। তেওঁক যদি কোনো বিশ্বস্ত মানুহে কয় যে "গবয় গৰুৰ নিচিনা এবিধ জন্তু" আৰু তাৰ পাছত সেই মানুহজনে অৰণ্যৰ মাজত গৰুৰ নিচিনা এটা জন্তু দেখি তাক নীলগাই বুলি চিনি পায়, তেতিয়া তেওঁৰ সেই জ্ঞান উপমানলব্ধ হ'ব। এইখিনিতে উল্লেখ কৰা হ'ব যে উপমানলব্ধ জ্ঞান কেৱল সাদৃশ্যজ্ঞানৰ ওপৰত ভিত্তি কৰিয়েই লাভ কৰিব নোৱাৰি, সাদৃশ্যখিনি 'কার্য্যকাৰণ সম্বন্ধীয়' হ'ব লাগে।

  কেৱল সাদৃশ্যজ্ঞানৰ পৰাই নহয় বৈসাদৃশ্য জ্ঞানৰ পৰাও উপমিতি জ্ঞান লাভ কৰিব পাৰি বুলি নব্য নৈয়ায়িকসকলে মত পোষণ কৰিছে। ইয়াক বৈধর্ম্মোপমিতি বোলা হয়। যেনে— ঘোঁৰাৰ খুৰা গৰুৰ খুৰাৰ নিচিনা ফটা নহয়, গৰু আৰু ঘোঁৰাৰ মাজত বৈসাদৃশ্য আছে। যিবোৰ কাৰণত আমি ঘোঁৰাক গৰুৰ পৰা পৃথক এটা জীৱ বুলি জানিব পাৰোঁ।

- **শব্দ ঃ** শব্দ একপ্রকাৰ বাচনিক জ্ঞান। শব্দ বা বাক্যৰ দ্বাৰা বস্তু সম্পর্কে যি জ্ঞান লাভ কৰা হয়, তাক শাব্দিক জ্ঞান বোলা হয়। সকলো বাচনিক জ্ঞানেই প্রমা স্বৰূপ হ'ব নোৱাৰে। দৰাচলতে আপ্ত ব্যক্তি বা বিশ্বাসযোগ্য ব্যক্তিৰ উক্তিৰ পৰা লাভ কৰা জ্ঞানক শব্দ জ্ঞান বোলে। যি ব্যক্তি বিশ্বাসযোগ্য, সত্যবাদী, সত্যদ্রষ্টা আৰু আনক প্রৱঞ্চনা নকৰে, তেওঁক আপ্ত ব্যক্তি বোলা হয়। আপ্তব্যক্তিৰ বাক্যক আপ্ত বাক্য বোলা হয়। আপ্তবাক্যসমূহ স্বতঃসিদ্ধ বা প্রমাণ হিচাপে গ্রহণ কৰা হয়। আকৌ কেৱল শব্দৰ দ্বাৰাই আপ্তবাক্যৰ জ্ঞান লাভ কৰিব নোৱাৰি। শব্দ বা বাক্যৰ অর্থ বা উদ্দেশ্য উপলব্ধি কৰিলেহে আপ্তবাক্যৰ জ্ঞান লাভ হয়।

  আত্মা, ঈশ্বৰ আদি অতীন্দ্রিয় সত্তাসমূহৰ জ্ঞানো আমি আপ্তব্যক্তিৰ উক্তিৰ পৰাহে পাব পাৰোঁ। কাৰণ, অতীন্দ্রিয় সত্তাৰ জ্ঞান আমি আমাৰ সীমিত জ্ঞানেৰে লাভ কৰিব নোৱাৰো।

  শব্দ প্রমাণ দুই প্রকাৰৰ— দৃষ্টার্থ আৰু অদৃষ্টার্থ। সহজ প্রত্যক্ষলব্ধ জাগতিক বস্তু সম্পর্কে বিশ্বাসযোগ্য ব্যক্তি, ঋষি-মুনি বা শাস্ত্রৰ উক্তিক দৃষ্টার্থ শব্দ বোলে। আনহাতে অপ্রত্যক্ষ বা অতীন্দ্রিয় বস্তু সম্পর্কে প্রামাণিক বা শাস্ত্রাদিৰ উক্তিক অদৃষ্টার্থ শব্দ বোলা হয়। নব্য নৈয়ায়িকসকলে শব্দক বৈদিক আৰু লৌকিক — এই দুটা শ্রেণীত ভাগ কৰিছে। সাধাৰণ মানুহৰ (যিবোৰ বিশ্বাসযোগ্য) বাক্যক লৌকিক শব্দ বোলে। বেদ-উপনিষদৰ উক্তি অথবা কোনো ত্রিকালজ্ঞ ঋষি-মুনিসকলৰ উক্ত বাক্যক বৈদিক শব্দ বোলা হয়।

নৈয়ায়িকসকলৰ মতে অর্থপূর্ণ বাক্যক শব্দ বা সাক্ষ্য বোলে। কেইটামান পদৰ সমষ্টিত অর্থপূর্ণ বাক্য এটা গঠন কৰিবলৈ হ'লে ঘাইকৈ চাৰিটা নিয়ম বা চর্ত পালন কৰিব লাগে, যেনে— আকাংক্ষা, যোগ্যতা, সন্নিধি আৰু তাৎপর্য্য।

- **আকাংক্ষা ঃ** বাক্য গঠন কৰা পদকেইটাৰ পৰস্পৰৰ প্রতি যি অর্থপূর্ণ আকর্ষণ থাকে, তাকে আকাংক্ষা বোলে। পদ এটাই পূর্ণ অর্থ প্রকাশ কৰিবৰ বাবে ই অইন এটা বা তাতকৈ বেছি পদৰ সৈতে সংযুক্ত হ'বলৈ আকাংক্ষা কৰে। যেনে— 'আনা' —এই ক্রিয়াপদটোৰ নিজা অর্থ থাকিলেও অর্থপূর্ণ বাক্য সৃষ্টি কৰিব পৰা নাই। এই ক্রিয়াপদটোৰ লগত 'কিতাপখন' শব্দটোৰ আৱশ্যক। তেতিয়াহে পূর্ণ অর্থ প্রকাশ পাব।
- **যোগ্যতা ঃ** বাক্যৰ পদসমূহৰ পৰস্পৰৰ মাজত থকা সহযোগিতাকে যোগ্যতা বোলে। পদসমূহ পৰস্পৰবিৰোধী হ'লে বাক্যৰ অর্থ প্রকাশ হ'ব নোৱাৰে। যেনে— 'জুই বৰ চেঁচা' —এই বাক্যটোৰ পদসমূহ পৰস্পৰবিৰোধী বাবে অর্থহীন হৈছে।
- **সন্নিধি ঃ** বাক্যৰ পদসমূহৰ মাজত থকা নিকট সম্বন্ধকে সন্নিধি বোলে। বাক্য এটাত থকা পদসমূহৰ ধাৰাবাহিকতা ৰক্ষা কৰিব নোৱাৰিলে বাক্যৰ অর্থ সম্পূর্ণ হৈ নুঠে। যেনে— 'একাপ চাহ দিয়া' —এই বাক্যটোত থকা পদকেইটা যদি ৰাতিপুৱা, দুপৰীয়া আৰু গধূলি উচ্চাৰণ কৰা হয় তেতিয়া সিহঁতৰ আকাংক্ষা, যোগ্যতা থকা সত্বেও অর্থপূর্ণ বাক্য গঠন কৰিব নোৱাৰে।
- **তাৎপর্য্য ঃ** বাক্যৰ অর্থ বহুতো সময়ত বক্তাৰ ইচ্ছা আৰু অভিপ্রায়ৰ ওপৰত নির্ভৰ কৰে। বক্তাৰ এনেধৰণৰ ইচ্ছা বা অভিপ্রায়ক তাৎপর্য্য বোলে। এটা পদে বিভিন্ন সময়ত বিভিন্ন অর্থ বুজাব পাৰে— পদটোৱে আচলতে কি বুজাইছে সেইটো বক্তাৰ উদ্দেশ্যৰ ওপৰতহে নির্ভৰ কৰে।



জানি থোৱা ভাল

ভাৰতীয় দার্শনিকসকলৰ মাজত কার্য্যকাৰণ সম্পর্কে দুটা মত আছে— (১) সৎকার্য্যবাদ আৰু (২) অসৎকার্য্যবাদ।

সৎকার্য্যবাদ ঃ সৎকার্য্যবাদ মতে কার্য্য-কাৰণত সৎ অর্থাৎ কার্য্য উৎপত্তিৰ আগতে কাৰণৰ মাজত থাকে। সাংখ্যদর্শনে সৎকার্য্যবাদ স্বীকাৰ কৰে, আনহাতে ন্যায় আৰু বৈশেষিক দর্শনে অসৎকার্য্যবাদ স্বীকাৰ কৰে। সাংখ্যকাৰসকলৰ মতে যদি কার্য্য আৰু কাৰণৰ মাজত পূর্বসম্বন্ধ নাথাকে, তেন্তে যিকোনো কাৰণৰ পৰা যিকোনো কার্য্যৰ উৎপত্তি হ'ব পাৰে।

অসৎকার্য্যবাদ ঃ কার্য্য-কাৰণত অসৎ অর্থাৎ উৎপত্তিৰ আগতে কার্য্য উপাদান কাৰণত নাথাকে। দৰাচলতে কার্য্য উৎপত্তি হৈছে বুলি কোৱাৰ অর্থ হ'ল কার্য্যৰ আৰম্ভ হৈছে। 'কাৰণ কার্য্যলৈ ৰূপান্তৰিত হয়' বুলি নৈয়ায়িকসকলে স্বীকাৰ নকৰে। উদাহৰণ স্বৰূপে, গাখীৰৰ পৰা যেতিয়া দৈ হয়, তেতিয়া গাখীৰৰ বিভিন্ন উপাদানসমূহৰ পাৰস্পৰিক সম্বন্ধ বিনষ্ট হয় আৰু সেই উপাদানসমূহৰ নতুনকৈ সংযোগ ঘটিলে দৈৰ উৎপত্তি হয়।

৪.৫.২ কাৰণ তত্ত্ব

নৈয়ায়িকসকলৰ মতে কাৰণ এটা স্বতঃ সিদ্ধ নীতি। ইয়াৰ জ্ঞান অন্তঃ প্রজ্ঞাৰ পৰা উদ্ভৱ হয় আৰু অভিজ্ঞতাৰ দ্বাৰা সমর্থিত হয়। যেতিয়া কোনো এটা বস্তু আন এটা বস্তুৰ দ্বাৰা এনেভাৱে জড়িত থাকে যে প্রথমটোৰ অস্তিত্বৰ ওপৰত দ্বিতীয়টোৰ অস্তিত্ব নির্ভৰ কৰে বা প্রথমটো ঘটিলে দ্বিতীয়টোৱে অনুসৰণ কৰে, তেতিয়া সিহঁতক কার্য্য কাৰণৰ দ্বাৰা সম্বন্ধিত বুলি কোৱা হয়। ইয়াৰে প্রথমটো কাৰণ আৰু দ্বিতীয়টো কার্য্য।

উপৰোক্ত দুটা ঘটনাৰ প্রথমটোক কেৱল পূর্বৱর্তী বুলিয়েই 'কাৰণ' বুলি ক'ব নোৱাৰি, কাৰণ পূর্বৱর্তী হ'লেও সেই 'কাৰণে' কেতিয়াবা কার্য্যৰ উৎপত্তি কৰিব নোৱাৰিব পাৰে। 'কাৰণ' হ'ব লাগিলে পূর্বৱর্তী ঘটনাটো অপৰিহার্য্য হ'ব লাগিব।

কাৰণৰ আন এটা লক্ষণ হৈছে কার্য্যৰ সৈতে ইয়াৰ সাক্ষাৎ সম্বন্ধ। কার্য্যৰ উৎপত্তিৰ ঠিক আগমুহূর্তৰ পূর্বৱর্তী ঘটনাকহে কাৰণ বুলি ক'ব পাৰি। নৈয়ায়িকসকলৰ মতে কার্য্যৰ উৎপত্তিৰ কাৰণে কাৰণৰ মাজত কোনো অতীন্দ্রিয় শক্তিৰ আৱশ্যক নহয়। ইয়াৰ উপৰিও নৈয়ায়িকসকলে বহুকাৰণবাদ অস্বীকাৰ কৰে।

ভাৰতীয় দার্শনিকসকলৰ মাজত কার্য্য-কাৰণ সম্পর্কে থকা দুটা মতবাদ অর্থাৎ সৎকার্য্যবাদ আৰু অসৎকার্য্যবাদৰ ভিতৰত ন্যায়দর্শনে অসৎকার্য্যবাদহে স্বীকাৰ কৰে। ন্যায় দর্শনৰ মতে কার্য্য সম্পূর্ণভাৱে এটা নতুন সৃষ্টি। অর্থাৎ কার্য্য উৎপত্তি হোৱাৰ আগতে সি কাৰণৰ মাজত নিহিত নাথাকে।

কার্য্য আৰু কাৰণৰ সুকীয়া সত্তা থকা বুলি নৈয়ায়িকসকলে স্বীকাৰ কৰে। কার্য্য আৰু তাৰ উপাদান কাৰণৰ মাজত গুণগত আৰু আকাৰগত পার্থক্য আছে। কার্য্য-কাৰণৰ ৰূপান্তৰ নহয়, কাৰণ ধ্বংস হৈহে কার্য্যৰ উৎপত্তি হয়।

৪.৫.৩ আত্মা আৰু তাৰ মুক্তি

নৈয়ায়িকসকলৰ মতে আত্মা এক অসাধাৰণ দ্রব্য। ই জড় নহয়। ই এটা একক পদার্থ। চৈতন্য বা জ্ঞানৰএটা আগন্তুক গুণবিশেষ। এই চৈতন্য আত্মাৰ অবিচ্ছেদ্য অঙ্গ নহয়। আত্মা যেতিয়া দেহৰ মাজত অৱস্থান কৰে তেতিয়া মনৰ সৈতে ইয়াৰ সংযোগ ঘটি চেতনাৰ উদ্ভৱ হয়। গতিকে আত্মা চেতনাৰ আধাৰ হ'লেও আত্মা চেতনাবিহীন হৈও থাকিব পাৰে। আত্মা জ্ঞাতা, ভোক্তা আৰু কর্তা। আত্মা নিৰবয়ব নিত্যসত্তা। ইয়াৰ কোনো আকাৰ নাই, ইয়াৰ সৃষ্টিও নাই, ধ্বংসও নাই। আনহাতে আত্মা সর্বব্যাপী যদিও নৈয়ায়িকসকলৰ মতে আত্মাই সকলো বিষয় একেলগে প্রত্যক্ষ কৰিব নোৱাৰে, কাৰণ আত্মাই মনৰ মাধ্যমতহে প্রত্যক্ষ কৰে।

ন্যায় দর্শনে আত্মাৰ বহু সত্ত্বাত বিশ্বাস কৰে। আত্মাৰ স্বৰূপ সম্পর্কে নৈয়ায়িকসকলে মত পোষণ কৰে যে চৈতন্য আত্মাৰ স্বৰূপ নহয়। দেহৰ সংযোগত

উৎপন্ন হোৱা চৈতন্য আত্মাৰ এটা আকস্মিক গুণ। দেহ আৰু মন নাথাকিলে আত্মা এটা নিত্য, নির্গুণ, শুদ্ধ পদার্থ মাত্র।

আত্মা সকলো জীৱৰ মাজত আছে বাবেই ইয়াক জীৱাত্মা বোলা হয়। বিভিন্ন চেতনা প্রবাহৰ আধাৰ হিচাপে পৰোক্ষভাৱে জীৱৰ মাজত আত্মাৰ অস্তিত্ব জানিব পাৰি। কিন্তু সাক্ষাৎ জ্ঞান পাব নোৱাৰি। বিভিন্ন চেতনা প্রবাহৰ অর্থাৎ জ্ঞান, সুখ-দুখ, ইচ্ছা, ৰাগ-দ্বেষ প্রভৃতি গুণৰ ক্রিয়াৰ পৰা অথবা শ্রুতি প্রমাণ আদিৰ সাক্ষ্যৰপৰা পৰোক্ষভাৱে আত্মাৰ অস্তিত্ব জানিব পাৰি। আনহাতে নব্য নৈয়ায়িকসমলৰ মতে অনুমানৰ দ্বাৰা আত্মাৰ অস্তিত্ব জনাৰ উপৰিও অন্তপ্রত্যক্ষ বা মানস প্রত্যক্ষৰ দ্বাৰাও আত্মাৰ অস্তিত্ব জানিব পাৰি।

মোক্ষ বা মুক্তিৰ ধাৰণা সম্পর্কে নৈয়ায়িকসকলৰ মতামত এনেধৰণৰ— মোক্ষ আপেক্ষিক অর্থাৎ যাৰ বন্ধন আছে তাৰহে মুক্তি সম্ভৱ মাথোন। গতিকে মুক্তি কেৱল জীৱাত্মাৰ ক্ষেত্রতহে সম্ভৱ। আত্মা স্বৰূপতে নিত্য, নির্গুণ, নিষ্ক্রিয় শুদ্ধ পদার্থ। কিন্তু জীৱৰ সংস্পর্শত জন্ম-মৃত্যু, দুখ-জৰা, মায়া-মোহ আদি মিথ্যা জ্ঞানৰ পাশত আৱদ্ধ হৈ প্রকৃত স্বৰূপ হেৰুৱায়। এইবোৰ মিথ্যা জ্ঞান অবিদ্যাৰ পৰা উৎপত্তি হয়। গতিকে নৈয়ায়িকসকলৰ মতে অবিদ্যাৰ পৰা মুক্ত হৈ আত্মাই প্রকৃত স্বৰূপ উপলব্ধি কৰাই হৈছে মোক্ষ। মোক্ষই হৈছে অপবর্গ বা নিশ্রেয়স্।

নৈয়ায়িকসকলৰ মতে মোক্ষৰ অর্থ কেৱল দুখৰ আত্যন্তিক বিনাশ নহয়, ইয়াত সুখৰো বিনাশ হয়। সুখ-দুখ সকলো প্রকাৰ গুণ বর্জন কৰি আত্মাই স্বৰূপ উপলব্ধি কৰাকে 'মোক্ষ' বোলে। মোক্ষপ্রাপ্তিৰ অৱস্থা অবিনশ্বৰ, শান্তিপূর্ণ আৰু পবিত্র। মোক্ষলাভ কৰিব পাৰি তত্ত্বজ্ঞানৰ দ্বাৰা। নৈয়ায়িকসকলে প্রধানকৈ জ্ঞানতত্ত্বৰ ওপৰত প্রাধান্য আৰোপ কৰিছে। গৌতমৰ মতে পদার্থসমূহৰ সম্যক্ উপলব্ধিকেই 'তত্ত্বজ্ঞান' বোলা হয়।

৪.৫.৪ ঈশ্বৰতত্ত্ব

ঈশ্বৰৰ স্বৰূপ সম্পর্কে নৈয়ায়িকসকলৰ মাজত ভিন্নমত দেখা যায়। মহর্ষি গৌতমে তেওঁৰ 'ন্যায়-সূত্র' গ্রন্থত স্পষ্টকৈ ঈশ্বৰৰ আলোচনা কৰা নাই। পিছৰ ফালৰ নৈয়ায়িকসকলে ঈশ্বৰ সম্পর্কে বিশদভাৱে আলোচনা কৰিছে আৰু ইয়াৰ লগত মোক্ষতত্ত্ব জড়িত কৰিছে। তেওঁলোকৰ মতে ঈশ্বৰৰ কৰুণা নহ'লে সম্যক্ জ্ঞান বা মোক্ষ কোনোটোৱেই লাভ কৰা সম্ভৱ নহয়। তেওঁলোকৰ মতে ঈশ্বৰ নিত্য, শুদ্ধ, পৰমজ্ঞানী, সর্বশক্তিমান, সর্বব্যাপী। পৰমাত্মা ঈশ্বৰ, স্বয়ং সম্পূর্ণ, কাৰণ এওঁৰ গাত ষড়্ ঐশ্বর্য্য বর্তমান। এই ষড়্ ঐশ্বর্য্য হ'ল— (১) আবিৰা (২) বীর্য্য (৩) যশ (৪) শ্রী (৫) জ্ঞান আৰু (৬) বৈৰাগ্য। ঈশ্বৰ দুখ, মিথ্যাজ্ঞান, পাপ আদিৰ পৰা মুক্ত।

ঈশ্বৰৰ স্বৰূপ সম্পৰ্কত নৈয়ায়িকসকলৰ মাজত ভিন্নমত থাকিলেও ঈশ্বৰ যে জগতৰ স্ৰষ্টা, জগতৰ পালক তথা সংহাৰক এই সম্পৰ্কে নৈয়ায়িকসকল একমত। ঈশ্বৰৰ অনন্ত গুণসম্পন্ন স্বতন্ত্ৰ পৰমাত্মা হিচাপে সহাৱস্থিত। নিত্য পদাৰ্থ যেনে— পৰমাণু, স্থান, কাল, আকাশ, মন আৰু আত্মা হৈছে উপাদান কাৰক। পদাৰ্থসমূহো ঈশ্বৰৰ দৰে নিত্য আৰু শ্বাশ্বত। এই পদাৰ্থসমূহৰো সৃষ্টি আৰু ধ্বংস নাই।

নৈয়ায়িকসকলৰ মতে জীৱই কৰ্মফল ভোগ কৰিবৰ কাৰণে ঈশ্বৰে অদৃষ্ট অনুসৰি জগত সৃষ্টি কৰিছে। ঈশ্বৰ আৰু জীৱাত্মা দুয়ো ভিন্ন। নৈয়ায়িকসকলে বিশ্বাস কৰা প্ৰমেয় পদাৰ্থসমূহৰ ভিতৰত আটাইতকৈ শ্ৰেষ্ঠ পদাৰ্থ হ'ল ঈশ্বৰ।

ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে নৈয়ায়িকসকলে বিভিন্ন যুক্তি প্ৰদৰ্শন কৰিছে। তাৰ ভিতৰত কাৰণ বিষয়ক যুক্তি, নৈতিক ভিত্তি, বেদৰ প্ৰমাণ, শ্ৰুতিৰ প্ৰমাণ আদিয়েই প্ৰধান।

যিকোনো কাৰ্য্যৰ একোটা কাৰণ থকাৰ দৰে সকলো জাগতিক বস্তু, আনকি সুখ, দুখ আদিৰো কাৰণ থাকে। জাগতিক বস্তু কিছুমান উপাদানৰ সমষ্টি। এই উপাদান কাৰণসমূহৰ পৰা কাৰ্য্য সৃষ্টি কৰিব পৰা নিমিত্ত কাৰণ হৈছে সৰ্বশক্তিমান ঈশ্বৰ।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ন্যায় দৰ্শনৰ প্ৰতিষ্ঠাতা গৰাকীৰ নাম কি?

.....

প্ৰশ্ন ২ ঃ 'ন্যায় সূত্ৰ'ৰ ৰচক কোন?

.....

প্ৰশ্ন ৩ ঃ ন্যায় দৰ্শনৰ মতে পদাৰ্থৰ সংখ্যা কেইটা?

.....

প্ৰশ্ন ৪ ঃ অলৌকিক প্ৰত্যক্ষ কেইপ্ৰকাৰৰ আৰু কি কি?

.....

প্ৰশ্ন ৫ ঃ প্ৰমা কাক বোলে? ন্যায় দৰ্শনৰ মতে প্ৰমা কেই প্ৰকাৰ আৰু কি কি?

.....

.....

প্ৰশ্ন ৬ ঃ অনুমান প্ৰমাণ কাক বোলে?

.....

.....

প্ৰশ্ন ৭ ঃ ব্যাপ্তি কাক বোলে?

.....

প্ৰশ্ন ৮ ঃ হেত্বাভাস কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? নামবোৰ লিখক।

.....

.....

প্ৰশ্ন ৯ ঃ উপমান কাক বোলে?

.....

.....

প্ৰশ্ন ১০ ঃ শব্দ প্ৰমাণ কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি?

.....

.....

প্ৰশ্ন ১১ ঃ দৃষ্টাৰ্থ কাক বোলে?

.....

.....

প্ৰশ্ন ১২ ঃ অৰ্থপূৰ্ণ বাক্য গঠন কৰিবলৈ কি কি চাৰিটা চৰ্ত পালন কৰিব লাগে?

.....

.....

প্ৰশ্ন ১৩ ঃ মোক্ষ কাক বোলে?

.....

.....

প্ৰশ্ন ১৪ ঃ নৈয়ায়িকসকলৰ মতে প্ৰমেয় পদাৰ্থবোৰৰ ভিতৰত শ্ৰেষ্ঠ পদাৰ্থ কি?

.....

.....



৪.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- ন্যায় শব্দৰ অৰ্থ জানিব পাৰিলোঁ।
- ন্যায় দৰ্শনৰ পদাৰ্থৰ সংখ্যা জানিব পাৰিলোঁ।
- ন্যায় দৰ্শনত জ্ঞানতত্ত্বৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে অৱগত হ'লোঁ।
- ন্যায় দৰ্শনৰ আত্মা আৰু তাৰ যুক্তিৰ বিষয়ে জানিব পাৰিলোঁ।
- ঈশ্বৰতত্ত্বৰ বিষয়ে অৱগত হ'লোঁ।



৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দৰ্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); *ভাৰতীয় দৰ্শনত এভুমুকি*; গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোৰ্ছ।

৩) বৰুৱা, ড° গিৰীশ (১৯৯৬); *ভাৰতীয় দৰ্শনত এভুমুকি*; গুৱাহাটী ঃ ভগৱতী প্ৰকাশন।

৪) সেনগুপ্ত, প্ৰমোদ বন্ধু (১৯৮৩); *ভাৰতীয় দৰ্শন* (দ্বিতীয় খণ্ড); কলকাতা ঃ ব্যানার্জী পাব্লিশ্যার্ছ।

ইংৰাজী গ্ৰন্থ ঃ

1) Sharma Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.



৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ন্যায় দৰ্শনৰ প্ৰতিষ্ঠাতা গৰাকীৰ নাম মহৰ্ষি গৌতম।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'ন্যায় সূত্ৰ'ৰ ৰচক হ'ল মহৰ্ষি গৌতম।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ন্যায় দৰ্শনৰ মতে পদাৰ্থৰ সংখ্যা ষোল্লটা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ তিনি প্ৰকাৰৰ— সামান্য লক্ষণ, জ্ঞান লক্ষণ, আৰু যোগজ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ বিষয়বস্তুৰ অসন্দিগ্ধ বা নিশ্চিত অনুভৱকে যথাৰ্থজ্ঞান বা প্ৰমা বোলে। প্ৰমা চাৰি প্ৰকাৰৰ— প্ৰত্যক্ষ, অনুমান, উপমান, আৰু শব্দ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ যি প্ৰক্ৰিয়াৰ দ্বাৰা পৰোক্ষ জ্ঞান লাভ কৰিব পাৰি তাকে অনুমান বোলে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ হেতুপদ আৰু সাধ্যপদৰ অব্যভিচাৰী সাহচৰ্য্যক ব্যাপ্তি বোলে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় তৰ্কশাস্ত্ৰমতে হেতুৰ আভাসকে হেত্বাভাস বোলে। যি প্ৰকৃততে হেতু নহয়, কিন্তু হেতু হিচাপে প্ৰতীয়মান হয়, তাকে হেত্বাভাস বোলে। ই পাঁচ প্ৰকাৰৰ— সব্যভিচাৰ, সৎপ্ৰতিপক্ষ, অসিদ্ধ, বিৰুদ্ধ আৰু বাধিত।

৯নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্বজ্ঞান থকা কোনো এটা বস্তুৰে সৈতে আন এটা নতুন বস্তুৰ সাদৃশ্য দেখি সেই নতুন বস্তুটো সম্পৰ্কে জ্ঞান লাভ কৰা প্ৰণালীটোকে উপমান বোলে।

১০নং প্ৰশ্নৰ উত্তৰ ঃ আপ্তব্যক্তি বা বিশ্বাসযোগ্য ব্যক্তিৰ পৰা লাভ কৰা জ্ঞানক শব্দজ্ঞান বা শব্দ প্ৰমাণ বোলে। শব্দ প্ৰমাণ দুই প্ৰকাৰৰ— দৃষ্টাৰ্থ আৰু অদৃষ্টাৰ্থ।

১১নং প্ৰশ্নৰ উত্তৰ ঃ সহজ, প্ৰত্যক্ষলব্ধ জাগতিক বস্তু সম্পৰ্কে বিশ্বাসযোগ্য ব্যক্তি, ঋষি-মুনি বা শাস্ত্ৰৰ উক্তিক দৃষ্টাৰ্থ বোলে।

১২নং প্রশ্নৰ উত্তৰ ঃ নৈয়ায়িকসকলৰ মতে অর্থপূর্ণ বাক্য গঠন কৰিবলৈ চাৰিটা চর্ত পালন কৰিব লাগে। সেইকেইটা হ'ল— আকাংক্ষা, যোগ্যতা, সন্নিধি, আৰু তাৎপর্য।

১৩নং প্রশ্নৰ উত্তৰ ঃ সুখ-দুখ আদি সকলো প্রকাৰৰ গুণ বর্জন কৰি আত্মাই স্বৰূপ উপলব্ধি কৰাকে মোক্ষ বোলে।

১৪নং প্রশ্নৰ উত্তৰ ঃ নৈয়ায়িকসকলে বিশ্বাস কৰা প্রমেয় পদার্থবোৰৰ ভিতৰত আটাইতকৈ শ্রেষ্ঠ পদার্থবিধ হ'ল ঈশ্বৰ।



৪.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ন্যায় দর্শনৰ পদার্থৰ সংখ্যা সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ২ ঃ ন্যায় দর্শনৰ কাৰণতত্ত্বৰ চমু আভাস দাঙি ধৰক।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ন্যায় দর্শন অনুসৰি প্রত্যক্ষ প্রমাণৰ বিৱৰণ দাঙি ধৰক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ন্যায় দর্শনৰ মতে অনুমান প্রমাণৰ বিস্তৃত বিৱৰণ দিয়ক।

প্রশ্ন ২ ঃ ন্যায় দর্শনৰ মতে আত্মা আৰু মুক্তি সম্পর্কে লিখক।

*** ***** ***

অধ্যায় ৫ ঃ বৈশেষিক দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ বৈশেষিক শব্দৰ অর্থ

৫.৪ বৈশেষিক দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস

৫.৫ বৈশেষিক দর্শনৰ সপ্ত পদার্থ

- ৫.৫.১ দ্রব্য
- ৫.৫.২ গুণ
- ৫.৫.৩ কর্ম
- ৫.৫.৪ সামান্য
- ৫.৫.৫ বিশেষ
- ৫.৫.৬ সমবায়
- ৫.৫.৭ অভাৱ

৫.৬ বৈশেষিক পৰমাণুবাদ আৰু সৃষ্টিতত্ত্ব

৫.৭ ঈশ্বৰ তত্ত্ব

৫.৮ আত্মা আৰু মুক্তি

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১০ অধিক জানিবলৈ

৫.১১ অগ্রগতিৰ খতিয়ান

৫.১২ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৈশেষিক শব্দৰ অর্থ জানিব পাৰিব
- বৈশেষিক দর্শনৰ সপ্ত পদার্থৰ বিষয়ে অৱগত হ'ব
- বৈশেষিক পৰমাণুবাদ আৰু সৃষ্টিতত্ত্বৰ বিষয়ে জানিব পাৰিব
- ঈশ্বৰতত্ত্ব আৰু আত্মা আৰু মুক্তি সম্বন্ধে অৱগত হ'ব।

৫.২ পৰিচয়

আগৰ অধ্যায়ত আপুনি ন্যায় দর্শনৰ বিষয়ে জানিব পাৰিলে। এতিয়া আপুনি বৈশেষিক দর্শনৰ বিষয়ে জানিব পাৰিব। বৈশেষিক দর্শনৰ প্রৱর্তক আৰু প্রতিষ্ঠাতা হ'ল মহর্ষি কণাদ মুনি।

কণাদ মুনিক 'উলুক' নামেৰেও জনা যায়। সেয়েহে বৈশেষিক দর্শনক 'ঔলুক্য দর্শন' বুলিও কোৱা হয়। এই দর্শন অতি প্রাচীন দর্শন। ড° সর্বপল্লী ৰাধাকৃষ্ণনৰ মতে এই দার্শনিক মতবাদ সর্বপ্রথম ৩০০ খ্রীঃপূর্বত প্রচাৰিত হৈছিল। বৈশেষিক দর্শনে আলোচনা কৰা এটা গুৰুত্বপূর্ণ বিষয় হ'ল পৰমাণুতত্ত্ব। পৃথিৰী, পানী, তেজ আৰু বায়ু এই চাৰিপ্রকাৰৰ পৰমাণু পুঞ্জৰ পৰা সৃষ্টি হয় সমগ্র জগত। 'বিশেষ' নামৰ পদার্থৰ প্রভাৱত এই পৰমাণুসমূহৰ পৰা ভিন্ ভিন্ বস্তু সৃষ্টি হোৱাটো সম্ভৱপৰ হৈছে।

অধিকাংশ বিষয়তে ন্যায় দর্শনৰ লগত বৈশেষিক দর্শনৰ সাদৃশ্য আছে। দুয়োটা দর্শনকে ন্যায়-বৈশেষিক' হিচাপে সমানতান্ত্রিক দর্শন বুলি কোৱা হয় যদিও প্রধানকৈ দুটা বিষয়ত পার্থক্য দেখা যায়। নৈয়ায়িকসকলে চাৰিটা প্রমাণ (প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ) স্বীকাৰ কৰে। আনহাতে বৈশেষিক দর্শনে প্রত্যক্ষ আৰু অনুমানকহে প্রমাণ হিচাবে স্বীকাৰ কৰে। আকৌ ন্যায় দর্শনে স্বীকাৰ কৰা ১৬টা পদার্থৰ বিপৰীতে বৈশেষিক দর্শনে ৭ প্রকাৰৰ পদার্থ স্বীকাৰ কৰে। এই অধ্যায়ত বৈশেষিক দর্শনৰ মূল তত্ত্বসমূহৰ বিষয়ে চমু আভাস আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে। বৈশেষিক দর্শনত 'বিশেষ' পদার্থৰ যে গুৰুত্বপূর্ণ ভূমিকা আছে তাৰো আলোচনা কৰা হৈছে।

৫.৩ বৈশেষিক শব্দৰ অর্থ

'বিশেষ' নামৰ এটি পদার্থৰ বিষয়ে সবিস্তাৰে আলোচনা কৰা বাবে এই দর্শনৰ নাম বৈশেষিক দর্শন বুলি কোৱা হয়। কিছুমান পণ্ডিতৰ মতে 'বিশেষ' নামৰ পৰা বৈশেষিক নামটো হৈছে। মহর্ষি কণাদে প্রথমে 'বিশেষ' নামৰ পদার্থ উল্লেখ কৰা বাবেও তেওঁ প্রণয়ন কৰা দর্শনক বৈশেষিক দর্শন বুলি কোৱা হয়। এই 'বিশেষ' বৈশেষিক দর্শনৰ পঞ্চম পদার্থ। এই দর্শনৰ মতে জগতত যিবোৰ বিশেষ পদার্থ আছে, বিশেষকৈ আত্মাসমূহ আৰু পৰমাণুসমূহৰ স্বাতন্ত্র্য আছে।

বৈশেষিক দর্শনৰ মতে সত্তা বা যথার্থ হৈছে কিছুমান বিশেষ নিত্য পাৰমাণৱিক পদার্থ। যেনে— মাটি, পানী জুই, বায়ু, আকাশ আদি। এই মৌলিক তাত্ত্বিক পদার্থসমূহৰ পৰাই জগতখন সৃষ্টি হৈছে আৰু সেইবোৰৰ জ্ঞান লাভ কৰাটোৰেই হৈছে যথার্থ জ্ঞান।

৫.৪ বৈশেষিক দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস

আপুনি জানেনে যে বৈশেষিক দর্শনে সাতবিধ পদার্থ স্বীকাৰ কৰে। সেই সাতবিধ পদার্থ হ'ল— (১) দ্রব্য, (২) গুণ, (৩) কর্ম, (৪) সামান্য, (৫) বিশেষ, (৬) সমবায় আৰু (৭) অভাৱ।

৫.৫.১ দ্রব্য

বৈশেষিক দর্শনৰ সপ্ত পদার্থৰ অন্যতম হৈছে দ্রব্য। দ্রব্যৰ লক্ষণ সম্পর্কে কণাদে তেওঁৰ 'বৈশেষিক সূত্র' নামৰ গ্রন্থখনত এনেদৰে উল্লেখ কৰিছে— যাৰ মাজত গুণ আৰু ক্রিয়া থাকে আৰু যি কার্য্যৰ সমবায়ী কাৰণ হ'ব পাৰে তাকে দ্রব্য বোলে

(ক্রিয়াগুণবৎ সমবায়িকাৰণম্)। দ্রব্য হৈছে গুণ আৰু কর্মৰ আধাৰ। দ্রব্য আৰু গুণৰ, দ্রব্য আৰু কর্মৰ মাজৰ সম্বন্ধ হৈছে সমবায় সম্বন্ধ। দ্রব্যৰ অবিহনে গুণ আৰু ক্রিয়া থাকিব নোৱাৰে। অৱশ্যে গুণ আৰু ক্রিয়া নোহোৱাকৈও দ্রব্য থাকিব পাৰে। গুণ আৰু কর্ম পৰিৱর্তনশীল, কিন্তু দ্রব্য অপৰিবর্ত্তনীয় নিত্য সত্তা, যাৰ কার্য্য উৎপন্ন হ'ব পাৰে। সকলোবোৰ যৌগিক পদার্থ দ্রব্যৰ পৰা উৎপন্ন হোৱা বাবে ইয়াক কার্য্যৰ সমবায়ী কাৰণ বোলে। যেনে— কোনো এক বিশেষ ৰঙৰ কাপোৰ এখনৰ সমবায়ী কাৰণ হ'ল সূতা। সূতা হৈছে দ্রব্য। কাপোৰ তৈয়াৰ নহ'লেও সূতা দ্রব্য হৈয়ে থাকিব। কাপোৰখনৰ অস্তিত্ব সূতাৰ মাজত নিহিত হৈ আছে বাবে এই সূতা কাপোৰৰ সমবায়ী কাৰণ। গতিকে দ্রব্য গুণৰ আধাৰ কিন্তু গুণতকৈ পৃথক।

বৈশেষিক দর্শনৰ মতে দ্রব্যক ৯ ভাগত ভাগ কৰিব পাৰি। এই ৯ বিধ দ্রব্য হ'ল— (১) ক্ষিতি, (২) অপ্, (৩) তেজ, (৪) মৰুৎ, (৫) আকাশ, (৬) দিক্, (৭) কাল, (৮) আত্মা আৰু (৯) মন। এই নটা দ্রব্যৰ সহায়ত বৈশেষিকসকলে সমগ্র বিশ্ব-ব্রহ্মাণ্ড ব্যাখ্যা কৰাৰ চেষ্টা কৰিছে। এই নবিধ দ্রব্যৰ প্রথম পাঁচবিধক পঞ্চভূত বুলি কোৱা হয়। এই পঞ্চভূতৰ প্রতিটোৰে নিজৰ একোটাকৈ বিশেষ গুণ আছে। ক্ষিতি বা পৃথিৱীৰ বিশেষ গুণ হৈছে গন্ধ, অপ্ বা পানীৰ বিশেষ গুণ হৈছে ৰস, তেজৰ বিশেষ গুণ হৈছে ৰূপ, মৰুৎ বা বায়ুৰ বিশেষ গুণ হৈছে স্পর্শ আৰু ব্যোম্ বা আকাশৰ বিশেষ গুণ হৈছে শব্দ। পঞ্চজ্ঞানেন্দ্রিয়ৰ জৰিয়তে মহাভূতৰ বিশেষ গুণবোৰ প্রত্যক্ষ কৰিব পাৰি। পঞ্চমহাভূতৰ প্রথম চাৰিবিধৰ পৰা যৌগিক বস্তুজগতখন গঠিত। নবিধ দ্রব্যৰ ভিতৰত আকৌ আকাশ, দিক্ আৰু কাল হৈছে নিত্য সাধাৰণ দ্রব্য। আত্মা আৰু মন হৈছে অসাধাৰণ নিত্য দ্রব্য। আকৌ ক্ষিতি, অপ্, তেজ আৰু মৰুৎ এই চতুর্ভূত অসংখ্য পৰমাণুৰে গঠিত। যৌগিক বস্তুবোৰ বিনাশী, বিভাজ্য আৰু অনিত্য।

পঞ্চম দ্রব্য আকাশ হ'ল নিত্য আৰু বিভু। ই অনন্ত আৰু অসীম। ইয়াৰ প্রত্যক্ষযোগ্য আয়তন বা প্রকাশ্য বর্ণ নাই বাবে আকাশক ইন্দ্রিয়ৰ দ্বাৰা প্রত্যক্ষ কৰিব পৰা নাযায়। আকাশ হৈছে শব্দ গুণৰ আধাৰ। গতিকে শব্দৰ সহায়ত আকাশৰ অস্তিত্ব অনুমান কৰিব পৰা যায়। গতিকে আকাশ অনুমান সিদ্ধহে।

ষষ্ঠ দ্রব্য দিক্ অতীন্দ্রিয়, নিত্য, নিৰাৱয়ব আৰু বিভু। দিক্ অখণ্ড আৰু অজড় দ্রব্য। সকলো জড় বস্তু দিকত অৱস্থান কৰি থাকে। বিভিন্ন বস্তুৰ পাৰস্পৰিক অৱস্থান প্রত্যক্ষৰ জৰিয়তে আমি দিকৰ অনুমান কৰোঁ।

সপ্তম দ্রব্য কাল অতীন্দ্রিয়, নিত্য, বিভু আৰু নিৰাৱয়ব। ই এক আৰু অখণ্ড। আমাৰ সুবিধাৰ বাবেহে কালক বিভিন্ন খণ্ডত ভাগ কৰি লোৱা হয়। ঘটনাৰ সহাৱস্থান প্রত্যক্ষৰ জৰিয়তে কালৰ অনুমান কৰা হয়। কাল হৈছে নিৰৱচ্ছিন্ন গতি, কালৰ মাজত অতীত, বর্তমান আৰু ভৱিষ্যত বুলি প্রকৃততে একো নাই। জড় জগত কালক আশ্রয় কৰি থাকে।

অষ্টম দ্রব্য হ'ল আত্মা। এই আত্মা বিভু, সর্বব্যাপী আৰু নিত্য। বৈশেষিক দর্শনৰ মতে চৈতন্য আত্মাৰ স্বাভাৱিক গুণ নহয়, ই আকস্মিক গুণহে। আত্মা যেতিয়া দেহৰ সংস্পর্শলৈ আহে তেতিয়া আত্মাত চৈতন্যই দেখা দিয়ে। আত্মা দুই প্রকাৰৰ— জীৱাত্মা আৰু পৰমাত্মা। জীৱাত্মা বহুত, পৰমাত্মা এক। পৰমাত্মাই হৈছে ঈশ্বৰ। ঈশ্বৰ এই সৃষ্টিকর্তা আৰু সংহাৰকর্তা। প্রত্যেক জীৱতে এক আত্মা অধিষ্ঠান কৰি থাকে যদিও ভিন্ ভিন্ দেহত ভিন্ ভিন্ আত্মাই অৱস্থান কৰে। সকলো দেহতে একে আত্মা যদি থাকিলেহেঁতেন, তেন্তে জীৱসমূহৰ অভিজ্ঞতাৰ মাজত বৈষম্য নাথাকিলেহেঁতেন। সকলো জীৱৰে অভিজ্ঞতাসমূহ এক আৰু অভিন্ন হ'লহেঁতেন।

নৱম দ্রব্য হ'ল মন। মন হৈছে অন্তৰেন্দ্রিয়। মনৰ সংযোগ নহ'লে বাহ্য বা অন্তৰ কোনো ধৰণৰ প্রত্যক্ষ সম্ভৱপৰ নহয়। আত্মাৰ লগত মনৰ, মনৰ লগত ইন্দ্রিয়ৰ আৰু ইন্দ্রিয়ৰ লগত বস্তুৰ সংযোগ ঘটিলেহে প্রত্যক্ষ সম্ভৱ হয়। মন যিহেতু নিত্য দ্রব্য, গতিকে মনৰ উৎপত্তি আৰু বিনাশ নাই। মন স্পর্শৰহিত, সক্রিয় আৰু গতিশীল। মন অতীন্দ্রিয় দ্রব্য। মনক লৌকিক প্রত্যক্ষৰ দ্বাৰা জনা নাযায়, কেৱল অনুমানৰ দ্বাৰাহে মন সম্পর্কে জ্ঞান হয়। সুখ, দুখ ইত্যাদিৰ উৎপত্তি আৰু প্রত্যক্ষৰ কাৰণ হিচাপে মনৰ অস্তিত্ব অনুমান কৰা হয়।

৫.৫.২ গুণ

কণাদৰ মতে গুণ এবিধ নিষ্ক্রিয় পদার্থ, যি দ্রব্যক আশ্রয় কৰি থাকে। যদিও গুণ এক স্বকীয় পদার্থ, ই দ্রব্য অবিহনে তিষ্ঠি থাকিব নোৱাৰে। গুণৰ অবিহনেও দ্রব্যৰ স্থিতি সম্ভৱ হয়। গুণ যিহেতু সদায় দ্রব্যক আশ্রয় কৰি থাকে সেই কাৰণে গুণ কেতিয়াও যৌগিক পদার্থৰ সমবায়ী কাৰণ হ'ব নোৱাৰে। ই অসম কাৰণহে হ'ব পাৰে। যেনে— সূতা কাপোৰৰ সমবায়ী কাৰণ, কিন্তু সূতাৰ সংযোগ বা তাৰ কাৰণ (গুণ) কাপোৰৰ অসম কাৰণ। অর্থাৎ কাপোৰখনৰ আপেক্ষিক প্রকৃতি এটাহে প্রকাশ কৰে।

বৈশেষিক দর্শনৰ মতে মৌলিকতা অনুসৰি ২৪ প্রকাৰৰ গুণ আছে— (১) ৰূপ, (২) ৰস, (৩) গন্ধ, (৪) স্পর্শ, (৫) শব্দ, (৬) সংখ্যা, (৭) পৃথকত্ব, (৮) পৰিমাণ, (৯) সংযোগ, (১০) বিভাগ, (১১) পৰত্ব, (১২) অপৰত্ব, (১৩) বুদ্ধি, (১৪) সুখ, (১৫) দুখ, (১৬) ইচ্ছা, (১৭) দ্বেষ, (১৮) প্রযত্ন, (১৯) গুৰুত্ব, (২০) দ্রব্যত্ব, (২১) স্নেহ, (২২) সংস্কাৰ, (২৩) ধর্ম আৰু (২৪) অধর্ম।

ৰূপ হৈছে তেজ ভূতৰ বিশিষ্ট গুণ। এই গুণ চকুৰ দ্বাৰা প্রত্যক্ষ কৰিব পাৰি। বৈশেষিকসকলে সাত প্রকাৰৰ ৰূপ বা ৰঙৰ উল্লেখ কৰিছে— বগা, নীলা, হালধীয়া, ৰঙা, সেউজীয়া, কমলা আৰু ক'লা।

ৰস হৈছে অপ্ বা জল ভূতৰ বিশিষ্ট গুণ। ই জিভাৰ দ্বাৰা প্রত্যক্ষ হয়। ৰসৰ প্রকাৰ হ'ল— মিঠা, তিতা, টেঙা, লুণীয়া, কটু আৰু কষায়।

গন্ধ হৈছে ক্ষিতি ভূতৰ বিশিষ্ট গুণ। ইনাকৰ দ্বাৰা প্ৰত্যক্ষ হয়। গন্ধ দুই প্ৰকাৰ— সুগন্ধ আৰু দুৰ্গন্ধ। স্পৰ্শ মৰুৎ ভূতৰ বিশিষ্ট গুণ। ই স্পৰ্শেন্দ্ৰিয় অৰ্থাৎ ছালৰ দ্বাৰা প্ৰত্যক্ষ হয়। স্পৰ্শ তিনিপ্ৰকাৰৰ— উষ্ণ, শীতল আৰু নাতিশীতোষ্ণ। শব্দ আকাশ ভূতৰ বিশিষ্ট গুণ। শ্ৰৱণেন্দ্ৰিয়ৰ দ্বাৰা প্ৰত্যক্ষ কৰা যায়। শব্দ দুই প্ৰকাৰৰ— **ধ্বনি আৰু বৰ্ণ**।



ধ্বনি আৰু বৰ্ণ ঃ ধ্বনি হৈছে অৰ্থহীন শব্দ আৰু বৰ্ণ হৈছে অৰ্থযুক্ত শব্দ।

সংখ্যা হৈছে দ্ৰব্যৰ এটা গুণ যাৰ দ্বাৰা আমি গণনা কৰিব পাৰো। যেনে— এক, দুই, তিনি আদি। পৰিমাণ নামৰ গুণৰ জৰিয়তে দ্ৰব্য এটা সৰু নে ডাঙৰ নিৰ্ধাৰণ কৰিব পৰা যায়। এই গুণ সকলো দ্ৰব্যতে থাকে। পৰিমাণ চাৰি প্ৰকাৰৰ— অণু, মহৎ, হ্ৰস্ব আৰু দীৰ্ঘ। পৃথকত্ব গুণৰ জৰিয়তে এটা বস্তুক আন এটা বস্তুৰ পৰা পৃথক কৰিব পৰা যায়। দুটা বা ততোধিক বস্তুৰ মিলনকে সংযোগ বোলা হয়। সংযোগ তিনি প্ৰকাৰে হয়— অন্যতৰ কৰ্মজ সংযোগ, উভয় কৰ্মজ সংযোগ আৰু সংযোগজ। এটা গতিশীল বস্তু আৰু আন এটা ৰৈ থকা বস্তুৰ মাজৰ সংযোগ হ'ল অন্যতৰ সংযোগ। দুটা গতিশীল বস্তুৰ মাজত হোৱা সংযোগক উভয় কৰ্মজ সংযোগ বোলে। দুটাৰ মাজত তৃতীয় এটা বস্তুৰ মাধ্যমেৰে যি সংযোগ ঘটে সেয়া সংযোগজ। বিভাগ গুণ সংযোগৰ বিপৰীত গুণ। যি গুণৰ মাধ্যমত দুটা বা ততোধিক বস্তুৰ মাজত সংযোগ বিচ্ছিন্ন কৰা হয় তাকে বিভাগ বোলে। বিভাগ তিনি প্ৰকাৰৰ— সংযুক্ত দুটা বস্তুৰ এটা যদি গতিশীল হয় তাৰ মাজতো বিভাগ ঘটে, দুটা গতিশীল বস্তুৰ মাজত বিভাগ ঘটে আৰু তৃতীয় কোনো এটা বস্তুৰ সংযোগ বিচ্ছিন্ন হোৱাৰ ফলত অন্য দুটা বস্তুৰ মাজতো বিভাগ ঘটে।

পৰত্ব আৰু অপৰত্ব গুণৰ জৰিয়তে দ্ৰব্যৰ দূৰত্ব, নিকটত্ব, অতীত, বৰ্তমান আদিৰ ধাৰণা কৰিব পাৰি। ই দুই প্ৰকাৰে হ'ব পাৰে— দৈশিক আৰু কালিক। বুদ্ধি আত্মাৰ বিশেষ গুণ। ইয়াক দুটা ভাগত ভাগ কৰা হৈছে— অনুভূতি আৰু স্মৃতি। অনুভূতিক আকৌ দুই ভাগত ভগোৱা হৈছে— প্ৰত্যক্ষ আৰু অনুমান। সুখ আৰু দুখো আত্মাৰ গুণ। এই দুটা গুণ অনুভৱ মাত্ৰ। ইচ্ছা হ'ল মানুহে কিবা এটা বস্তু লাভ কৰাৰ বাবে কৰা কামনা। ইচ্ছাগুণৰ লগত সদায় এটা উদ্দেশ্য জড়িত হৈ থাকে। দ্বেষ গুণ ইচ্ছাৰ বিপৰীত। বেয়া লগা অৱস্থাৰ পৰাই দ্বেষৰ জন্ম হয়। প্ৰযত্ন মানে প্ৰচেষ্টা। ই তিনি প্ৰকাৰৰ— প্ৰবৃত্তি, নিবৃত্তি আৰু জীৱন যোনি। গুৰুত্ব শব্দৰ অৰ্থ হ'ল ওজন। পৃথিৱী আৰু পানী দ্ৰব্যত এই গুণ থাকে। দ্ৰবত্ব মানে তৰলতা। পৃথিৱী, পানী আৰু তেজৰ এই দ্ৰবত্ব গুণ থাকে। স্নেহ গুণৰ দ্বাৰা দুটা বস্তু লগ লাগে। ই কেৱল পানীতহে থাকে। সংস্কাৰ মানে প্ৰৱণতা। ই তিনি প্ৰকাৰৰ বেগ, ভাৱনা আৰু স্থিতিস্থাপক। ধৰ্ম আৰু অধৰ্ম শব্দক পাপ আৰু পুণ্য অৰ্থত ব্যৱহাৰ কৰা হয়। ধৰ্ম হৈছে সুখৰ কাৰণ আৰু অধৰ্ম হৈছে দুখৰ কাৰণ।

বৈশেষিকসকলে গুণক দুটা ভাগত ভাগ কৰিছে— নিত্য আৰু অনিত্য। নিত্য গুণ নিত্য দ্ৰব্যক আশ্ৰয় কৰি থাকে আৰু অনিত্য গুণবোৰ অনিত্য দ্ৰব্যক আশ্ৰয় কৰি থাকে।

৫.৫.৩ কর্ম

কর্ম হৈছে দ্রব্য আশ্রয় কৰি থকা এটা ভাব পদার্থ। কর্ম দ্রব্যাশ্রিত হ'লেও ই গুণ আৰু দ্রব্যৰ পৰা ভিন্ন পদার্থ। কর্ম দ্রব্যৰ সংযোগ আৰু বিভাগৰ নিৰপেক্ষ কাৰণ। কর্মৰ সাধাৰণ লক্ষণ হ'ল গতি। গতি নির্ভৰ কৰে সংযোগ আৰু বিয়োগ গুণৰ ওপৰত। যেনে— খোজ কঢ়াটো এটা কর্ম, কিন্তু প্রত্যেক খোজতে মাটিৰ সৈতে ভৰিৰ সংযোগ আৰু বিয়োগ নঘটিলে খোজ কঢ়া সম্ভৱ নয়। কর্ম যদিও দ্রব্যত আশ্রয় কৰি থাকে অথবা দ্রব্য কর্মৰ আধাৰ স্বৰূপ, কিন্তু সকলো ধৰণৰ দ্রব্যতে কর্ম নাথাকে। সীমিত দ্রব্যতহে কর্ম থাকে। আকাশ, কাল, আত্মা, দিক্— এই নিত্য দ্রব্যবোৰত কর্ম নাথাকে।

কর্মৰ দুটা ভাগ আছে— এটা বাহ্যিক আৰু আনটো মানসিক। ইন্দ্রিয়গ্রাহ্য বাহ্যিক দ্রব্যক আশ্রয় কৰি থকা কর্মবোৰ প্রত্যক্ষ কৰিব পাৰি; আনহাতে, মানসিক কর্মবোৰ অন্তঃ প্রত্যক্ষৰ দ্বাৰাহে জানিব পাৰি। বৈশেষিক দর্শনৰ মতে কর্ম পাঁচ প্রকাৰৰ— উৎক্ষেপণ, অৱক্ষেপণ, আকুঞ্চন, প্রসাৰণ আৰু গমন।

উৎক্ষেপণ ঃ উৎক্ষেপণ মানে হ'ল বস্তু ওপৰলৈ দলিওৱা। দ্রব্যৰ যিটো কর্মৰ বাবে সেই দ্রব্যটোৰ ওপৰত অৱস্থিত কোনো এটা বস্তুৰ লগত সংযোগ ঘটে সেই কর্মটোকে উৎক্ষেপণ বোলে।

অৱক্ষেপণ ঃ কোনো এটা দ্রব্য তললৈ নিক্ষেপ কৰোতে হোৱা কর্মক অৱক্ষেপণ বোলে।

আকুঞ্চন ঃ যি কর্মৰ বাবে এটা দ্রব্যৰ বিভিন্ন অংশক সংকুচিত কৰা সম্ভৱ হয় তাকে আকুঞ্চন বোলে। যেনে— প্রসাৰিত হৈ থকা হাতৰ আঙুলিবোৰ সংকুচিত কৰা কর্ম।

প্রসাৰণ ঃ যি কর্মৰ জৰিয়তে দ্রব্যৰ বিভিন্ন অংশৰ সংযোগবোৰ বিচ্ছিন্ন কৰিব পাৰি সেয়াই প্রসাৰণ। যেনে— হাতৰ মুঠিৰ আঙুলিবোৰ প্রসাৰিত কৰা কর্ম।

গমন ঃ সকলো প্রকাৰৰ শাৰীৰিক কর্মই হ'ল গমন।

৫.৫.৪ সামান্য

এটা জাতি বা শ্রেণীৰ মাজত থকা সাধাৰণ লক্ষণটোক সামান্য বোলে। বৈশেষিক দর্শনৰ মতে সামান্য এটা যথার্থ আৰু নিত্য পদার্থ। ই নিজা অস্তিত্ব প্রকাশৰ বাবে বুদ্ধিৰ ওপৰত নির্ভৰ কৰে। এই সামান্য প্রত্যেক ব্যক্তিৰ মাজত উপস্থিত থাকে আৰু ইয়াক উপলক্ষ্য কৰিয়েই ব্যক্তিসকলক একোটা শ্রেণীত ভাগ কৰিব পাৰি। সামান্য এটা নিত্য আৰু সার্বজনীন শ্রেণীগত বৈশিষ্ট্য। ব্যক্তি বিশেষৰ পৰিৱর্তন বা ধ্বংস হ'লেও সামান্য একেদৰেই নিত্য সত্তা হিচাপে থাকে। কোনো এটা বিশেষ শ্রেণীৰ অন্তর্ভুক্ত বিভিন্ন বস্তুবোৰৰ মাজত যদিওবা নানা পার্থক্য লক্ষ্য কৰা যায় তথাপি সেইবোৰৰ মাজত দেখা পোৱা সাধাৰণ লক্ষণবোৰৰ কাৰণে বস্তুবোৰক এটা শ্রেণীৰ অন্তর্ভুক্ত কৰা হয়। এই সাধাৰণ লক্ষণ বা বৈশিষ্ট্যকে বৈশেষিক দার্শনিকসকলে সামান্য আখ্যা দিছে।

যেনে— 'মনুষ্যত্ব' মানুহ জাতিটোৰ সামান্য লক্ষণ, পৃথিৱীৰ মানুহবোৰ বিভিন্ন বিষয়ত বেলেগ হ'লেও 'মনুষ্যত্ব' প্ৰত্যেক শৰীৰতে বিদ্যমান।

বৈশেষিক দর্শনৰ মতে সামান্য কেৱল দ্ৰব্য, গুণ আৰু কৰ্মত থাকে। এই কেইটাৰ বাহিৰে আন কোনো দ্ৰব্যত সামান্য নাথাকে। সামান্য ব্যক্তিবিশেষৰ মাজত মাত্ৰ এটাহে থাকে। এটাতকৈ বেছি থাকিলে একে শ্ৰেণীৰ বিভিন্ন ব্যক্তিৰ মাজত বিপৰীত লক্ষণ দেখা যাব। সামান্যৰ কোনো বিশেষত্ব থাকিব নোৱাৰে।

ব্যাপকতাৰ ওপৰত নির্ভৰ কৰি **প্ৰশস্তপাদে** সামান্যক তিনিটা ভাগত ভাগ কৰিছে— (১) পৰ, (২) অপৰ আৰু (৩) পৰাপৰ। সত্তা, দ্ৰব্যত্ব আৰু ঘটত্ব এয়া হ'ল সামান্য। ইয়াৰে সত্তা হ'ল অধিকদেশবৃত্তি অর্থাৎ সর্বাধিক ব্যক্তিত থাকে। ই হ'ল পৰসামান্য। 'ঘটত্ব' আদি বিশেষ বিশেষ শ্ৰেণীৰ সামান্যক অপৰ সামান্য বোলে। অপৰ সামান্য আটাইতকৈ কম বিস্তৃত। পৰ আৰু অপৰ সামান্যৰ মধ্যৱর্তী সামান্য হ'ল পৰাপৰ সামান্য। যেনে— দ্ৰব্যত্ব। এই দ্ৰব্যত্ব হৈছে সত্তা আৰু ঘটত্বৰ মাজৰ সামান্য।



প্ৰশস্তপাদ 'পদার্থ ধর্মসংগ্রহ'ৰ ৰচয়িতা। কণাদৰ বৈশেষিক সূত্ৰৰ ওপৰত লিখা এইখন এখন ভাষ্য গ্ৰন্থ। এই গ্ৰন্থখনত তেওঁ বৈশেষিক দর্শনৰ এটা স্বতন্ত্ৰ মত দাঙি ধৰিছে।

৫.৫.৫ বিশেষ

কণাদৰ মতে কোনো নিত্য দ্ৰব্যৰ মাজত থকা মুখ্য বৈশিষ্ট্যই বিশেষ। বিশেষৰ জৰিয়তে দ্ৰব্যসমূহৰ মাজত থকা পার্থক্য জানিব পাৰি। অৱশ্যে বিশেষ কেৱল নিত্য দ্ৰব্যসমূহৰ মাজত থকা একত্বহে। যেনে— পানীৰ পৰমাণু অসংখ্য আৰু একে। বিশেষৰ বাবেই এই পৰমাণুবোৰৰ পার্থক্য আছে। সেইদৰে ব্যক্তিবিশেষত থকা আত্মাবোৰ স্বৰূপতে এক, কিন্তু বেলেগ বেলেগ জ্ঞান হয় একমাত্ৰ বিশেষৰ বাবেহে।

নিত্য দ্ৰব্যবোৰৰ পৰস্পৰৰ ভেদক ধর্ম হৈছে বিশেষ পদার্থ। নিত্য দ্ৰব্যবোৰ যিহেতু অসংখ্য, গতিকে বিশেষো সংখ্যাত অসংখ্য। সামান্য আৰু বিশেষৰ মূল পার্থক্যটো হৈছে সামান্য বহু দ্ৰব্যক আশ্ৰয় কৰি থাকে, কিন্তু বিশেষ এটা নিত্য দ্ৰব্যক আশ্ৰয় কৰিহে অৱস্থান কৰে।

কোনো এটা বস্তুক বিশেষত্ব দি পৃথক কৰি 'বিশেষ' নিজেই 'বিশেষ' বুলি প্ৰকাশিত হৈ থাকে। বৈশেষিক দার্শনিকসকলৰ মতে বিশেষৰ কোনো জাতি বা বিশেষত্ব নাই। 'বিশেষ' বিশেষ ৰূপে নিত্য দ্ৰব্যত থাকি দ্ৰব্যবোৰক পৃথক কৰে। এই বিশেষক ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰত্যক্ষ কৰিব পৰা নাযায়। অর্থাৎ বিশেষ অতীন্দ্ৰিয়। একমাত্ৰ প্ৰজ্ঞাৰ দৃষ্টিৰে ইয়াৰ অস্তিত্বক প্ৰত্যক্ষ কৰিব পাৰি। আনহাতে বস্তু এটাৰ একত্বৰ মাজেদি ইয়াৰ অস্তিত্ব অনুমান কৰিব পাৰি।

৫.৫.৬ সমবায়

দুটা পদার্থৰ মাজত থকা নিত্য আৰু অবিচ্ছেদ্য সম্বন্ধক সমবায় বোলে। কণাদৰ মতে সমবায় হৈছে উপাদান কাৰণ আৰু কার্য্যৰ মাজত থকা এটা সম্বন্ধ। যি

কাৰণে আমি 'এইটো সেইটোৰ মাজত থকা' বুলি ক'ব পাৰো। প্ৰশস্তপাদৰ মতে সমবায় হৈছে আধাৰ আৰু আধেয়ৰ মাজৰ এক অবিচ্ছেদ্য সম্বন্ধ। ন্যায়-বৈশেষিক দৰ্শনৰ মতে সম্বন্ধ দুই প্ৰকাৰৰ— বাহ্যিক বা সংযোগ আৰু আভ্যন্তৰীণ বা সমবায়। যেনে— দ্ৰব্য আৰু গুণৰ সম্বন্ধটো অবিচ্ছেদ্য আৰু নিত্য। গতিকে ই সমবায় সম্বন্ধ। আনহাতে ঘটনাক্ৰমে দুটা বস্তু সংযোজিত হ'ব পাৰে আৰু বিভক্তও হ'ব পাৰে। বিভাগৰ ফলত কোনোটোৰে একো হানি বিঘিনি নহয়। চকীত বহিলে মানুহ এজনৰ চকীখনৰ লগত যি সংযোগ ঘটে সেয়া বাহ্যিক সংযোগ। এই সংযোগক যুতসিদ্ধ বোলা হয়। কিন্তু সমবায়ৰ ক্ষেত্ৰত বস্তু দুটাৰ এটাৰ অস্তিত্ব হানি নকৰাকৈ পৃথক কৰিব নোৱাৰি বাবে সিহঁতক অযুতসিদ্ধ বোলা হয়।

সমবায় এটা নিত্য আভ্যন্তৰীণ সম্বন্ধ। ইয়াক প্ৰত্যক্ষ কৰিব নোৱাৰি। দুটা বস্তুৰ অবিচ্ছেদ্য সম্বন্ধৰ পৰাহে ইয়াক অনুমান কৰিব পাৰি। সমবায় সম্বন্ধত সংযোজিত হোৱা বিষয় দুটা পৰস্পৰৰ পৰিপূৰক নহয়। যেনে— গুণ দ্ৰব্যত থাকিব পাৰে। কিন্তু দ্ৰব্য গুণত নাথাকে। কিন্তু কলহ আৰু পানী পৰস্পৰ পৰস্পৰৰ পৰিপূৰক।

সমবায় একক, বিভিন্ন সমবায় নাই। সমবায় বিভিন্ন বস্তুৰ মাজত থাকিলেও ই এটাই।

৫.৫.৭ অভাৱ

অভাৱৰ অৰ্থ হ'ল 'যাৰ অস্তিত্ব নাই'। কোনো এঠাইত বস্তু এটা দেখা নোপোৱাৰ কাৰণ হ'ল সেই ঠাইত সেই বস্তুটো 'নথকা'টো এক প্ৰকৃত অৱস্থা আৰু ই প্ৰমেয় স্বৰূপ। এই নথকা অৱস্থাটোৰেই হ'ল অভাৱ। মহৰ্ষি কণাদে তেওঁৰ বৈশেষিক সূত্ৰত অভাৱক স্বতন্ত্ৰ পদাৰ্থ ৰূপে যদিওবা উল্লেখ কৰা নাই। তথাপিও তেওঁ এই গ্ৰন্থত জ্ঞানৰ বিষয় ৰূপে বিস্তৃতভাৱে আলোচনা কৰিছে। পৰৱৰ্তী সময়ত বৈশেষিক দাৰ্শনিক প্ৰশস্তপাদ আদিয়ে অভাৱক সপ্তম পদাৰ্থ বুলি গ্ৰহণ কৰিছে।

অভাৱে কোনো এটা ভাব পদাৰ্থৰ অভাৱকহে বুজায়, শূন্যতাক নুবুজায়। যাক আগতে আছে বুলি জনা যায় তেনে পদাৰ্থৰহে অভাৱ জ্ঞান হ'ব পাৰে। উদাহৰণ স্বৰূপে ক'ব পাৰি ঘট, পট আদিক প্ৰত্যক্ষ প্ৰমাণৰ দ্বাৰা জনা যায় বাবে ঘটাভাৱ, পটাভাৱ আদিক অভাৱ পদাৰ্থৰূপে গ্ৰহণ কৰা হয়। 'আকাশ কুসুম'ৰ অভাৱ পদাৰ্থৰূপে গ্ৰহণ কৰা নাযায়।

অভাৱ প্ৰধানকৈ দুই ভাগত ভাগ কৰা হৈছে— (১) সংসৰ্গাভাৱ আৰু (২) অন্যোন্যাভাৱ।

১) **সংসৰ্গাভাৱ ঃ** যেতিয়া এটা বস্তুত অন্য এটা বস্তুৰ অভাৱ দেখা যায়, তেতিয়া সেই অভাৱক সংসৰ্গাভাৱ বুলি কোৱা হয়। যেনে— 'মেজৰ ওপৰত কিতাপখন নাই'। এই বাক্যটোৱে মেজত কিতাপখনৰ অভাৱ বুজাইছে। এই অভাৱ সংসৰ্গাভাৱ। অৰ্থাৎ মেজৰ লগত কিতাপৰ সংসৰ্গ অথবা সংস্পৰ্শৰ অভাৱ।

২) **অন্যোন্যাভাৱ ঃ** দুটা বস্তুৰ মাজত যেতিয়া ভিন্নতা থাকে তেতিয়া সিহঁতৰ এটাত আনটোৰ যি অভাৱ দেখা যায় অথবা যেতিয়া এটা বস্তুত অন্য এটা বস্তু নহয় বুলি কোৱা হয় তাকে অন্যোন্যাভাৱ বুলি কোৱা হয়। 'কলমটো কিতাপ নহয়' অথবা 'কিতাপখন কলম নহয়' এই বাক্য দুটাই অন্যোন্যাভাৱ প্ৰকাশ কৰিছে। এই অন্যোন্যাভাৱ যদি স্বীকাৰ কৰা নাযায় তেনেহ'লে সকলোবোৰ বস্তু **তাদাত্ম্য সম্বন্ধ**ত আৱদ্ধ হৈ এক অভিন্ন বস্তুত পৰিণত হ'ব।

তাদাত্ম্য সম্বন্ধ ঃ অভেদ সম্বন্ধ, সাদৃশ্য আদি।

সংসৰ্গাভাৱক তিনিটা ভাগত ভাগ কৰা হয়— (১) প্ৰাগভাৱ, (২) ধ্বংসাভাৱ আৰু (৩) অত্যন্তাভাৱ। উৎপন্ন হোৱাৰ আগতে বস্তুৰ যি অভাৱ থাকে আৰু উৎপন্ন হোৱাৰ পিছত যি অভাৱ নাইকিয়া হয় তাকে প্ৰাগভাৱ বোলে। যেনে— ঘট এটা সাজি উলিওৱাৰ আগলৈকে মাটিৰ মাজত ঘটৰ যি অভাৱ, সেয়া প্ৰাগভাৱ। কোনো এটা বস্তু উৎপন্ন হোৱাৰ পিছত ধ্বংস হ'লে বস্তুটোৰ যি অভাৱ হয় তাক ধ্বংসাভাৱ বোলে। যেনে— বনোৱা ঘট এটা ভাগি যোৱাৰ পিছত ভগা ঘটটোৰ মাজত ঘটৰ যি অভাৱ সেই ধ্বংসাভাৱ। দুটা বস্তুৰ সম্বন্ধৰ চিৰকলীয়া অভাৱেই হ'ল অত্যন্তাভাৱ। অৰ্থাৎ দুটা বস্তুৰ মাজৰ সম্বন্ধ অতীত, বৰ্তমান বা ভৱিষ্যতত কেতিয়াও নাথাকে।



জানি থোৱা ভাল

বৈশেষিক দাৰ্শনিকসকলে বিষয়ৰ নিৰপেক্ষ আৰু বিবিধ স্বতন্ত্ৰ সত্তা স্বীকাৰ কৰা বাবে তেওঁলোকক বস্তুসত্তাবাদী আৰু বাস্তৱবাদী বোলা হয়। এই নিৰপেক্ষ স্বতন্ত্ৰ জ্ঞেয় বস্তুসমূহেই হৈছে মুখ্য সাত প্ৰকাৰৰ পদাৰ্থ। পদাৰ্থবোৰ দৈহিক আকাৰৰ জাগতিক বস্তু নহয়, ই যথাৰ্থ জ্ঞেয় বিষয়, যাৰ অভাৱত আমি বস্তুৰ জ্ঞান লাভ কৰিব নোৱাৰোঁ। বস্তু বা বিষয় মানেই পদাৰ্থ হ'ব লাগিব, কিন্তু পদাৰ্থ মানে বস্তু নহয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ বৈশেষিক দৰ্শনৰ প্ৰৱৰ্তক আৰু প্ৰতিষ্ঠাতা কোন?

.....

প্ৰশ্ন ২ ঃ বৈশেষিক দৰ্শনে কেইবিধ পদাৰ্থ স্বীকাৰ কৰে? পদাৰ্থ কেইবিধৰ নাম লিখক।

.....

.....

প্ৰশ্ন ৩ ঃ কৰ্ম কেইপ্ৰকাৰৰ আৰু কি কি?

.....

প্রশ্ন ৪ ঃ বৈশেষিক দর্শনৰ মতে গন্ধ আৰু স্পর্শ কেইপ্রকাৰৰ আৰু কি কি?

.....

.....

প্রশ্ন ৫ ঃ 'পদার্থ ধর্মসংগ্রহ'ৰ ৰচয়িতা কোন?

.....

প্রশ্ন ৬ ঃ সংসর্গাভাৱ কাক বোলে? ই কেইপ্রকাৰৰ আৰু কি কি?

.....

.....

প্রশ্ন ৭ ঃ তাদাত্ম্য সম্বন্ধ কি?

.....

৫.৬ বৈশেষিক পৰমাণুবাদ আৰু সৃষ্টিতত্ত্ব

বৈশেষিক দর্শনৰ মতে জগতৰ সকলো উৎপত্তিশীল মৌলিক বস্তুৰেই যৌগিক। এই দ্রব্যবোৰ যদি ক্রমাগতভাৱে বিভাজন কৰি যোৱা যায় তেতিয়া শেষ অৱস্থাত কিছুমান ক্ষুদ্রতম অংশ পোৱা যায়, যাক আৰু বিভাজন কৰিব পৰা নাযায়। এই ক্ষুদ্রতম অবিভাজ্য অংশকে পৰমাণু বোলা হয়। এই পৰমাণুবোৰ অবিনাশী, নিত্য বাস্তৱ সত্তা।

বৈশেষিক দর্শনৰ মতে প্রত্যেক কার্য্যৰে কাৰণ থাকে, যৌগিক পদার্থবোৰ যিহেতু কার্য্য, গতিকে এই যৌগিক পদার্থবোৰবো কাৰণ আছে। এই কাৰণ দুই প্রকাৰৰ— উপাদান কাৰণ আৰু নিমিত্ত কাৰণ। পৰমাণুবোৰ হৈছে যৌগিক দ্রব্যবোৰৰ উপাদান কাৰণ আৰু ঈশ্বৰ হৈছে নিমিত্ত কাৰণ।

বৈশেষিক দর্শনে স্বীকাৰ কৰা নবিধ দ্রব্য হ'ল নিত্য দ্রব্য। ইয়াৰ কোনো সৃষ্টিও নাই, ধ্বংসও নাই। এই নবিধ দ্রব্যৰ প্রথম চাৰিবিধ অসংখ্য পৰমাণুৰ সমষ্টি। বাকী পাঁচবিধ দ্রব্য পৰমাণুৰ দৰে সূক্ষ্ম যদিও ঠিক পৰমাণু নহয়। আমি দেখি থকা অনিত্য জগতখন পৰমাণুৰ পাৰস্পৰিক সংযোগৰ ফলত সৃষ্টি হয়। অর্থাৎ মাটি, পানী, উত্তাপ আৰু বায়ু হ'ল জগতৰ উপাদান কাৰণ। বৈশেষিকসকলৰ এই সৃষ্টিতত্ত্বক পৰমাণুবাদ বুলি কোৱা হয়।

বৈশেষিক দর্শনে যদিও পৰমাণুতত্ত্বৰ দ্বাৰা জগত আৰু সৃষ্টিৰ ব্যাখ্যা কৰিবলৈ বিচাৰিছে, তেওঁলোকে ভাৰতীয় দর্শনৰ সনাতন দৃষ্টিভঙ্গীৰ সীমা পাৰ হৈ যোৱা নাই। তেওঁলোকৰ মতে সৃষ্টিৰ কোনো আৰম্ভণি নাই, ই অনাদি অনন্ত প্রবাহ। ঈশ্বৰৰ ইচ্ছাতে জগত সৃষ্টি আৰু ধ্বংস হয়। তেওঁলোকৰ পৰমাণুবাদ বস্তুবাদ নহয়। জীৱৰ বন্ধন আৰু মুক্তিতত্ত্বৰ সৈতে ই সম্বন্ধযুক্ত।

৫.৭ ঈশ্বৰ তত্ত্ব

মহর্ষি কণাদে তেওঁৰ বৈশেষিকসূত্রত ঈশ্বৰ সম্পর্কে কোনো স্পষ্ট মত দাঙি ধৰা নাই যদিও তেওঁৰ পৰৱর্তী দার্শনিকসকলে জগতৰ উৎপত্তি ব্যাখ্যাৰ বাবে ঈশ্বৰৰ প্রয়োজনীয়তা

অনুভৱ কৰে। তেওঁলোকৰ মতে অচেতন অদৃষ্টই পৰমাণুবোৰ সংযোজন কৰি জগতৰ উৎপত্তি কৰিব নোৱাৰে। এই অচেতন অদৃষ্টক পৰিচালনা কৰাৰ বাবে এক চেতন কৰ্তাৰ অস্তিত্ব স্বীকাৰ কৰিবলগীয়া হয়। ভাষ্যকাৰ শঙ্কৰমিশ্ৰ, প্ৰশস্তপাদ আদিয়ে ঈশ্বৰৰ উল্লেখ কৰে।

জীৱৰ পূৰ্বজন্মৰ সঞ্চিত কৰ্ম হৈছে অদৃষ্ট। এই অদৃষ্ট অনুযায়ী জীৱ দেহৰ গঠন আৰু জীৱৰ সুখ দুখ আদি অভিজ্ঞতাবোৰ নিয়ন্ত্ৰিত হৈ থাকে। ঈশ্বৰৰ ইচ্ছা অনুযায়ী জগতৰ সৃষ্টি, স্থিতি আৰু প্ৰলয়াৱস্থা পৰিচালিত তথা নিয়ন্ত্ৰিত হৈ থাকে। বৈশেষিক দৰ্শনে ঈশ্বৰক পৰমব্ৰহ্মৰূপে বৰ্ণনা কৰা নাই। ঈশ্বৰ আৰু পৰমাণুসমূহৰ সহঅৱস্থিতিহে স্বীকাৰ কৰিছে।

৫.৮ আত্মা আৰু মুক্তি

বৈশেষিক দাৰ্শনিকসকলৰ মতে আত্মা সৰ্বব্যাপী আৰু নিত্য। চেতনাৰ আধাৰ হিচাপে আত্মাৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে। জ্ঞানৰ কৰ্ত্তা হ'ল আত্মা। মনৰ দ্বাৰা আত্মাই সুখ-দুখ, ৰাগ-দ্বেষ আদি গুণবোৰ প্ৰত্যক্ষ কৰে। আত্মা দেহৰ মাজত আৱদ্ধ হোৱা সময়ত এই গুণবোৰৰ আৱিৰ্ভাৱ হয়। আত্মা দুই প্ৰকাৰৰ— জীৱাত্মা আৰু পৰমাত্মা। জীৱাত্মা বহুত, পৰমাত্মা এক। এক জীৱদেহৰ বিনাশ ঘটিলে জীৱাত্মা অন্য দেহত প্ৰৱেশ কৰে।

আত্যন্তিক দুখ নিবৃত্তিয়েই হৈছে মুক্তি। এই মুক্তি মানৱ জীৱনৰ পৰম পুৰুষাৰ্থ। নিজ কৰ্ম ফলৰ বাবে জীৱ বাৰে বাৰে সংসাৰলৈ আহে। আনহাতে এই সংসাৰৰ পৰা মুক্তি লাভ কৰিবৰ বাবে নিষ্কাম কৰ্মৰ অনুশীলনৰ প্ৰয়োজন। জীৱৰ অদৃষ্ট নাশ হ'লে শৰীৰৰ বিনাশ ঘটে আৰু ইয়ে হৈছে জীৱৰ মুক্তি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৮ ঃ পৰমাণু কাক বোলে?

.....

.....

.....

প্ৰশ্ন ৯ ঃ বৈশেষিক দৰ্শনৰ মতে যৌগিক পদাৰ্থবোৰৰ কাৰণ কেইপ্ৰকাৰৰ আৰু কি কি?

.....

.....

প্ৰশ্ন ১০ ঃ আত্মা কেইপ্ৰকাৰৰ আৰু কি কি?

.....

প্ৰশ্ন ১১ ঃ মুক্তি কি?

.....

.....



৫.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- বৈশেষিক শব্দৰ অর্থ তথা পৰিচয় লাভ কৰিলোঁ।
- বৈশেষিক দর্শনৰ সপ্ত পদার্থৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।
- বৈশেষিক পৰমাণুবাদ আৰু সৃষ্টিতত্ত্বৰ বিষয়ে জানিব পাৰিলোঁ।
- ঈশ্বৰতত্ত্ব আৰু আত্মা আৰু মুক্তিৰ বিষয়ে অৱগত হ'লোঁ।



৫.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); *ভাৰতীয় দর্শনত এভুমুকি*; গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোৰ্ছ।

৩) বৰুৱা, ড° গিৰীশ (১৯৯৬); *ভাৰতীয় দর্শনত এভুমুকি*; গুৱাহাটী ঃ ভগৱতী প্রকাশন।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্র, ভট্টাচার্য্য, নাৰায়ণ চন্দ্র; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্রাইভেট লিমিটেড।



৫.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ মহর্ষি কণাদ।

২নং প্রশ্নৰ উত্তৰ ঃ বৈশেষিক দর্শনে সাতবিধ পদার্থ স্বীকাৰ কৰে। পদার্থকেইবিধ হ'ল— দ্রব্য, গুণ, কর্ম, সামান্য, বিশেষ, সমবায় আৰু অভাৱ।

৩নং প্রশ্নৰ উত্তৰ ঃ কর্ম পাঁচ প্রকাৰৰ— উৎক্ষেপণ, অৱক্ষেপণ, আকুঞ্চন, প্রসাৰণ আৰু গমন।

৪নং প্রশ্নৰ উত্তৰ ঃ গন্ধ দুই প্রকাৰৰ— সুগন্ধ আৰু দুগন্ধ। স্পর্শ তিনি প্রকাৰৰ— উষ্ণ, শীতল আৰু নাতিশীতোষ্ণ।

৫নং প্রশ্নৰ উত্তৰ ঃ প্রশস্তপাদ।

৬নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া এটা বস্তুত অন্য এটা বস্তুৰ অভাৱ দেখা যায়, তেতিয়া সেই অভাৱক সংসর্গাভাৱ বোলে। ই তিনিপ্রকাৰৰ— প্রাগভাৱ, ধ্বংসাভাৱ আৰু অত্যন্তাভাৱ।

৭নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন বস্তুৰ মাজত থকা অভেদ সম্বন্ধই হ'ল তাদাত্ম্য সম্বন্ধ।

৮নং প্রশ্নৰ উত্তৰ ঃ দ্রব্যসমূহ ক্রমাগতভাৱে বিভাজন কৰি গৈ থাকোতে শেষ অৱস্থাত কিছুমান ক্ষুদ্রতম অংশ পোৱা যায়, যাক আৰু বিভাজন কৰিব নোৱাৰি। এই অবিভাজ্য অংশবোৰকে পৰমাণু বোলে।

৯নং প্রশ্নৰ উত্তৰ ঃ যৌগিক পদার্থবোৰৰ কাৰণ দুই প্ৰকাৰৰ— উপাদান কাৰণ আৰু নিমিত্ত কাৰণ।

১০নং প্রশ্নৰ উত্তৰ ঃ আত্মা দুই প্ৰকাৰৰ— জীৱাত্মা আৰু পৰমাত্মা।

১১নং প্রশ্নৰ উত্তৰ ঃ আত্যন্তিক দুখ নিবৃত্তিয়েই হৈছে মুক্তি। জীৱৰ অদৃষ্ট নাশ হ'লে শৰীৰৰ বিনাশ ঘটে আৰু ইয়েই হৈছে জীৱৰ মুক্তি।



৫.১২ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বৈশেষিক শব্দৰ অৰ্থ লিখক।

প্রশ্ন ২ ঃ সংসৰ্গাভাৱ কি? চমুকৈ লিখক।

খ) চমু প্রশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক—

কৰ্ম, সামান্য, সমবায়, অভাৱ।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'গুণ'ৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ বৈশেষিক পৰমাণুবাদ আৰু সৃষ্টিতত্ত্বৰ বিষয়ে বিস্তৃত বিৱৰণ লিখক।

*** ***** ***

অধ্যায় ৬ ঃ মীমাংসা দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ মীমাংসা শব্দৰ তাৎপর্য্য
৬.৪ মীমাংসা দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস
৬.৪.১ জ্ঞান তত্ত্ব
৬.৪.২ ভ্রমতত্ত্ব
৬.৪.৩ অধ্যাত্মতত্ত্ব
৬.৪.৪ আত্মা আৰু জ্ঞান
৬.৪.৫ ধর্ম
৬.৪.৬ মীমাংসা দর্শনত ঈশ্বৰৰ স্থান
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মীমাংসা শব্দৰ তাৎপর্য্য জানিব পাৰিব
- মীমাংসা দর্শনৰ বিভিন্ন বিষয়বস্তুৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব
- মীমাংসা দর্শনৰ বিভিন্ন গ্রন্থকাৰৰ নাম তথা গ্রন্থৰ নাম জানিব পাৰিব।

৬.২ পৰিচয়

আপুনি ইতিমধ্যে মীমাংসা দর্শনৰ নাম জানিব পাৰিছে। ভাৰতীয় দর্শনৰ এটি উল্লেখযোগ্য শাখা হ'ল মীমাংসা দর্শন। বেদৰ কর্মকাণ্ডৰ ওপৰত ভিত্তি কৰি এই দর্শন ৰচিত হৈছে।

মহর্ষি জৈমিনিয়ে বেদৰ কর্মকাণ্ডৰ ওপৰত ভিত্তি কৰি 'মীমাংসা-সূত্র' গ্রন্থখন প্রণয়ন কৰি মীমাংসা দর্শনৰ পাতনি মেলে। পণ্ডিতসকলৰ মতে খ্রীঃপূঃ চতুর্থ শতিকাৰ পৰা তৃতীয় শতিকাৰ ভিতৰত মহর্ষি জৈমিনিৰ আৱির্ভাৱ হৈছিল। মীমাংসাদর্শনে বেদৰ কর্মভাগৰ ওপৰত গুৰুত্ব দি বেদোক্ত বিধানসমূহক যথার্থ বুলি প্রতিপন্ন কৰিবলৈ যথোপযুক্ত বিশ্লেষণ আগবঢ়াইছে। বেদৰ বিধানসমূহ উপযুক্ত নিয়মেৰে পালন কৰি স্বর্গলাভ কৰিব পাৰি বুলি অথবা মুক্তি লাভ কৰিব পাৰি বুলি মীমাংসা দর্শনে বিশ্বাস কৰে। এই দর্শনত পদ্ধতি আৰু দার্শনিক চিন্তা দুয়োটাই

পোৱা যায়। বেদৰ শ্লোকসমূহ যথাযথ ব্যাখ্যাৰ বাবে এই দর্শনে পদ্ধতি নির্ণয় কৰিছে। আনহাতে, তাৰ জৰিয়তে কেনেদৰে মুক্তি লাভ কৰিব পাৰি তাৰো যথাযথ ব্যাখ্যা আগবঢ়াইছে।

এই অধ্যায়ত মীমাংসা দর্শনৰ মূল ভিত্তিনো কি, মীমাংসাৰ অর্থ, মীমাংসাৰ জ্ঞানতত্ত্ব, আদিৰ বিষয়ে চমু আভাস আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে। মীমাংসা দর্শনত ধর্মৰ যে গুৰুত্বপূর্ণ স্থান আছে তাৰো আলোচনা কৰা হৈছে।

৬.৩ মীমাংসা শব্দৰ তাৎপর্য্য

'মীমাংসা' শব্দৰ এটা অর্থ হ'ল 'আপ্তবাক্য'। এই 'আপ্তবাক্য' শব্দটো মূলতে বেদত উল্লেখ কৰা নৈতিক বিধানসমূহৰ ক্ষেত্রত ব্যৱহাৰ কৰা হৈছিল। 'মীমাংসা' শব্দৰ আন এটা অর্থ হ'ল 'সমালোচনাত্মক অন্বেষণ'। মীমাংসা দর্শনে বেদোক্ত বিধানসমূহৰ সমালোচনাত্মক দৃষ্টিভঙ্গীৰে যথার্থতা প্রতিপন্ন কৰিছে আৰু তাৰ লগতে দার্শনিক তাৎপর্য্যও ব্যাখ্যা কৰি ওপৰোক্ত দুয়োটা অর্থকে ন্যায়সঙ্গত বুলি দেখুৱাইছে। বেদবিহিত ধর্ম অথবা বেদৰ ৰক্ষাই মীমাংসা দর্শনৰ ব্রত। বেদৰ কর্মকাণ্ডত যিবোৰ বিধান আছে, সেইবোৰত যদি কিবা সন্দেহ, সংশয় ওপজে, তাক নিৰাকৰণ কৰাই মীমাংসাদর্শনৰ মুখ্য উদ্দেশ্য। আনহাতে, এইবোৰৰ লগতে বিশ্ব ব্রহ্মাণ্ডৰ ব্যাখ্যা, জগত, জীৱ, আত্মা আদিৰ কথাও এই দর্শনে আলোচনা কৰিছে। মীমাংসা দর্শনক ভিন ভিন নামে�ৰেও জনা যায়। এই দর্শনে বেদৰ পূর্বভাগ অর্থাৎ মন্ত্র আৰু ব্রাহ্মণ ভাগক আলোচনা কৰা কাৰণে ইয়াক পূর্ব-মীমাংসা বোলা হয়। বেদৰ কর্মকাণ্ডকহে কেৱল আলোচনা কৰা কাৰণে ইয়াক কর্ম-মীমাংসা বোলে। বেদৰ পূর্বভাগত বেদৰ ধর্ম সন্নিবিষ্ট হৈ আছে বাবে এই মীমাংসাক ধর্ম-মীমাংসা বুলিও কোৱা হয়। ইয়াৰ উপৰি 'বাক্যশাস্ত্র', 'ন্যায়' আদি নামেৰেও মীমাংসাক জনা যায়।

মহর্ষি জৈমিনিৰ 'মীমাংসা-সূত্র' গ্রন্থখনৰ ওপৰত প্রথম ভাষ্য লিখে শবৰস্বামীয়ে। সেই ভাষ্যখনৰ ওপৰত পুনৰ ব্যাখ্যা লিখে প্রভাকৰ মিশ্র আৰু কুমাৰিল ভট্টই। তেওঁলোক দুজনৰ মতৰ পার্থক্যক কেন্দ্র কৰি তেওঁলোকৰ নাম অনুসৰি মীমাংসা দর্শন, দুটা ভাগত ভাগ হয়— প্রাভাকৰ মীমাংসা আৰু ভাট্টমীমাংসা।

৬.৪ মীমাংসা দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস

এই অংশত আপুনি মীমাংসা দর্শনৰ বিভিন্ন বিষয়বস্তু অর্থাৎ জ্ঞানতত্ত্ব, ভ্রমতত্ত্ব, অধ্যাত্মতত্ত্ব আত্মা আৰু জ্ঞান, ধর্ম আদিৰ বিষয়ে জানিব পাৰিব।

৬.৪.১ জ্ঞানতত্ত্ব (Theory of Knowledge)

'জৈমিনি সূত্র'ৰ মতে জ্ঞান হৈছে বিষয়ৰ সাক্ষাৎ অনুভূতি। মীমাংসকসকলৰ মতে জ্ঞান হৈছে **স্বতঃপ্রামাণ্য**। জ্ঞানৰ অর্থই হৈছে যথার্থ। জ্ঞানৰ স্বৰূপ সম্পর্কত



স্বতঃপ্রামাণ্য ঃ যিহৰ সত্যতা সম্বন্ধে সুকীয়া প্রমাণৰ আৱশ্যক নাই।



জ্ঞাতা ঃ যিজনে জানে।

জ্ঞেয় ঃ জানিবলগীয়া বিষয়।

প্ৰভাকৰ আৰু কুমাৰিলৰ মাজত কিছু মতৰ অমিল দেখা যায়। প্ৰভাকৰৰ মতে জ্ঞান স্বপ্ৰভাসিত (নিজে নিজে প্ৰকাশিত হোৱা) কিন্তু ই অনিত্য। জ্ঞানৰ উৎপত্তি আছে, ধ্বংসও আছে। জ্ঞান-প্ৰক্ৰিয়াত **জ্ঞাতা, জ্ঞেয়** আৰু জ্ঞান তিনিও প্ৰকাশিত হয়। জ্ঞানে তাৰ প্ৰক্ৰিয়াৰ দ্বাৰা নিজক প্ৰকাশ কৰাৰ লগতে জ্ঞাতা আৰু জ্ঞেয়কো প্ৰকাশিত কৰি তোলে। কুমাৰিলৰ মতে জ্ঞান স্বপ্ৰভাসিত নহয়। ইয়াৰ সাক্ষাৎ উপলব্ধি হ'ব নোৱাৰে। তেওঁৰ মতে জ্ঞান এটা ক্ৰিয়া বা পদ্ধতি।ই জ্ঞাতাৰ এটা পৰিণাম।জ্ঞানে জ্ঞাতাৰ আগত জ্ঞেয়ক প্ৰকাশিত কৰি তোলে আৰু এই প্ৰক্ৰিয়াৰ দ্বাৰা নিজেও প্ৰকাশিত হয়।

মীমাংসা দৰ্শনৰ মতে কোনো জ্ঞানেই মিথ্যা হ'ব নোৱাৰে, জ্ঞানৰ অৰ্থই হৈছে যথাৰ্থ। জ্ঞান যদি নিজে নিজেই যথাৰ্থ হ'ব নোৱাৰে তেন্তে অন্য কোনো জ্ঞান বা বাহ্যিক লক্ষাণাদিৰ দ্বাৰা ইয়াৰ যথাৰ্থতা প্ৰমাণ কৰিব নোৱাৰি। জ্ঞান উৎপত্তিৰ কাৰণসমূহেই (ইন্দ্ৰিয়, মন, বুদ্ধি আদি) জ্ঞানৰ যথাৰ্থতা প্ৰমাণ কৰে।

জ্ঞাতা আৰু জ্ঞেয়ৰ সম্বন্ধৰ পৰাই জ্ঞানৰ উৎপত্তি হয়। বিভিন্ন প্ৰকাৰে জ্ঞান লাভ কৰিব পাৰি। জৈমিনিয়ে তিনিপ্ৰকাৰৰ জ্ঞানৰ উৎস বা প্ৰমাণ স্বীকাৰ কৰিছে— প্ৰত্যক্ষ, অনুমান আৰু শব্দ বা সাক্ষ্য। এই তিনিটা প্ৰমাণৰ লগতে প্ৰভাকৰে উপমান আৰু অৰ্থাপত্তি আৰু কুমাৰিল ভট্টই অনুপলব্ধিকো জ্ঞানৰ উৎস হিচাবে স্বীকাৰ কৰিছে।

প্ৰত্যক্ষ ঃ প্ৰভাকৰ আৰু কুমাৰিল দুয়োজনে দুই প্ৰকাৰৰ জ্ঞান স্বীকাৰ কৰিছে— প্ৰত্যক্ষ আৰু পৰোক্ষ। বিষয়ৰ সাক্ষাৎ জ্ঞানকেই প্ৰত্যক্ষ বোলে। প্ৰত্যক্ষৰ দুটা স্তৰ আছে— নিৰ্বিকল্প আৰু সবিকল্প। বিষয় আৰু ইন্দ্ৰিয়ৰ সংস্পৰ্শত উদ্ভৱ হোৱা নিৰ্বিশেষ (ভেদ নথকা) জ্ঞানকে নিৰ্বিকল্প প্ৰত্যক্ষ বোলে। এই প্ৰত্যক্ষত বিষয়ৰ কেৱল এটা অস্তিত্বৰ উপলব্ধি হয়, তাৰ বিশিষ্ট লক্ষণাদিৰ কোনো জ্ঞান নাথাকে। অৰ্থাৎ বস্তুটো কি, সেই সম্পৰ্কে কোনো নিশ্চিত জ্ঞান পোৱা নাযায়।

যিটো স্তৰত বিষয় বিশিষ্ট ৰূপে এটা অৰ্থপূৰ্ণ অৱস্থা পায়, সেই স্তৰকে সবিকল্প প্ৰত্যক্ষ বোলে। সবিকল্প প্ৰত্যক্ষই বস্তুটোৰ গুণা-গুণ সম্পৰ্কে নিশ্চিত জ্ঞান দিয়ে।

অনুমান ঃ সাক্ষাৎ জ্ঞান বা প্ৰত্যক্ষক ভিত্তি কৰি আন এটা অপ্ৰত্যক্ষ বস্তু সম্পৰ্কে যদি জ্ঞান লাভ কৰা হয় তেন্তে তাক পৰোক্ষ জ্ঞান বোলা হয়। যি প্ৰক্ৰিয়াৰ দ্বাৰা পৰোক্ষ জ্ঞান লাভ হয় তাক অনুমান বোলা হয়। 'অনু' মানে 'পাছত' আৰু 'মান'ৰ অৰ্থ হ'ল 'জ্ঞান'। গতিকে পূৰ্বজ্ঞানৰ পাছত লাভ কৰা জ্ঞানক অনুমান বোলে। উদাহৰণ স্বৰূপে, আকাশত মেঘ দেখি ক'ব পাৰি যে অতি শীঘ্ৰে বৰষুণ দিব, কাৰণ মেঘ থাকিলে বৰষুণ হয়। মেঘ আৰু বৰষুণৰ মাজত থকা নিয়ত অব্যভিচাৰী সম্বন্ধকে ব্যাপ্তি সম্বন্ধ বোলে। অনুমানত সাক্ষাৎ জ্ঞান পাব নোৱাৰি। ভাৰতীয় দৰ্শনত পাঁচোটা বাক্যৰ দ্বাৰা অনুমান গঠিত হয়। সেই বাক্যবোৰক অবয়ব বোলে।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে আপুনি ইতিমধ্যে ন্যায় দৰ্শনৰ অনুমান সম্পৰ্কে যথেষ্ট জ্ঞান লাভ কৰিছে। অনুমানৰ ক্ষেত্ৰত মীমাংসা দৰ্শনে ন্যায়ৰ মতামতকে

অনুসৰণ কৰিছে। মাত্ৰ ন্যায়দর্শনে গ্ৰহণ কৰা পাঁচোটা অবয়বৰ ঠাইত প্ৰথমৰ বা শেষৰ ফালৰ পৰা তিনিটা অৱয়ব গ্ৰহণ কৰিছে।

উপমান ঃ দুটা বস্তুৰ তুলনাৰ পৰা লাভ কৰা জ্ঞানেই হৈছে উপমান জ্ঞান। উদাহৰণ হিচাপে ক'ব পাৰি প্ৰত্যক্ষলব্ধ গবয়ৰ সৈতে পূৰ্বতে জ্ঞান লাভ কৰা গৰুৰ সাদৃশ্য জ্ঞানেই হ'ল উপমান। এই সাদৃশ্যটোৰ এটা নতুনত্ব আছে বাবেই ইয়াক জ্ঞান বুলিব পাৰি। উপমান বা সাদৃশ্য জ্ঞানৰ ক্ষেত্ৰত কোনো ব্যাপ্তি সম্বন্ধ নাথাকে বাবে ইয়াৰ দ্বাৰা অনুমান কৰিব নোৱাৰি।

প্ৰখ্যাত মীমাংসক শবৰস্বামীৰ মতে কোনো জ্ঞাত বিষয়ৰ সৈতে সাদৃশ্য থকা অজ্ঞাত বিষয়ৰ জ্ঞানেই হৈছে উপমান।মীমাংসক সকলৰ মতে সাদৃশ্য এটা স্বতন্ত্ৰ বিধেয়। ই এটা গুণ নহয়, কাৰণ গুণৰ মাজতো সাদৃশ্য থাকে। আনহাতে সাদৃশ্যক জাতি বা সামান্য বুলিও ক'ব নোৱাৰি, কাৰণ সামান্য হৈছে বিশিষ্টৰ মাজত থকা কিছুমান সম্পূৰ্ণ একে বিধৰ লক্ষণ।

শব্দ ঃ জ্ঞান লাভ কৰিব পৰা বিশ্বাসযোগ্য ব্যক্তিৰ বোধগম্য উক্তি বা লিখিত বাক্যকেই শব্দ বোলে। মীমাংসা দর্শনৰ মতে শব্দই হৈছে আটাইতকৈ উৎকৃষ্ট প্ৰমাণ। মীমাংসক সকলৰ মতে শব্দ প্ৰমাণৰ জৰিয়তে অতীন্দ্ৰিয় বিষয়ৰ জ্ঞান হয়। শব্দ দুই প্ৰকাৰৰ হ'ব পাৰে পৌৰুষেয় আৰু অপৌৰুষেয়। কোনো বিশ্বাসযোগ্য ব্যক্তিৰ দ্বাৰা কথিত বা লিখিত বাক্যৰ পৰা লাভ কৰা জ্ঞানকে পৌৰুষেয় বোলে। ইয়াক আপ্তবাক্য বুলিও কোৱা হয়। আনহাতে বেদৰ উক্তিসমূহক অপৌৰুষেয় বুলি কোৱা হয়।

অর্থাপত্তি ঃ দুটা পৰস্পৰবিৰোধী অভিজ্ঞতাৰ পৰা উদ্ভৱ হোৱা এটা স্বাভাৱিক প্ৰাকল্পিক (Presumtion) সিদ্ধান্তকে অর্থাপত্তি বোলে। উদাহৰণ স্বৰূপে, তেওঁ 'ঘৰতো নাই' 'বাহিৰতো নাই', গতিকে 'নিশ্চয় তেওঁৰ মৃত্যু হৈছে'। এইটো এটা যথার্থ জ্ঞান। দৰাচলতে দুটা অভিজ্ঞতাৰ পাৰস্পৰিক বিসংগতি বা বিৰোধিতাই হৈছে অর্থাপত্তিৰ ভিত্তি। প্ৰকল্পনৰদ্বাৰা এই বিসংগতি আঁতৰ কৰিলে অর্থাপত্তি হয়। অর্থাৎ দুটা বিসংগতিপূৰ্ণ অভিজ্ঞতাৰ নিশ্চিত সিদ্ধান্তই হৈছে অর্থাপত্তি।

অনুপলব্ধি ঃ মীমাংসক কুমাৰিল ভট্টইহে অনুপলব্ধিক স্বতন্ত্ৰ প্ৰমাণ হিচাবে গ্ৰহণ কৰিছে। তেওঁৰ মতে একমাত্ৰ অনুপলব্ধিৰদ্বাৰাইহে বিষয়ৰ অনস্তিত্ব বা অভাৱক জানিব পাৰি। কাৰণ অভাৱৰ সৈতে কোনো ইন্দ্ৰিয় সংযোগ সম্ভৱ নহয় অথবা ইয়াৰ মাজত কোনো ব্যাপ্তি সম্বন্ধও নাই, আকৌ অভাৱৰ কোনো মৌখিক জ্ঞানো সম্ভৱ নহয়।

৬.৪.২ ভ্ৰমতত্ত্ব (Theory of Error)

প্ৰভাকৰৰ মতে জ্ঞানে কেতিয়াও বিষয় এটাক মিথ্যাৰূপে দাঙি ধৰিব নোৱাৰে। সকলো জ্ঞানেই যথার্থ। দৰাচলতে ভ্ৰম এটা অ-জ্ঞান, কিন্তু মিথ্যা জ্ঞান নহয়। উদাহৰণ স্বৰূপে, যদি ৰজ্জু সর্পৰ কথাটো লোৱা হয় তেন্তে ইয়াকে ক'ব পাৰি যে জৰীডালকে

সাপ বুলি ভবা কথাটো ভ্ৰম নিশ্চয় হ'ব পাৰে, কিন্তু ই মিথ্যা জ্ঞান নহয়। প্ৰভাকৰৰ মতে ভ্ৰমো এক প্ৰকাৰৰ যথাৰ্থ জ্ঞান। প্ৰকৃততে ভ্ৰম উৎপত্তি হয় দুটা বিষয়ক একত্ৰিত কৰাৰ ফলত। এই ৰজ্জু সৰ্প বিষয়টোত দুই প্ৰকাৰৰ জ্ঞান হৈছে— এটা হ'ল দীঘল একাবেকা জৰীডাল আৰু আনটো হ'ল সাপৰ স্মৃতি জ্ঞান। এই দুয়োটা বিষয়কে একত্ৰিত কৰাৰ ফলত ভ্ৰম-জ্ঞান হৈছে। প্ৰত্যক্ষ লব্ধ জৰীডালো সঁচা আৰু সাপৰ স্মৃতিও সঁচা। ইয়াত সাপৰ স্মৃতি হিচাপে নলৈ প্ৰত্যক্ষ হিচাবে ধৰা হৈছে। এইয়া আচলতে স্মৃতি প্ৰদোষ। স্মৃতি-প্ৰদোষৰ ফলত প্ৰত্যক্ষ বস্তু আৰু স্মৃতি বস্তুৰ মাজত পাৰ্থক্য জ্ঞান নহয়। গতিকে জৰীৰ প্ৰতি থকা আচৰণ সাপৰ আচৰণলৈ পৰিৱৰ্তিত হয়। প্ৰভাকৰৰ এই সূত্ৰকে অখ্যাতিবাদ বোলা হয়।

কুমাৰিলভট্টৰ মতে কেৱল বিবেকা গ্ৰহৰ বাবে ভ্ৰমৰ উৎপত্তি নহয়। কেতিয়াবা কেতিয়াবা ভ্ৰমৰ বিষয়বোৰো ব্যক্তিৰ সন্মুখত ভাবাত্মক (Positive) ৰূপে দেখা দিয়ে। ৰজ্জুসৰ্প দৃষ্টান্তটোত জৰীডালত সাপ এটা ভাবাত্মকৰূপে দেখা দিয়ে আৰু তাকেই যথাৰ্থ জ্ঞান হিচাপে গ্ৰহণ কৰা হয়। 'এইটো এটা সাপ' বুলি কওঁতে উদ্দেশ্য আৰু বিধেয়ক যথাৰ্থ আৰু নিশ্চিতভাৱেই গ্ৰহণ কৰা হৈছে। এই দুটা বাস্তৱিক বিষয় (জৰী আৰু সাপ) উদ্দেশ্য আৰু বিধেয় ৰূপে সংযোজন কৰাৰ ফলত ভ্ৰমৰ উৎপত্তি হৈছে। ইয়াকে সংসৰ্গ গ্ৰহ বোলা হয়। এই সংসৰ্গ গ্ৰহৰ ফলত মিথ্যা সম্বন্ধৰ সৃষ্টি হয়। কুমাৰিল ভট্টৰ এই মতক বিপৰীত খ্যাতিবাদ বোলা হয়।



জানি থোৱা ভাল

১) বেদ চাৰিখন— ঋক্, যজুৰ্, সাম আৰু অথৰ্ব। প্ৰত্যেকখন বেদৰে চাৰিটাকৈ অংশ আছে— মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। মন্ত্ৰভাগক সংহিতাও বোলে। ব্ৰাহ্মণসমূহত মন্ত্ৰবোৰৰ প্ৰয়োগ আৰু আচাৰ আদি সম্পৰ্কে নিৰ্দ্দেশ দিয়া আছে। আৰণ্যকত দাৰ্শনিক তত্ত্বসমূহ অথবা পাৰমাৰ্থিক তত্ত্বসমূহৰ আলোচনাৰ আৰম্ভণি হয়। সমগ্ৰ বেদৰ অন্তৰ্নিহিত তত্ত্ব বা ৰহস্যসমূহ উপনিষদত আলোচনা কৰা হৈছে। উপনিষদসমূহ আটাইতকৈ শেষত ৰচনা কৰা হৈছে কাৰণে এইবোৰক বেদান্তও বোলা হয়। মীমাংসা দৰ্শনে বেদৰ মন্ত্ৰ আৰু ব্ৰাহ্মণ অংশৰ আলোচনা কৰিছে।

২) সমগ্ৰ বেদক আন এটা দিশৰ পৰা কৰ্ম-কাণ্ড আৰু জ্ঞানকাণ্ড নামেৰে দুটা ভাগত ভাগ কৰা হৈছে। কৰ্মকাণ্ডত বিভিন্ন ক্ৰিয়া কৰ্ম, যাগ-যজ্ঞাদি যথাযথভাৱে পালন কৰি কিদৰে মানুহে মোক্ষৰ পথত আগবাঢ়িব পাৰে তাকে আলোচনা কৰা হৈছে। জ্ঞানকাণ্ডত ব্ৰহ্ম, ঈশ্বৰ, আত্মা, জগত, সৃষ্টি, মোক্ষ আদি বিষয়সমূহৰ তাত্ত্বিক আলোচনা কৰা হৈছে।



অগ্রগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ ঃ 'মীমাংসা-সূত্ৰ'ৰ ৰচক কোন?

.....

প্ৰশ্ন ২ ঃ বেদান্ত দর্শনৰ ভাগ কেইটা আৰু কি কি?

.....

.....

প্ৰশ্ন ৩ ঃ 'ব্ৰহ্ম-সূত্ৰ'ৰ লিখকৰ নাম কি?

.....

প্ৰশ্ন ৪ ঃ কুমাৰিলভট্টৰ মতে জ্ঞানৰ উৎস কেই প্ৰকাৰৰ আৰু কি কি?

.....

.....

প্ৰশ্ন ৫ ঃ মীমাংসা দর্শনৰ ভাগ দুটাৰ নাম লিখক।

.....

.....

৬.৪.৩ অধ্যাত্মতত্ত্ব

মীমাংসাদর্শনে বাস্তৱিক জগতখনৰ অস্তিত্ব স্বীকাৰ কৰে। এই দর্শনে আত্মাৰ বহু সত্তাও স্বীকাৰ কৰিছে। তেওঁলোকৰ মতে প্ৰত্যেকটো চেতন দেহৰ মাজত আত্মা আছে। আত্মাবোৰ স্বৰূপতে নিত্য, অনন্ত, স্বচ্ছ কিন্তু চৈতন্যহীন দ্ৰব্যবিশেষ। তেওঁলোকৰ মতে জগতৰ অন্যান্য দ্ৰব্যসমূহ কিছুমান পৰমাণুৰ সমষ্টিত গঠিত। মীমাংসকসকলে লগতে ইয়াকো কয় যে জগতখন নিত্য আৰু অনন্ত, কোনো স্থান-কালৰ মাজত ইয়াৰ সৃষ্টি হোৱা নাই। পৰমাণুবোৰক একত্ৰিত কৰি জগত সৃষ্টি কৰাৰ বাবে কর্মফল অনুসৰি জীৱ সৃষ্টি কৰাৰ বাবে কোনো অসীম, অনন্ত শক্তিসম্পন্ন ঈশ্বৰ বা ব্যক্তি সত্তাৰ প্ৰয়োজন নাই। কর্মৰ অন্তর্নিহিত শক্তি অদৃষ্ট বা অপূর্বই জগত আৰু জীৱক পৰিচালনা কৰি আছে। মীমাংসা দর্শনে বৈদিক কর্মকাণ্ডৰ ওপৰত গুৰুত্ব দিয়া কাৰণে কর্মফল অর্থাৎ অদৃষ্ট বা অপূর্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বেদোক্ত বিধানসমূহ যথাযথভাৱে পালন কৰিলে ধর্ম লাভ হয় আৰু সেই ধর্মৰ দ্বাৰাই পাৰমার্থিক উদ্দেশ্যত উপনীত হ'ব পাৰি। মীমাংসাদর্শনে ঈশ্বৰ বা ব্ৰহ্মৰ অস্তিত্ব স্বীকাৰ নকৰে।

কার্য-কাৰণবাদৰ সম্বন্ধত মীমাংসা দর্শনে শক্তি-সূত্ৰ এটা দাঙি ধৰিছে। তেওঁলোকৰ মতে প্ৰত্যেকটো কাৰণৰ মাজত এটা অন্তর্নিহিত কার্যক্ষম শক্তি আছে। এই শক্তি বাধাপ্ৰাপ্ত নহ'লে কাৰণৰ পৰা কার্য্যৰ উৎপত্তি হয় আৰু যদি বাধাপ্ৰাপ্ত হয় তেন্তে কার্য্যৰ উদ্ভৱ নহয়। শক্তিৰ অস্তিত্বই কর্মফল প্ৰাপ্তিৰ অনিবার্য্যতা প্ৰমাণ কৰে।

যিকোনো কর্মই আত্মাৰ মাজত এটি অপ্রত্যক্ষ শক্তি উৎপন্ন কৰে, যাক অপূর্ব বোলা হয়। এই অপূর্বই উপযুক্ত সময় অনুসৰি আত্মাক তাৰ কর্মফল প্রদান কৰে।

প্রভাকৰে সাতোটা পদার্থৰ উল্লেখ কৰিছে— দ্রব্য, গুণ, কর্ম, সামান্য, পৰতন্ত্রতা, শক্তি আৰু সাদৃশ্য। কুমাৰিল ভট্টই দ্রব্য, গুণ, কর্ম, সামান্য আৰু অনুপলব্ধি— এই পাঁচোটা পদার্থৰ উল্লেখ কৰিছে। কুমাৰিলে শক্তি আৰু সাদৃশ্যক স্বতন্ত্র পদার্থ হিচাপে অস্বীকাৰ কৰি দ্রব্যৰ অন্তর্ভুক্ত কৰিছে। তেওঁ বৈশেষিকদর্শনে স্বীকাৰ কৰা নটা দ্রব্য (ক্ষিতি, অপ্, তেজ, বায়ু, আকাশ, কাল, দিক্ আত্মা আৰু মন) গ্রহণ কৰাৰ উপৰিও আন্ধাৰ আৰু শব্দ এই দুটাকো যোগ দিছে।

৬.৪.৪ আত্মা আৰু জ্ঞান

প্রভাকৰৰ মতে আত্মা হৈছে এটা অচেতন, শুদ্ধ, স্বচ্ছ দ্রব্য মাত্র। চৈতন্য আত্মাৰ নিজস্ব গুণ নহয়, ইয়াৰএটা আগন্তুক গুণ মাত্র। ধর্ম আৰু অধর্ম অনুসৰি আত্মাৰ মাজত জ্ঞান, অনুভূতি, ইচ্ছা, শক্তি আদি লক্ষণসমূহৰ উদ্ভৱ হয়।

কুমাৰিলৰ মতে আত্মা সম্পূর্ণ অচেতন নহয়। তেওঁৰ মতে দ্রব্য হিচাপে আত্মা অচেতন। ইয়াৰ মাজত এটা অন্তর্নিহিত চৈতন্য শক্তি আছে, যাক জ্ঞানশক্তি বুলিব পাৰি। গভীৰ নিদ্রা অৱস্থাত আত্মা তাৰ স্বৰূপাৱস্থাত থাকে। এই সময়ছোৱাত আত্মাৰ মাজত কোনো প্রকাৰৰ বিষয়ত্মাক চেতনা নাথাকে, কিন্তু আত্মাৰ এটা জ্ঞান-চৈতন্য থাকে। আত্মা দ্রব্য হিচাবে একে, কিন্তু প্রকাৰ হিচাপে বেলেগ বেলেগ।

আত্মাৰ স্বৰূপ সম্পর্কে প্রভাকৰ আৰু কুমাৰিলৰ মাজত মতভেদ থাকিলেও দুয়োগৰাকীয়ে আত্মাৰ বহুসত্তাৰ অস্তিত্বত বিশ্বাস কৰে। ভিন্ ভিন্ ব্যক্তিৰ অদৃষ্ট অনুসৰি ভিন্ ভিন্ ব্যক্তিয়ে কর্মফল ভোগ কৰে। আত্মাই পূর্বৰ কর্মফল অনুসৰি দেহ লাভ কৰে যাক ভোগায়তন বোলে, কর্মফল ভোগৰ বাবে ইন্দ্রিয়াদি লাভ কৰে যাক, ভোগসাধন বোলে আৰু ভোগ কৰিবৰ বাবে বিষয় লাভ কৰে, যাক ভোগবিষয় বোলে। আত্মাই হৈছে জ্ঞাতা, কর্তা, ভোক্তা। ই দেহ, মন, ইন্দ্রিয় আদিৰ পৰা পৃথক।

আত্মা আৰু তাৰ জ্ঞান সম্পর্কে মীমাংসক সকলৰ মত ঃ প্রভাকৰৰ মতে আত্মা যিহেতু এটা অচেতন শুদ্ধ দ্রব্য, গতিকে ইয়াৰ কোনো আত্মপ্রকাশ নাই। তেওঁৰ মতে একমাত্র জ্ঞানেই হৈছে স্বপ্রকাশিত। ইন্দ্রিয় আৰু বিষয়ৰ সংযোগতে জ্ঞানৰ উৎপত্তি হয়। এই জ্ঞান-চৈতন্যৰ কর্তা হৈছে আত্মা। এই আত্মাক আকৌ জ্ঞানৰ কর্তা হিচাপে জনা যায়, বিষয় হিচাপে নহয়। জ্ঞানে বিষয়ক প্রকাশিত কৰাৰ লগতে ইয়াৰ কর্তা (আত্মা) আৰু নিজকো প্রকাশিত কৰে। জ্ঞাতা, জ্ঞেয় (আত্মা) আৰু জ্ঞান এই তিনিটাৰে একত্রিত প্রকাশকে ত্রিপুটি প্রত্যক্ষ বোলে। প্রভাকৰৰ এই মতটোক ত্রিপুটি প্রত্যক্ষবাদ বোলে। তেওঁৰ মতে আত্মাৰ নিজস্ব কোনো চেতনা (জ্ঞান) নাই বাবেই গভীৰ নিদ্রাত কোনো জ্ঞান নাথাকে। কাৰণ সেই সময়ত জ্ঞানৰ কোনো বিষয় নাথাকে। সেই সময়ত মাত্র

শুদ্ধ অচেতন আত্মাদ্রব্য থাকে যিটো আত্মাৰ স্বৰূপ। প্ৰভাকৰৰ মতে চেতনা আৰু আত্ম-চেতনাৰ মাজত কোনো পাৰ্থক্য নাই। তেওঁৰ মতে চেতনা মানেই আত্মা-চেতনা অৰ্থাৎ বিষয় চেতনাই আত্মা চেতনা। গতিকে বিষয়-চেতনাৰ কৰ্তা হিচাপে আত্মাক জানিব পাৰি, বিষয় হিচাপে নহয়।

কুমাৰিলৰ মতে জ্ঞান স্বপ্ৰকাশিত নহয়। ই নিজেও প্ৰকাশিত নহয় আৰু ই আত্মাকো প্ৰকাশিত কৰিব নোৱাৰে। তেওঁৰ মতে জ্ঞান বা **চেতনা** প্ৰকাশিত হয় পৰোক্ষভাৱে। জ্ঞানে বিষয়ৰ মাজত এটা জ্ঞাততাৰ সৃষ্টি কৰে। এই **জ্ঞাততা**ৰ বাবেই বিষয় প্ৰকাশিত হয়। বিষয়ৰ এই জ্ঞাততাৰ পৰা পৰোক্ষভাৱে জ্ঞান প্ৰকাশিত হয়। জ্ঞানৰ কৰ্তা আত্মা। কুমাৰিলৰ মতে জ্ঞান বা চেতনা আত্মাৰ এটা আগন্তুক লক্ষণ (Dynamic mode)। গতিকে ই আত্মাক প্ৰকাশিত কৰিব নোৱাৰে। আত্মা প্ৰকাশিত হয় 'অহম্' প্ৰত্যয়ৰ বিষয় হিচাপে (Object of the I-notion)। অৰ্থাৎ জ্ঞানৰ কৰ্তা হিচাপে আত্মাৰ যি অহম্-প্ৰত্যয় হয় সেইটোৱেই আত্মাৰ প্ৰকাশ বা জ্ঞান। গতিকে আত্মাক বিষয় হিচাপে সাক্ষাৎভাৱে জানিব পাৰি।



চেতনা ঃ জ্ঞান (Consciousness) উপলব্ধি।

জ্ঞাততা ঃ প্ৰাকাট্য, প্ৰকট হোৱা।

জানি থোৱা ভাল

আত্মাৰ স্বৰূপৰ ক্ষেত্ৰত প্ৰভাকৰ আৰু কুমাৰিলে যি মতবাদ দাঙি ধৰিছে— তাত আংশিকভাৱে ভুল আছে বুলি কিছুমান দাৰ্শনিকে ক'ব খোজে। তেওঁলোকৰ মতে আত্মা এটা জড় দ্ৰব্য। কিন্তু ভাৰতীয় দৰ্শনৰ মতে আত্মাই একমাত্ৰ শুদ্ধ অসীম চৈতন্য সত্তা যি সকলো প্ৰকাৰ জ্ঞানৰ মূলভিত্তি। আত্মাই হৈছে পাৰমাৰ্থিক জ্ঞাতা, যি পাৰ্থিৱ জ্ঞাতাৰ দৰে পৰিৱৰ্তনশীল বা অনিত্য নহয়। মীমাংসা দৰ্শন আচলতে ন্যায়দৰ্শনৰ জড়বাদৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ বাবে আত্মা সম্পৰ্কে এনেকুৱা অবৈদিক ধাৰণা কৰা বুলি ক'ব পাৰি।

৬.৪.৫ ধৰ্ম

মীমাংসকসকলৰ মতে কৰ্মই হৈছে যথাৰ্থ ধৰ্ম। জৈমিনিৰ মতে কৰ্মত প্ৰবৃত্ত কৰা বিধানসমূহকে ধৰ্ম বোলে। (চোদনলক্ষণার্থো ধৰ্মঃ)। মীমাংসকসকলৰ মতে কৰ্মই বেদৰ চূড়ান্ত বিধান। এই বিধান অনুসৰি কৰা কৰ্মই ভাল ফল উৎপন্ন কৰে আৰু জীৱৰ অন্তিম উদ্দেশ্য অৰ্থাৎ মোক্ষ লাভ কৰাত সহায় কৰে। তেওঁলোকৰ মতে পাৰমাৰ্থিক তথা আধ্যাত্মিক বিষয়ৰ জ্ঞানো একমাত্ৰ বেদৰ পৰাই লাভ কৰিব পাৰি। এই বেদোক্ত বিধানসমূহৰ মাজতে সোমাই আছে ধৰ্ম নামৰ অতীন্দ্ৰিয় বিষয়। তেওঁলোকৰ মতে ধৰ্ম আৰু অধৰ্ম হৈছে যথাক্ৰমে সুখ আৰু দুখৰ পৰিচায়ক। কৰ্মৰ দ্বাৰা আত্মাৰ মাজত এক অদৃশ্য শক্তিৰ উদ্ভৱ হয় যাক 'অপূৰ্ব' বুলি কোৱা হয়। অপূৰ্বই আত্মাক কৰ্মৰ ফল দান কৰে অৰ্থাৎ কৰ্ম আৰু ফলৰ সম্বন্ধ হয় এই 'অপূৰ্ব'ৰ মাধ্যমত।

মীমাংসকসকলে কর্মক বহল ভিত্তিত তিনিটা শ্রেণীত ভাগ কৰিছে— (১) বাধ্যতামূলক কর্ম (Obligatory), (২) বৈপ্লৱিক কর্ম (Optional) আৰু (৩) নিষেধাত্মক কর্ম (Prohibited)।

১) যিবোৰ কর্ম নকৰিলে অধর্ম বা দুখৰ উৎপত্তি হয় সেইবোৰ কর্মকে বাধ্যতামূলক কর্ম বোলে। ইয়াৰ দুটা ভাগ আছে— নিত্য কর্ম (সন্ধ্যা বন্দনা আদি) আৰু নৈমিত্তিক (পূজা, যাগযজ্ঞাদি)।

২) বৈপ্লৱিক কর্মবোৰ কোনো ধৰণৰ বাধ্যতামূলক কর্ম নহয় যদিও এই কর্মবোৰ পালন কৰিলে ধর্ম বা ভাল ফল লাভ হয়। আনহাতে পালন নকৰিলেও কোনো অধর্ম নহয়। ইয়াক কাম্য কর্ম বুলিও কোৱা হয়।

৩) যিবোৰ কর্ম কৰিলে অধর্ম বা দুখৰ উৎপত্তি হয় তাকে নিষেধাত্মক কর্ম বোলে। ইয়াৰ উপৰিও আন এবিধ কর্ম আছে যাক প্রায়শ্চিত্ত কর্ম বোলা হয়। পূর্বকর্মৰ বেয়া ফল লাঘৱ কৰিবৰ বাবে প্রায়শ্চিত্ত কর্ম কৰা হয়।

প্রাচীন মীমাংসকসকলে ধর্মক বিশ্বাস কৰিছিল, মোক্ষক নহয়। তেওঁলোকে স্বর্গপ্রাপ্তিকেই জীৱনৰ মুখ্য উদ্দেশ্য বা মুখ্য কাম্য বুলি গণ্য কৰিছিল। আত্মা শুদ্ধ দ্রব্য। কিন্তু এই আত্মা শৰীৰ, মন, ইন্দ্রিয় আৰু চৈতন্য বোধৰ সংস্পর্শলৈ আহি কর্মত আসক্ত হৈ পৰে। বেদোক্ত ধর্ম পালন কৰি কর্মমুক্ত হৈ আত্মাই স্বর্গ লাভ কৰিব পাৰে।

পিছৰ কালৰ মীমাংসকসকলে কিন্তু স্বর্গৰ ঠাইত মোক্ষৰ ধাৰণাটো আনে। মীমাংসা দর্শনত মোক্ষক অপবর্গ বুলি কোৱা হয়। এই সকল মীমাংসকৰ মতে কর্মই হৈছে আত্মাৰ সংসাৰ বন্ধনৰ একমাত্র কাৰণ। কর্মৰ পৰা পৰিত্রাণ লাভ কৰিব পাৰিলেহে আত্মা বন্ধনমুক্ত হৈ নিজৰ শুদ্ধ স্বৰূপ উপলব্ধি কৰিব পাৰে। এই উপলব্ধিয়েই হৈছে মোক্ষ। মীমাংসাৰ মতে কর্মই একমাত্র ধর্ম যদিও যিকোনো কর্ম কৰিলেই আত্মাই মুক্তি লাভ কৰিব নোৱাৰে। বেদোক্ত বিধানমূলক কর্মসমূহ নিষ্কামভাৱে কৰিলেহে আত্মাই স্বাভাৱিকতে মোক্ষ লাভ কৰিব পাৰে।

মীমাংসকসকলৰ মতে স্বর্গলাভৰ আশাত কর্ম কৰিলে বন্ধনৰহে সৃষ্টি হয়। পিছৰ কালৰ মীমাংসকসকলৰ মতে নিষ্কাম কর্মত প্রবৃত্ত হোৱাৰ উপায় হ'ল আসক্তি ত্যাগ কৰিব পৰাটো। আসক্তি ত্যাগ কৰিব পাৰি জ্ঞানৰ জৰিয়তে। গতিকে প্রভাকৰে মোক্ষ লাভৰ মুখ্য উপায় হিচাপে কর্মত গুৰুত্ব দিছে যদিও জ্ঞানকো মোক্ষ লাভৰ উপায় হিচাপে স্বীকাৰ কৰিছে। আনহাতে, কুমাৰিলে জ্ঞান আৰু কর্ম দুয়োটাকে মোক্ষ লাভৰ বাবে সমানে প্রয়োজন বুলি অভিহিত কৰিছে। তেওঁৰ মতে নিত্য-নৈমিত্তিক কর্মৰ দ্বাৰাই জ্ঞান লাভ কৰিব পাৰি আৰু সেই জ্ঞানেই শেষত মোক্ষত উপনীত কৰায়।

৬.৪.৬ মীমাংসা দর্শনত ঈশ্বৰৰ স্থান

মীমাংসা দর্শন বেদৰ কর্ম-কাণ্ডৰ ওপৰত ভিত্তি কৰি সৃষ্টি হোৱা দর্শন। বেদত বহুতো দেৱ-দেৱীৰ কথা আলোচনা কৰা হৈছে। এই দেৱ-দেৱীবোৰক এই দর্শনে

কিছুমান অবিনাশী সত্তা হিচাপে গ্ৰহণ কৰে। বেদোক্ত ধৰ্মৰ প্ৰাধান্য ৰক্ষাৰ বাবেই পৰম ঈশ্বৰ বুলি কোনো অস্তিত্বকে তেওঁলোকে স্বীকাৰ কৰা নাই। বেদোক্ত ধৰ্মৰ বাহিৰে জগত সৃষ্টি বা জীৱক কৰ্মফল প্ৰদানৰ বাবে ঈশ্বৰৰ প্ৰয়োজন নাই বুলি তেওঁলোকে ভাবে। বেদকেই ঈশ্বৰ বুলি ভাবে। কাৰণ ঈশ্বৰেই হৈছে একমাত্ৰ সৎ বা ধৰ্ম আৰু এই ধৰ্ম নিহিত আছে বেদোক্ত বিধানসমূহত।



জানি থোৱা ভাল

মীমাংসা-দৰ্শনৰ কিছুমান উল্লেখযোগ্য গ্ৰন্থ আৰু গ্ৰন্থকাৰৰ নাম—

	গ্ৰন্থৰ নাম	**গ্ৰন্থকাৰৰ নাম**	**আনুমানিক আবিৰ্ভাৱ কাল**
১)	মীমাংসা সূত্ৰ	জৈমিনি	খ্ৰীঃপূঃ চতুৰ্থ শতিকা
২)	শৱৰ ভাষ্য	শবৰ স্বামী	২০০ খ্ৰীষ্টাব্দ
৩)	বৃহট্টীকা, শ্লোকবাৰ্তিক, তন্ত্ৰবাৰ্তিক, টুপ্-টীকা	কুমাৰিল ভট্ট	৬২০-৭০০ খ্ৰীষ্টাব্দ
৪)	বৃহতী, লঘ্বী	প্ৰভাকৰ মিশ্ৰ	৬৫০-৭২০ খ্ৰীষ্টাব্দ
৫)	বিধিবিবেক, ভাবনাবিবেক, ভ্ৰমবিবেক, ব্ৰহ্মসিদ্ধি, মীমাংসাসূত্ৰানুক্ৰমনিকা	মণ্ডন মিশ্ৰ	৬৮০-৭৫০ খ্ৰীঃ
৬)	ন্যায়কণিকা	বাচস্পতি মিশ্ৰ	৮০০-৯০০ খ্ৰীঃ
৭)	ন্যায়ৰত্নাকৰ, শাস্ত্ৰদীপিকা, ন্যায়ৰত্নমালা, তন্ত্ৰৰত্ন	পাৰ্থসাৰথি মিশ্ৰ	১০৫০-১১২০ খ্ৰীঃ
৮)	প্ৰকৰণ পঞ্চিকা, ঋজুবিমলা পঞ্চিকা	শালিকনাথ মিশ্ৰ	৮০০ খ্ৰীষ্টাব্দ
৯)	অৰ্থসংগ্ৰহ	লৌগাক্ষি ভাস্কৰ	১৬০০ খ্ৰীষ্টাব্দ

উপৰোক্ত গ্ৰন্থবোৰৰ উপৰিও মীমাংসাদৰ্শনৰ আৰু যথেষ্ট সংখ্যক গ্ৰন্থ আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ প্ৰভাকৰৰ মতে পদাৰ্থ কেইটা আৰু কি কি?

.....

.....

প্ৰশ্ন ৭ ঃ ত্ৰিপুটি প্ৰত্যক্ষবাদ কাক বোলে?

.....

.....

.....

প্ৰশ্ন ৮ ঃ মীমাংসকসকলে কৰ্মক বহল ভিত্তিত কেইটা ভাগত ভাগ কৰিছে? ভাগকেইটা কি কি?

.....

.....

প্ৰশ্ন ৯ ঃ অপূৰ্ব কাক বোলে?

.....

.....

প্ৰশ্ন ১০ ঃ অপবৰ্গ কি?

.....

.....



৬.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- মীমাংসা শব্দৰ তাৎপৰ্য্য জানিলোঁ।
- মীমাংসা দৰ্শনৰ বিভিন্ন বিষয়বস্তুৰ লগত পৰিচিত হ'লোঁ।
- মীমাংসা দৰ্শনৰ বিভিন্ন গ্ৰন্থ তথা গ্ৰন্থকাৰৰ নাম জানিলোঁ।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দৰ্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ,ভট্টাচাৰ্য্য,নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখাৰ্জী এণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Sharma, Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.

1) Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.



৬.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ 'মীমাংসা- সূত্ৰ'ৰ ৰচক হ'ল মহৰ্ষি জৈমিনি।

২নং প্ৰশ্নৰ উত্তৰ ঃ বেদান্ত দৰ্শনৰ ভাগ ৫টা— অদ্বৈতবাদ, বিশিষ্টাদ্বৈতবাদ, দ্বৈতবাদ, দ্বৈতাদ্বৈতবাদ, শুদ্ধাদ্বৈতবাদ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ 'ব্ৰহ্মসূত্ৰ'ৰ লিখকৰ নাম বাদৰায়ণ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ কুমাৰিলভট্টৰ মতে জ্ঞানৰ উৎস ছয় প্ৰকাৰৰ— প্ৰত্যক্ষ, অনুমান, শব্দ, উপমান, অৰ্থাপত্তি আৰু অনুপলব্ধি।

৫নং প্ৰশ্নৰ উত্তৰ ঃ মীমাংসা দৰ্শনৰ ভাগ দুটাৰ নাম হ'ল— প্ৰাভাকৰ মীমাংসা আৰু ভাট্টমীমাংসা।

৬নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰভাকৰৰ মতে পদাৰ্থ সাতোটা। পদাৰ্থকেইটা হ'ল— দ্ৰব্য, গুণ, কৰ্ম, সামান্য, পৰতন্ত্ৰতা, শক্তি আৰু সাদৃশ্য।

৭নং প্ৰশ্নৰ উত্তৰ ঃ জ্ঞানে বিষয়ক প্ৰকাশিত কৰাৰ লগতে ইয়াৰ জ্ঞাতা আৰু নিজকো প্ৰকাশিত কৰে। জ্ঞাতা, জ্ঞেয় (বিষয়) আৰু জ্ঞান— এই তিনিওটাৰে একত্ৰিত প্ৰকাশকে ত্ৰিপুটি প্ৰত্যক্ষবাদ বোলে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ মীমাংসকসকলে কৰ্মক বহলভিত্তিত তিনিটা ভাগত ভাগ কৰিছে। ভাগ তিনিটা হ'ল— বাধ্যতামূলক কৰ্ম, বৈপ্লৱিক কৰ্ম আৰু নিষেধাত্মক কৰ্ম।

৯নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্মৰ জৰিয়তে আত্মাৰ মাজত এক অদৃশ্য শক্তিৰ উদ্ভৱ হয়। এই শক্তিকে অপূৰ্ব বোলে।

১০নং প্ৰশ্নৰ উত্তৰ ঃ মীমাংসাদৰ্শনত মোক্ষকে অপবৰ্গ বোলে। মীমাংসকসকলৰ মতে বেদোক্ত বিধানমূলক কৰ্মসমূহ নিষ্কামভাৱে কৰিলে আত্মাই মোক্ষ লাভ কৰিব পাৰে।



৬.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ মীমাংসা শব্দৰ তাৎপৰ্য্য লিখক।

প্ৰশ্ন ২ ঃ মীমাংসা দৰ্শন অনুসৰি কৰ্মৰ ভাগকেইটা লিখক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ভ্ৰমতত্ত্বৰ চমু বৰ্ণনা দিয়ক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ মীমাংসা দৰ্শনৰ জ্ঞানতত্ত্বৰ বিশদ বিৱৰণ দিয়ক।

প্ৰশ্ন ২ ঃ মীমাংসা দৰ্শনৰ অধ্যাত্মতত্ত্বৰ বৰ্ণনা দিয়ক।

প্ৰশ্ন ৩ ঃ মীমাংসা দৰ্শনত ধৰ্মৰ স্থান সম্পৰ্কে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ বেদান্ত দর্শনৰ পৰিচয় (প্ৰথম ভাগ)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ বেদান্তৰ উৎপত্তি আৰু ক্ৰমবিকাশ
৭.৪ অদ্বৈত বেদান্ত দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস
৭.৪.১ জ্ঞানতত্ত্ব
৭.৪.২ ব্ৰহ্মতত্ত্ব
৭.৪.৩ জগততত্ত্ব
৭.৪.৪ মায়াতত্ত্ব
৭.৪.৫ ঈশ্বৰতত্ত্ব
৭.৪.৬ জীৱতত্ত্ব
৭.৪.৭ মোক্ষতত্ত্ব
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্ৰগতিৰ খতিয়ান
৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বেদান্ত শব্দৰ অর্থ জানিব পাৰিব
- বেদান্ত দর্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পর্কে অৱগত হ'ব
- জ্ঞানতত্ত্বৰ বিষয়ে জানিব পাৰিব
- ব্ৰহ্মৰ স্বৰূপ তথা জগত সৃষ্টিৰ ক্ষেত্ৰত ব্ৰহ্মৰ ভূমিকাৰ বিষয়ে জানিব পাৰিব
- অদ্বৈতবেদান্তত মায়াবাদৰ ভূমিকাৰ বিষয়ে অৱগত হ'ব
- ঈশ্বৰতত্ত্বৰ বিষয়ে জানিব পাৰিব
- জীৱৰ মুক্তিৰ সম্পর্কে জানিব পাৰিব।

৭.২ পৰিচয়

বেদৰ জ্ঞানকাণ্ডৰ ওপৰত ভিত্তি কৰি মহর্ষি বাদৰায়ণে 'ব্ৰহ্মসূত্ৰ' নামৰ গ্ৰন্থখন ৰচনা কৰি বেদান্ত দর্শনৰ ভেটি ৰচনা কৰে। বাদৰায়ণে উপনিষদৰ মূল তত্ত্বসমূহ সংগ্ৰহ কৰি প্ৰথমবাৰৰ

বাবে শৃঙ্খলাবদ্ধভাৱে 'ব্ৰহ্ম-সূত্ৰ' নামৰ গ্ৰন্থখন ৰচনা কৰে। যথার্থজ্ঞানৰ জৰিয়তে এই সংসাৰখনৰ পৰা যে মুক্তি লাভ কৰিব পাৰি তাকেই বেদান্তদর্শনে যুক্তিৰে বিশ্লেষণ কৰি দেখুৱাইছে। 'ব্ৰহ্মসূত্ৰ' গ্ৰন্থখনৰ ওপৰত বিভিন্ন দার্শনিক পণ্ডিতে ভাষ্য লিখি নিজা নিজা মতবাদ প্ৰকাশ কৰে। এই মতবাদৰ ওপৰত ভিত্তি কৰি ভিন্ ভিন্ বেদান্ত সম্প্ৰদায়ৰ সৃষ্টি হয়। তাৰ ভিতৰত মুখ্য সম্প্ৰদায়সমূহ হৈছে— শঙ্কৰাচার্য্যৰ অদ্বৈতবাদ, ৰামানুজৰ বিশিষ্টাদ্বৈতবাদ, মধ্বাচার্য্যৰ দ্বৈতবাদ, নিম্বার্কাচার্য্যৰ দ্বৈতাদ্বৈতবাদ আৰু বল্লভাচার্য্যৰ শুদ্ধাদ্বৈতবাদ।

মীমাংসা আৰু বেদান্ত এই দুয়োটা দার্শনিক সম্প্ৰদায়ে একেখন বেদৰে দুটা অংশক (কর্মকাণ্ড আৰু জ্ঞানকাণ্ড) পৃথক পৃথকভাৱে আলোচনা কৰি দেখুৱাইছে। গতিকে এই দুয়োটা দার্শনিক সম্প্ৰদায়কে সমানতান্ত্ৰিক দার্শনিক সম্প্ৰদায় হিচাপেও গণ্য কৰা হয়। দুয়োটা সম্প্ৰদায়ৰে বিষয়বস্তু অধ্যয়ন কৰিলে এটা কথা স্পষ্টহৈ পৰে যে কর্ম আৰু জ্ঞানৰ সমন্বয়তে পৰমার্থ লাভ হয়। প্ৰকৃততে মীমাংসা দর্শনক বেদান্তদর্শনৰ আৰম্ভণি বুলি ক'ব পাৰি। বেদান্তক জানিবলৈ হ'লে মীমাংসাৰ জ্ঞান অপৰিহার্য্য।

অদ্বৈত বেদান্তৰ মুখ্য দার্শনিক হ'ল শঙ্কৰাচার্য্য। তেওঁ বিভিন্ন উপনিষদ তথা ব্ৰহ্মসূত্ৰৰ ওপৰত ভাষ্য ৰচনা কৰে। শঙ্কৰাচার্য্যই উপনিষদ আৰু ব্ৰহ্মসূত্ৰ গভীৰভাৱে অধ্যয়ন কৰি ব্ৰহ্মৰ সৈতে জীৱ আৰু জগতৰ সম্বন্ধ সম্পর্কে এটি যথার্থ গ্ৰহণযোগ্য সিদ্ধান্তত উপনীত হয়। এই সম্বন্ধ ব্যাখ্যা কৰিবলৈ গৈ তেওঁ 'মায়া' নামৰ মৌলিক তত্ত্বৰ অৱতাৰণা কৰে। এই মায়াতত্ত্বৰ জৰিয়তে তেওঁ ব্ৰহ্মৰ অদ্বৈত লক্ষণ আৰু ব্ৰহ্মৰ সৈতে জীৱ আৰু জগতৰ সম্বন্ধ যে কেৱল যথার্থ সেইটো প্ৰতিপন্ন কৰে। বাদৰায়ণৰ ব্ৰহ্মসূত্ৰক ভিত্তি কৰি অদ্বৈতবাদ প্ৰতিপন্ন কৰিবলৈ যাওঁতে তেওঁ যি মায়াতত্ত্বৰ অৱতাৰণা কৰিছে তাৰ বাবে তেওঁ শ্ৰুতিৰ সমর্থন লৈছিল। অদ্বৈত বেদান্তৰ মূল বক্তব্য হ'ল— 'ব্ৰহ্ম সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈৱ নাপৰঃ' অর্থাৎ ব্ৰহ্ম একমাত্ৰ সত্য, জগত মিছা, জীৱ ব্ৰহ্মস্বৰূপ, জীৱ ব্ৰহ্মৰ পৰা ভিন্ন নহয়।

এই অধ্যায়ত বেদান্ত দর্শনৰ উৎপত্তি, অদ্বৈতবেদান্ত দর্শনৰ বিভিন্ন তত্ত্ব— মায়া, ব্ৰহ্ম, জগত, জীৱ, ঈশ্বৰ আদিৰ বিষয়ে আলোচনা কৰা হৈছে।

৭.৩ বেদান্তৰ উৎপত্তি আৰু ক্ৰমবিকাশ

শাব্দিক অর্থত 'বেদান্ত'ৰ অর্থ হ'ল 'বেদৰ অন্ত' বা 'বেদৰ শেষভাগ'। বেদৰ অন্তভাগ হ'ল উপনিষদ। উপনিষদৰ প্ৰমাণেই হ'ল বেদান্ত (বেদান্তো নামো উপনিষদ প্ৰমাণম্)। বৈদিক সাহিত্যৰ চাৰিটা ভাগৰ ভিতৰত উপনিষদসমূহ আটাইতকৈ শেষত ৰচিত কাৰণে এইবোৰক বেদান্ত বোলা হয়। অৱশ্যে বৈদিক চিন্তাধাৰাৰ পূর্ণ বিকাশ উপনিষদতে লক্ষ্য কৰা যায় বাবেও উপনিষদক বেদান্ত আখ্যা দিয়া হয় বুলি কিছুমান পণ্ডিতে মত দাঙি ধৰে।

বেদান্তৰ আন এটা নাম হৈছে উত্তৰ-মীমাংসা। তর্কৰ মাধ্যমত যি শাস্ত্ৰৰ জৰিয়তে উপনিষদক বোধগম্য কৰি তোলা হয় তাকে উত্তৰ মীমাংসা বা বেদান্ত বুলি কোৱা হয়।

মহর্ষি বাদৰায়ণে পোনপ্ৰথমবাৰৰ বাবে উপনিষদৰ বিভিন্ন তত্ত্বসমূহ শৃঙ্খলাবদ্ধ কৰি এক ঐক্যসূত্ৰ নিৰ্ণয়ৰ প্ৰচেষ্টাৰে 'ব্ৰহ্মসূত্ৰ' ৰচনা কৰে। ইয়াৰ মুখ্য আলোচ্য বিষয় হ'ল ব্ৰহ্মজিজ্ঞাসা। উপনিষদ, ভগৱদ্‌গীতা আৰু ব্ৰহ্মসূত্ৰ আৰু ইয়াৰ ভাষ্যগ্ৰন্থসমূহ হ'ল বেদান্তদর্শনৰ মূল ভিত্তি। ইয়াক একেলগে 'প্ৰস্থানত্ৰয়' বুলি কোৱা হয়।

'উপনিষদত বৈদিক চিন্তাধাৰাৰ পূৰ্ণবিকাশ ঘটিছে'— এই কথাষাৰি এই অধ্যায়ৰ আৰম্ভণিতে উল্লেখ কৰা হৈছে। ঋগ্‌বেদতে 'বেদান্ত'ৰ বীজ নিহিত হৈ থকা দেখা যায়। আনহাতে, অদ্বৈতবাদৰো মূল ঋগ্‌বেদ। ঋগ্‌বেদত বিভিন্ন মন্ত্ৰত একাধিক দেৱতাৰ স্তুতি কৰা হৈছে। অৱশ্যে যেতিয়াই যিগৰাকী দেৱতাৰ স্তুতি কৰা হৈছে, তেতিয়াই সেই গৰাকী দেৱতাক পৰম দেৱতা হিচাপে অভিহিত কৰা হৈছে আৰু প্ৰত্যেক দেৱতাৰ মাজতে অন্যান্য দেৱতাসকলো আশ্ৰিত— এই কথা মন্ত্ৰত উল্লেখ কৰা হৈছে। ম্যাক্সমূলাৰৰ মতে বেদৰ দেৱতাতত্ত্ব বহু ঈশ্বৰবাদ নহয়, এক পৰমসত্তাত বহু দেৱতাৰ মিলনহে। অর্থাৎ ঋত্বিকসকলে একে বস্তুকে বহুতো নামেৰে কল্পনা কৰি লৈ যজ্ঞ সম্পাদন কৰি থাকে। দৰাচলতে জগতৰ সকলো বস্তুতে এক চৈতন্য সত্তাৰ অস্তিত্ব বিৰাজমান। এয়াই হ'ল অদ্বৈতবাদৰ মূল কথা। সকলো দেৱতা এক অবিনাশী মহাশক্তিৰ বিকাশ এই কথা ঋগ্‌বেদৰ ৪/৫৮/১১ সূক্তত স্পষ্টভাৱে উল্লেখ কৰা হৈছে। আন কিছুমান মন্ত্ৰত কোৱা হৈছে— দেৱতাগণ একেটা শক্তিৰ বিভিন্ন বিকাশ, বিভিন্ন ৰূপ, বিভিন্ন আকাৰ। সমস্ত বিশ্বজগত এক পৰমসত্তাত বিধৃত— এই কথাও ঋগ্‌বেদতে উল্লেখ আছে।

যদিও বেদত উপনিষদীয় চিন্তাধাৰাৰ বীজ নিহিত আছে বুলি কোৱা হয়, তথাপি কিন্তু এটা কথা লক্ষণীয় যে বেদত কোনো সুবিন্যস্ত উপনিষদীয় চিন্তাধাৰা লক্ষ্য কৰা নাযায়। বেদত যি সর্বব্যাপী পৰমসত্তাৰ ধাৰণা দেখা যায়, সি উপনিষদত যুক্তিতর্কৰ মাধ্যমেৰে আলোচিত হৈ এটা সুস্পষ্ট, সুবিন্যস্ত দার্শনিক মতবাদ হিচাপে গঢ় লৈ উঠিছে। এই পৰমসত্তাকেই উপনিষদত কেতিয়াবা ব্ৰহ্ম, কেতিয়াবা আত্মা, কেতিয়াবা ঈশ্বৰ, কেতিয়াবা সৎ হিচাপে অভিহিত কৰা হৈছে। বিভিন্ন উপনিষদত ব্ৰহ্মৰ বর্ণনা কৰা দেখা যায়। ব্ৰহ্ম আদি-অন্তহীন, দেশাতীত, কালাতীত, সনাতন। 'ব্ৰহ্মৰ পৰাই জগতৰ উৎপত্তি হৈছে', 'ব্ৰহ্ম সঁচাই জগতস্ৰষ্টা নে জগত মায়া', 'ব্ৰহ্মাই একমাত্ৰ সত্য নে?', 'কেৱল' নির্গুণ ব্ৰহ্মৰহে অস্তিত্ব আছেনে?' ইত্যাদি বিষয়ৰ বিভিন্ন ব্যাখ্যা উপনিষদত পোৱা যায়। ব্ৰহ্মসূত্ৰ গ্ৰন্থত ইয়াৰ যথার্থ নিৰূপণ কৰিবলৈ বাদৰায়ণে চেষ্টা কৰা দেখা যায় যদিও গ্ৰন্থখন সূত্ৰাকাৰত সংক্ষিপ্ত হোৱা বাবে বিভিন্ন দার্শনিকে ব্ৰহ্মসূত্ৰৰ ওপৰত ভাষ্য লিখে। এই ভাষ্যবোৰৰ ভিতৰত শঙ্কৰাচার্য্য আৰু ৰামানুজৰ ভাষ্য বিশেষভাৱে প্ৰসিদ্ধ। শঙ্কৰাচার্য্যৰ মতে সৃষ্টি মিছা, ব্ৰহ্ম জগতস্ৰষ্টা নহয়। শঙ্কৰাচার্য্যৰ মতবাদ 'অদ্বৈতবাদ' নামে পৰিচিত।



জানি থোৱা ভাল

ক) উপনিষদৰ বিক্ষিপ্ত তথ্যসমূহ সংগ্ৰহ কৰি শৃঙ্খলাবদ্ধৰূপে সর্বপ্ৰথম বাদৰায়ণে তেওঁৰ ব্ৰহ্মসূত্ৰ গ্ৰন্থত দাঙি ধৰি বেদান্ত দর্শনৰ পাতনি মেলে। ইয়াৰ পাছত আচার্য্য গৌড়পাদে ব্ৰহ্মসূত্ৰৰ ব্যাখ্যা কৰি বেদান্ত দর্শনক অদ্বৈত-

বেদান্ত হিচাপে এটা সম্প্ৰদায়ভুক্ত কৰে। ব্ৰহ্মসূত্ৰৰ উপৰিও তেওঁ অদ্বৈতবাদৰ ভিত্তিস্বৰূপ মাণ্ডুক্য উপনিষদৰ ওপৰত ভাষ্য লিখে। ইয়াকেই গৌড়পাদ কাৰিকা বা মাণ্ডুক্য কাৰিকা বোলে। গৌড়পাদ দর্শনৰ মূল তত্ত্বটোক 'অজাতিবাদ' বোলা হয়। 'অজাতি' শব্দৰ অর্থ হ'ল যি সৎ তাৰ কোনো বিকাৰ নহয়, অর্থাৎ তাৰ পৰা কোনো সৃষ্টি হ'ব নোৱাৰে।

খ) শঙ্কৰাচার্য্যক অদ্বৈতবেদান্ত দর্শনৰ মুখ্য দার্শনিক হিচাপে গণ্য কৰা হয়। যদিও শঙ্কৰাচার্য্যৰ আগতে গৌড়পাদে অদ্বৈতবাদৰ পাতনি মেলে, তথাপি পৰম সত্তা ব্ৰহ্মৰ সৈতে জীৱ আৰু জগতৰ সম্বন্ধ সম্পর্কে সমস্যাটোৰ নিষ্পত্তি হোৱা নাছিল। শঙ্কৰাচার্য্যই নিজস্ব বিশ্লেষণ তথা যুক্তি-বিচাৰৰ দ্বাৰা বিৰোধীপক্ষৰ মতবোৰ খণ্ডন কৰি এটি যথার্থ গ্ৰহণযোগ্য সিদ্ধান্তত উপনীত হৈছিল।

গ) বেদান্ত দর্শনৰ মূলগ্ৰন্থ 'ব্ৰহ্মসূত্ৰ'ৰ অন্যান্য নামবোৰ হ'ল— শাৰীৰক সূত্ৰ, বেদান্ত সূত্ৰ, শাৰীৰক মীমাংসা, উত্তৰ মীমাংসা। এই গ্ৰন্থখনত ৫৫৫টা সূত্ৰ আছে। গ্ৰন্থখন চাৰিটা অধ্যায়ত বিভক্ত। প্ৰত্যেকটো অধ্যায় ৪টা পাদত বিভক্ত। প্ৰত্যেকটো পাদ আকৌ কেইবাটাও 'অধিকৰণ'ত বিভক্ত। অধিকৰণবোৰৰ প্ৰত্যেকতে পাঁচোটা অঙ্গ আছে। এই গ্ৰন্থত বাদৰায়ণে পৰমাত্মা বা ব্ৰহ্মকেই একমাত্ৰ অদ্বিতীয় পৰম অস্তিত্ব বুলি প্ৰতিপন্ন কৰিছে। ব্ৰহ্মসূত্ৰৰ মুখ্য ভাষ্যকাৰসকল হ'ল— শঙ্কৰাচার্য্য, ৰামানুজাচার্য্য, মধ্বাচার্য্য, নিম্বার্কাচার্য্য, বল্লভাচার্য্য।

৭.৪ অদ্বৈতবেদান্ত দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস

এই অংশত আপুনি অদ্বৈতবেদান্তৰ বিভিন্ন বিষয়বস্তু অর্থাৎ জ্ঞানতত্ত্ব, ব্ৰহ্মতত্ত্ব, জগততত্ত্ব, মায়াতত্ত্ব, ঈশ্বৰতত্ত্ব, জীৱতত্ত্ব, মোক্ষতত্ত্ব আদিৰ বিষয়ে জানিব পাৰিব।

৭.৪.১ জ্ঞানতত্ত্ব

অদ্বৈত বেদান্তদর্শনত জ্ঞান হৈছে মন বা অন্তঃকৰণে নিজৰ বৃত্তিৰ দ্বাৰা সংগঠিত কৰা আৰু আত্মাৰ জ্যোতিৰে প্ৰভাসিত হোৱা বিষয়ৰ গুণৰাশি। জ্ঞাতা হ'ল অহঙ্কাৰাশ্ৰিত মন। মনৰ **বৃত্তি** অনুসৰি জ্ঞান হয়। জ্ঞানৰ বাবে এটা প্ৰক্ৰিয়া আৰু এটা বিষয়ৰ প্ৰয়োজন। মন ব্যক্তি বিশেষে ভিন্ন বা জ্ঞানো ব্যক্তি বিশেষে ভিন্ন হয়। ব্যক্তিৰ অতীত কর্মৰ ওপৰতে ইয়াৰ ব্যাপকতা নির্ভৰ কৰে। এয়াই হৈছে জ্ঞাতা, জ্ঞেয় আৰু চেতনাৰ সমষ্টিত উৎপন্ন হোৱা বৌদ্ধিক জ্ঞানৰ **প্ৰক্ৰিয়া**। এই জ্ঞানত উদ্দেশ্য-বিধেয় জড়িত, গতিকে দ্বন্দ্বাত্মক। উদ্দেশ্য একমাত্ৰ সৎ বা পৰমসত্তা। কিন্তু মনে তাক নিজৰ বৃত্তি অনুসৰি কিছুমান গুণৰ দ্বাৰা নির্ণয় কৰি তোলে, যদিও প্ৰকৃততে সি সেইটো নহয়।

জ্ঞান প্ৰক্ৰিয়াত জ্ঞানৰ সৈতে জ্ঞাতা আৰু জ্ঞেয় বা বিষয়ৰ অনিবার্য সম্বন্ধ থকা বুলি শঙ্কৰাচার্য্যই স্বীকাৰ কৰে। জ্ঞানৰ ক্ষেত্ৰত কোনো পৰম সত্য বোলা কথা



বৃত্তি ঃ মনে বিষয়ৰ যি আকাৰ ধাৰণ কৰে তাকে বৃত্তি বোলে।

প্ৰক্ৰিয়া ঃ মনৰ দ্বাৰা নিৰূপিত বিষয়ৰ চেতনাকে জ্ঞান প্ৰক্ৰিয়া বোলে।



অধ্যাস ঃ অযথার্থক যথার্থৰূপে দাঙি ধৰা বৌদ্ধিক প্ৰক্ৰিয়াকে অধ্যাস (Superimposition) বোলে।

থাকিব নোৱাৰে বা সম্পূৰ্ণ মিথ্যা বোলা কোনো কথা নাই। জ্ঞান মানেই বিষয় জড়িত। গতিকে সত্য আৰু মিথ্যা দুয়োটাই আপেক্ষিক।

শঙ্কৰাচাৰ্য্যৰ মতে অধ্যাসেই অবিদ্যা। এই অবিদ্যাই ভ্ৰমৰ সৃষ্টি কৰে। জৰী এডালক সাপ বুলি ভবাটো যিদৰে **অধ্যাস**ৰ ফলত উৎপন্ন হোৱা এটা ভ্ৰম, সেইদৰে সকলোবোৰ বৌদ্ধিক জ্ঞানেই অধ্যাসৰ ফলত উৎপন্ন হোৱা এটা ভ্ৰম। এই অধ্যাসেই হৈছে বন্ধনৰ মূল কাৰণ। আত্মাৰ স্বৰূপ হৈছে যথার্থ জ্ঞান। গতিকে বৌদ্ধিক জ্ঞান আতৰ নকৰিলে যথার্থ জ্ঞানৰ স্বৰূপ উদ্ভাসিত হ'ব নোৱাৰে। শঙ্কৰাচাৰ্য্যৰ মতে সামগ্ৰিক চেতনা বা অনুভূতিয়েই হৈছে যথার্থ জ্ঞান। যথার্থ জ্ঞান কেতিয়াও দ্বন্দ্বাত্মক হ'ব নোৱাৰে। দৰাচলতে জ্ঞানেই হৈছে আত্মা। গতিকে আত্মা বা ব্ৰহ্মাই একমাত্ৰ সত্য।

শঙ্কৰাচাৰ্য্যই তিনি প্ৰকাৰৰ জ্ঞানৰ উৎস উল্লেখ কৰিছে— প্ৰত্যক্ষ, অনুমান আৰু শ্ৰুতি। পৰৱৰ্তী অদ্বৈতবাদীসকলে ইয়াৰ লগত আন তিনি প্ৰকাৰ উৎসৰ যোগ দিছে— উপমান, অর্থাপত্তি আৰু অনুপলব্ধি। স্মৃতিক যথার্থ জ্ঞান বুলি ধৰা নহয়, কাৰণ ইয়াত জ্ঞানৰ বৈশিষ্ট্য নতুনত্বৰ অভাৱ থাকে। শঙ্কৰাচাৰ্য্যই নৈয়ায়িকসকলে কৰা সবিকল্প আৰু নিৰ্বিকল্প প্ৰত্যক্ষৰ পাৰ্থক্য গ্ৰহণ কৰিছে। ইন্দ্ৰিয়ৰ লগত বিষয়ৰ সন্নিকৰ্ষজনিত প্ৰমাণেই হৈছে প্ৰত্যক্ষ প্ৰমাণ। অনুমান হৈছে ব্যাপ্তি সম্বন্ধৰ ওপৰত নিৰ্ভৰ কৰি লাভ কৰা জ্ঞান। হেতু আৰু সাধ্যৰ অব্যভিচাৰী সাহচৰ্য্য সম্বন্ধই হৈছে ব্যাপ্তি। এই ব্যাপ্তি সম্বন্ধক সামান্য নঞৰ্থকভাৱে প্ৰকাশ কৰিলেই অর্থাপত্তি পোৱা যায়। বেদান্ত দার্শনিকসকলে গ্ৰহণ কৰা এটা স্বতন্ত্ৰ প্ৰমাণ অথবা জ্ঞানৰ উৎস হৈছে অনুপলব্ধি। অনুপলব্ধিৰ জৰিয়তে বিষয়ৰ অস্তিত্বহীনতাক জানিব পাৰি, যিটো প্ৰত্যক্ষ, অনুমান প্ৰমাণ আদিৰ জৰিয়তে জানিব নোৱাৰি। জ্ঞানৰ অন্যান্য উৎসবোৰৰ ভিতৰত শঙ্কৰাচাৰ্য্যই শ্ৰুতিৰ ওপৰত সর্বাধিক গুৰুত্ব প্ৰদান কৰিছে। বেদেই হ'ল শ্ৰুতি। বেদবাক্যবোৰ অবিৰোধী, গতিকে যথার্থ। শঙ্কৰাচাৰ্য্যৰ মতে বেদ অপৌৰুষেয় যদিও ই অনিত্য। কল্পান্তত ই ঈশ্বৰৰ মাজত লয় হয়। বেদৰ অর্থ হৈছে জ্ঞান। জ্ঞানেই আত্মা, আত্মাই ব্ৰহ্ম। বেদৰ যথার্থতা সাক্ষাৎ আৰু স্বতঃপ্ৰমাণিত। ইয়াৰ অন্তর্নিহিত অর্থবোৰ অনাদি আৰু অনন্ত।

শঙ্কৰাচাৰ্য্যই জ্ঞানৰ সৈতে জ্ঞাতা আৰু জ্ঞেয় বা বিষয়ৰ অনিবার্য সম্বন্ধ থকা বুলি স্বীকাৰ কৰে। জ্ঞান স্বপ্ৰভাসিত, ই কেতিয়াও বিষয় নহয়। তেওঁৰ মতে সত্যৰ একমাত্ৰ মাপকাঠি হৈছে অবিৰোধিতা, অথবা অভিন্নতা। এই অবিৰোধী জ্ঞানেই হৈছে যথার্থ জ্ঞান বা সত্য। ইয়াত যুক্তিৰ স্থান নাই। যুক্তি কেৱল ব্যৱহাৰিক জ্ঞানৰ ক্ষেত্ৰতহে দেখা যায়। ব্যৱহাৰিক জ্ঞানৰ সীমা অতিক্ৰম কৰি অনুভূতিৰ দ্বাৰা বিষয়ৰ সাক্ষাৎ জ্ঞান লাভ কৰাই হৈছে পাৰমার্থিক জ্ঞান। আত্মাই হৈছে পাৰমার্থিক সত্য। ই জ্ঞাতাও নহয়, জ্ঞেয়ও নহয়। ইয়েই পৰম ব্ৰহ্ম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ বেদান্ত দর্শনৰ মুখ্য সম্প্ৰদায় কেইটা আৰু কি কি?

.....

.....

প্ৰশ্ন ২ ঃ ব্ৰহ্মসূত্ৰৰ ৰচক কোন?

.....

প্ৰশ্ন ৩ ঃ অদ্বৈত-বেদান্তৰ মূল বক্তব্য কি?

.....

.....

প্ৰশ্ন ৪ ঃ বেদান্ত শব্দৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন ৫ ঃ ব্ৰহ্মসূত্ৰ গ্ৰন্থখনত কিমানটা অধ্যায় আছে?

.....

প্ৰশ্ন ৬ ঃ বৃত্তি কাক বোলে?

.....

প্ৰশ্ন ৭ ঃ অধ্যাস মানে কি?

.....

.....

প্ৰশ্ন ৮ ঃ অদ্বৈত-বেদান্ত দর্শনে কেইটা প্ৰমাণ স্বীকাৰ কৰে?

.....

.....

৭.৪.২ ব্ৰহ্মতত্ত্ব

শঙ্কৰাচাৰ্য্যৰমতে ব্ৰহ্মই একমাত্ৰ সত্য, জগতখন মিছা, জীৱ আৰু ব্ৰহ্ম অথবা জীৱাত্মা আৰু পৰমাত্মা অভিন্ন। ব্ৰহ্মৰ বাহিৰে অন্য কোনো সত্তা তেওঁ স্বীকাৰ কৰা নাই। নিৰ্বিশেষ পৰমাত্মা বা শুদ্ধ চৈতন্যই ব্ৰহ্ম। 'বৃহ্' ধাতুৰ লগত 'মন্' প্ৰত্যয় যোগ কৰিলে ব্ৰহ্ম শব্দ পোৱা যায়। বৃহ্ ধাতুৰ অৰ্থ বৃদ্ধি বা ব্যাপক বা মহত্ব। মন্ প্ৰত্যয়ৰ অৰ্থ হৈছে নিৰতিশয়। যি নিৰতিশয় মহান, যি মহত্তম অৰ্থাৎ যিহতকৈ ব্যাপক বা উৎকৃষ্ট একো নাই সিয়েই ব্ৰহ্ম। শঙ্কৰাচাৰ্য্যই ব্ৰহ্মক দুটা দিশৰ পৰা বিচাৰ কৰিছে— ব্যৱহাৰিক দিশ জগতৰ উপাদান কাৰণ ৰূপত ব্ৰহ্মক অভিহিত কৰিছে, যাক সগুণ ব্ৰহ্ম আখ্যা দিছে। সগুণ ব্ৰহ্ম হৈছে জগতৰ সৃষ্টিকৰ্তা, পালনকৰ্তা আৰু সংহাৰ কৰ্তা।

সগুণ ব্রহ্মক ঈশ্বৰ বুলিও কোৱা হয়। পাৰমার্থিক দৃষ্টিকোণৰ পৰা উপনিষদত বর্ণিত সর্বোপাধি বিবর্জিত নির্গুন ব্রহ্মহে পৰম ব্রহ্ম।

শঙ্কৰাচার্য্যই জগতখন মিছা বা অলীক বুলি ক'লেও ইয়াৰ অস্তিত্ব অস্বীকাৰ কৰি শূন্যত বিলীন কৰি দিয়া নাই। তেওঁৰ মতে জগতখন আমি এক কল্পনা বুলি ভাবিলেও তাৰ এটা ভিত্তি আছে। কাৰণ যিকোনো মিছা বা অনস্তিত্বক অস্বীকাৰ কৰাৰ আন এটা অর্থ হৈছে এটা সত্য বা অস্তিত্বক স্বীকাৰ কৰা। এই অনিত্য, পৰিৱর্তনশীল জগতখনৰ অন্তৰালত থকা কাৰণটোৱেই হৈছে তাৰ মৌলিক সত্তা। এই সত্তাই হৈছে পৰম অস্তিত্ব বা একমাত্র সৎ। এই সত্তাই হৈছে শুদ্ধ চৈতন্যময় আত্মা বা ব্রহ্ম। ব্রহ্মাই হৈছে একমাত্র সত্য, ইয়াৰ বাহিৰে আন একোৱে অস্তিত্ব নাই।

শঙ্কৰাচার্য্যৰ মতে ব্রহ্ম নিত্য, শুদ্ধ, বুদ্ধ আৰু মুক্ত। ব্রহ্ম সজাতীয়, বিজাতীয় আৰু স্বগত ভেদৰহিত পাৰমার্থিক সত্তা। ব্রহ্ম সৎ চিৎ আৰু আনন্দস্বৰূপ। ব্রহ্ম নিষ্ক্রিয়, নির্গুণ, নিৰপেক্ষ আৰু নিৰুপাধিক। ব্রহ্মক 'অদ্বৈত' বুলি ক'ব পাৰি। অর্থাৎ যাৰ কোনো দ্বৈত সত্তা নাই। ই অনাদি, অনন্ত। ব্রহ্মৰ দুটা লক্ষণ আছে— স্বৰূপ লক্ষণ আৰু তটস্থ লক্ষণ। অস্তিত্ব, চৈতন্য আৰু আনন্দ ব্রহ্মৰ স্বৰূপ লক্ষণ। সর্বময় জ্ঞাতা, কর্তা, ভোক্তা হৈছে ব্রহ্মৰ তটস্থ লক্ষণ। প্রথমটোক পৰব্রহ্ম আৰু দ্বিতীয়টোক অপৰ ব্রহ্ম বা ঈশ্বৰ বোলা হয়। পৰব্রহ্মাই হ'ল পাৰমার্থিক সত্তা। অপৰব্রহ্মাই হ'ল বৌদ্ধিক দৃষ্টিৰে নির্ণয় কৰা ব্রহ্ম বা ঈশ্বৰ।

শঙ্কৰাচার্য্যৰ মতে আত্মাই ব্রহ্মস্বৰূপ, আত্মজ্ঞানেই ব্রহ্মজ্ঞান। আত্মাই একমাত্র পৰম অস্তিত্ব যাৰ কোনো পৰিৱর্তন নাই। আত্মাই জ্ঞানস্বৰূপ। জ্ঞানেই হৈছে সত্য। গতিকে পৰম সত্যক লাভ কৰাই হৈছে আত্মা বা ব্রহ্মক জনা। ব্রহ্মক জনা মানেই ব্রহ্মস্বৰূপ হোৱা (ব্রহ্মাবেদ ব্রহ্মৈব ভবতি)।



জানি থোৱা ভাল

স্বৰূপ লক্ষণ ঃ যি লক্ষণৰ দ্বাৰা ব্রহ্মৰ স্বৰূপৰ ধাৰণা কৰা হয় তাকে ব্রহ্মৰ স্বৰূপ লক্ষণ বোলা হয়। ব্রহ্ম নির্গুণ, নির্বিশেষ, নিষ্ক্রিয়, অদ্বৈত, বিশুদ্ধ, চৈতন্য মাত্র— এইবোৰ ব্রহ্মৰ স্বৰূপ লক্ষণ, যিহেতু এইবোৰৰ মাধ্যমেদি ব্রহ্মৰ স্বৰূপ প্রকাশ পায়।

তটস্থ লক্ষণ ঃ যিবোৰ লক্ষণ ব্রহ্মৰ স্বৰূপত প্রযোজ্য নহয়, সেইবোৰক তটস্থ লক্ষণ বোলা হয়। ব্রহ্ম জগতৰ সৃষ্টিকর্তা, পালনকর্তা আৰু সংহাৰকর্তা —এইবোৰ ব্রহ্মৰ তটস্থ লক্ষণ।

ব্রহ্ম কি তাক সদর্থক শব্দৰ তাৰা বর্ণনা কৰিব পৰা নাযায়। সেয়েহে শ্রুতিত 'নেতি', 'নেতি', শব্দৰ দ্বাৰাহে ব্রহ্মৰ স্বৰূপ বর্ণনা কৰাৰ চেষ্টা কৰা হৈছে। ব্রহ্ম নির্বিশেষ হ'লেও ব্রহ্মক সচ্চিদানন্দ (সৎ, চিৎ, আনন্দ) বুলি বর্ণনা কৰা হৈছে। অৱশ্যে এইবোৰ ব্রহ্মৰ বিশেষণ নহয়, স্বৰূপ লক্ষণহে। সৎ, চিৎ আৰু আনন্দ এই তিনিটা পদ অভাৱসূচক।

ব্ৰহ্ম সৎ মানে ব্ৰহ্ম অসৎ বা মিথ্যা নহয়। ব্ৰহ্ম চিৎ মানে ব্ৰহ্ম জড় নহয় আৰু ব্ৰহ্ম আনন্দ মানে দুঃখ স্বৰূপ নহয়। নিৰ্বিশেষ ব্ৰহ্ম বিশুদ্ধ সত্তা স্বৰূপ, চৈতন্য স্বৰূপ আৰু আনন্দ স্বৰূপ। গতিকে ব্ৰহ্মক সচ্চিদানন্দ বোলা হয়।

৭.৪.৩ জগত তত্ত্ব

আমি দেখি থকা জড়-চেতন বস্তু আৰু সিহঁতৰ কৰ্ম সমষ্টিয়েই হৈছে জগত। এই জগতখন নাম ৰূপময় আৰু জ্ঞেয় বাবে ইয়াক বিষয় জগত বুলিও কোৱা হয়। শঙ্কৰাচাৰ্য্যৰ মতে জগতখন কোনো কাৰণৰ পৰা উদ্ভৱ হোৱা নাই। জগতখন অনাদি অনন্তভাৱেই আছে। ইয়াৰ স্বৰূপটো হৈছে ব্ৰহ্ম বা নিত্য। ব্ৰহ্ম বা নিত্য। ইয়াৰ প্ৰত্যক্ষ ৰূপটোহে অনিত্য। তেওঁৰ মতে অবিদ্যাৰ বাবে নিত্য যথাৰ্থ অস্তিত্বক দেখা নাযায় আৰু তাৰ ঠাইত অনিত্য অযথাৰ্থ জগতখনকে সত্য বুলি ধাৰণা কৰা হয়।

অদ্বৈত বেদান্তৰ মতে যিহেতু জগতৰআচল স্বৰূপটো ব্ৰহ্ম,গতিকে ব্ৰহ্ম জগতৰ কাৰণ নহয়। জগত আৰু ব্ৰহ্ম অভিন্ন আৰু অব্যতিৰিক্ত (Non-Independent)। শংৰাচাৰ্য্যই কৈছে যে এই দৃশ্যমান অনিত্য, অযথাৰ্থ, সীমিতজগতখন ব্ৰহ্মৰ প্ৰতিভাস মাত্ৰ। নিত্য, অসীম, পৰম সত্তা ব্ৰহ্ম, মায়াৰ ফলত অনিত্য, সীমিত, অনাত্ম জগতৰূপে প্ৰতিভাত হয়। যেনেদৰে এন্ধাৰৰ বাবে জৰী এডাল সাপ ৰূপে প্ৰতিভাত হয়। **মায়া** এই দৃশ্যমান জগতখনৰ একমাত্ৰ কাৰণ বাবে জগতখন মায়াময় বুলিও কোৱা হয়। মায়া শক্তিৰ ফলত নিৰ্গুণ, নিৰাকাৰ ব্ৰহ্ম **বিবৰ্তিত** হৈ জগতৰূপে দেখা দিয়ে। ব্ৰহ্ম হ'ল মায়াৰ অধিষ্ঠান। মায়া অনাত্ম। ই আত্মাৰূপ ব্ৰহ্মৰ আশ্ৰয়ত থাকি ব্ৰহ্মক অনাত্মৰূপ জগত হিচাপে প্ৰতিভাত কৰি তোলে। দৃশ্যমান জগতখনো ব্ৰহ্মক আশ্ৰয় কৰি থাকে। যেতিয়া পৰমজ্ঞান বা বিদ্যাৰ উদয় হয় তেতিয়া মায়াও নাইকিয়া হৈ পৰে আৰু লগে লগে বস্তুময় জগতখনো বিলুপ্ত হৈ পৰে। আচলতে মায়া বা অবিদ্যাৰ অৱসান হৈ তাৰ প্ৰকৃত স্বৰূপ পৰম সত্তা ব্ৰহ্মৰূপে প্ৰতিভাত হয়। শঙ্কৰাচাৰ্য্যই কৰ্মতকৈ জ্ঞানৰ ওপৰত অধিক গুৰুত্ব দিছে। গতিকে একমাত্ৰ জ্ঞানৰ দ্বাৰাই জগতখনক অতিক্ৰম কৰি ব্ৰহ্মক উপলব্ধি কৰি মুক্তি লাভ কৰিব পাৰি।



মায়া ঃ ব্ৰহ্মৰ অন্তর্নিহিত এক অনিৰ্বচনীয় শক্তি।

বিবর্তিত ঃ ৰূপান্তৰিত।

৭.৪.৪ মায়াতত্ত্ব

অদ্বৈতবেদান্তৰ মূল বৈশিষ্ট্য হ'ল মায়াতত্ত্ব। এহাতে দৃশ্যমান, আত্মাবিৰোধী জগতখন আৰু আনহাতে শ্ৰুতি, স্মৃতি আৰু যুক্তিৰ দ্বাৰা প্ৰমাণিত পৰমসত্তা ব্ৰহ্ম— এই দুয়োটাৰে সম্বন্ধক লৈ যি সমস্যাৰ সৃষ্টি হৈছিল, সেই সমস্যাৰ সমাধান কল্পে শঙ্কৰাচাৰ্য্যই মায়াতত্ত্বৰ উদ্ভাৱন কৰিছিল। অদ্বৈতবেদান্তত মায়া শব্দৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা বিভিন্ন শব্দ আছে। সেইবোৰ হ'ল— অবিদ্যা, অজ্ঞান, অধ্যাস, ভ্ৰম, বিবৰ্ত, মূলা প্ৰকৃতি, বীজশক্তি ইত্যাদি।

মায়া স্বৰূপতে কেনেকুৱা সেইটো সঠিককৈ ক'ব নোৱাৰি। মায়া পৰমসত্তা বা ব্ৰহ্মৰ এটা বৈশিষ্ট্য, যাৰ সৈতে ই একাত্মকো নহয়, পৃথকো নহয়। মায়াক স্বতন্ত্ৰ স্থান দিলে দ্বৈতবাদ স্বীকাৰ কৰিবলগীয়া হয়। আনহাতে ইয়াৰ অস্তিত্বক অস্বীকাৰ কৰিলে জগতখন ব্যাখ্যা কৰা কঠিন হয়। গতিকে জগত সৃষ্টিৰ অৰ্থত মায়া যথাৰ্থ 'ব্ৰহ্ম এক আৰু অদ্বিতীয়' অৰ্থত মায়া অযথাৰ্থ। ই সতো নহয়, অসতো নহয়। আত্মাও নহয়, অনাত্মাও নহয়।

মায়া ব্ৰহ্মৰ পৰাই উদ্ভৱ হৈ সেই উপাদান কাৰণৰ দ্বাৰা জগতখন সৃষ্টি কৰি আছে বাবে মায়াক ব্যাপাৰ বুলি কোৱা হয়। সমগ্ৰ জগতখনৰ সম্ভাৱনাৰ মূল বাবে আকৌ মায়াক বীজশক্তি, মূলা প্ৰকৃতি বুলিও কোৱা হয়। প্ৰলয়কালতো মায়াৰ কোনো লয় নহয়। ই সেই সময়ত ঈশ্বৰক অৱলম্বন কৰি থাকে।

মায়াৰ দুটা প্ৰক্ৰিয়া— আৱৰণ আৰু বিক্ষেপণ। আৱৰণ প্ৰক্ৰিয়াৰ দ্বাৰা মায়াই ব্ৰহ্মক আবৃত কৰি ৰখাৰ ফলত বিষয়ৰ যথাৰ্থ ৰূপ দেখা পোৱা নাযায়। বিক্ষেপণ প্ৰক্ৰিয়াৰ জৰিয়তে মায়াই অদ্বৈত ব্ৰহ্মক বহুধা জগতৰূপে বিকৃত কৰি তোলে। বিক্ষেপণৰ লগতে সৃষ্টি হয় মিথ্যা জ্ঞানৰ। শঙ্কৰাচাৰ্য্যৰ মতে মায়া আৰু অবিদ্যা পৃথক নহয়। একেটা বিষয়ৰে দুটা দিশ— আৱৰণ আৰু বিক্ষেপণ। দুয়োৰে মাজৰ পাৰ্থক্য প্ৰক্ৰিয়াগতহে, গুণগত নহয়। শঙ্কৰাচাৰ্য্যৰ মতে অবিদ্যা অনিৰ্বচনীয়। অবিদ্যাৰ উৎস, স্বৰূপ আদিৰ বিষয়ে জনাটোৱেই হৈছে ব্ৰহ্মক জনা। কাৰণ ব্ৰহ্মই ইয়াৰ একমাত্ৰ আশ্ৰয় আৰু একমাত্ৰ বিষয়। বিষয় হিচাপে মায়াই ব্ৰহ্মক সীমিত কৰি তোলে, ফলত ব্ৰহ্ম প্ৰতিভাত হয় ঈশ্বৰ আৰু জগতৰূপে। গতিকে অবিদ্যাক জনাৰ অৰ্থ হৈছে অবিদ্যাৰ বিলুপ্তি ঘটা বা পৰম জ্ঞানৰ উদয় হোৱা। সেয়াই ব্ৰহ্ম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ ঃ 'ব্ৰহ্ম' শব্দৰ অৰ্থ লিখক।

.....

.....

.....

প্ৰশ্ন ১০ ঃ ব্ৰহ্মৰ লক্ষণ দুটাৰ নাম লিখক।

.....

প্ৰশ্ন ১১ ঃ মায়াৰ প্ৰক্ৰিয়া দুটা কি কি?

.....

৭.৪.৫ ঈশ্বৰতত্ত্ব

শঙ্কৰাচাৰ্য্যৰ মতে সগুণ ব্ৰহ্মই হৈছে ঈশ্বৰ। ব্ৰহ্মৰ প্ৰাতিভাসিক ৰূপটোৱেই হ'ল ঈশ্বৰ বা অপৰব্ৰহ্ম। ঈশ্বৰ স্বৰূপতেই ব্ৰহ্ম। পাৰ্থক্য কেৱল ব্যৱহাৰিক আৰু পাৰমাৰ্থিক দৃষ্টিৰ। বৌদ্ধিক জ্ঞানৰ দ্বাৰা নিৰ্ণয় কৰা ব্ৰহ্মই হৈছে সগুণ ব্ৰহ্ম বা ঈশ্বৰ। বৌদ্ধিক দৃষ্টি বা জ্ঞান হৈছে অবিদ্যা প্ৰসূত। ইয়াৰ জৰিয়তে ব্ৰহ্মক জানিবলৈ যাওঁতে ব্ৰহ্মৰ ওপৰত কিছুমান সৰ্বশ্ৰেষ্ঠ বিধেয় আৰোপ কৰা হয়। যিবোৰ আচলতে বুদ্ধিৰ আকাৰ মাত্ৰ। ইয়াৰ ফলস্বৰূপে আমি পাওঁ সৰ্বজ্ঞ, সৰ্বব্যাপ্ত, সৰ্বশক্তিমান ঈশ্বৰৰ অস্তিত্ব। এই ক্ষেত্ৰত শঙ্কৰাচাৰ্য্যই কৈছে মায়াত প্ৰতিবিম্বিত ব্ৰহ্মই হৈছে ঈশ্বৰ।

ঈশ্বৰকে জগতৰ স্ৰষ্টা আৰু পালনকৰ্তা বুলি গণ্য কৰা হয়। ঈশ্বৰে তেওঁৰ মাজত নিহিত হৈ থকা মায়া শক্তিৰ দ্বাৰা এই জগত সৃষ্টি কৰিছে আৰু ধ্বংসৰ পাছত ঈশ্বৰতে এই জগত বিলীন হৈ যায়। ঈশ্বৰৰ সৃষ্টি শক্তি মায়া। কিন্তু এই শক্তিৰ দ্বাৰা ঈশ্বৰ বাধিত নহয়। ঈশ্বৰ মুক্ত। সৎ-চিৎ-আনন্দ স্বৰূপ। জীৱৰ কৰ্ম অনুসৰি ফল প্ৰদানৰ বাবেই ঈশ্বৰে এই জগত ৰচনা কৰিছে।

শঙ্কৰাচাৰ্য্যৰ মতে সগুণ ব্ৰহ্ম অথবা ঈশ্বৰোপাসনা নিৰ্গুণ ব্ৰহ্ম উপলব্ধিৰ উপায়স্বৰূপ। মায়াধীন জীৱই প্ৰথমতে জগতখনক সত্য বুলি ভাৰে আৰু তাৰ পিছত জগত-স্ৰষ্টা ঈশ্বৰক কল্পনা কৰি তেওঁৰ উপাসনা কৰিবলৈ ধৰে। দীৰ্ঘকাল ধৰি ঈশ্বৰ উপাসনা কৰাৰ ফলত জীৱই ঈশ্বৰকে একমাত্ৰ সত্য আৰু জগতখনক মিছা আৰু মায়াময় বুলি ভাৰে। এনেদৰেই লাহে লাহে ব্ৰহ্মোপলব্ধিৰ ফালে জীৱ অগ্ৰসৰ হয়। দৰাচলতে ঈশ্বৰোপাসনাৰ ফলত চিত্তশুদ্ধি হয় আৰু ব্ৰহ্মোপলব্ধিৰ বাবে মন প্ৰস্তুত হয়।

শঙ্কৰাচাৰ্য্যই মত দাঙি ধৰিছে যে কোনো যুক্তিৰ দ্বাৰা ঈশ্বৰৰ অস্তিত্ব প্ৰমাণ কৰিব পৰা নাযায়। ঈশ্বৰৰ অস্তিত্ব একমাত্ৰ শ্ৰুতিৰ দ্বাৰাহে প্ৰমাণিত। তেওঁৰ মতে জগতখনৰ সৃষ্টি বা উৎপত্তি নাই, গতিকে স্ৰষ্টাও নাই। সীমিত আৰু পৰিবৰ্তনশীল জগতখন ব্ৰহ্মৰূপ ঈশ্বৰৰেই প্ৰতিভাস মাত্ৰ।

৭.৪.৬ জীৱতত্ত্ব

সাধাৰণ অৰ্থত জীৱ বোলোঁতে আমাৰ ব্যক্তিগত অস্তিত্ব, অভিজ্ঞতা আৰু কৰ্মসমষ্টিকেই বুজায়। সকলো প্ৰকাৰৰ কৰ্ম আৰু অভিজ্ঞতাৰ কৰ্তা হৈছে এই জীৱ। বেদান্ত দৰ্শনৰ মতে অবিদ্যাত প্ৰতিফলিত ব্ৰহ্মই হৈছে জীৱ।

শঙ্কৰাচাৰ্য্যই কৰ্তাক দুই ভাগত ভাগ কৰিছে— পাৰ্থিব বা ব্যৱহাৰিক কৰ্তা আৰু পাৰমাৰ্থিক কৰ্তা। পাৰ্থিব কৰ্তা হৈছে জীৱ, যি কৰ্তা, ভোক্তা হিচাপে ফল ভোগ কৰে। পাৰমাৰ্থিক কৰ্তা হৈছে শুদ্ধ চৈতন্য স্বৰূপ আত্মা, যি সকলোপ্ৰকাৰৰ জাগতিক আবেষ্টনীৰ ঊৰ্দ্ধত। ইয়াকেই পৰমাত্মা বা ব্ৰহ্ম বোলে। অৰ্থাৎ শঙ্কৰাচাৰ্য্যৰ মতে আত্মা আৰু ব্ৰহ্ম একেই।

অবিদ্যা অথবা বৌদ্ধিক জ্ঞানৰ প্ৰভাৱত জীৱৰ মাজত ব্যক্তিবোধ বা অহম্ প্ৰত্যয়ৰ উৎপত্তি হয়। ইয়াকে জীৱাত্মা বোলে। বুদ্ধি আৰু আত্মাৰ মাজত এই সম্পৰ্ক যেতিয়ালৈকে থাকে তেতিয়ালৈকে সংসাৰৰ অস্তিত্ব থাকে। যথাৰ্থ জ্ঞানৰ দ্বাৰা বুদ্ধি বা অবিদ্যাৰ যেতিয়া অবসান হয়, তেতিয়াই সংসাৰৰ অস্তিত্ব নাইকীয়া হৈ পৰে। জীৱই তেতিয়া আত্মস্বৰূপ বা ব্ৰহ্মস্বৰূপ হয়। আত্মাৰ কিন্তু বন্ধন নহয়। জৰী এডালক সাপ বুলি ভাবিলেও যিদৰে জৰীডালৰ কোনো হানি নহয়, তেনেদৰে অবিদ্যাৰ ফলত আত্মাৰ স্বৰূপৰ কোনো হানি নহয়। সীমিতকৰণৰ বিধেয় সমূহ যিদৰে উৎপত্তি হয়, তেনেদৰে নাশো হয়। এই উৎপত্তি আৰু নাশৰ সৈতে আত্মাৰ চৈতন্য জড়িত হৈ থাকে বাবে আত্মাৰো পৰিৱৰ্তন আৰু ৰূপান্তৰ হয় বুলি ভুলকৈ ভবা হয়।

জীৱৰ তিনি প্ৰকাৰৰ শৰীৰ আছে— (১) স্থূল শৰীৰ, (২) সূক্ষ্ম শৰীৰ আৰু (৩) কাৰণ শৰীৰ।

১) স্থূলৰ শৰীৰ হৈছে পঞ্চভূতৰ দ্বাৰা গঠিত শৰীৰ। যাক অন্নময় কোষ বুলিও কোৱা হয়। মৃত্যুৰ পিছত এই শৰীৰৰ সৈতে জীৱৰ সম্বন্ধ বিচ্ছিন্ন হয়।

২) মন, বুদ্ধি, ইন্দ্ৰিয় আৰু তন্মাত্ৰসমূহৰ দ্বাৰা গঠিত শৰীৰটোৱেই হৈছে সূক্ষ্ম শৰীৰ। ইয়াক লিঙ্গশৰীৰ বুলিও কোৱা হয়। মৃত্যুৰ পাছত আৰু জন্মান্তৰ গ্ৰহণ কৰোঁতে জীৱাত্মাই এই লিঙ্গশৰীৰক আশ্ৰয় কৰি থাকে। এই শৰীৰ ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰত্যক্ষ কৰিব নোৱাৰি।

৩) কাৰণ শৰীৰটো গঠিত হয়— অবিদ্যা বা জীৱৰ বুদ্ধিজনিত জ্ঞানৰ জৰিয়তে। কাৰণ শৰীৰত থকা জীৱই হৈছে কাৰণ আত্মা। এই কাৰণ আত্মা আপেক্ষিকভাৱে মানুহৰ স্থায়ী আত্মা, যি কৰ্মফল অনুসৰি জন্মান্তৰত আবৰ্তিত হৈ থাকোতে বিদ্যাৰ উদয় হ'লে কাৰণ শৰীৰৰ স্বৰূপ উপলব্ধি কৰি নিত্য শুদ্ধ স্বৰূপাৱস্থা প্ৰাপ্ত হয়।

শঙ্কৰাচাৰ্য্যই জীৱাত্মাৰ চাৰিটা ভিন্ন ভিন্ন অৱস্থাৰ উল্লেখ কৰিছে— জাগ্ৰত, স্বপ্ন, নিদ্ৰা আৰু তন্দ্ৰা। জাগ্ৰত অৱস্থাত জীৱই মন আৰু ইন্দ্ৰিয়ৰ দ্বাৰা বিষয়ৰ চেতনা লাভ কৰে। স্বপ্নাৱস্থাত মনৰ বাহিৰে বাকী ইন্দ্ৰিয় সমূহ নিষ্ক্ৰিয় হৈ থাকে। স্বপ্নহীন গভীৰ নিদ্ৰা অৱস্থাত মন, ইন্দ্ৰিয় দুয়োটাই নিষ্ক্ৰিয় হৈ থাকে। এই অৱস্থাত চেতনাৰ লোপ নহয় যদিও তাৰ কোনো বিষয় নাথাকে। এনেকুৱা বিষয় মুক্ত শুদ্ধ চেতনাই আত্মাৰ স্বৰূপ। শঙ্কৰাচাৰ্য্যৰ মতে কৰ্মৰ ধাৰাবাহিকতা আছে আৰু সেইটোৱেই আত্মাৰ স্থায়িত্ব প্ৰমাণ কৰে। মৃত্যুবৎ গভীৰ নিদ্ৰাতো ব্যক্তিত্বৰ বিনাশ নঘটে। গভীৰ নিদ্ৰা আৰু মৃত্যুৰ মধ্যৱৰ্তী এটা অৱস্থা আছে— তন্দ্ৰা। জীৱাত্মাৰ অসম্পন্ন কৰ্ম থাকিলে পুনৰ স্বাভাৱিক চেতনাই দেখা দিয়ে আৰু তন্দ্ৰা ভাগি যায়।

৭.৪.৭ মোক্ষতত্ত্ব

মোক্ষতত্ত্ব ভাৰতীয় দর্শনৰ এটি উল্লেখযোগ্য তত্ত্ব। ভাৰতীয় দর্শনক মোক্ষ শাস্ত্ৰ বুলিও কোৱা হয়। জাগতিক বন্ধনৰ পৰা মুক্ত হৈ জীৱৰ স্বৰূপ উপলব্ধি কৰাই হৈছে মোক্ষ লাভ। বন্ধনৰ কাৰণ হ'ল অবিদ্যা। চৈতন্যস্বৰূপ আত্মা যেতিয়া দেহ-মনৰ সংস্পৰ্শলৈ আহে তেতিয়াই আত্মা অহংকাৰাশ্ৰিত হয়। নিজৰ স্বৰূপ পাহৰি নিজকে কর্তা, ভোক্তা আৰু জ্ঞাতা ৰূপে গণ্য কৰিবলৈ লয়। গতিকে অবিদ্যাৰ উদ্ভৱ হয় অহংকাৰাশ্ৰিত জীৱৰ পৰাই। শঙ্কৰাচার্য্যই আন এটা কথা কৈছে যে কর্মই জীৱৰ বন্ধনৰ কাৰণ। এই কর্মৰ উৎপত্তিও হয় অবিদ্যাৰ পৰা। সকাম কর্মৰ দ্বাৰাহে জীৱৰ বন্ধন হয়, নিষ্কাম কর্মৰ পৰা নহয়। জীৱৰ যেতিয়া যথার্থ জ্ঞান লাভ হয় তেতিয়া অবিদ্যাৰ নাশ হয় আৰু জীৱই মুক্তি লাভ কৰে। এই মোক্ষ বা মুক্তিৰ যথার্থ অর্থ হৈছে সম্যক্ জ্ঞান বা আত্মোপলব্ধি।

মোক্ষাৱস্থাৰ কথা উল্লেখ কৰি শঙ্কৰাচার্য্যই কৈছে যে একমাত্ৰ চৈতন্যৰ বাহিৰে জাগতিক সকলো বিষয় বিলুপ্তি হৈ পৰে। মোক্ষ অৱস্থাত উপনীত হোৱাৰ পাছত জীৱৰ বাবে ভাল-বেয়া, উচিত-অনুচিত, পাপ-পুণ্য, ধর্ম-অধর্ম আদি বিষয় সমূহৰ প্ৰয়োজন নোহোৱা হয় বা কোনো মূল্য নাথাকে। মোক্ষ অৱস্থাত জীৱ কেৱল শুদ্ধ চৈতন্যৰূপে স্বপ্ৰভাসিত হৈ থাকে। এই অৱস্থাত কোনো দ্বৈতভাব থাকিব নোৱাৰে। জীৱ তেতিয়া ব্ৰহ্মস্বৰূপ। তেতিয়া জীৱৰ সৎ-চিৎ আনন্দময় এটা অৱস্থা।

শঙ্কৰাচার্য্যৰ মতে মোক্ষ লাভ কৰি জীৱই দেহ ধাৰণ কৰিও কর্ম সম্পাদন কৰি থাকিব পাৰে। এইদৰে দেহত থাকোতেই আত্মাৰ মুক্তি হোৱা অৱস্থাটোক জীৱন্মুক্তি বোলা হয়। পূর্বজন্মৰ কর্মফল ভোগ সমাপ্তিত দেহৰ বিলোপ সাধন হয় আৰু এই অৱস্থাটোক বিদেহমুক্তি বুলি কোৱা হয়।



জানি থোৱা ভাল

বেদান্ত দর্শনৰ কিছুমান উল্লেখযোগ্য গ্ৰন্থ আৰু গ্ৰন্থকাৰৰ নাম—

গ্ৰন্থৰ নাম	**গ্ৰন্থকাৰৰ নাম**
ব্ৰহ্মসূত্ৰ	বাদৰায়ণ
শাৰীৰক ভাষ্য	শঙ্কৰাচার্য্য
ভামতী	বাচস্পতি মিশ্ৰ
বেদান্ত-পৰিভাষা	ধর্মৰাজদ্ধৰীন্দ্ৰ
বেদান্ত-সাৰ	সদানন্দ যোগী
পঞ্চদশী	বিদ্যাৰণ্য
অদ্বৈতসিদ্ধি	মধুসূদন সৰস্বতী

চিৎসুখী	চিৎসুখাচার্য্য
পঞ্চপাদিকা	পদ্মপাদ
লঘুচন্দ্রিকা	ব্রহ্মানন্দ
খণ্ডন খণ্ডকাব্য	শ্রীহর্ষ ইত্যাদি



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১২ ঃ শঙ্কৰাচার্য্যৰ মতে, 'সগুন ব্রহ্মই হৈছে ঈশ্বৰ'— 'সঁচা' নে 'মিছা' লিখক।

.....

প্রশ্ন ১৩ ঃ শঙ্কৰাচার্য্যৰ মতে জীৱৰ কেইপ্রকাৰৰ শৰীৰ আছে আৰু কি কি?

.....

.....

প্রশ্ন ১৪ ঃ জীৱাত্মাৰ চাৰিটা ভিন্ ভিন্ অৱস্থাৰ নাম কি?

.....

.....

প্রশ্ন ১৫ ঃ শঙ্কৰাচার্য্যই কেইপ্রকাৰৰ মুক্তি স্বীকাৰ কৰিছে?

.....

.....

প্রশ্ন ১৬ ঃ বিদেহমুক্তি কাক বোলে?

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বেদান্ত শব্দটিৰ তাৎপর্য্য জানিব পাৰিলোঁ।
- বেদান্ত দর্শনৰ উৎপত্তি আৰু ক্রমবিকাশ সম্পর্কে অৱগত হ'লোঁ।
- জ্ঞান তত্ত্ব সম্পর্কে অদ্বৈত বেদান্তৰ মতামত জানিব পাৰিলোঁ।
- ব্রহ্মৰ স্বৰূপ তথা জগত সৃষ্টিৰ ক্ষেত্রত ব্রহ্মৰ ভূমিকাৰ বিষয়ে অৱগত হ'লোঁ।
- অদ্বৈতবেদান্তত মায়াবাদৰ ভূমিকা সম্পর্কে জানিব পাৰিলোঁ।
- ঈশ্বৰতত্বৰ বিষয়ে অৱগত হ'লোঁ।
- জীৱৰ মুক্তিৰ বিষয়ে জানিব পাৰিলোঁ।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দৰ্শন পৰিচয়*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); ভাৰতীয় দৰ্শনত এভুমুকি; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ,ভট্টাচার্য্য,নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Dasgupta, Surendranath (1991); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD.

1) Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.



৭.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বেদান্ত দৰ্শনৰ মুখ্য সম্প্ৰদায় পাঁচোটা— (১) অদ্বৈতবাদ, (২) বিশিষ্টাদ্বৈতবাদ, (৩) দ্বৈতবাদ, (৪) দ্বৈতাদ্বৈতবাদ আৰু (৫) শুদ্ধাদ্বৈতবাদ।

২নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰহ্মসূত্ৰৰ ৰচক বাদৰায়ণ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ 'ব্ৰহ্ম সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈৱ নাপৰঃ' অৰ্থাৎ ব্ৰহ্ম একমাত্ৰ সত্য, জগত মিছা, জীৱ ব্ৰহ্মস্বৰূপ, জীৱ ব্ৰহ্মৰ পৰা ভিন্ন নহয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ বেদান্ত শব্দৰ অৰ্থ— 'বেদৰ অন্ত' বা 'বেদৰ শেষভাগ'। বেদৰ শেষ ভাগ হ'ল উপনিষদ। উপনিষদৰ প্ৰমাণেই হ'ল বেদান্ত।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰহ্মসূত্ৰ গ্ৰন্থখনত চাৰিটা অধ্যায় আছে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ মনে বিষয়ৰ যি আকাৰ ধাৰণ কৰে তাকে বৃত্তি বোলে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ অযথার্থক যথার্থৰূপে দাঙি ধৰা বৌদ্ধিক প্ৰক্ৰিয়াকে অধ্যাস বোলে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ অদ্বৈতবেদান্ত দৰ্শনে ৬টা প্ৰমাণ স্বীকাৰ কৰে— প্ৰত্যক্ষ, অনুমান, উপমান, অৰ্থাপত্তি, অনুপলব্ধি আৰু শব্দ।

৯নং প্ৰশ্নৰ উত্তৰ ঃ √বৃহ্ ধাতুৰ লগত মন্ প্ৰত্যয় যোগ কৰি ব্ৰহ্ম শব্দ পোৱা যায়। √বৃহ্ মানে বৃদ্ধি আৰু মন্ প্ৰত্যয়ৰ অৰ্থ নিৰতিশয়। যি নিৰতিশয় মহান, যি মহত্তম, যিহতকৈ ব্যাপক বা উৎকৃষ্ট একো নাই, সিয়েই ব্ৰহ্ম।

১০নং প্ৰশ্নৰ উত্তৰ ঃ স্বৰূপ লক্ষণ আৰু তটস্থ লক্ষণ।

১১নং প্ৰশ্নৰ উত্তৰ ঃ আৱৰণ আৰু বিক্ষেপণ।

১২নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ জীৱৰ তিনি প্ৰকাৰৰ শৰীৰ আছে— স্থূল শৰীৰ, সূক্ষ্ম শৰীৰ আৰু কাৰণ শৰীৰ।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ জীৱাত্মাৰ চাৰিটা ভিন্ ভিন্ অৱস্থাৰ নাম হ'ল— জাগ্ৰত, স্বপ্ন, নিদ্ৰা আৰু তন্দ্ৰা।

১৫নং প্ৰশ্নৰ উত্তৰ ঃ শঙ্কৰাচাৰ্য্যই দুই প্ৰকাৰৰ মুক্তি স্বীকাৰ কৰিছে— জীৱন্মুক্তি আৰু বিদেহমুক্তি।

১৬নং প্ৰশ্নৰ উত্তৰ ঃ মৃত্যুৰ পিছত লাভ কৰা মুক্তিকে বিদেহ মুক্তি বোলে।



৭.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ব্ৰহ্মসূত্ৰ গ্ৰন্থখনৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ব্ৰহ্মৰ স্বৰূপলক্ষণ আৰু তটস্থলক্ষণ কাক বোলে লিখক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ জগত তত্ত্বৰ বিষয়ে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ জ্ঞান সম্পৰ্কে অদ্বৈতবেদান্তৰ মতবাদ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ জীৱৰ বন্ধন আৰু মুক্তি সম্পৰ্কে শঙ্কৰাচাৰ্য্যৰ অভিমত ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ বেদান্ত দর্শনৰ পৰিচয় (খ অংশ)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ বিশিষ্টাদ্বৈতবাদ শব্দৰ তাৎপর্য্য

৮.৪ বিশিষ্টাদ্বৈতবাদ দর্শনৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস

- ৮.৪.১ ব্রহ্ম
- ৮.৪.২ জগত
- ৮.৪.৩ মায়া
- ৮.৪.৪ জীৱ আৰু তাৰ বন্ধনমুক্তি

৮.৫ অন্যান্য বেদান্ত সম্প্রদায়

- ৮.৫.১ দ্বৈতবাদ
- ৮.৫.২ দ্বৈতাদ্বৈতবাদ
- ৮.৫.৩ শুদ্ধাদ্বৈতবাদ

৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৯ অধিক জানিবলৈ

৮.১০ অগ্রগতিৰ খতিয়ান

৮.১১ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰামানুজৰ বিশিষ্টাদ্বৈতবাদৰ বিভিন্ন বিষয়ে জানিব পাৰিব
- শঙ্কৰাচার্য্যৰ মায়াতত্ত্বৰ বিৰুদ্ধে ৰামানুজে দাঙি ধৰা যুক্তিসমূহৰ আভাস পাব
- দ্বৈতবাদৰ লগত পৰিচিত হ'ব
- নিম্বাকাচার্য্যৰ দ্বৈতাদ্বৈতবাদৰ সাধাৰণ পৰিচয় লাভ কৰিব
- শুদ্ধাদ্বৈতবাদৰ বিষয়বস্তুৰ চমু আভাস লাভ কৰিব
- বেদান্ত দর্শনৰ কেইগৰাকীমান উল্লেখযোগ্য দার্শনিকৰ চমু পৰিচয় লাভ কৰিব।

৮.২ পৰিচয়

আপুনি ইতিমধ্যে ইয়াৰ আগৰ অধ্যায়ত (৭ম অধ্যায়ত) জানি আহিছে যে বাদৰায়ণ ৰচিত 'ব্রহ্মসূত্র' গ্রন্থখনৰ ওপৰত বিভিন্ন দার্শনিক পণ্ডিতে ভাষ্য লিখি নিজা নিজা মতবাদ

আগবঢ়াইছে আৰু ইয়াকে কেন্দ্ৰ কৰি বেদান্ত দর্শন পাঁচোটা মুখ্য সম্প্রদায়ত বিভক্ত হৈছে। ব্রহ্মৰ সৈতে জীৱ আৰু জগতৰ সম্বন্ধ নিৰূপণ তথা পৰমার্থৰ লক্ষণক লৈ আচলতে তেওঁলোকৰ মাজত মতানৈক্য হয়। শঙ্কৰাচার্য্যৰ মতে জীৱ আৰু ব্রহ্ম একে, সমগ্র জগতখন ব্রহ্মৰেই অৱভাস মাথোন। এই মতবাদক অদ্বৈতবাদ বোলে। ৰামানুজাচার্য্যৰ মতে ব্রহ্ম বা ঈশ্বৰ নিৰাকাৰ নহয়। ব্রহ্ম বিশিষ্ট অর্থাৎ ভিন্নতাৰ মাজত এটা আংগিক ঐক্য আছে। জীৱ আৰু জগত ঈশ্বৰৰ পৰিণামস্বৰূপে উৎপত্তি হৈছে। এই মতবাদক বিশিষ্টাদ্বৈত মতবাদ বোলে। মধ্বাচার্য্যৰ মতে জীৱ আৰু ব্রহ্ম দুটা বেলেগ বস্তু। সিহঁতৰ স্বতন্ত্র যথার্থ অস্তিত্ব আছে। গতিকে তেওঁৰ মতক দ্বৈতবাদ বোলে। নিম্বার্কৰ মতে কোনো এক দৃষ্টিকোণৰ পৰা জীৱ আৰু ব্রহ্মৰ দুটা স্বতন্ত্র অস্তিত্ব আছে যদিও কোনো এক দৃষ্টিৰ পৰা জীৱ ঈশ্বৰৰ ওপৰত সম্পূর্ণ নির্ভৰশীল। তেওঁৰমতে পৰমসত্তা ব্রহ্ম তাদাত্মিকতা (Oneness) আৰু ভিন্নতা (Difference)ৰ সমষ্টি। গতিকে তেওঁৰ মতবাদক দ্বৈতাদ্বৈতবাদ বোলে। বল্লভাচার্য্যৰ মতে পৰমসত্তা ব্রহ্ম হ'ল অদ্বিতীয়। স্বইচ্ছাই ব্রহ্মাই নিজ শক্তি মায়াৰ দ্বাৰা নিজকে জগত ৰূপে প্রকাশ কৰিছে। জগতখন তেওঁৰ মতে অযথার্থ নহয়। অর্থাৎ ব্রহ্ম আৰু জগত উভয়েই শুদ্ধ আৰু অভিন্ন। গতিকে তেওঁৰ মতক শুদ্ধাদ্বৈতবাদ বোলে।

এই অধ্যায়ত ৰামানুজৰ বিশিষ্টাদ্বৈতবাদ, মধ্বৰ দ্বৈতবাদ, নিম্বার্কৰ দ্বৈতাদ্বৈতবাদ আৰু বল্লভৰ শুদ্ধাদ্বৈতবাদৰ বিষয়ে আলোচনা কৰা হ'ব।

৮.৩ বিশিষ্টাদ্বৈতবাদ শব্দৰ তাৎপর্য্য

'বিশিষ্ট অদ্বৈত'— বিশিষ্টাদ্বৈত অর্থাৎ ৰামানুজৰ মতবাদ অদ্বৈতবাদ যদিও এই অদ্বৈতবাদ নির্বিশেষ নহয়, ই বিশেষ (Qualified)। কাৰণ ৰমানুজে 'বহু'ৰ অস্তিত্ব স্বীকাৰ কৰিছে। ৰামানুজৰ মতে পৰমাত্মাই অনন্ত জগত আৰু জীৱসমূহৰ বিভিন্ন আকৃতিত নিজকে বিভক্ত কৰে আৰু সিহঁতৰ অন্তৰাত্মা হিচাপে থাকে। সেই কাৰণে ৰামানুজৰ অদ্বৈতবাদক বিশিষ্টাদ্বৈতবাদ বুলি কোৱা হয়।

চৰম অদ্বয় আৰু ঈশ্বৰবাদৰ মাজত সমন্বয়ৰ চেষ্টাই বিশিষ্টাদ্বৈতবাদৰ প্রধান বৈশিষ্ট্য। দর্শনশাস্ত্রৰ যি পৰমব্রহ্ম, সেই পৰমব্রহ্মক ভক্তৰ ভগবানৰূপে কল্পনা কৰি তেওঁ বেদান্তদর্শনত ভক্তিবাদৰ অপূর্ব সমাবেশ ঘটাইছে। অৱশ্যে এই অদ্বয় আৰু ঈশ্বৰবাদৰ সমন্বয়ৰ পৰিচয় ৰামানুজৰ বিশিষ্টাদ্বৈতবাদৰ আগতেও বৈদিক সাহিত্য, ভগৱদ্গীতা, মহাভাৰতৰ নাৰায়ণী অধ্যায় আৰু বিষ্ণুপুৰাণতো পোৱা যায়। এই কথা ৰামানুজে তেওঁৰ গ্রন্থ 'বেদার্থ সংগ্রহ' আৰু 'শ্রীভাষ্য'ত স্বীকাৰ কৰিছে।

৮.৪ বিশিষ্টাদ্বৈতবাদৰ বিভিন্ন বিষয়বস্তুৰ চমু আভাস

৮.৪.১ ব্রহ্ম

ৰামানুজৰ মতে তত্ত্ব তিনি প্রকাৰৰ— চিৎ (জীৱ), অচিৎ (জড়) আৰু ঈশ্বৰ বা ব্রহ্ম। ব্রহ্ম বা ঈশ্বৰেই হ'ল পৰম সত্তা। ৰামানুজৰ মতে ব্রহ্ম জগতবিশিষ্ট। চিৎ আৰু

অচিৎ ব্রহ্মৰ দুটি অংশ। সগুণ ব্রহ্মই একমাত্র সত্য। গুণ অবিহনে পদার্থ অথবা পদার্থ অবিহনে গুণ থাকিব নোৱাৰে।সগুণ পদার্থহে আমাৰ অনুভৱৰ বিষয় হ'ব পাৰে। ব্রহ্মৰ কোনো অসৎ গুণ নাই। ব্রহ্ম সবিশেষ আৰু সগুণ। ব্রহ্ম সর্বজ্ঞ, সর্বশক্তিমান আৰু সক্রিয়। ব্রহ্ম অসংখ্য সদ্ গুণৰ আধাৰ। ব্রহ্ম হ'ল পুৰুষোত্তম। ব্রহ্ম বিশেষণ যুক্ত। চিৎ আৰু অচিৎ ব্রহ্মৰ বিশেষণ। বিশেষণ ব্রহ্মতকৈ বেলেগ নহয়। আনহাতে জগতবিশিষ্ট ব্রহ্ম হ'ল বিশেষ্য। বিশেষণৰ নিজস্ব কোনো স্বতন্ত্র সত্তা নাই। গতিকে সমগ্রৰ (বিশিষ্টৰ) অন্তর্ভুক্ত হ'ল বিশেষণ। সেই ব্রহ্ম হ'ল এক পৰম ঐক্য। সেয়েহে ৰামানুজৰ মতবাদৰ নাম বিশিষ্টাদ্বৈত।

ৰামানুজৰ মতে ব্রহ্মৰ সজাতীয় আৰু বিজাতীয় ভেদ নাই, স্বগতভেদহে আছে। তেওঁৰ মতে ব্রহ্মৰ অসদৃশ একো নাই। চিৎ আৰু অচিৎ ব্রহ্মৰ অংশহে, গতিকে এটা বস্তুৰে দুটা অংশৰ সত্য, জ্ঞান, আনন্দ হ'ল ব্রহ্মৰ গুণ। ব্রহ্ম সকলোৰে কাৰণ। ব্রহ্ম বহুতৰ মাজত এক, ভেদৰ মাজত অভেদ। ৰামানুজ সৎকার্য্যবাদৰ সমর্থক। সৃষ্টিৰ পূর্বতে জীৱ চিৎশক্তিৰূপে আৰু জড়জগত অচিৎ শক্তি ৰূপে ব্রহ্মত নিহিত থাকে। মকৰা যেনেদৰে নিজৰ অভ্যন্তৰত থাকি তন্তু নির্গত কৰি জাল তৈয়াৰ কৰে, ব্রহ্মইও তেনেদৰে নিজৰ আভ্যন্তৰীণ শক্তিৰ সহায়ত এই বিশ্বজগত সৃষ্টি কৰে। ৰামানুজৰ মতে জগত ব্রহ্মৰ বিবর্ত নহয়, পৰিণামহে। অর্থাৎ কার্য্য কাৰণৰ যথার্থ পৰিণাম। সৃষ্ট জগত মিছা নহয়। প্রলয়কালত জগত যেতিয়া ধ্বংস হয় তেতিয়া চিৎ আৰু অচিৎ অব্যক্তভাৱে ব্রহ্মত অৱস্থান কৰে। জীৱ আৰু প্রকৃতি ব্রহ্মৰ অংশ। ব্রহ্ম আৰু ঈশ্বৰ অভিন্ন। তেওঁৰেই পুৰুষোত্তম বা বাসুদেৱ ভগৱান। জীৱৰ উপাস্য। ঈশ্বৰৰ কৃপা অবিহনে জীৱৰ পক্ষে মোক্ষ লাভ কৰা সম্ভৱ নহয়। ঈশ্বৰক সন্তুষ্ট কৰি তাৰ কৃপা লাভ কৰিব পাৰিলেই জীৱৰ মোক্ষ লাভ হয়।

৮.৪.২ জগত

ৰামানুজৰ মতে ঈশ্বৰ এক, অদ্বিতীয় আৰু সনাতন। ঈশ্বৰে 'বহু' হ'বৰ বাবে ইচ্ছা কৰি এই নামৰূপাত্মক জগতখন সৃষ্টি কৰিছে। ঈশ্বৰৰ এই সৃষ্টিকার্য্য ঈশ্বৰৰ লীলা। ৰামানুজৰ মতে চিৎ আৰু অচিৎ হ'ল ব্রহ্মৰ অবিচ্ছেদ্য অংশ। চিৎ অংশৰপৰা জীৱ আৰু অচিৎ অংশৰ পৰা জড় জগতৰ উৎপত্তি হৈছে। শ্বেতাশ্বতৰ উপনিষদ, পুৰাণ আৰু স্মৃতিৰ অনুকৰণত ৰামানুজে অচিৎ অংশক প্রকৃতি নামেৰে অভিহিত কৰিছে। এই প্রকৃতি ঈশ্বৰ-নির্ভৰশীল। আত্মাই যেনেদৰে ভিতৰৰ পৰা শৰীৰক নিয়ন্ত্রণ কৰে, তেনেদৰে ঈশ্বৰেও প্রকৃতিকে নিয়ন্ত্রিত কৰে। সৃষ্টিৰ সময়ত ঈশ্বৰৰ ইচ্ছা প্রকৃতি নামৰূপাত্মক জগতত পৰিণত হয়।

ৰামানুজৰ মতে ব্রহ্ম যেনেদৰে সত্য তেনেদৰে ব্রহ্মসৃষ্ট জগতো সত্য। সকলো বস্তু সিহঁতৰ অস্তিত্বৰ বাবে ব্রহ্মৰ ওপৰত নির্ভৰশীল। ৰামানুজে মত পোষণ কৰিছে যে

ব্রহ্মই মায়া শক্তিৰ সহায়ত জগত সৃষ্টি কৰিছে। এই মায়া অবিদ্যাও নহয়, জ্ঞানাভাৱো নহয়। মায়া হৈছে বুদ্ধিৰ অগম্য শক্তি। মায়া যিহেতু ব্রহ্মৰ সৃজন শক্তি, গতিকে মায়া মিথ্যা নহয়।

৮.৪.৩ মায়া

ৰামানুজে শঙ্কৰাচার্য্যৰ মায়াবাদ অগ্রাহ্য কৰি কৈছে যে মায়া সত্য। ঈশ্বৰৰ সৃষ্টিকাৰী শক্তি হ'ল মায়া। ঈশ্বৰ যেনেদৰে সত্য, তেনেদৰে তেওঁৰ বিশিষ্টাদ্বৈতবাদ প্রতিপন্ন কৰিবৰ বাবে শংৰাচার্য্যৰ মায়া তত্ত্বৰ বিৰুদ্ধে সাতোটা যুক্তি দিছে। সেই সাতোটা যুক্তিক একেলগে 'সপ্তধা অনুপপত্তি' বোলে।

১) **আশ্রয়ানুপপত্তি ঃ** আশ্রয়ানুপপত্তি মানে হ'ল আশ্রয়জনিত দোষ। মায়া যদি আছেই, তেন্তে তাৰ এটা আশ্রয়স্থলো থাকিব লাগিব। নির্গুণ, নিৰাকাৰ, শুদ্ধ আত্মস্বৰূপ ব্রহ্মৰ মাজত অনিত্য, অনাত্ম মিথ্যাস্বৰূপা মায়াৰ অৱস্থান হ'ব নোৱাৰে।

২) **তিৰোধানানুপপত্তি ঃ** তিৰোধানানুপত্তি মানে হ'ল ব্রহ্মক আবৃত্ত কৰা দোষ। ব্রহ্ম স্বৰূপতে সুপ্রভাসিত আৰু স্বপ্রমাণিত জ্ঞান চৈতন্য। এনেকুৱা ব্রহ্মক অবিদ্যাই আবৃত্ত কৰি ৰাখে বোলা কথাটো দোষযুক্ত আৰু আত্মবিৰোধী কথা। অবিদ্যাই যদি ব্রহ্মক আবৃত কৰি ৰাখে তেন্তে ব্রহ্ম স্বৰূপতে যথার্থ নহয় আৰু তাৰ ফলত উৎপন্ন হোৱা জগতখনো যথার্থ নহয়।

৩) **স্বৰূপানুপপত্তি ঃ** স্বৰূপানুপপত্তি হ'ল অবিদ্যা বা মায়াৰ স্বৰূপজনিত দোষ। অবিদ্যা যদি ভাৱাত্মক হয় আৰু এই অবিদ্যাক জ্ঞানৰ দ্বাৰা আঁতৰাব পাৰি বোলা অদ্বৈতবাদীসকলৰ যুক্তিটো অযথার্থ। আনহাতে অবিদ্যাক যদি অভাৱাত্মক বুলি ধৰা হয়, তেন্তে ই কেনেদৰে ব্রহ্মক জগতৰূপে প্রতিভাত কৰে? গতিকে ৰামানুজাচার্য্যৰ মতে অবিদ্যা ভাৱাত্মক বা অভাৱাত্মক দুয়োটাৰ এটাও নহয়।

৪) **অনির্বচনীয়ত্যানুপপত্তি ঃ** অদ্বৈতবাদীসকলে অবিদ্যাক সতো নহয়, অসতো নহয় বুলি কোৱা কথাটো ৰামানুজাচার্য্যই যুক্তিহীন আৰু অযথার্থ বুলি কৈছে। ৰামানুজাচার্য্যৰ মতে ব্যক্তিৰ জ্ঞান হয় সদর্থক, নহ'লে নঞর্থক ৰূপৰে হয়। কিন্তু এই দুটাৰ উপৰিও তৃতীয় প্রকাৰৰ জ্ঞান, অর্থাৎ যথার্থও নহয়, অযথার্থও নহয়, 'অনির্বচনীয় কিবা এটা'— এয়া তর্ক শাস্ত্রবিৰোধী কথা।

৫) **প্রমাণানুপপত্তি ঃ** ই হ'ল অবিদ্যাৰ প্রমাণজনিত দোষ। ৰামানুজাচার্য্যই মত দাঙি ধৰিছে যে, প্রত্যক্ষ, অনুমান, আগম, অর্থাপত্তি আদি কোনো প্রমাণৰ দ্বাৰা অবিদ্যাৰ অস্তিত্ব প্রমাণ কৰিব নোৱাৰি। শাস্ত্রসমূহৰ দ্বাৰাও এনেকুৱা অনির্বচনীয় সত্তাৰ প্রমাণ পোৱা নাযায়। ৰামানুজৰ মতে শাস্ত্রসমূহত উল্লেখ কৰা আছে যে মায়া ঈশ্বৰৰ যথার্থ সৃষ্টি শক্তি যাৰ দ্বাৰা তেওঁ জগতখন সৃষ্টি কৰি আছে। গতিকে প্রমাণযোগ্য নহয়।

৬) **নিৰর্তকানুপপত্তি ঃ** অদ্বৈতবাদীসকলৰ মতে নির্বিশেষ ব্রহ্মজ্ঞান লাভ কৰিলে অবিদ্যা আঁতৰি যায়। কিন্তু ৰামানুজাচার্য্যৰ মতে জ্ঞান মাত্রেই উদ্দেশ্য-বিধেয় জড়িত আৰু বিশ্লেষণ-সংশ্লেষণাত্মক, যাৰ দ্বাৰা নির্গুণ নিৰাকাৰ অদ্বৈত সত্তাৰ জ্ঞান লাভ কৰিব নোৱাৰি। অদ্বৈতবাদীসকলে কোৱা এনেধৰণৰ যথার্থ জ্ঞান যিহেতু লাভ কৰিব নোৱাৰি, গতিকে অবিদ্যাকো আঁতৰ কৰিব নোৱাৰি।

৭) **নিবৃত্যনুপপত্তি ঃ** ৰামানুজৰ মতে অবিদ্যাৰ নিবৃত্তি সম্ভৱ নহয়। অদ্বৈতবাদীসকলে কৈছে যে অবিদ্যা ভাৱাত্মক। যি ভাৱাত্মক তাৰ কেতিয়াও নিবৃত্তি হ'ব নোৱাৰে বা কোনো জ্ঞানৰ দ্বাৰা অবিদ্যাক আঁতৰাব নোৱাৰি। ৰামানুজাচার্য্যৰ মতে একমাত্র নিষ্কাম কর্ম, জ্ঞান, ভক্তি আৰু ঈশ্বৰৰ ওচৰত আত্মসমর্পণৰ দ্বাৰা জীৱই অজ্ঞানতাৰ পৰা মুক্তি লাভ কৰিব পাৰে। তেওঁৰ মতে কর্মই হৈছে জীৱৰ বন্ধনৰ কাৰণ। কর্ম এটা যথার্থ আৰু ভাৱাত্মক অস্তিত্ব। ঈশ্বৰৰ অনুগ্রহত এই কর্মৰ বান্ধোনৰ পৰা মুক্ত হ'লে স্বাভাৱিকতে অজ্ঞানতাও আঁতৰি যায়। তাকেই মুক্তি বোলে। অবিদ্যাক আঁতৰ কৰা মানে মুক্তি নহয়।

ৰামানুজাচার্য্যই অদ্বৈতবাদীসকলৰ মায়াতত্ত্বৰ বিৰুদ্ধে আগবঢ়োৱা যুক্তি প্রসঙ্গত ইয়াকে ক'ব পাৰি যে— অবিদ্যা যিহেতু যথার্থ নহয়, ই কেৱল এটা অধ্যাস প্রক্রিয়া বা ভ্রান্ত বিধায়নহে, সেইবাবে ইয়াক আঁতৰ কৰাটো একো অসম্ভৱ কথা নহয়। যথার্থ জ্ঞানৰ উদয় হ'লেই ভ্রম আঁতৰি যায়। কিন্তু এই যথার্থ জ্ঞান উদ্দেশ্য বিধেয় জড়িত দ্বন্দ্বাত্মক নহয়। এইটো এটা বিষয়ৰ সাক্ষাৎ উপলব্ধি, যাৰ দ্বাৰা মোক্ষ লাভ কৰিব পাৰি। ৰামানুজাচার্য্যই নিজেও ঠিক একেদৰেই ভক্তিৰ দ্বাৰা ঈশ্বৰৰ ওচৰত আত্মসমর্পণ কৰি অর্থাৎ ঈশ্বৰৰ সৈতে একাত্মবোধ কৰি মোক্ষ লাভ কৰিব পাৰি বুলি কৈছে। এই ভক্তি বা আত্মসমর্পণ হৈছে বিষয়ৰ সাক্ষাৎ উপলব্ধি।

৮.৪.৪ জীৱ আৰু তাৰ বন্ধনমুক্তি

ৰামানুজৰ মতে দেহবিশিষ্ট আত্মাই হৈছে জীৱ। জীৱ ব্রহ্মৰ অংশ, জীৱ ব্রহ্মৰ পৰা পৃথক নহয়। জীৱ আৰু ব্রহ্মৰ মাজৰ যি অভেদ সেয়া একান্ত অভেদ নহয়, সেয়া হৈছে বিশিষ্ট অভেদহে। জীৱ অনেক কিন্তু ব্রহ্ম এক আৰু অদ্বিতীয়। জীৱ সসীম কিন্তু ব্রহ্ম অসীম আৰু সর্বব্যাপী। ব্রহ্মৰ চিৎ অংশৰ পৰা জীৱৰ উদ্ভৱ হৈছে। জীৱাত্মা অংশ আৰু ব্রহ্ম হৈছে অংশী। জীৱ নিত্য আৰু পৰম সৎ হোৱা সত্ত্বেও জীৱ ব্রহ্ম নির্ভৰ। এই অর্থত জীৱ ব্রহ্ম নির্ভৰ।

ৰামানুজৰ মতে চৈতন্য হৈছে আত্মাৰ স্বাভাৱিক ধর্ম। চৈতন্যই বদ্ধ আৰু মুক্ত সকলো অৱস্থাতে আত্মাক আশ্রয় কৰি থাকে। বদ্ধ জীৱৰ পাঁচোটা অৱস্থা পোৱা যায়— জাগ্রত, স্বপ্ন, সুষুপ্তি, মূর্ছা আৰু মৰণ। এই পাঁচোটা অৱস্থাতে চৈতন্য থাকে। মুক্ত জীৱ হৈছে পূর্ণ চেতনাবিশিষ্ট। চৈতন্য স্বৰূপ আত্মা হৈছে জ্ঞাতা। ৰামানুজৰ মতে আত্মা

যেনেদৰে জ্ঞাতা, তেনেদৰে কর্তা আৰু ভোক্তাও। নিজ নিজ কর্ম অনুসৰি ফলভোগৰ কাৰণে জীৱই জন্মগ্রহণ কৰে।

ৰামানুজৰ মতে জীৱ তিনি প্রকাৰৰ— নিত্যমুক্ত, মুক্ত আৰু বদ্ধ। নিত্যমুক্ত জীৱৰ কেতিয়াও বন্ধন নহয়। মুক্ত জীৱ এসময়ত বদ্ধ থাকে আৰু জ্ঞান, **কর্ম** আৰু ভক্তিৰ সহায়ত বন্ধন অৱস্থাৰ পৰা মুক্তি লাভ কৰে। আনহাতে বদ্ধ জীৱ অবিদ্যা আৰু সকাম কর্মৰ ফলত সংসাৰচক্রত আৱর্তিত হৈ থাকে।নিজ কর্মানুযায়ী জীৱাত্মাই একোটা জড় দেহ ধাৰণ কৰে। অবিদ্যাবশতঃ জীৱাত্মা দেহৰ লগত যুক্ত হয় আৰু জীৱৰ চৈতন্য দেহৰ দ্বাৰা সীমিত হৈ পৰে। যেতিয়াই জীৱই জাগতিক বিষয় ভোগৰ কাৰণে সকাম কর্ম কৰে তেতিয়া জীৱ দেহ বন্ধনত আৱদ্ধ হৈ পৰে। নিষ্কাম কর্মইহে পূর্ব সঞ্চিত কর্মৰ ক্ষয় কৰি তত্ত্বজ্ঞানৰ জন্ম দিয়ে। কর্মৰ লগত জীৱৰ সম্বন্ধ অনাদি। মোক্ষ অৱস্থাত জীৱ সকাম কর্মৰ পৰা মুক্ত হৈ শুদ্ধ চৈতন্যৰূপে প্রকাশিত হয়।

ৰামানুজৰ মতে জীৱৰ জীৱত্বৰ পূর্ণ বিকাশেই হৈছে মোক্ষ। নিষ্কাম কর্ম সম্পাদনৰ জৰিয়তে জীৱই মোক্ষ লাভ কৰিব পাৰে। মুক্তিকামী সাধকে নিত্যকর্ম সম্পাদন কৰা আৰু **'সপ্তসাধন'** কৰাটো অত্যাৱশ্যকীয়। অৱশ্যে কেৱল সপ্ত সাধনৰ অনুশীলনেই মোক্ষ লাভৰ কাৰণে একমাত্র পথ নহয়। নিষ্কাম কর্মৰ মাজেৰে চিত্ত শুদ্ধি কৰা, সদ্‌গুৰুৰ ওচৰত ব্রহ্মজ্ঞান লাভ কৰা, ঈশ্বৰ ভক্তি তথা ঈশ্বৰ উপাসনাও মোক্ষ লাভৰ বাবে প্রয়োজনীয়। মুক্তিকামী ব্যক্তি এগৰাকীয়ে ঈশ্বৰৰ ওচৰত সর্বতোপ্রকাৰে আত্মসমর্পণ কৰি নিৰন্তৰ ঈশ্বৰৰ ধ্যানত জীৱন অতিবাহিত কৰি ঈশ্বৰৰ কৃপালাভ কৰি মোক্ষ লাভ কৰে। কর্ম, জ্ঞান আৰু ভক্তি এই তিনিটা মার্গৰ সমন্বয়ৰ জৰিয়তেহে মোক্ষ লাভ কৰিবলৈ সম্ভৱ হয় বুলি ৰামানুজে এনেদৰে মত দাঙি ধৰিছে।

জীৱন্মুক্তি আৰু বিদেহমুক্তিৰ ভিতৰত ৰামানুজে জীৱন্মুক্তিত বিশ্বাস নকৰে। তেওঁৰ মতে মোক্ষ লাভৰ পাছত আত্মা কেতিয়াও অচিৎ দেহাৰ লগত থাকিব নোৱাৰে। মোক্ষপ্রাপ্তি জীৱ ব্রহ্ম নহয়, কেৱল ব্রহ্মৰ নিচিনা হয়।

কর্মক দুভাগত ভাগ কৰা হয় — সকাম কর্ম আৰু নিষ্কাম কর্ম। ৰামানুজে সকাম কর্মক অজ্ঞান আৰু নিষ্কাম কর্মক জ্ঞান আখ্যা দিছে।

সপ্তসাধন হ'ল — ১) 'বিবেক' বা অশুদ্ধ আহাৰ আৰু পানীয় বর্জন, ২) 'বিমোক' বা কামনা পৰিহাৰ, ৩) 'অভ্যাস' বা দুঃসাধ্য কর্মৰ অনুশীলন, ৪) 'ক্রিয়া' বা যজ্ঞানুষ্ঠান, ৫) 'কল্যাণ' বা সততা, সৰলতা, দয়া, অহিংসা, দান আৰু পৰদ্রব্যত উদাসীনতা, ৬) মানসিক দৈন্য আৰু দুর্বলতা বর্জন, ৭) অতি সন্তোষ বা অতি বিশ্বাস পৰিহাৰ।



জানি থোৱা ভাল

ঈশ্বৰ সম্পর্কে ৰামানুজৰ ধাৰণা ঃ ৰামানুজৰ মতে ঈশ্বৰ সর্বজ্ঞ, সর্বশক্তিমান, সক্রিয় আৰু স্বাধীন। ঈশ্বৰ দেহ বন্ধনৰ কাৰণ নহয়, বন্ধনৰ কাৰণ হৈছে কর্ম। ঈশ্বৰ যদিওবা দেহবিশিষ্ট, ই বদ্ধ নহয়। ঈশ্বৰ হৈছে এক সচেতন পুৰুষ। ধর্মত যি ঈশ্বৰৰ ধাৰণা পোৱা যায়, ৰামানুজেও সেই ধাৰণাকে গ্রহণ কৰিছে। ঈশ্বৰ হৈছে পৰম তত্ত্ব যি সকলো বস্তুৰ আধাৰ আৰু নিয়ন্ত্রণকর্তা, কর্মফলদাতা, ভক্তৰ মনোবাঞ্ছা পূর্ণ কৰোঁতা। ঈশ্বৰৰ দাসত্ব প্রাপ্তিহে মানৰ জীৱনৰ পৰম পুৰুষার্থ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ৰামানুজে ৰচনা কৰা দুখন গ্রন্থৰ নাম লিখক।

.....

প্রশ্ন ২ ঃ ৰামানুজৰ মতে তত্ত্ব কেইপ্রকাৰৰ আৰু কি কি?

.....

.....

প্রশ্ন ৩ ঃ 'ৰামানুজ'ৰ মতে জগত ব্রহ্মৰ বিবর্ত নহয়, পৰিণামহে।' (সঁচা নে মিছা লিখক)

.....

প্রশ্ন ৪ ঃ ৰামানুজৰ মতে জড়জগতৰ উৎপত্তি ক'ৰ পৰা হৈছে?

.....

প্রশ্ন ৫ ঃ 'সপ্তধা অনুপপত্তি' কি কি?

.....

.....

প্রশ্ন ৬ ঃ 'বদ্ধ জীৱ'ৰ অৱস্থা কেইটাৰ নাম লিখক।

.....

প্রশ্ন ৭ ঃ ৰামানুজৰ মতে জীৱ কেইপ্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ৮ ঃ কর্মৰ ভাগ দুটাৰ নাম লিখক।

.....

প্রশ্ন ৯ ঃ মুক্তি কেইপ্রকাৰৰ আৰু কি কি?

.....

৮.৫ অন্যান্য বেদান্ত সম্প্রদায়

আপুনি ইতিমধ্যে ৰামানুজৰ বিশিষ্টাদ্বৈতবাদৰ বিষয়ে জানিব পাৰিলে। এই অংশত আপুনি মধ্বাচার্য্যৰ দ্বৈতবাদ, নিম্বার্কাচার্য্যৰ দ্বৈতাদ্বৈতবাদ আৰু বল্লভাচার্য্যৰ শুদ্ধাদ্বৈতবাদৰ বিষয়ে চমুকৈ জানিব পাৰিব।

৮.৫.১ দ্বৈতবাদ

মধ্বাচার্য্যৰ মতবাদক দ্বৈতবাদ বুলি কোৱা হয়। মধ্বৰ মতে জীৱ আৰু জগত ব্রহ্মৰ পৰা বেলেগ। ব্রহ্ম উপাস্য, কিন্তু জীৱ উপাসক। আকৌ ব্রহ্ম নিয়ন্ত্রক, জগত নিয়ম্য (শাসনৰ অধীন)। মধ্বাচার্য্যই পাঁচ প্রকাৰৰ ভেদ স্বীকাৰ কৰে— জীৱ আৰু

ঈশ্বৰৰ, জীৱ আৰু জড়ৰ, ঈশ্বৰ আৰু জড়ৰ, জীৱ আৰু জড়ৰ আৰু জড় আৰু জড়ৰ মাজত। এই ভেদ অনাদি আৰু অনিত্য। এই কাৰণে মধ্বাচার্য্যৰ মতবাদক দ্বৈতবাদ বুলি কোৱা হয়।

মধ্বাচার্য্যই তিনি প্ৰকাৰৰ জ্ঞানৰ উৎস স্বীকাৰ কৰে— প্ৰত্যক্ষ, অনুমান আৰু শব্দ। বিষয়ৰ লগত ইন্দ্ৰিয়ৰ, ইন্দ্ৰিয়ৰ লগত মনৰ আৰু মনৰ লগত আত্মাৰ সংযোগৰ ফলত প্ৰত্যক্ষ জ্ঞান উৎপন্ন হয়। ইন্দ্ৰিয়সমূহ হ'ল নিমিত্ত কাৰণ। মধ্বৰ মতে সকলোবোৰ প্ৰত্যক্ষই **সবিকল্পক**। **নিৰ্বিকল্পক প্ৰত্যক্ষ** তেওঁ স্বীকাৰ কৰা নাই।



বিষয়ৰ বিশেষ লক্ষণ সম্পৰ্কে কোনো জ্ঞান নোহোৱাকৈ কেৱল বিষয়টোৰ অস্তিত্ব সম্পৰ্কে যি জ্ঞান হয় তাকে ***নিৰ্বিকল্পক প্ৰত্যক্ষ*** বোলে। যি প্ৰত্যক্ষত বস্তুৰ জাতি, গুণ, ধৰ্ম আদি সম্পৰ্কে জ্ঞান লাভ কৰা যায় তাকে **সবিকল্পক প্ৰত্যক্ষ** বোলে।

অনুমান হ'ল পৰোক্ষ জ্ঞান। ইব্যপ্তিৰ ওপৰত নিৰ্ভৰশীল। বিভিন্ন দিশৰ ওপৰত ভিত্তি কৰি অনুমানক বিভিন্ন ভাগত ভাগ কৰা দেখা যায়। কার্য্যানুমান, কাৰণানুমান আৰু অকার্য্য কাৰণানুমান হ'ল অনুমানৰ প্ৰধান তিনিটা ভাগ। শব্দ প্ৰমাণ হ'ল বিশ্বাসযোগ্য ব্যক্তিৰ বচন। মধ্বৰ মতে ই দুই প্ৰকাৰৰ— পৌৰুষেয় আৰু অপৌৰুষেয়। বেদৰ বচন হ'ল অপৌৰুষেয়। বেদ কোনেও ৰচনা কৰা নাই। ই নিত্য। পৌৰুষেয় শব্দ প্ৰমাণৰ কোনো স্বতঃপ্ৰামাণ্য নাই। ব্ৰহ্মক অকল শব্দ প্ৰমাণৰ জৰিয়তেহে জানিব পাৰি। অন্যান্য দার্শনিক সম্প্ৰদায়ে স্বীকাৰ কৰা উপমান, অর্থাপত্তি আৰু অনুপলব্ধি প্ৰমাণসমূহ স্বতন্ত্ৰ প্ৰমাণ নহয় বুলি মধ্বাচার্য্যই মত পোষণ কৰে।

মধ্বৰ মতে ব্ৰহ্মাই একমাত্ৰ স্বতন্ত্ৰ সত্তা। বিষ্ণুৱেই ব্ৰহ্ম। ব্ৰহ্ম হ'ল সগুণ আৰু নিত্য। জীৱ আৰু জগতো ব্ৰহ্মৰ দৰেই নিত্য আৰু সত্য যদিও জীৱ আৰু জগত ব্ৰহ্মৰ অধীন। ব্ৰহ্ম সক্ৰিয়। তেওঁ জগতৰ সৃষ্টিকর্তা, পালক আৰু ধ্বংসকর্তা। ব্ৰহ্ম হ'ল জগতৰ নিমিত্তকাৰণ। আনহাতে অচেতন প্ৰকৃতি হ'ল জগতৰ উপাদান কাৰণ। ব্ৰহ্ম অথবা বিষ্ণুৰ নিত্য সহচৰী হ'ল লক্ষ্মী। বিষ্ণুৰ পৰা পৃথক হ'লেও লক্ষ্মী কিন্তু বিষ্ণুৱেই আশ্ৰিতা। তেওঁ বিষ্ণুৰ ক্ৰিয়াশক্তিৰ প্ৰতীক। তেওঁ নিত্যমুক্ত। লক্ষ্মী হ'ল প্ৰকৃতি। মধ্বৰ মতে ঈশ্বৰৰ ইচ্ছাই হ'ল প্ৰকৃতি। ইয়াক মায়া, অবিদ্যা আদি নামেৰেও জনা যায়। প্ৰকৃতিৰ সহযোগত ব্ৰহ্মাই জগত সৃষ্টি কৰে। ব্ৰহ্মৰ দৰেই জগতো সত্য।

জীৱ অসংখ্য কিন্তু অনুপৰিমাণৰ। জীৱ জ্ঞানস্বৰূপ, জ্ঞাতা, কর্তা আৰু ভোক্তা। জীৱ প্ৰত্যেকেই প্ৰত্যেকৰ পৰা পৃথক। জীৱ ব্ৰহ্মৰ পৰাও পৃথক। মধ্বৰ মতে জীৱ তিনি প্ৰকাৰৰ— নিত্য, মুক্ত আৰু বদ্ধ। অবিদ্যাই হ'ল জীৱৰ বন্ধনৰ কাৰণ। ভক্তিয়েই হ'ল মুক্তিৰ একমাত্ৰ পথ। মুক্তি জীৱত্বৰ বিনাশ নহয়, ই হ'ল জীৱৰ পৰিপূৰ্ণ আনন্দময় এক অৱস্থা। মধ্বাচার্য্যই জীৱন্মুক্তি স্বীকাৰ নকৰে।

৮.৫.২ দ্বৈতাদ্বৈতবাদ

আচার্য্য নিম্বার্ক অথবা নিম্বাদিত্য অথবা নিয়মানন্দৰ মতবাদকে দ্বৈতাদ্বৈতবাদ বা ভেদাভেদবাদ বোলে। বহুকেইটা দিশৰপৰা নিম্বার্কৰ মতবাদ ৰামানুজৰ মতবাদৰ লগত মিলে।

আচার্য্য নিম্বার্কে ৰামানুজৰ দৰে তিনিটা তত্ত্ব স্বীকাৰ কৰে— ব্রহ্ম, জীৱ আৰু জগত। আচার্য্য নিম্বার্কৰ মতে কৃষ্ণই ব্রহ্ম। ৰাধা কৃষ্ণৰ সহচৰী। তেওঁ জগতৰ স্রষ্টা, পালক আৰু সংহাৰকর্তা। ব্রহ্ম সগুণ আৰু অসংখ্য গুণৰ আধাৰ। তেওঁ জগতৰ উপাদান কাৰণৰ লগতে নিমিত্ত কাৰণো। ব্রহ্ম আৰু জীৱ, ব্রহ্ম আৰু জগত স্বৰূপত আৰু ধর্মত ভিন্ন আৰু অভিন্ন। ব্রহ্ম কাৰণ, জীৱ আৰু জগত কার্য্য। কার্য্য আৰু কাৰণ যেনেদৰে স্বৰূপত আৰু ধর্মত ভিন্ন আৰু অভিন্ন। জীৱ আৰু জগত ব্রহ্মৰ কার্য্য হিচাপে যদিও ব্রহ্মস্বৰূপ অথবা ব্রহ্মাত্মক তথাপি ব্রহ্মৰ ব্রহ্মত্ব, জীৱৰ জীৱত্ব আৰু জগতৰ জগত্ব পৰস্পৰ ভিন্ন ভিন্ন। অর্থাৎ জীৱ আৰু জগত ব্রহ্মৰ কার্য্য হিচাপে ব্রহ্মৰ নিচিনাকৈ সত্য আৰু নিত্য হ'লেও ব্রহ্মৰ সকলো গুণ আৰু কার্য্য জীৱ আৰু জগতত নাই। আনহাতে, জীৱৰ সকলো গুণ আৰু কার্য্য জগতত নাই। গতিকে ভেদ আৰু অভেদ উভয়ে সমভাৱে সত্য, নিত্য আৰু স্বাভাৱিক। আচার্য্য নিম্বার্কৰ মতবাদক এইবাবেই ভেদাভেদবাদ বোলে।

আচার্য্য নিম্বার্কৰ মতে মোক্ষলাভৰ বাবে নিষ্কাম কর্মৰ আৱশ্যক। শাস্ত্রবিহিত নিষ্কামকর্ম যথাযথভাৱে পালন কৰিলে চিত্ত নির্মল হয় আৰু জ্ঞান লাভৰ সহায়ক হয়। মোক্ষলাভৰ প্রধান উপায় হ'ল ব্রহ্মজ্ঞান আৰু আত্মজ্ঞান। জ্ঞান, ভক্তি, ধ্যান আৰু **প্রপত্তি** —এই চাৰিটা সাধন যথাযথভাৱে পালন কৰিব পাৰিলে ব্রহ্মজ্ঞানৰ অধিকাৰী হ'ব পাৰি। নিম্বার্কৰ মতে জ্ঞান লাভ কৰিবৰ বাবে সন্ন্যাসী হোৱাৰ আৱশ্যক নাই। সংসাৰী ব্যক্তিয়েও ব্রহ্মজ্ঞান লাভ কৰিব পাৰে। নিম্বার্কে জীৱন্মুক্তি স্বীকাৰ নকৰে। মুক্তিপ্রাপ্ত জীৱই '**ব্রহ্মসাযুজ্য**' লাভ কৰে যদিও ব্রহ্মৰ সৈতে অভিন্নতা লাভ নকৰে।



প্রপত্তি ঃ ঈশ্বৰৰ ওচৰত সম্পূর্ণ আত্মসমর্পণ আৰু গুৰুৰ ওচৰত আত্মসমর্পণ কৰাকে প্রপত্তি বোলে।

ব্রহ্মসাযুজ্য ঃ ব্রহ্মগুণ লাভ কৰি ব্রহ্মসাদৃশ্য প্রাপ্ত হোৱা।

৮.৫.৩ শুদ্ধাদ্বৈতবাদ

বল্লভাচার্য্যৰ দার্শনিক মতবাদক শুদ্ধাদ্বৈতবাদ বুলি কোৱা হয়। বল্লভাচার্য্যৰ মতে ব্রহ্ম আৰু জীৱজগত অভিন্ন, কাৰণ ব্রহ্ম জীৱ আৰু জগতৰূপে আৱির্ভাৱ হৈছে। তেওঁৰ মতে ব্রহ্ম সজাতীয়, বিজাতীয় আৰু স্বগতভেদৰহিত। ব্রহ্ম একেধাৰে নির্গুণ আৰু সগুণ সচ্চিদানন্দ স্বৰূপ। ব্রহ্ম শুদ্ধ, সর্বশক্তিমান আৰু সক্রিয়। ব্রহ্ম জগতৰ স্রষ্টা, পালনকর্তা আৰু বিনাশকাৰী। ব্রহ্ম জগতৰ উপাদান কাৰণ আৰু নিমিত্ত কাৰণ দুয়োটাই। তেওঁৰ তিনিটা ৰূপ— আধিদৈৱিক, অক্ষৰ আৰু অন্তর্যামী।

বল্লভাচার্য্যৰ মতে জীৱ ব্রহ্মৰ নিচিনাকৈ উৎপত্তি বিনাশহীন, শুদ্ধ জ্ঞাতা, কর্তা, ভোক্তা জ্ঞান স্বৰূপ আৰু অনুপৰিমাণ স্বৰূপ। জীৱ ব্রহ্মৰ পৰিমাণ বা কার্য্য। জীৱ তিনি প্রকাৰৰ— শুদ্ধ, সংসাৰী আৰু মুক্ত। সংসাৰী জীৱ জন্ম-মৰণশীল। কিন্তু মুক্ত জীৱ সংসাৰ চক্রৰ পৰা মুক্ত আৰু পুনর্জন্মৰহিত। ব্রহ্মই একমাত্র ক্রীড়া কৰিবৰ বাবেই জগত সৃষ্টি কৰে। একৰ পৰা বহুত হ'বৰ বাবে ইচ্ছা কৰি প্রকৃততে ব্রহ্মই জীৱ জগত হিচাপে পৰিণত হৈছে। জুইৰ পৰা যেনেদৰে অগ্নিস্ফুলিঙ্গ বিস্ফোৰিত হয়, সেইদৰে

ব্রহ্মৰ পৰা জগত আৰু জীৱৰ উদ্ভৱ হয়। সৃষ্টি আৰু ধ্বংস দৰাচলতে ব্রহ্মৰ গুণৰাশিৰ আৱির্ভাৱ আৰু তিৰোভাৱহে।

বল্লভাচার্য্যই মত দাঙি ধৰিছে যে কার্য্য আৰু কাৰণ যেনেদৰে অভিন্ন, তেনেদৰে ব্রহ্ম আৰু জীৱ জগত অভিন্ন। ব্রহ্ম স্বয়ং জীৱ জগত। ব্রহ্মই হ'ল একমাত্র সত্য। ব্রহ্ম মায়াৰে আবৃত নহয়। ব্রহ্ম শুদ্ধ। গতিকে বল্লভাচার্য্যৰ মতবাদক শুদ্ধাদ্বৈতবাদ বোলা হয়।

জীৱৰ বন্ধনৰ কাৰণ হ'ল অবিদ্যা। শুদ্ধ জ্ঞান লাভ কৰাৰ পিছত জীৱ বন্ধনৰ পৰা মুক্ত হয়। মুক্ত জীৱই ব্রহ্মৰ লগত নিজৰ অভিন্নতা উপলব্ধি কৰে আৰু পৰম আনন্দ লাভ কৰে। তথাপিও কিন্তু মুক্ত জীৱ ব্রহ্মৰেই দাস।

বল্লভাচার্য্যই তিনি প্রকাৰৰ জ্ঞানৰ উৎস স্বীকাৰ কৰে— প্রত্যক্ষ, অনুমান আৰু শব্দ। বল্লভৰ মতে সকলোবোৰ প্রত্যক্ষ সবিকল্পক প্রত্যক্ষ। অনুমান দুই প্রকাৰৰ— কেৱল ব্যতিৰেকী আৰু অন্বয়ব্যতিৰেকী। অনুমান আকৌ স্বার্থানুমান তথা পৰার্থানুমানো হয়। ন্যায় দর্শনৰ দৰে পৰার্থানুমানত পাঁচটা অবয়ব থাকে। সেইকেইটা হ'ল— প্রতিজ্ঞা, হেতু, উদাহৰণ, উপনয় আৰু নিগমন। বেদৰ বচনেই হ'ল শব্দ প্রমাণ, যাৰ জৰিয়তে ব্রহ্মক জানিব পাৰি। অন্যান্য প্রমাণসমূহ— উপমান, অর্থাপত্তি আৰু অনুপলব্ধি স্বতন্ত্র প্রমাণ নহয় বুলি বল্লভাচার্য্যই মত পোষণ কৰে।

বল্লভাচার্য্যই জীৱন্মুক্তি স্বীকাৰ নকৰে। জীৱৰ মুক্তি লাভৰ উপায়— জ্ঞান আৰু ভক্তি। মুক্তিৰ বাবে কঠোৰ সাধনা কৰাৰ আৱশ্যক নাই বুলি মত প্রকাশ কৰিছে। তেওঁৰ মতে দেহ হ'ল ঈশ্বৰৰ আৱাসস্থল। গতিকে তপস্যা, উপবাস আদি পালন কৰি দেহক কষ্ট দিয়াটো অনুচিত। মুক্তিৰ বাবে জ্ঞানমার্গ অৱলম্বন কৰা ব্যক্তিসকলে ব্রহ্মৰ নির্গুণ, অক্ষৰ ৰূপ দেখিবলৈ পায়। আনহাতে ভক্তিমার্গ অৱলম্বন কৰা সকলে কৃষ্ণৰ পৰমানন্দৰূপৰ সাক্ষাৎ পায়।



জানি থোৱা ভাল

বেদান্ত দর্শনৰ কেইগৰাকীমান উল্লেখযোগ্য দার্শনিকৰ চমু পৰিচয়—

১) গৌড়পাদ ঃ কিছুমান পণ্ডিতৰ মতে ৭ম শতিকাৰ শেষৰ ফালে অথবা অষ্টম শতিকাৰ আৰম্ভণিৰ ভালে আচার্য্য গৌড়পাদৰ আৱির্ভাৱ কাল। বাদৰায়ণৰ 'ব্রহ্মসূত্র'ক পদ্ধতিগতভাৱে ব্যাখ্যা কৰি বেদান্তদর্শনত অদ্বৈতবেদান্তক এটি পৃথক সম্প্রদায় হিচাপে অন্তর্ভুক্ত কৰে। অদ্বৈতবাদৰ ওপৰত ভিত্তি কৰি মাণ্ডুক্য উপনিষদৰ ওপৰত ভাষ্য লিখে। ইয়াকে মাণ্ডুক্য কাৰিকা বোলে। গীতা আৰু সাংখ্যদর্শনৰ ওপৰতো তেওঁ ভাষ্য লিখে। গৌড়পাদৰ দর্শনৰ মূল তত্ত্বটোক অজাতিবাদ বোলা হয়। 'অজাতি' মানে হ'ল যি সৎ তাৰ পৰা কোনো বিকাৰ নহয়, তাৰ পৰা কোনো সৃষ্টি হ'ব নোৱাৰে। ব্রহ্ম সৎ, তাৰ পৰা জগতৰ সৃষ্টি হোৱা

নাই। জগতখন ব্রহ্মৰ বিবর্তিত ৰূপহে। গৌড়পাদৰ দর্শনক অস্পর্শযোগ বোলাও হয়। কাৰণ পৰম সত্তা অনন্ত, অদ্বিতীয় ব্রহ্মক একমাত্র শুদ্ধ চৈতন্য বা শুদ্ধ জ্ঞানৰ দ্বাৰা সাক্ষাৎভাৱে লাভ কৰিব পাৰি।

২) **শঙ্কৰাচার্য্য ঃ** দক্ষিণ ভাৰতৰ কালাডি নামৰ গাঁৱত নাম্বুদ্রি বংশত শঙ্কৰাচার্য্যৰ জন্ম হয়। মেক্সমূলাৰৰ মতে ৭৮৮ খ্রীষ্টাব্দত শঙ্কৰাচার্য্যৰ জন্ম হৈছিল। শংকাৰাচার্য্যই আঠ বছৰ বয়সতে সন্ন্যাস গ্রহণ কৰে। বাৰ বছৰ বয়সতে সমগ্র বেদৰ ওপৰত পাণ্ডিত্য লাভ কৰি ষোল্ল বছৰ বয়সতে অগাধ পাণ্ডিত্যেৰে গ্রন্থৰাজিৰ ৰচনা শেষ কৰি উলিয়ায়। শঙ্কৰাচার্য্যৰ গুৰু হ'ল গোবিন্দপাদ। মাত্র বত্রিছ বছৰ বয়সতে তেওঁৰ দেহাৱসান হয়। তেওঁ ৰচনা কৰা বহুতো গ্রন্থৰ ভিতৰত মুখ্য গ্রন্থকেইখন হ'ল— ব্রহ্মসূত্র ভাষ্য, দশোপনিষদৰ ভাষ্য আৰু গীতাভাষ্য। অদ্বৈতবাদ যদিও শঙ্কৰাচার্য্যৰ পূৰ্বেই প্রতিপাদিত হৈছিল তথাপিও তেওঁকেই অদ্বৈতবেদান্তৰ মুখ্য দার্শনিক হিচাপে গণ্য কৰা হয়। শঙ্কৰাচার্য্যই কেৱল অদ্বৈতবাদ সুপ্রতিষ্ঠিত কৰাই নহয়, সেই সময়ৰ ভাৰতীয় সমাজত বৌদ্ধ ভিক্ষুসকলে সৃষ্টি কৰা বিশৃংখলতা দূৰ কৰিছিল। তদুপৰি শৈৱ আৰু শাক্ত উপাসকসকলে সৃষ্টি কৰা বিভীষিকাৰ বিৰুদ্ধে যুঁজ কৰি তেওঁ সেইবোৰৰ সংস্কাৰ সাধন কৰি সনাতন ধর্ম প্রচাৰ কৰে।

৩) **ৰামানুজ ঃ** ১০১৭ খ্রীষ্টাব্দত ৰামানুজৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল কেশৱ আৰু মাতৃৰ নাম কান্তিমতী। তেওঁ গুৰু যাদৱ প্রকাশ আৰু যমুনাচার্য্যৰ ওচৰত শিক্ষা গ্রহণ কৰিছিল। তেওঁ বেদান্তিক বৈষ্ণৱ গুৰু হিচাপে খ্যাতি লাভ কৰে। তেওঁ 'ব্রহ্মসূত্র'ৰ ওপৰত লিখা ভাষ্যখনৰ নাম হ'ল শ্রীভাষ্য। তেওঁ গীতা-ভাষ্য, বেদার্থ-সংগ্রহ, বেদান্ত-দীপ আদি গ্রন্থও ৰচনা কৰে। তেওঁ দক্ষিণ ভাৰতৰ কাঞ্চীপুৰত বাস কৰিছিল বুলি জনা যায়। ১১৩৭ খ্রীষ্টাব্দত তেওঁৰ মৃত্যু হয়।

৪) **মধ্বাচার্য্য ঃ** কর্ণাটকৰ উদিপি নামৰ গাঁওখনৰ ওচৰত ১১৯৯ খ্রীষ্টাব্দত মধ্বাচার্য্যৰ জন্ম হয়। মধ্বাচার্য্যক পূর্ণপ্রজ্ঞ আৰু আনন্দ তীর্থ নামে�ৰেও জনা যায়। অতি কম বয়সতে তেওঁ সংসাৰ ত্যাগ কৰি সন্যাস গ্রহণ কৰে। সৰু কালছোৱাতে তেওঁ বেদশাস্ত্রত ব্যুৎপত্তি লাভ কৰিছিল। ৭৯ বছৰ বয়সত মধ্বাচার্য্যৰ মৃত্যু হয়। তেওঁ ব্রহ্মসূত্রৰ ওপৰত লিখা ভাষ্যখনৰ নাম হ'ল 'অনুব্যাখ্যান'। তেঁও সর্বমুঠ ৩৭খন গ্রন্থ লিখা বুলি জনা যায়। তাৰ ভিতৰত ৭খন উপনিষদ ভাষ্য, গীতাভাষ্য, ভাগৱত-তাৎপর্য্য-নির্ণয়, মহাভাৰত-তাৎপর্য্য-নির্ণয়, তত্ত্ববিবেক আদি প্রধান।

৫) **নিম্বার্ক ঃ** নিম্বার্কৰ আবির্ভাৱকাল সম্পর্কে নিশ্চয়কৈ একো ক'ব নোৱাৰি যদিও পণ্ডিতসকলে ৰামানুজৰ পিছত তেওঁৰ আৱির্ভাৱ হৈছিল বুলি মত পোষণ কৰে। কাৰণ নিম্বার্কৰ ৰচনাৰাজিত ৰামানুজৰ নাম উল্লেখ আছে। তেওঁ ব্রহ্মসূত্রৰ ওপৰত লিখা ভাষ্যখনৰ নাম হ'ল 'বেদান্তপাৰিজাত সৌৰভ'। 'দশশ্লোকী', 'শ্রীকৃষ্ণস্তৱৰাজ', 'মধ্বমুখমর্দন' নামেৰে আন তিনিখন গ্রন্থও ৰচনা কৰে।

৬) **বল্লভ ঃ** শুদ্ধাদ্বৈতবাদৰ প্ৰৱৰ্তক মধ্বাচাৰ্য্যৰ জন্ম হয় ১৪৮১ খ্ৰীষ্টাব্দত। তেওঁৰ দেউতাকৰ নাম আছিল লক্ষ্মণভট্ট আৰু মাকৰ নাম আছিল জনমগুৰু। দক্ষিণ ভাৰতৰ এটা উল্লেখযোগ্য ব্ৰাহ্মণ পৰিয়ালৰ লোক আছিল তেওঁলোক। ব্ৰহ্মসূত্ৰৰ ওপৰত লিখা ভাষ্যখনৰ নাম হ'ল অনুভাষ্য। তেওঁ সৰ্বমুঠ ৮৪খন গ্ৰন্থ ৰচনা কৰা বুলি জনা যায়। এইবোৰৰ ভিতৰত ভাগৱত পুৰাণৰ ওপৰত লিখা সুবোধিনী ভাষ্য, তত্ত্বদীপ, প্ৰকাশ আদি প্ৰধান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১০ ঃ মধ্বাচাৰ্য্যৰ মতবাদটোৰ নাম কি?

.....

প্ৰশ্ন ১১ ঃ মধ্বাচাৰ্য্যই কেইপ্ৰকাৰৰ জ্ঞানৰ উৎস স্বীকাৰ কৰে?

.....

প্ৰশ্ন ১২ ঃ মধ্বাচাৰ্য্যৰ মতে জীৱ কেইপ্ৰকাৰৰ আৰু কি কি?

.....

প্ৰশ্ন ১৩ ঃ দ্বৈতাদ্বৈতবাদৰ প্ৰৱৰ্তক কোন?

.....

প্ৰশ্ন ১৪ ঃ আচাৰ্য্য নিম্বাৰ্কে স্বীকাৰ কৰা তত্ত্ব তিনিটাৰ নাম কি?

.....

প্ৰশ্ন ১৫ ঃ প্ৰপত্তি কাক বোলে?

.....

.....

প্ৰশ্ন ১৬ ঃ বল্লভাচাৰ্য্যই স্বীকাৰ কৰা ব্ৰহ্মৰ ৰূপ তিনিটা কি কি?

.....

প্ৰশ্ন ১৭ ঃ বল্লভাচাৰ্য্যৰ মতে জীৱৰ মুক্তিলাভৰ উপায় কেইটা আৰু কি কি?

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰামানুজৰ বিশিষ্টাদ্বৈতবাদৰ বিভিন্ন বিষয়বস্তুৰ বিষয়ে জানিব পাৰিলোঁ।
- শঙ্কৰাচাৰ্য্যৰ মায়াতত্ত্বৰ বিৰুদ্ধে ৰামানুজে দাঙি ধৰা যুক্তিসমূহৰ বিষয়ে অৱগত হ'লোঁ।
- দ্বৈতবাদৰ চমু পৰিচয় লাভ কৰিলোঁ।
- আচাৰ্য্য নিম্বাৰ্কৰ দ্বৈতাদ্বৈতবাদৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।

- বল্লভাচার্য্যৰ শুদ্ধাদ্বৈতবাদৰ চমু আভাস লাভ কৰিলোঁ।
- বেদান্ত দর্শনৰ কেইগৰাকীমান উল্লেখযোগ্য দার্শনিকৰ চমু পৰিচয় জানিব পাৰিলোঁ।



৮.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); ভাৰতীয় দর্শনত এভুমুকি; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্র,ভট্টাচার্য্য,নাৰায়ণ চন্দ্র; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্রাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Dasgupta, Surendranath (1991); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD.

1) Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.



৮.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ বেদার্থ সংগ্রহ, শ্রীভাষ্য।

২নং প্রশ্নৰ উত্তৰ ঃ ৰামানুজৰ মতে তত্ত্ব তিনিপ্রকাৰৰ— চিৎ (জীৱ), অচিৎ (জড়) আৰু ঈশ্বৰ বা ব্রহ্ম।

৩নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৪নং প্রশ্নৰ উত্তৰ ঃ ৰামানুজৰ মতে অচিৎ নামৰ তত্ত্বৰ পৰা জড়জগতৰ উৎপত্তি হৈছে।

৫নং প্রশ্নৰ উত্তৰ ঃ আশ্রয়ানুপপত্তি, তিৰোধানানুপপত্তি, স্বৰূপানুপপত্তি, অনির্বচনীয়ত্যানুপপত্তি, প্রমাণানুপপত্তি, নিৰার্তকানুপপত্তি আৰু নিবৃত্যনুপপত্তি।

৬নং প্রশ্নৰ উত্তৰ ঃ বদ্ধ জীৱৰ পাঁচোটা অৱস্থা— জাগ্রত, স্বপ্ন, সুষুপ্তি, মূর্ছা আৰু মৰণ।

৭নং প্রশ্নৰ উত্তৰ ঃ জীৱ তিনিপ্রকাৰৰ— নিত্যমুক্ত, মুক্ত আৰু বদ্ধ।

৮নং প্রশ্নৰ উত্তৰ ঃ সকাম কর্ম আৰু নিষ্কাম কর্ম।

৯নং প্রশ্নৰ উত্তৰ ঃ জীৱন্মুক্তি আৰু বিদেহমুক্তি।

১০নং প্রশ্নৰ উত্তৰ ঃ দ্বৈতবাদ।

১১নং প্রশ্নৰ উত্তৰ ঃ তিনিপ্রকাৰৰ জ্ঞানৰ উৎস— প্রত্যক্ষ, অনুমান আৰু শব্দ।

১২নং প্রশ্নৰ উত্তৰ ঃ জীৱ তিনিপ্রকাৰৰ— নিত্য, মুক্ত আৰু বদ্ধ।

১৩নং প্রশ্নৰ উত্তৰ ঃ আচার্য্য নিম্বার্ক।

১৪নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্ম, জীৱ আৰু জগত।

১৫নং প্রশ্নৰ উত্তৰ ঃ ঈশ্বৰৰ ওচৰত সম্পূর্ণ আত্মসমর্পণ আৰু গুৰুৰ ওচৰত আত্মসমর্পণ কৰাকে প্রপত্তি বোলে।

১৬নং প্রশ্নৰ উত্তৰ ঃ আধিদৈৱিক, অক্ষৰ আৰু অন্তর্য্যামী।

১৭নং প্রশ্নৰ উত্তৰ ঃ বল্লভাচার্য্যৰ মতে জীৱৰ মুক্তিলাভৰ উপায় হ'ল জ্ঞান আৰু ভক্তি।



৮.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বিশিষ্টাদ্বৈত শব্দটোৰ তাৎপর্য্য লিখক।

প্রশ্ন ২ ঃ 'সপ্তসাধন' কি লিখক।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বিশিষ্টাদ্বৈতবাদ অনুসৰি 'ব্রহ্ম' সম্পর্কে লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'সপ্তধা অনুপপত্তি'ৰ বিস্তৃত বিৱৰণ দাঙি ধৰক।

প্রশ্ন ২ ঃ 'শুদ্ধাদ্বৈতবাদ'ৰ বিষয়ে বহলাই লিখক।

*** ***** ***